# শঙ্কৰদেৱৰ নাট

# শঙ্কৰদেৱৰ নাট

সম্পাদনা
মহিম বৰা

Purchase with the assistance of
Foundation ... State Govt.

অসম প্ৰকাশন পৰিষদ
গুৱাহাটী ৭৮১ ০২১

SANKARDEVAR NAT : An anthology of Sankardeva's dramas edited by Mahim Bora and published by Satish Bhattacharyya Secretary Publication Board Assam Guwahati 781 021 Assam India. First edition February 1989. Pp 8 | 342 Price Rs. 40.00

প্ৰকাশক

সতীশ ভট্টাচাৰ্য্য

সচিব

অসম প্ৰকাশন পৰিষদ

গুৱাহাটী ৭৮১ ০২১

প্ৰথম প্ৰকাশ ফেব্ৰুৱাৰি ১৯৮৯

মূল্য ৪০.০০ টকা

মুদ্ৰক

ৰবীন বৰুৱা

ৰত্নিকা প্ৰিণ্টাৰ্ছ

গুৱাহাটী ৭৮১ ০০৭

# পাতনি

শ্ৰীমন্ত শঙ্কৰদেৱে (১৪৪৯—১৫৬৮ খ্ৰীষ্টাব্দ) মধ্যযুগীয় অসমৰ সামাজিক আৰু সাংস্কৃতিক জীৱনত এক অভূতপূৰ্ব পৰিবৰ্তনৰ সূচনা কৰে। অসমীয়াৰ আধ্যাত্মিক জীৱনৰ উৎকৰ্ষ সাধনত তেওঁৰ বিশিষ্ট অৱদান সৰ্ব-ভাৰতীয় ভাব-পৰিমণ্ডলত এক বিৰাট সংযোজন। শ্ৰীমন্ত শঙ্কৰদেৱতেই পোন প্ৰথমৰ বাবে জাতীয় সত্তাৰ সামগ্ৰিক ৰূপায়ণ ঘটিছে।

সমসাময়িক সমাজ আৰু ভক্তিধৰ্মৰ অভীপ্সিত উদ্দেশ্যৰ লগত খাপ খুৱাই তেওঁ ছখন নাট ৰচনা কৰে। শ্ৰীমন্ত শঙ্কৰ অসমীয়া ভাষাৰ প্ৰথম নাট্যকাৰ। চিহ্নযাত্ৰা তেওঁৰ প্ৰথম নাট যদিও সেইখনৰ কেৱল উল্লেখহে পোৱা যায়। শঙ্কৰদেৱৰ নাটৰ আদৰ্শত পিছৰ কালত প্ৰায় তিনি শতিকা জুৰি কেইবা কুৰিও নাট ৰচিত হয়। নাটসমূহৰ আদৰ্শ, কলা-কৌশল, ৰচনা-ৰীতি আদি বিষয়ে বিজ্ঞসকলে বহলাই আলোচনা কৰিছে।

অসম প্ৰকাশন পৰিষদে পুৰণি অসমীয়া সাহিত্য প্ৰকাশ আঁচনিৰ অন্তৰ্গত প্ৰকাশ কৰিবলৈ লোৱা শঙ্কৰদেৱৰ নাট প্ৰথম গ্ৰন্থ। পৰিষদৰ অনুৰোধ ক্ৰমে নাটকেইখনৰ সঙ্কলন আৰু সম্পাদনা কৰি দিয়া বাবে শ্ৰীমহিম বৰাদেৱক ধন্যবাদ জনালো।

সতীশ ভট্টাচাৰ্য্য
সচিব
অসম প্ৰকাশন পৰিষদ

গুৱাহাটী
ফেব্ৰুৱাৰি ১৯৮৯ চন

# সূচীপত্ৰ


| | |
|---|---|
| মুখ-বন্ধ | ১ |
| পত্নীপ্ৰসাদ | ৩১ |
| পাৰিজাত-হৰণ নাট | ৫১ |
| কালিদমন যাত্ৰা | ৯৯ |
| ৰুক্মিণীহৰণ নাট | ১৩৫ |
| কেলিগোপাল বা ৰাসক্ৰীড়া নাট | ১৮৯ |
| শ্ৰীৰামবিজয় নাট | ২৩১ |
| নাটকেইখনিৰ শব্দাৰ্থ আৰু প্ৰসঙ্গীয়া টোকা | ২৭৩ |
|     পত্নীপ্ৰসাদ | ২৭৫ |
|     পাৰিজাত হৰণ | ২৮১ |
|     কালিদমন নাট | ২৯৪ |
|     ৰুক্মিণীহৰণ নাট | ৩০১ |
|     কেলিগোপাল নাট | ৩১৭ |
|     শ্ৰীৰামবিজয় নাট | ৩৩১ |

# মুখ-বন্ধ

## ॥ এক ॥ বৰ্তমানৰ সংকলন সম্পৰ্কে এষাৰ

মহাপুৰুষৰ নাট দুখনিৰ সম্পাদনাৰ পাতনি স্বৰূপে যি দু আষাৰ জনাব লগীয়া হ'ল তাক আমি 'গন্ধ বাদন' নাম দিছোঁ। নাট-মেলা, গন্ধ গোৱা, ভাওনা আৰু নাট-সামৰণি—এই চাৰিটা অনুষ্ঠানৰেহে এখন ভাওন সম্পূৰ্ণাঙ্গ হয়। এই পাতনিৰ শেষত সুকীয়া এটা বিভাগত গন্ধ বাদন আৰু গায়ন বায়নৰ ধেমালি সম্পৰ্কে চমু আলোচনা কৰা হৈছে। ভাওনাৰ দিনা ভাওনাৰ আৰম্ভণিত 'গায়ন-বায়নৰ ধেমালি' বা 'ধেমালি উঠা' অনুষ্ঠান থাকে 'ধেমালি' বুলিও জনা যায়, সম্পন্ন কৰাৰ পিছতহে সূত্ৰধাৰী প্ৰবেশ কৰে আৰু সূত্ৰধাৰীৰ নিজস্ব নৃত্যৰ পিছতহে প্ৰকৃত ভাওনাৰ আৰম্ভণি। সংস্কৃত নাট্য-শাস্ত্ৰৰ 'পূৰ্ববঙ্গ' অনুষ্ঠানৰ লেখীয়া অঙ্কীয়া নাটৰ 'ধেমালি' অনুষ্ঠান। এই ধেমালি অনুষ্ঠানৰ বিভিন্ন অঙ্গ আছে আৰু সেইবিলাকৰ নিজা নিজা নাম আৰু বৈশিষ্ট্য আছে। এই ধেমালি অনুষ্ঠান পৰিচালনাৰ সম্পূৰ্ণ দায়িত্ব বৰ-বায়নজনৰ। তেওঁৰ নিৰ্দেশত লগৰ বায়নসকল আৰু বৰ-গায়ন প্ৰমুখ্যে বাকী গায়নসকল পৰিচালিত হয়।

সূত্ৰধাৰে নৃত্যৰ পিছত নান্দী শ্লোক পাঠ কৰে নান্দী গীত গায়, ভটিমা পাঠ কৰে (নৃত্যসহ) নাটকৰ বিষয়ে দৰ্শকক জনায় আৰু ভাবৰীয়াক প্ৰবেশ কৰায়। ইয়াৰ পিছত মুক্তি-মঙ্গল ভটিমাৰেলৈকে নাটকৰ সকলো কাৰ্যৰ দায়িত্বৰ উপৰিও ভাওনাৰ সৰ্বময় কৰ্তৃত্ব তেওঁৰ হাতলৈ নিয়ে। গায়ন-বায়ন সকলো তেওঁৰ নিৰ্দেশত এতিয়াৰ পৰা পৰিচালিত হয়।

ভাওনাত সূত্ৰধাৰৰ স্থান সম্পৰ্কে বহুল আলোচনাৰ প্ৰয়োজন এই পাতনিত নাই। এই সূত্ৰধাৰৰ বৈশিষ্ট্যই অঙ্কীয়া নাটক এটা নিজস্ব বৈশিষ্ট্য দিছে। ভাৰতীয় আঞ্চলিক নাট্য-সাহিত্যৰ বিকাশৰ ধাৰাত পুৰণি নাটসমূহৰ গুৰুত্ব অপৰিসীম। এই নাটসমূহ ভাৰতীয় নাট্যকলাৰ বিকাশৰ আগৰ অৱস্থাতে প্ৰচলিত থকা এক শ্ৰেণীৰ নাটকৰ নিদৰ্শন হ'ব পাৰে বুলি এজন বিখ্যাত পণ্ডিতে দিয়া মন্তব্যৰ বিষয়েও বহুখিনি চিন্তা

কৰিবলগীয়া আছে। তেখেতে লিখিছে ঃ "...The Ankianat of Assam represented by works of Sankardeva (1449 - 1568) and his followers is a type of drama which may be easily mistaken for folk plays of not very early date. But after a careful examination of its different features, it appears *to be the relic of a form of drama* which in all probability existed in India in the *pre-historic period of this arts.*" (*Contribution to the History of the Hindu Drama* by Dr. M.Ghosh, M.A., Ph.D.) [ গুৰুত্ব পৰ্ণ কথাখিনিত পকোৱা আখৰ দিয়া হৈছে—লেখক ।

তেনে এক শ্ৰেণীৰ নাট্য-কলাৰ অৱশিষ্ট নিদৰ্শন আমাৰ ওজা-পালি, ঢাৰীগান, ঢুলীয়া অনুষ্ঠান আদিও হ'ব পাৰে যিবিলাকক ভেটি কৰি শ্ৰীমন্ত শঙ্কৰদেৱে নিজৰ উদ্দেশ্যৰ লগত খাপ খুৱাই এক নতুন নাট্য-ৰূপৰ সৃষ্টি কৰি ভাৰতীয় নাট্য-শাস্ত্ৰৰ শান্তিয়নী ছটিয়াই দ্বিজত্ব দান কৰিলে। অঙ্কীয়া ভাওনা শ্ৰীমন্ত শঙ্কৰদেৱৰ নৱ-নিৰ্মাণ আৰু নৱ-সৃষ্টিও। আৰু এই সৃষ্টি আৰু নিৰ্মাণৰ শীৰ্ষ বিন্দুত স্থিত হৈছে ভাওনাৰ সূত্ৰধাৰজন।

সংস্কৃত বা প্ৰাকৃত কোনো প্ৰস্তুত আৰ্হি আগত নৰখাকৈ এই নতুন কলাৰূপৰ সৃষ্টি কৰিবলৈ যাওঁতে যে নাট্যকাৰে নানান পৰীক্ষা-নিৰীক্ষা চলাব লগা হৈছিল তাৰ প্ৰমাণ চৰিত-পুথিত পোৱা 'চিহ্ন-যাত্ৰা'ৰ বিৱৰণ আৰু বৰ্তমান হাতত থকা 'পত্নী-প্ৰসাদ' নাট। চৰিত পুথি মতে 'জন্মযাত্ৰা' আৰু 'কংসবধ' নামৰ আন দুখন নাটো শঙ্কৰদেৱে ৰচনা কৰিছিল। সেই দুখন নাট পিছত হেৰাল বুলিও চৰিত পুথিৰ মতেই জানিবলৈ পাওঁ। সেই দুখন নাট 'পত্নী-প্ৰসাদ'ৰ পিছৰ ৰচনা হ'ব বুলি ধাৰণা হয়। 'পত্নী-প্ৰসাদ'ৰ পিছত বৰ্তমানৰ আন নাটসমূহৰ ভিতৰত 'কালি-দমন' নাট ৰচিত হোৱা বুলি আলোচকসকলে কয়।

কিন্তু শঙ্কৰদেৱৰ নাট্য-প্ৰতিভাৰ চৰম আৰু মুক্ত স্ফুৰণ ঘটিছে 'পাৰিজাত-হৰণ' নাটতহে। সেই ফালৰ পৰা বিচাৰ কৰিলে 'পাৰিজাত-হৰণ' চতুৰ্থ বা পঞ্চম ৰচনা হ'ব পাৰে বুলি ধাৰণা হয় যদিও আন এটা প্ৰমাণৰ পৰা এই নাট উজনিৰ আহোমৰাজ্যত (বেলগুৰিত) থাকোঁতেই ৰচনা কৰা হয় বুলি সিদ্ধান্ত লবলৈ প্ৰৱল যুক্তি থাকে। সেয়ে হ'ল, 'পাৰিজাত-হৰণ'ৰ ভটিমাত শ্ৰীজগতানন্দৰ নামৰ উল্লেখ। দলপতি

জগতানন্দই আহোম ৰজাৰ পৰা 'ৰামৰায়' নাম বা উপাধি পোৱাৰ আগতেই 'পাৰিজাত-হৰণ' ৰচিত হৈছিল। পিছৰ নাটত প্ৰাসঙ্গিক ক্ষেত্ৰত জগতানন্দৰ ঠাইত 'ৰামৰায়'ৰ নামতে উল্লেখ কৰা হৈছে।

কিন্তু 'পত্নী-প্ৰসাদ'ত কলা-কৌশলগত বহুতো দুৰ্বলতা বা পৰীক্ষা-নিৰীক্ষাৰ চিন থকাৰ পিছতেই কলা-কৌশলগত পূৰ্ণতা লাভ কৰা 'পাৰিজাত-হৰণ' নাটৰ ৰচনা সম্ভৱ হৈছিলনে, এনে প্ৰশ্নও মনলৈ আহে। সেই ক্ষেত্ৰত, হেৰোৱা নাট দুখনৰ স্থান মাজৰ সময়খিনিত দিব পাৰিনকি সেই বিচাৰৰ ভাৰ সুধীসকলৰ ওপৰত। 'ৰুক্মিণী-হৰণ' নাটখনো উজনিত থাকোঁতেই ৰচনা কৰা হ'ব পাৰে বুলি ধাৰণা কৰাৰ যুক্তি আছে। ('ৰুক্মিণী-হৰণ' নাটৰ প্ৰসঙ্গীয়া টোকা চাওক)।

এনে কিছুমান বিবেচনাৰে শ্ৰীমন্ত শঙ্কৰদেৱৰ নাটকেইখনৰ ৰচনাৰ ক্ৰম এনেদৰে দিয়াৰ চেষ্টা কৰিছোঁ:

১. পত্নী-প্ৰসাদ
২. পাৰিজাত হৰণ
৩. কালি-দমন
৪. ৰুক্মিণী-হৰণ
৫. কেলি-গোপাল
৬. শ্ৰীৰাম-বিজয়

'কেলি-গোপাল' আৰু কালি-দমন'ৰ ক্ষেত্ৰত ৰচনাৰ আগ-পিছ হ'ব পাৰে। 'ৰাম-বিজয়' শেষ ৰচনা বুলি এটা প্ৰায় সৰ্ব-সন্মত সিদ্ধান্ত কৰা হৈছে, যদিও সকলো চৰিত-পুথিয়ে এই কথা কোৱা নাই। 'ৰাম-বিজয়' নাটৰ প্ৰসঙ্গীয়া টোকাত এই বিষয়ে বক্তব্য দাঙি ধৰিছোঁ।

'ইতি সূত্ৰ নিষ্ক্ৰান্ত' আৰু 'কথা': সংস্কৃত ৰূপকৰ আৰ্হিত 'ইতি সূত্ৰ নিষ্ক্ৰান্ত' বুলি অঙ্কীয়া নাটতো লিখা থাকিলেও কাৰ্যক্ষেত্ৰত সূত্ৰধাৰ নিষ্ক্ৰান্ত নহয়; বৰং সূত্ৰধাৰে নাটৰ ওপৰত আনকি গায়ন-বায়ন আৰু দৰ্শকৰ ওপৰতো সৰ্বময় কৰ্তৃত্বৰ বাঘ-জৰিডাল কোবা-মুঠিয়াকৈহে ধৰে; এই বিষয়ে বহুলাই দেখুৱাবলৈ এই পাতনিত

স্থান নাই। বিভিন্ন সুধীজনে এনে আলোচনা আগবঢ়াই গৈছে। এই লিখকৰো তেনে এটি আলোচনা 'চিন্তা বিচিত্ৰা' নামৰ প্ৰবন্ধ-সংকলনত সন্নিৱিষ্ট হৈছে। 'সূত্ৰ' বুলিলে নাটকত সূত্ৰধাৰজন আৰু সূত্ৰধাৰৰ বচন বা কথা দুয়োকো বুজায়। লিপিকাৰে কেতিয়াবা 'কথা-সূত্ৰ', কেতিয়াবা অকল সূত্ৰ', কেতিয়াবা 'কথা·· বোল' বুলি চৰিত্ৰৰ নাম উল্লেখ কৰি যায়। (ৰাম বোল, সীতা বোল, ইত্যাদি) সম্পাদনাৰ কাৰ্যত এইবিলাক পাৰ্থমানে শুবহু ৰাখিবলৈ চেষ্টা কৰিছোঁ।

এইখিনি লিখাৰ প্ৰয়োজন হ'ল এই কাৰণেই যে দুই-এজন সমালোচকে এই আশঙ্কা প্ৰকাশ কৰিব খোজে যে সূত্ৰধাৰজন যথাস্থানত নিষ্ক্ৰান্ত হ'ব পাৰে আৰু তেওঁৰ ঠাইত আন এজনে নাট-পৰিচালনাৰ দায়িত্ব ল'ব পাৰে। এনে আশঙ্কা ভেটিহীন। কাৰ্যক্ষেত্ৰত সূত্ৰধাৰেই এই সকলো দায়িত্ব লৈ আহিছে। বহুগুণসম্পন্ন, আধ্যাত্মিক আৰু দৈহিক শক্তিৰে অধিকাৰী লোককহে ৰাইজে সূত্ৰধাৰৰ সন্মান দি আহিছে আৰু গুৰুধাৰে ভকতৰ নিৰ্বাচনক সন্মান জনাই যথাযোগ্য নিৰ্মালি, আশীৰ্বাদ দি আহিছে। সূত্ৰধাৰে ভাওনাৰ শেষলৈকে নখোলে-ব্ৰতে থাকি গুৰু--ভকতক সেৱা জনাইহে ভাওনাঘৰত প্ৰৱেশ কৰে। গায়ন-বায়ন, কৃষ্ণ-ৰাম আদি মুখ্য ভাৱৰীয়াসকলেও নখোলে দিয়ে।

নাটক পঢ়িবৰ কাৰণে ৰচিত নহয়, অভিনয়ৰ কাৰণেহে ৰচিত। এসময়ত 'নাট-গোৱা' বুলিলে গৃহস্থই ভকত মাতি নাটখন পাঠ কৰোৱাৰ ব্যৱস্থা আছিল। তেতিয়াৰ দিনতো ভাওনাৰ কাৰণে একোখন নাট আন এঠাইৰ পৰা নি নকল পাণ্ডুলিপি কৰি লোৱা হৈছিল আৰু এতিয়াও সেই ব্যৱস্থাই চলিব লাগিছে। আধুনিক নাটৰ ক্ষেত্ৰতো প্ৰায় একে ব্যৱস্থাই যদিও পঠন-পাঠনৰ ক্ষেত্ৰত ছাত্ৰ শিক্ষকে নাট কিনিব লগা হৈছে। এই ক্ষেত্ৰত বিভিন্ন পৰিবেশ আৰু ধৰ্ম-বিশ্বাসৰ মাজৰ পৰা অহা ছাত্ৰ-ছাত্ৰীৰ কাৰণে অঙ্কীয়া নাটৰ সু-সম্পাদনাৰ প্ৰয়োজন। স্বৰ্গীয় ড' বিৰিঞ্চিকুমাৰ বৰুৱা আৰু স্বৰ্গীয় কালিৰাম মেধি ডাঙৰীয়াই অশেষ যত্ন আৰু ধৈৰ্যেৰে অঙ্কীয়া নাটসমূহৰ সম্পাদনা কৰি গ'ল। ইয়াৰ পিছত স্বৰ্গীয় ৰাজমোহন নাথ ডাঙৰীয়াই যি নিষ্ঠা, পাণ্ডিত্য আৰু ধৈৰ্যেৰে 'কালি-দমন' নাটখনৰ সম্পাদনা কৰি গ'ল, কোনো কোনো বিষয়ত মতান্তৰ থাকিলেও সেই কাৰ্য আৰ্হি-স্বৰূপ হৈ আছে। বৰ্তমানৰ 'কালি-দমন'ৰ সম্পাদনাৰ ক্ষেত্ৰত মই তেওঁৰ ওচৰত চিৰঋণী।

স্বৰ্গীয় হৰিনাৰায়ণ দত্তবৰুৱা দেৱে 'শ্ৰীশ্ৰীশঙ্কৰ-বাক্যামৃত'ত মহাপুৰুষৰ ৰচনাৱলী একত্ৰিত কৰি প্ৰকাশ কৰি গৈছে এয়া তেওঁৰ এটি অতি মহৎ কাম। স্বৰ্গীয় সৰ্বেশ্বৰ কটকীদেৱে 'কেলি গোপাল (ৰাস ক্ৰীড়া) নাটখন সম্পাদনা কৰিছিল। ডেকাচামৰ ভিতৰত শ্ৰীমান ড .কেশৱানন্দ দেৱ গোস্বামীয়ে অঙ্কমালা নাম দি কেইবাখনো পুৰণি নাটৰ সম্পাদনা কৰিছে। পাঠোপযোগীকৈ দুই-এখন নাটৰ সম্পাদনা অধ্যাপক তিলকচন্দ্ৰ মজুমদাৰ আদি দুই এজন অধ্যাপকে কৰিছে।

'অঙ্কীয়া নাট'—এনে এটি প্ৰমাদযুক্ত অৰ্বাচীন শব্দ ব্যৱহাৰ কৰিবলৈ গৈ মনটো এঙাই গৈছে। জানি-শুনিও ভুল শব্দ এটা চলাই দি এতিয়া আমাৰ উভতিব নোৱাৰা অৱস্থা। শ্ৰীমন্ত শঙ্কৰ-মাধৱৰ পিছৰ চৰিতকাৰসকলে ব্যৱহাৰ কৰি যোৱা 'অঙ্ক' শব্দটোকে এতিয়াও ৰাখিবলৈ চেষ্টা কৰা উচিত হ'ব। তাত প্ৰত্যয় যুক্ত কৰি এটা নতুন অৰ্থ প্ৰকাশ কৰাৰ কোনো যুক্তি নাই নাটকাৰ জনাই নিজে ব্যৱহাৰ কৰি যোৱা নাট, নাটক, নৃত্য, যাত্ৰা, ঝুমুৰাৰ যিকোনো এটা নামো (ঝুমুৰাৰ বাহিৰে) আমাৰ গ্ৰহণ কৰা উচিত হ'ব যেন লাগে।

প্ৰকাশন পৰিষদে অনুগ্ৰহ কৰি দিয়া এই দায়িত্বৰ ভাৰ গ্ৰহণ কৰাৰ পিছত হঠাৎ আকৌ স্বাস্থ্যৰ অৱনতি ঘটে আৰু লগতে নানা কেতবোৰ ব্যক্তিগত সমস্যাই জুমুৰি দি ধৰি মোক ঠেৰেঙা কৰি পেলায়। অলপ সকাহ পাই কামত হাত দিয়াৰ লগে লগেই বুজিলো এই দায়িত্ব পালনৰ প্ৰয়োজনীয় যোগ্যতাও মোৰ নাই। পৰিষদক দায়িত্ব ওভতাই দিয়াৰ সময়ো পাৰ হৈ গ'ল। তাৰ উপৰি নিজৰ দুৰ্বলতা বাহিৰত প্ৰকাশ কৰিবলৈও সংকোচ আহিল। যি বুজিলো, সংস্কৃত, প্ৰাকৃত, মৈথিলী আদি ভাষাৰ যথেষ্ট জ্ঞান, পুৰাণ আদি সাহিত্যৰ বিস্তৃত অধ্যয়ন আৰু সত্ৰীয়া সংস্কৃতিৰ লগত ঘনিষ্ঠ সম্পৰ্ক নাথাকিলে অঙ্কীয়া নাটৰ সু-সম্পাদনা অসম্ভৱ। এই নাটৰ ক্ষেত্ৰত নৃত্য-গীত-নাট্যশাস্ত্ৰৰো বহল জ্ঞানৰ প্ৰয়োজন।

বিভিন্ন সময়ত বিভিন্ন নকলকাৰৰ হাতত পৰি ভাষাৰ যথেষ্ট দুৰ্গতি হোৱাৰ উপৰিও সংস্কৃত শ্লোকবিলাকৰ অৱস্থা পুতৌ লগা হৈ পৰিছে। কেতিয়াবা নাটৰ চৰিত্ৰ আৰু ঘটনাৰো বিকৃতি ঘটিছে। 'শ্ৰীৰাম-বিজয়' আৰু 'ৰুক্মিণী-হৰণ' নাটত ইয়াৰ উদাহৰণ সুস্পষ্ট। সুধীসকলে সম্পাদনাৰ ক্ষেত্ৰত থকা দোষ-ত্ৰুটিখিনি আঙুলিয়াই দিলে আৰু মোৰ জীৱিত অৱস্থাত দ্বিতীয় সংস্কৰণ ওলালে বৰ্তমানৰ

দোষ-দুৰ্বলতাবিলাক আঁতৰাবলৈ চেষ্টা কৰিম। সেয়ে নহ'লেও, ভৱিষ্যতে উপযুক্ত লোকৰ হাতত সু-সম্পাদিত হ'ব—'কালোহ্যয়ং নিৰৱধি বিপুলা চ পৃথ্বী'।

যোৰহাটৰ শ্ৰদ্ধেয় শ্ৰীযুত যতীন্দ্ৰনাথ গোস্বামীদেৱে তেওঁৰ হাতত থকা, শ্ৰদ্ধেয় অধ্যাপক এ. টি. বিশ্বাসদেৱৰ অঙ্কীয়া নাটৰ শ্লোকৰ ওপৰত কৰা এটি পাঠ-সমালোচনাৰ ছপাপাত কেইখিলা দি এই কামত যথেষ্ট সহায় কৰিলে। (A *Textual Criticism of Sanskrit Verses in Old Assamese Dramas*—by Prof. A. T. Biswas published in the Journal of the University of Gauhati, vol vii, 1956) কিন্তু এই অফ প্ৰিণ্টখিনিও আচলতে তেওঁৰ প্ৰবন্ধটোৰ পুনৰ্মুদ্ৰণহে। ইয়াতো দুই-এটা শব্দ হাতেৰে শুধৰোৱা আছে। যি কি নহওক, এই সুযোগতে তেওঁৰ ঋণ স্বীকাৰ কৰিলোঁ।

বাকী যিসকলৰ পৰা বিভিন্ন ধৰণে সহায় পাইছোঁ সেইসকল হ'ল নতুন কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ প্ৰভু, সেই সত্ৰৰ বুঢ়াভকত শ্ৰীযুত দেৱেন্দ্ৰ নাথ বায়ন আতা, দুজন প্ৰাক্তন ছাত্ৰ অধ্যাপক শ্ৰীমান ড° নৰেন কলিতা আৰু অধ্যাপক শ্ৰীমান যোগেন্দ্ৰনাৰায়ণ ভূঞা। লগতে, সংস্কৃত শ্লোকৰ আলোচনাৰ যোগেদি শব্দাৰ্থ উলিয়াই নিজৰ বহু ব্যস্ততাৰ মাজতো মূল্যবান সময় খৰচ কৰোঁতা এ. ডি. পি কলেজৰ সংস্কৃত বিভাগৰ অধ্যাপক ড° শ্ৰীযুত থানেশ্বৰ শৰ্মাদেৱৰ নাম এই গ্ৰন্থৰ লগত বিশেষভাৱে জড়িত হৈ থাকিল। সকলোৰে ঋণ-স্বীকাৰ কৰাৰ বাহিৰে আন উপায় নাই—'চিৰকাল শুজা নযায় ধাৰ'।

আনহাতে শ্লোকৰ ক্ষেত্ৰত হৈ যোৱা ভুল-ভ্ৰান্তিৰ লগত ড° শৰ্মাৰ নাম আৰু অন্যান্য ত্ৰুটি বিচ্যুতিৰ লগত এই সকল ব্যক্তিৰ নাম কোনো ধৰণে জড়িত নহয়। সম্পাদনা-কাৰ্যৰ সকলো দোষ-ত্ৰুটিৰ দায়িত্ব মোৰ।

## ॥ দুই ॥ গন্ধ-বাদন আৰু গায়ন-বায়নৰ যোৰা

ভাওনাৰ অঙ্গ-স্বৰূপ চাৰিটা প্ৰধান অনুষ্ঠান হ'ল (ক) নাট-মেলা (খ) গন্ধ গোৱা বা গন্ধ-বাদন (গ) যোৰা-উঠা বা গানিকা (ঘ) নাট-সামৰণি।

(ক) নাট-মেলাৰ দিনা সন্ধ্যা ৰাইজে স্থানীয় নামঘৰত গোট খাই বন্তি-শলিতা দি প্ৰসাদৰ শৰাই, গুৱা-পাণ, অবিহণা আগবঢ়ায়। পুথি পঢ়ি দণ্ডৱতে থাপনাত সেৱা জনাই নাট-মেলিবলৈ ৰাইজে মানস কৰাৰ কথা ব্যক্ত কৰিব আৰু ভাওনাৰ সকলো বিপদ-আপদ দূৰ কৰিবলৈ ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনাব। পিছত যথাযোগ্য ভাও বিতৰণ কৰি নাটৰ শ্লোক বা গীত এটি গাই নাট মেলা অনুষ্ঠানৰ সামৰণি মাৰি প্ৰসাদ বিতৰণ কৰি ঘৰা-ঘৰি যাব। পিছদিনাৰ পৰা নিয়মিত আখৰা আৰম্ভ হ'ব।

(খ) গন্ধ-বাদন অনুষ্ঠান ভাওনাৰ আগদিনা সন্ধ্যা নামঘৰত আয়োজিত কৰা হয়। সেইদিনাও তেল-শলিতা, মাহ-প্ৰসাদৰ শৰাই, গুৱা-পাণ-অবিহণা আগবঢ়াই নাম-প্ৰসঙ্গ কৰি গীত-বাদ্যৰ অধিষ্ঠাতা দেৱতা গন্ধৰ্বসকলক স্থাপনা কৰা হয়। ভাওনা অনুষ্ঠান সুকলমে সম্পন্ন হ'বৰ কাৰণে প্ৰাকৃতিক বা অন্যান্য বিপদৰ পৰা মুক্ত ৰাখিবৰ কাৰণে থাপনাৰ আগত আঠু লৈ প্ৰাথনা জনোৱা হয়। এই উপলক্ষে এটি বিশেষ গীত গোৱা হয়,—যাৰ নাম গান্ধৰ্ব গীত (কৰত গান্ধৰ্ব বিধি বিহাৰ ইত্যাদি)। এই গীত মহাপুৰুষ দুজনাৰ দ্বাৰা ৰচিত নহয় আৰু ভণিতাত ৰচকৰ নাম নাই * গীতৰ পিছত জোৰণি, গুৰুঘাত, ৰহা-চাহিনী আদি ভাওনাৰ দিনা কৰা বাদ্যৰ অনুষ্ঠান পালন কৰা হয়।

কোনো সত্ৰত গুৰু-ঘাতৰ পাছত দুটা গীত গোৱা হয়: এটা বসন্ত ৰাগত আনটো কেদাৰ বা ভাটিয়ালী ৰাগত। এই গীত দুটা মহাপুৰুষৰ ৰচনা।[১]

এই গীত দুটাৰ অন্তত প্ৰসঙ্গীয়া নাম গাব। 'দশম' বা 'ৰত্নাৱলী' পুথিৰ পৰা পাঠ পঢ়িব। পাঠৰ পাছত আশীৰ্বাদ, প্ৰসাদ-বিতৰণ। এয়ে গন্ধ-বাদন অনুষ্ঠানৰ সামৰণি।

---

*গান্ধাৰ গীতটি এই আলোচনাৰ শেষত দিয়া হৈছে।

১(ক) অন্তৰে কহয়ছে কহসি মাই। হৰিত ভকতি সতী কোন নিমিলায় ॥...

(খ) শ্যামচান্দ মুখ পেখলোমাই ...

আনহাতে কোনো ঠাইত 'বহা-চাহিনী'ৰ পিছতে 'চোক্-ধেমালি' বুলি আন এটা বাদ্য-বাদন অনুষ্ঠানৰ ব্যৱস্থাও আছে। এই 'চোক্-ধেমালি'ত বেলেগ বেলেগ ঘাতত তিনিটা চোক্ বজাব। বহা-চাহিনীত বহি বাদ্য বজাব, চোক-ধেমালিত থিয় হৈ ভৰিৰ চালনা অৰ্থাৎ নিৰ্দিষ্ট তাল আৰু লয়ত ভৰিৰ আগ-পিছ থাকিব

'চোক্-ধেমালি'ৰ পিছত নামঘৰৰ খোলা পথা ঠাইখিনিত হাত ফৰাই গায়ন-বায়ন সকলো বহি লৈ 'গুৰু-ঘাত' মাৰিব। গুৰুঘাতত এখন বাদ্য বজাব

গুৰু-ঘাতৰ পাছত 'গীতৰ ঘাত'। এতিয়াহে গন্ধ-গীত (সাধাৰণতে বসন্ত বা ধনশিৰী ৰাগৰ মহাপুৰুষ দুজনাৰ যি কোনো এজনাৰ ৰচিত গীত) গাই অন্তত সব জনাই প্ৰাৰ্থনা কৰিব।

স্থানভেদে বা সত্ৰভেদে অনুষ্ঠানৰ বিভিন্ন অংগৰ সৰু-টুটি থাকিলেও মূল গন্ধ-বাদন অনুষ্ঠানৰ ৰূপ একেটাই। বৰ্তমানৰ আলোচনাত গন্ধ-বাদন অনুষ্ঠানৰ যি তিনিটা বেলেগ বিৱৰণ দিয়া হ'ল, তাৰ প্ৰথম ভাগটো মাজুলীৰ সত্ৰ অঞ্চলত, দ্বিতীয় ভাগটো কলিয়াবৰৰ পোৱাভেটি আদি সত্ৰ অঞ্চলত আৰু শেষৰ ভাগটো হাটবৰ (কলিয়াবৰ) অঞ্চলত পালন কৰা হয়।

গন্ধ-বাদনত 'গন্ধৰ দেৱতাক স্থাপন কৰা' বুলি সকলোৱে নকয়। শ্ৰীকৃষ্ণকহে গন্ধ-পুষ্প, তেল আদি দি পূজা কৰা হয়।

(গ) মূল ভাওনাৰ দিনাৰ যাৱতীয় অনুষ্ঠান প্ৰকৃততে পুৱাৰ পৰাই আৰম্ভ হয়। পুৱা, দুপৰীয়া আৰু আবেলি তিনি প্ৰসঙ্গ (খোলৰ প্ৰসঙ্গ) কৰা হয়। সন্ধ্যাৰ লগে লগে আচল ভাওনাৰ পাতনি মেলে ছোঁ-ঘৰতহে। ছোঁ-ঘৰ (সংস্কৃত 'নেপথ্য') ভাওনাঘৰৰ অঙ্গ স্বৰূপ। অস্থায়ীভাৱে হ'লেও এই ছোঁ-ঘৰ সাজি ল'ব লাগিব। ইয়াতে গায়ন-বায়ন, সূত্ৰধাৰ, ভাৱৰীয়াৰ সাজ-সজ্জা হয়। সূত্ৰধাৰৰ নিজস্ব বৈশিষ্ট্য-পূৰ্ণ সাজ, গায়ন-বায়নৰ ঘূৰী, পাগ, জামা, চাদৰ আদি শুধ বগা সাজ, পালি-সকলৰ চুৰিয়া, চাদৰ (বগা বৰণৰ) আৰু সকলোৰে কপাল, কাণত চন্দনৰ বগা ফোট থাকিব। ছোঁ-ঘৰতে শৰাই এখনত গুৱা-পাণ, ধূপ-ধূনা দি গাব লগা নাট ভাগ থৈ সকলোৱে আঁঠু লৈ সেৱা জনাই হৰিধ্বনি কৰিব। এই সময়তে এভাল ধেনুভিৰীয়া

কামিত নচাল শলা-বন্তি জ্বলোৱা হয়। ইয়াকে অগ্নিগড় বোলে। এই অগ্নিগড় আগতে প্ৰস্তুত কৰা থাকে। কামিৰ দুই মূৰ দুটা বাঁহৰ খুঁটাত বন্ধা থাকে। দুজনে এই অগ্নিগড় লৈ ছোঁ-ঘৰৰ পৰা ভাওনাঘৰৰ টুপলৈ আগবাঢ়ি টুপত অগ্নিগড়ডাল হয় পুতি দিয়ে, নগৰ এফালে ধৰি থাকে। আন দুজনে দুটা আৰিয়া (তেল দিয়া সূতাৰ) জ্বলাই অগ্নিগড়ৰ আগে আগে নামঘৰলৈ যায়। তেওঁলোকৰ পাছে পাছে গায়ন-বায়নৰ ঘোৰা বাদ্য বজাই আগবাঢ়ে। নামঘৰৰ টুপত তেওঁলোকৰ সন্মুখত (অগ্নিগড়ৰো সন্মুখত) এখন বগা আৰ-কাপোৰ তৰি দিয়া হয়। আৰ-কাপোৰৰ কাষেদি শৰাই লোৱাজন নামঘৰৰ ভিতৰৰ থাপনাত সন্মুখলৈ আগবাঢ়ি গৈ থাপনাৰ সন্মুখত শৰাইখন স্থাপন কৰি সেৱা জনাই নিজ ঠাইলৈ উভতি আহে। আৰিয়া ধৰা দুজনৰ এজনে আঁৰ কাপোৰৰ আগলৈ গৈ আৰিয়া লৈ থিয় হৈ থাকে আৰু আনজনে আৰু অলপ আগবাঢ়ি সিংহাসন বা থাপনাৰপৰা অলপ আঁতৰত আৰিয়া লৈ থিয় দিয়ে। লগে লগে গায়ন-বায়নৰ ঘোৰাই অগ্নিগড়ৰ তলেদি দুই আৰিয়াক সীমা কৰি বাদ্য বজোৱা অৱস্থাতেই সিংহাসনৰ আগেদি নামঘৰটো এপাক প্ৰদক্ষিণ কৰি আগৰ স্থানলৈ উভতি আহে। তেওঁলোক ঘোৰাৰ আগ মুহূৰ্তত আৰ কাপোৰ আঁতৰাই দিয়া হয়।

নামঘৰলৈ সোমাই ঘোৰাৰ আগে আগে থাপনালৈ সেৱা জনাই আৰু তিনিটা সংস্কৃত শ্লোক গায়। প্ৰতিটো শ্লোকৰ অন্তত সকলোৱে একোবাৰ হৰিধ্বনি কৰে। তৃতীয় শ্লোকৰ শেষত খোলত চাপৰ দিয়ে। সাধাৰণতে তৃতীয় শ্লোকটো যেষাং শ্ৰীমৎ যশোদা সুত , গোৱা হয় আৰু এই শ্লোকৰ শেষৰ লগে লগে খোলত চাপৰ মাৰি 'চাহিনা'[১] আৰম্ভ কৰে। কোনো ঠাইত তিনিওটা[২] শ্লোক নাগালেও এই শ্লোকটোকে গায়। (সম্পূৰ্ণ শ্লোক পাদ-টীকাত উদ্ধৃত কৰা হৈছে।) এই বাজনা বজায়ে তেওঁলোকে নামঘৰৰ ভিতৰত এপাক ঘূৰি আহি দ্বিতীয়বাৰ সেই একে বাজনাতে এইবাৰ চাৰি (৪) সংখ্যাৰ আকৃতিত নামঘৰৰ সিংহাসন বা থাপনাৰ আগেদি সাত পাক ঘূৰে। যাওঁতে এজনৰ পাছত এজনকৈ নিৰ্দিষ্ট ব্যৱধান ৰক্ষা কৰি নিৰ্দিষ্ট তালত পদ চালনা কৰি দ্ৰুত গতিত যায়। ইয়াকে 'ধেৱা-পাক' বুলিও কয়।

এইদৰে সাত পাক দি সাত বৈকুণ্ঠ থাপনা কৰি লোৱা হয়। এই সাত বৈকুণ্ঠৰ কল্পনা ভাৰতীয় কোনো শাস্ত্ৰতে নাই বুলি স্বৰ্গীয় ৰাজমোহন নাথ ডাঙৰীয়াই উল্লেখ কৰি গৈছে। মহাপুৰুষে 'চিহ্নযাত্ৰা'ত সপ্ত-বৈকুণ্ঠৰ পট অঁকাৰ কথা চৰিতত

---

২ শ্লোক গাওঁতে 'হস্ত' দেখুওৱা হয়, শ্লোকৰ শেষতহে খোলত চাপৰ দিয়ে।

পাওঁ। অসমৰ ভকত-বৈষ্ণৱ সমাজত এই সাত বৈকুণ্ঠৰ ধাৰণা প্ৰচলিত। স্বৰ্গীয় তীৰ্থনাথ গোস্বামী প্ৰভুৰ দ্বাৰা সংকলিত 'বৈষ্ণৱী কীৰ্ত্তন' পুথিত সাত বৈকুণ্ঠৰ নাম এনেদৰে দিয়া আছে : শ্বেতবিলাস, সাগুনুবিলাস, পুষ্পবিলাস পঙ্কজবিলাস, কনক দণ্ড, সনাতন আৰু গোলোক। চৰিত-পুথিত কিন্তু পট-বৈকুণ্ঠ আৰু পঙ্কজ বৈকুণ্ঠৰ নাম আছে। এয়া সম্ভৱ একেখন বৈকুণ্ঠৰে সাতটা বিভাগ

যি নহওক, কোনো সত্ৰত এই সাত পাক ঘূৰা কাৰ্যক 'গঙ্গাৱতৰণ' বোলা হয়। বিষ্ণু পাদোদকী গঙ্গাক আনি মঞ্চক পবিত্ৰ কৰা হয়। [নতুন কমলাবাৰী সত্ৰত, আকৌ কোনো সত্ৰত [পোৰাভেটি সত্ৰত] সাত পাক ঘূৰাৰ পাছত চাহিনী এখন মাৰি আকৌ পাঁচ পাক ঘূৰি বাৰ পাক সম্পূৰ্ণ কৰে। ইয়াৰ দ্বাৰা সাত বৈকুণ্ঠ স্থাপনৰ লগতে বাৰ বৈষ্ণৱৰো বন্দনা কৰা হয়।[1] ইয়াৰ পিছত 'ষোৰা'ই টুপত প্ৰথমে 'বহা চাহিনী' পিছত 'থিয়-চাহিনী' বজায়। বহা-চাহিনীৰ আৰম্ভণিতে স্বস্তিকাহস্ত দি খোলত চাপৰ দিয়ে, তাৰ বাহিৰে ইয়াত 'হস্ত'ৰ ব্যৱহাৰ নাই। এই চাহিনীৰ বাজনা প্ৰসঙ্গৰ লগত মিলে। থিয়-চাহিনীত 'হস্ত'ৰ ব্যৱহাৰ নাই, কিন্তু ভৰিৰ চলন আছে। চাহিনীৰ পিছৰ অনুষ্ঠানক 'ফলা-বাজনা' কোৱা হয়। এই বাদ্য-যন্ত্ৰৰ অনুষ্ঠানত সুকীয়া তালত চাৰিখন বাজনা বজোৱা হয় গতিকে 'ফলা বাজনা' বুলিলে বাজনাৰ বিস্তাৰ ঘটা বুজিব পাৰি।

'ফলা-বাজনা'ৰ পিছত আৰম্ভ হয় 'নাচ-ধেমালি'। এই ধেমালিত তিনি ভাগ বাজনা বজাব আৰু ইয়াত নৃত্য থাকিব, অৰ্থাৎ বাজনাৰ লগে লগে ভৰি আৰু হাতৰ সঞ্চালন থাকিব।

নাচ-ধেমালিৰ পিছত আৰম্ভ হয় 'বৰ-ধেমালি'। বৰ-ধেমালিত তিনি ভাগ বাজনা থাকে। প্ৰথম ভাগত ষোৰাই থাপনাৰ সন্মুখত মূৰ দোৱাই বাদ্য বজাব; দ্বিতীয় ভাগত স্থানীয় অধিকাৰৰ সন্মুখত মূৰ দোৱাই বাদ্য বজাব। তৃতীয় ভাগত সভাসদলৈ মূৰ দোৱাই বাদ্য বজাব। অধিকাৰৰ সন্মুখত বজাওঁতে অধিকাৰ থিয় হৈ ফুল নিৰ্মালি, কেঁতিয়াৰ মালা আৰু গুৱা পাণো ষোৰাক দিব। বাদ্য যন্ত্ৰ কিন্তু নিৰ্দিষ্ট তালত বাজি থাকিব, মূৰ দোৱাওঁতেও তাল ভঙ্গ নহ'ব।

১ বাৰ-বৈষ্ণৱ : নাৰদ, প্ৰহলাদ ভীষ্ম, শুক, মনু, হৰ, ব্ৰহ্মা, বলি, যম, জনক কপিল, কুমৰ।

বৰ-ধেমালিৰ শেষত গায়ন-বায়নৰ যোৰা আকৌ নামঘৰৰ ডুপলৈ উভতি আহিব আৰু বাদ্যৰ বিৰতি নহ'ব। তেতিয়া প্ৰধান বায়নজনে (বৰ বায়ন) শিৰত খোল লৈ থাপনাৰ ফালে সেৱা জনাই দলৰ মাজৰ পৰা আগবাঢ়ি গৈ থাপনাৰ গুৰিত আকৌ সেৱা জনাই বাকীসকলে বজাই থকা বাজনাৰ লগত তাল ৰাখি শিৰত স্থাপন কৰা খোল তিনিং আৰি লৈ খোল বজাই বাকীসকলৰ লগ লবহি। মূল বায়ন আতৰি অহা সময়খিনিত পালি-বায়ন বা দোহৰীয়া বায়নে যোৰাৰ নেতৃত্ব লয় আৰু বায়নে থাপনাৰ সন্মুখত সেৱা জনোৱা মুহূৰ্তত বৰবায়নৰ সন্মানাৰ্থে বাজনাৰ গতি সামান্য পৰিৱৰ্তন কৰি দিয়ে। (খোলত এটা চাপৰ বঢ়াই দিয়ে)। দোহৰীয়া বায়নৰ এয়ে প্ৰধান দায়িত্ব। ঠিক সেই মুহূৰ্তত যোৰাৰ গায়ন-বায়নসকলে হৰিধ্বনি কৰিব। একোটা যোৰাত অতি কমেও নজন বায়ন আৰু ছজন গায়ন থাকিবই লাগিব। বেছি হোৱাত বাধা নাই।

বৰ-ধেমালিৰ পিছত আৰম্ভ হয় ঘোষা-ধেমালি'ৰ। গায়ন-বায়নৰ যোৰা প্ৰথমে খোজ পৰা ঠাইত হাত ফুৰাই বহি লৈ ঘোষা আৰম্ভ কৰে আৰু তাতেৰে লগে লগে মুদ্ৰা দিব, দশ অৱতাৰৰ দশ মুদ্ৰা। মুদ্ৰাৰ শেষত ঘোষাৰ তালতে বায়নে একেলগে নটা খোল বজাব।

ঘোষা-ধেমালিৰ পিছত 'গুৰু-ঘাত'। বহা অৱস্থাতে গুৰুজনাৰ (শ্ৰীমন্ত শঙ্কৰদেৱৰ) সন্মানাৰ্থে এই গুৰু-ঘাত বজায়।

গুৰু-ঘাতৰ পিছত বন্দনা-গীত আৰু বন্দনা গীতৰ শেষত সূত্ৰধাৰীৰ প্ৰৱেশ কৰোৱা হয়।

সূত্ৰধাৰে নৃত্য কৰি ধেমালিৰ শেষ অঙ্গ নান্দী-শ্লোক, গীত, ভটিমা গাই ভাৱৰীয়াৰ প্ৰৱেশ কৰায় আৰু প্ৰকৃত ভাওনাৰ আৰম্ভ হয়। এই সময়ৰ পৰা সূত্ৰধাৰৰ হাতত ভাওনাৰ সৰ্বময় কৰ্তৃত্ব ন্যস্ত হয়।

গায়ন-বায়নৰ যোৰা অনুষ্ঠানক 'যোৰা উঠা' বুলিও কোৱা হয়। যোৰাৰ আৰম্ভণিতে তিনিটা শ্লোক মতা আৰু হৰিধ্বনি কৰাৰ কথা উল্লেখ কৰি অহা হৈছে। সেই সময়তে ডবা, কাঁহ, ঘণ্টা, শংখ আদি একেলগে বজোৱা হয়। এই যোৰা-উঠা বা গানিকা অনুষ্ঠানৰ বিভিন্ন অংশৰ সুকীয়া নাম আছে। স্থানভেদে সেই বিলাকৰ

ক্ৰমৰ অপা-পিচাও হয়। জোৰাই, জোৰণি, চাহিনী, সক-খেমালি, ৰৰখেমালি, ঘোৰা-খেমালি আদি নামৰ উপৰিও কোনো কোনো ঠাইত, দেৱ-খেমালি, ৰং-খেমালি* আদি নামৰ ব্যৱহাৰো আছে।

গন্ধ-বাদন অনুষ্ঠানত আমি চোক খেমালিৰ নাম পাই আহিছো। কোনো সত্ৰত বা অঞ্চলত চোক মৰাৰ নিয়ম আছে। ৰৰ খেমালিৰ পিছত বা ঘোৰা খেমালিৰ লগতে 'চোক গোৰা' বা চোক-মৰা'ৰ ব্যৱস্থা আছে। এই চোকৰ সংখ্যা এঘাৰটা আৰু পাজি কটা, খোল-পিতা, হাত-দিয়া, ৰগৰ-দিয়া, চলনা আদি চোকৰ বেলেগ বেলেগ নামো আছে। এই অনুষ্ঠান বৰ দীঘলীয়া। চোকৰ পিছত বহি লৈ বাদ্য-বজোৱা হয়। এই অনুষ্ঠানক খাণ্ডি' বুলি কোৱা হয়। খাণ্ডিৰ পিছত 'ধুমুহি' অনুষ্ঠান। সাধাৰণতে প্ৰত্যেক গীতৰ শেষৰ অংশখিনিক 'চোক' আৰু প্ৰত্যেকখন বাজনাৰ শেষৰখিনিক সচাৰ' বা 'ধুমুহি' বোলা হয়।

গীতৰ শেষত চোকৰ লগতে বাদ্যৰ পৰিবৰ্তন কৰি ভাৱৰীয়াক নচুৱায়। এই পৰিবৰ্তনক 'জামান' বোলে। (ভাওনা আৰু চিত্ৰকলা সম্পৰ্কীয় এই বিশেষ অৰ্থবাচক শব্দবিলাক আমাৰ অভিধানত সোমাইছেনে?)

এই আলোচনা-প্ৰসঙ্গত আমি 'চচনি' নামটো পাইছো। কোনো সত্ৰত ভাওনাৰ আৰম্ভণিতে দীঘলীয়া চচনিৰ ব্যৱস্থা আছে। ৰচকৰ নাম নথকা দীঘলীয়া পদত ভাওনা সম্পৰ্কীয় কিছু অনুষ্ঠান বা ভাওনাৰ বিভিন্ন অঙ্গৰ আধ্যাত্মিক ব্যাখ্যা দিয়া হয়। তাকে চচনি বোলে। এই চচনিৰ শেষৰ কেইটামান শাৰী হ'ল :

...'ভীম বায়ন ভৈল, নকুল গায়ন।
সহদেৱ সূত্ৰধাৰ পালিত দেৱগণ'॥
নৰ-নাৰায়ণ দুয়ো আৰিয়া যে ভৈলা।
আত মাতৃ বস্ত্ৰে আবোৱান হৈয়া ৰৈলা।
নৱ ভক্তি আসি অগ্নিগড় হুয়া ৰৈলা॥
শ্ৰীনাৰায়ণ বাকো ৰাগ-গীত-মান।
গুৰুৰ প্ৰসাদে গাঁও হৰিগুণ গান॥'*

(পোৰাভেটি সত্ৰৰ শ্ৰীযুত নবীনচন্দ্ৰ মহন্তদেৱৰ মুখৰ পৰা শুনা)

---

*'ধং-খেমালি' বুলিও জনাজাত।

*সম্পূৰ্ণ চচনি বা মালিতাটো শেষৰ ফালে দিয়া হৈছে।

মুঠতে গন্ধ-বাদন অনুষ্ঠানৰ দৰেই যোৰা-উঠা অনুষ্ঠানৰ বিভিন্ন অংশৰ বঢ়া-টুটা, আগ-পিছ স্থান বিশেষে আছে যদিও গন্ধ-বাদনৰ দৰেই যোৰা-উঠা অনুষ্ঠানৰো মূল ৰূপটো সকলোতে একে ।

অঙ্কীয়া নাটত প্ৰতীকৰ ব্যৱহাৰত যথেষ্ট গুৰুত্ব পৰিছে । যোৰা-উঠা বা গানিকা অনুষ্ঠানতে প্ৰতীকৰ ব্যৱহাৰ কিমান ব্যাপক আৰু গভীৰ সেই বিষয়ে জানিব পাৰোঁ । চৰ্চনিৰ উদ্ধৃত অংশত এনে প্ৰতীকৰ ব্যাখ্যাও আমি পাওঁ, যেনে ঃ ভীম বায়ন, নকুল গায়ন, সহদেৱ সূত্ৰধাৰ, পালিসকল হ'ল দেৱতা, ইত্যাদি । আৰিয়া দুটাক নৰ আৰু নাৰায়ণ (বিষ্ণুৰ নৰ-নাৰায়ণ অৱতাৰ) বুলি ধৰা হৈছে আৰু অগ্নিগড়ৰ নডাল শলাত জ্বলোৱা প্ৰদীপক নৱবিধ ভক্তিৰ প্ৰতীক বুলি কোৱা হৈছে । স্থান বিশেষে আৰিয়া দুটাক পৰা-বিদ্যা আৰু অপৰা-বিদ্যাৰ প্ৰতীক বা জীৱাত্মা আৰু পৰমাত্মাৰ প্ৰতীক বুলিও ধৰা হয় । সেইদৰে আঁৰ-কাপোৰখনক ভগৱন্তৰ মায়া শক্তিৰ প্ৰতীক বুলিও ধৰা হয় । নামঘৰত প্ৰৱেশ কৰি গায়ন-বায়নৰ যোৰাই যি চাৰি (৪) সংখ্যাটোৰ আকৃতিত ধেৰা-পাক দিয়ে, যাক কোনো অঞ্চলত 'পানী-পকৰা' বোলা হয়, সেই চাৰি সংখ্যাও বৈষ্ণৱ ধৰ্মৰ চাৰি খুঁটি,—নাম, দেব, গুৰু আৰু ভকতৰ প্ৰতীক বুলি ধৰা হয় ।

যি কি নহক, এই বৰ্ণনাত গান্ধ-বাদন আৰু গানিকা সম্পৰ্কে থুলমূলকৈহে মাত্ৰ কোৱা হ'ল আৰু তাৰো অতি স্থূল ৰূপত । নৃত্য, হস্ত, বাদ্য সম্পৰ্কীয় ব্যাকৰণৰ সাধাৰণ জ্ঞানখিনি থাকিলেহে এই বৰ্ণনাক জীৱন্ত ৰূপত ফুটাই তুলিব পাৰি । আনকি এনে সাধাৰণ জ্ঞানখিনিও নথকা দৰ্শকে এই অনুষ্ঠানৰ ৰস উপভোগ কৰিবও নোৱাৰে । ভকত-দৰ্শকসকলে কলা সৌন্দৰ্যৰ পৰা লাভ কৰা আনন্দখিনি পোৱাৰ উপৰিও নিষ্ঠা আৰু ভক্তিৰ যোগদি সম্পূৰ্ণ ভাওনাখন চাই যোৱা পাঁচশ বছৰ ধৰি পৰমানন্দ লাভ কৰি আহিছে ।

ভাওনা সম্পৰ্কীয় বা ভাওনাৰ লগত জড়িত নৃত্য-গীত সম্পৰ্কীয় অতি সাধাৰণ জ্ঞানখিনি এই লিখকৰ নথকাৰ ফলত, যোগ্যসকলৰ সহায়তহে ওপৰৰ বিৱৰণখিনি যুগুতাব পাৰিলোঁ ।

সামৰণিত এই কথা আকৌ দোহাৰিছোঁ যে স্থান বিশেষে এই অনুষ্ঠান দুটাৰ কিছুকথাৰ

সাল-সলনি আছে। গন্ধ-বাদন অনুষ্ঠানত গন্ধৰ্ব-গীত গোৱাৰ নিয়ম বহু ঠাইতে নাই। এই অনুষ্ঠানক গন্ধৰ্ব স্থাপন অনুষ্ঠান বুলি কয়তো নধৰে। সেইদৰে গানিক' বা যোৰা অনুষ্ঠানৰ সংস্কৃত শ্লোক তিনিটাৰ ঠাইত অকল এটা শ্লোক গোৱাৰ নিয়মহে বহু ঠাইত প্ৰচলিত। [যেষাং শ্ৰীমৎ যশোদাসুত পদকমলে নাস্তি ভক্তি নৰাণাং। যেষাং আভীৰ কন্যা গুণ-গান কথনে নানসক্তে ৰসজ্ঞাঃ।। যে শ্ৰীকৃষ্ণ-লীলা ললিত গুণ শ্ৰৱণে নাদৰে কৰ্ণং। ধিক তান ধিক তান্ ক্ৰিয়াং ক্ৰিয়াং মৃদঙ্গ তৰঙ্গঃ।।] তাৰ উপৰি ছোঁ ঘৰৰ ঠাইত ভাওনাঘৰৰ টুপত সমবেত হৈ থাপনাতে সেৱা জনাই শংখ, ঘণ্টা, ডবা, বাঁহ কবিধ্বনিৰ মাজত শ্লোক গাই খোলত চাপৰ দিয়াৰ নিয়মহে বহু ঠাইত পালন কৰা হয়।

কেইবা ঠাইতো গায়ন বায়ন আদি শিল্পীসকলৰ লগত আলোচনাৰ পৰা বুজা গল যে উঠি অহা চামৰ মাজত আগৰ চামৰ দৰে উৎসাহ, নিষ্ঠা, সাধনা আৰু ভক্তিৰ অভাৱ ঘটিছে। কণ্ঠ সাধনা নোহোৱাৰ ফলত আগৰ দৰে মুক্তাৱলী, মধ্যাৱলী, পৌভাৱলী আদি গাব পৰা লোকৰ সংখ্যা বিৰল। উপৰি চচা আৰু স্বাস্থ্যশক্তিৰ অভাৱত দীঘলীয়া সময় ধৰি নৃত্য কৰিব পৰা লোকৰ সংখ্যাও কম। বাদ্যৰ যি অংশক 'জামান' বুলি কয়, অৰ্থাৎ গীতৰ শেষত ঢোলকৰ লগত বাদ্য পৰিৱৰ্তন কৰি যি অংশ বজোৱা হয়, সেই জামানৰ তালত ভাৱৰীয়াই নৃত্য কৰে। সূত্ৰধাৰী নৃত্য আৰু কৃষ্ণ নাচৰ নৃত্য সুৰৰীয়া, ৰজা মহাৰজা আৰু অন্যান্য চৰিত্ৰৰ ক্ষেত্ৰতো জামান অংশ বজোৱা হয়। এজনে এই 'জামান' বাদ্যাংশ সম্পৰ্কে দুখ কৰি কলে যে আজি-কালি বহুত ঠাইত জামান বজোৱা লগা নহয়েই, কিয়নো ভাৱৰীয়াই নাচিব নোৱাৰে—নচাৰ শক্তি বা নিষ্ঠা নাই।

ভাওনাৰ নৃত্য গীত-বাদ্যৰ যাললটাৰ স্থানীয় বৈশিষ্ট্যসমূহ ৰক্ষা কৰিও এক উমৈহতীয়া সৰ্বসন্মত পাঠ্য ক্ৰমৰ যোগেদি বিভিন্ন কেন্দ্ৰত প্ৰশিক্ষণৰ ব্যৱস্থা কৰাটো এক জাতীয় কৰ্তব্য। কলিয়াবৰৰ হাটবৰত 'হাটবৰ কেন্দ্ৰীয় নাট্য সমাজ'ৰ অন্তৰ্ভুক্ত 'হাটবৰ কেন্দ্ৰীয় শঙ্কৰী বিদ্যালয়'ত স্বৰ্গীয় গিৰিকান্ত মহন্তদেৱে (শ্ৰৱনী সত্ৰ) নিজে এনে প্ৰশিক্ষণ দিয়াৰ উপৰিও পাঠ্য-ক্ৰমো ৰচনা কৰি গৈছে। হাতীচোং কুজীদাহতো শ্ৰীযুত খগেন্দ্ৰনাথ ভূঞা বৰা এম. এ. দেৱৰ তত্ত্বাৱধানত এনে প্ৰশিক্ষণৰ ব্যৱস্থা চলি আছে। শ্ৰীযুত আনন্দমোহন ভাগৱতী, শ্ৰীযুত যোগেশ্বৰ শইকীয়া বৰবায়ন, শ্ৰীযুত ঘন বৰা বৰবায়ন আদি গুণী শিল্পীসকলে এই ক্ষেত্ৰত বিস্তৰ কাম কৰি আছে। এইখিনিয়ে ভৱিষ্যতৰ আশাৰ বেঙুনি।

নাট সামৰণি ঃ এই অনুষ্ঠান ভাওনাৰ দিনাৰ পৰা তৃতীয় ৰাতি পতা হয়। সেইদিনাও শৰাই-বন্তি আগ কৰি নাটৰ বঢ়া-টুটা দোষ মৰিষণৰ কাৰণে গায়ন-বায়ন-ভাৱৰীয়া সকলোৱে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনায়। সেইদিনা নিয়মমতে গোটেই নাটখন এবাৰ পঢ়ি দিব লাগে।

[গন্ধ-গোৱা আৰু যোৱা-উঠা অনুষ্ঠান সম্পৰ্কীয় বিবৰণ বেলেগ বেলেগ অঞ্চলৰ লোকৰ পৰা সংগ্ৰহ কৰিছিলোঁ। বৰ্তমান আলোচনাত সকলো কথা লিপিবদ্ধ কৰা সম্ভৱ নহয়। সংশ্লিষ্টসকলৰ নাম তলত উল্লেখ কৰিলোঁ। যিহেতু বিভিন্নজনৰ বক্তব্যৰ মূল কথাখিনিহে লিপিবদ্ধ কৰা হৈছে গতিকে বৰ্ণনাৰ আগ-পিছ বা ভুল-ভ্ৰান্তিৰ বাবে ব্যক্তিগতভাবে কোনো দায়ী নহয়। সেই সকল হ'ল নগাঁও কলেজৰ অধ্যাপক শ্ৰীযুত কমলচন্দ্ৰ গোস্বামীদেৱ [ আদি এলেঙী সত্ৰ ] : নগাওঁ কলেজৰ আন এজন অধ্যাপক শ্ৰীমান নৰেন বৰা [ নৈ পাথৰি অঞ্চল ] ; কলিয়াবৰৰ অন্যতম প্ৰখ্যাত বায়ন, শিল্পী আদি ঠাইতো যি ভাওনাত বায়নৰ দায়িত্ব কৃতিত্বেৰে পালন কৰি আহিছে, সেইজন বন্ধুবৰ শ্ৰীযুত নাৰায়ণ মুক্তিয়াৰ বায়ন ; 'হাটবৰ কেন্দ্ৰীয় নাট্য সমাজৰ লগত জড়িত শ্ৰীমান ভাবি শইকীয়া, শ্ৰীমান উমা বৰা, শ্ৰীমান কুসুম চন্দ্ৰ বৰা, শ্ৰীযুত ভাবি বৰ'।

ভাওনাৰ আৰম্ভণিৰ বাকী শ্লোক দুটা হ'ল :

(ক) জয় জয় সকল মঙ্গলাদি দেৱ। শ্ৰী শঙ্কৰ গুৰু নাৰায়ণাংশ স্বকৃত ভাগৱত গদ্য-পদ্য-নাট, সুদৰ্শন চক্ৰ, শ্ৰীমহাপুৰুষোত্তম দ্বাৰ গোবিন্দ নতোস্মি নতোস্মি শৰণং ভজে ॥

(খ) নমস্তে কমলাকান্ত পদে পদে বিন্দ (?)
খিলদ ব্ৰহ্মজ্ঞান বিজ্ঞান, তদং ৰহস্য
সপ্তাদি বৈকুণ্ঠে ধ্যেয় ॥

[ শ্লোক দুটি আৰু চৰ্চনি অংশ পোৱাভেটি (কলিয়াবৰ) সত্ৰৰ একাশী বছৰীয়া বৃদ্ধ শ্ৰদ্ধেয় শ্ৰীযুত নবীনচন্দ্ৰ মহন্তদেৱৰ পৰা পোৱা। শ্লোকৰ শুদ্ধাশুদ্ধ নিৰ্ণয় কৰা হোৱা নাই। ]

**চৰ্চৰি ঃ (খোলৰ মালিকা)**

শ্লোক ॥ জয় জয় সকল মঙ্গলাদিদেৱ... . ...ভজে ॥

অশুদ্ধ পৃথিৱী ইটো অশুদ্ধ সংসাৰ ।
অসুৰৰ তেজ মাংসে পৃথিৱী একাকাৰ ॥
অসুৰৰ তেজ মাংসে পৃথিৱী আছে ভৰি ।
অশুধ মুখেৰে গীত গাওঁ কেনেকৰি ॥
তেত্ৰিশ কোটি দেৱতাৰ তেজ শক্তি ধৰি ।
হাতত তাল খোল লওঁ গুৰু আজ্ঞা ধৰি ॥
আছিলন্ত ইটো বিদ্যা স্বৰ্গত ইন্দ্ৰৰ ।
পৃথিৱীত নমাইলন্ত শ্ৰীমন্ত শঙ্কৰ ॥
যেতিক্ষণে গুৰুৰ বাজনাত ইচ্ছা ভৈলা ।
তেতিক্ষণে বিশ্বকৰ্মা দিয়া গঢ়ি দিলা ॥
বাসুকী বান্ধনী ৰূপতী নন্দন আসি ভৈল ।
ধুণ সৰস্বতী তথাতে লাগ লৈল ॥
ব্ৰহ্মা বিষ্ণু ভায়া বাঁয়া দাইনা ভৈলা ।
দিক্‌পালগণ আসি ৰবতি ৰূপে লৈলা ॥
যেতিক্ষণে ব্ৰহ্মাৰ ঘৰ্মজল পৃথিৱীত পৰিলা ।
তেতিক্ষণে তাম্ৰ, কাঁহ, অষ্টধাতু ভৈলা ॥
বায়ু ভৈলা ভাতি নিয়াৰি গণপতি ।
সবাত ভাতুৰী ভৈলা আপুনি গণপতি ॥
যম এঙ্গাৰ ভৈলা অগ্নি ধনঞ্জয় ।
এতিমতে তাল খোল জানিবা নিশ্চয় ॥
আৰু শুনিয়োক ইটো সভাৰ ব্যৱস্থা ।
কোন কোন জন আসি নৃত্য কৰে এথা ॥
ভীম বায়ন ভৈলা নকুল গায়ন ।
সহদেৱ সূত্ৰধাৰ পালিত দেৱগণ ॥
নৰ-নাৰায়ণ দুয়ো আৰিয়া যে ভৈলা ।
আই মাতৃ বস্ত্ৰে আবোৱান হুয়া বৈলা ॥

নৱভক্তি আসি অধিগড় হয়া ৰৈলা।
এহিমতে তাল খোল সম্পূৰ্ণ ৰূপে ভৈলা॥
শ্ৰীনাৰায়ণ বাক্য ৰাগ গীত মান।
গুৰুৰ প্ৰসাদে গাওঁ হৰিগুণ গান॥

## গান্ধৰ গীত

ৰাগ-বসন্ত, তাল-পৰিতাল জোতি।

কৰত গান্ধৰ-বিধি-বিহাৰ গোপাল।
সকল গোপ গোপী নন্দ যশোদা আদি
মঙ্গল কৰত সবে ভাল॥
যথাবিধি পূজা কৰি কৃষ্ণৰ অংগত দিয়া
গন্ধ-তৈল চড়াইল সুগন্ধে।
আকাশে দেৱগণে কুসুম বৰিষয়
হৰিষে গোপাল আতি পিন্ধে॥
শিঙা শংখ ঢাক ঢোল উৰুলি মঙ্গল বোল
হৰিধ্বনি পূৰে দশোদিশ।
নাচে হাসে ব্ৰজবাসী মহানন্দে মিলে আসি
সৰ্বজনে কৰে উৰমিশ॥
নানা দিব্য ঘট ধৰি ব্ৰজৰ লোক সবে
চৌপাশে কাতুল পাৰল।
ধৰিয়া যোগান গোপ গোপী গণ
হৰিষে কৰে মঙ্গল॥
কণক আসনে হৰি বসি দিব্য ৰূপ ধৰি
যশোদা নন্দৰ পূৰি কাম।
বৈকুণ্ঠৰ গান্ধ-বিধি বিহাৰে গোকুল নিধি
সৰ্বজনে বোলা ৰাম ৰাম॥

( এই গান্ধৰ গীতটি নগাঁও কলেজৰ ভূগোল বিভাগৰ মুখ্য অধ্যাপক শ্ৰীযুত কমলচন্দ্ৰ গোস্বামীদেৱৰ পৰা পোৱা। এখেত সকলৰ সত্ৰ মাজুলীৰ আদি এলেঙি। বৰ্তমান এই সত্ৰ উত্তৰ লক্ষীমপুৰলৈ উঠি গৈছে। গান্ধ গোৱাত সুগন্ধি পুষ্প, তেল আদিৰ ব্যৱহাৰৰহে ইঙ্গিত আছে, গন্ধৰ্ব দেৱতাৰ স্থাপন বা পূজাৰ কথা নাই। —সম্পাদক)]

## ॥ তিনি ॥ নাট ছখনৰ ওপৰত প্ৰসঙ্গীয় টোকা

১ পত্নীপ্ৰসাদ : মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ প্ৰথম নাট চিহ্ন নামৰ যাত্ৰাৰ বিৱৰণ মাথোন চৰিত পুথিতহে পোৱা যায়। ইয়াত চিহ্ন বা অঙ্কৰ (চিত্ৰ, প্ৰতীক) প্ৰচুৰ ব্যৱহাৰ আছিল আৰু ভাওৰীয়াৰ বচন আদি নাছিল। চৰিত পুথি মতে 'জন্ম' নামৰ আন এখন যাত্ৰা আৰু 'কংসবধ' নামৰ আন এখন নাট শঙ্কৰদেৱে ৰচনা কৰিছিল আৰু সেই দুখন নাট (গুৰুজনাৰ জীৱিত অৱস্থাতে সম্ভৱ) হেৰাল। গতিকে 'পত্নীপ্ৰসাদেই' হাতত পোৱা নাটৰ ভিতৰত প্ৰথম নাট। 'চিহ্ন' আৰু 'জন্ম' যাত্ৰা দুখনৰ পিছত এইখনেই পৰীক্ষামূলক তৃতীয় নাট হ'ব পাৰে, কাৰণ নাটকীয় গাঁথনি আৰু কলা-কৌশলৰ বিচাৰ কৰিলে এই নাটখনো যে পৰীক্ষামূলকহে সেই কথা প্ৰতীয়মান হয়। সম্ভৱত কোনো প্ৰকৃত নাটৰ আৰ্হি নথকাকৈ সম-সাময়িক সমাজ আৰু মহাপুৰুষৰ বিশেষ উদ্দেশ্যৰ লগত খাপ খুৱাই নাট ৰচনাৰ কাম হাতত লোৱা হৈছিল। পত্নীপ্ৰসাদক অকল নাট বুলিয়ে নাট্যকাৰে উল্লেখ কৰিছে কিন্তু কালি-দমন, পাৰিজাত-হৰণ আদিৰ ক্ষেত্ৰত নাট (নাটক), যাত্ৰা দুয়োটা শব্দই ব্যৱহাৰ কৰিছে।

নাটৰ কাহিনীভাগ ভাগৱতৰ দশম স্কন্ধৰ পৰা লোৱা। নাটকীয় ৰূপায়ণৰ ক্ষেত্ৰত কলা-কৌশলগত পৰীক্ষা-নিৰীক্ষাৰ চকুত পৰা নিদৰ্শন বিলাকৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল :

(ক) নান্দী শ্লোক আৰু নান্দী গীত : শঙ্কৰদেৱৰ আন নাটত দুটা নান্দী শ্লোক থাকে। প্ৰথমটো মঙ্গলাচৰণ আৰু দ্বিতীয়টো নান্দী। এই নাটত অকল প্ৰথমটো শ্লোকহে আছে। পাৰিজাত-হৰণ আৰু কালি-দমনৰ বাহিৰে বাকী তিনিখন নাটত নান্দীগীত আছে। পত্নীপ্ৰসাদত এই গীত নাই।

(খ) নান্দ্যন্তে সূত্ৰধাৰ : নান্দী গীতৰ পিছতহে নাটৰ নান্দী অংশৰ সামৰণি পৰে। সূত্ৰধাৰেই নান্দী গায়। নান্দীৰ পিছত সূত্ৰধাৰে এটি শ্লোকত নাটকখনৰ নাম উল্লেখ কৰে (সভাসদক সম্বোধন কৰি)। নাট্যশাস্ত্ৰত এই অংশক 'প্ৰৰোচনা' বোলে। এই নাটত 'প্ৰৰোচনা' নাই।

(গ) 'দেৱভটিমা : শঙ্কৰদেৱৰ আন নাটত থকাৰ দৰে এই নাটত প্ৰথম ভটিমাটো নাই। কালি-দমনৰ দেৱ-ভটিমাকে এই নাটত ব্যৱহাৰ কৰা হয়। স্বৰ্গীয় হৰিনাৰায়ণ দত্ত বৰুৱাদেৱৰ দ্বাৰা সম্পাদিত 'শ্ৰীশঙ্কৰ বাক্যামৃত'ৰ পত্নীপ্ৰসাদ নাটতহে এই ভটিমাটো দিছে।

(ঘ) আমুখ, প্ৰস্তাৱনা (ত্ৰিগত) : শঙ্কৰদেৱৰ বাকী নাটত সংস্কৃত ৰূপকৰ আৰ্হিত 'প্ৰৰোচনা'ৰ পিছত 'আমুখ' ( সভাসদক সম্বোধন কৰি সূত্ৰধাৰে অভিনয় কৰিবলৈ লোৱা নাটৰ নাম আৰু বিষয়বস্তুৰ উল্লেখ থকা অংশ) আৰু 'প্ৰস্তাৱনা' অংশ ( সূত্ৰধাৰ সঙ্গীৰ কথা-বতৰা অংশ ) আছে ; পত্নীপ্ৰসাদত নাই। 'সঙ্গী'ও নাই। সংস্কৃত নাট্য আঙ্গিকৰ এই প্ৰস্তাৱনা অংশক ভৰত মুনিয়ে 'ত্ৰিগত' আখ্যা দিছে।

(ঙ) সংস্কৃত শ্লোক : মহাপুৰুষৰ আন পাঁচখন নাটত যথাযথ স্থানত সংস্কৃত শ্লোকৰ ব্যৱহাৰ হৈছে। অকল শ্লোকৰ সহায়তেই পণ্ডিতসকলে নাটকীয় কাহিনী আৰু ঘটনাৰ বিষয়ে ভালদৰে জানিব পাৰে। পত্নীপ্ৰসাদত দ্বিজসকলৰ প্ৰৱেশত, শ্ৰীকৃষ্ণ গোপবালকৰ প্ৰৱেশত, দ্বিজপত্নীসকলৰ আগমন প্ৰত্যাগমনৰ সময়ত, দেৱতা সকলৰ আৱিৰ্ভাৱৰ মুহূৰ্তত বাকী নাটৰ নিয়মত একোটা সংস্কৃত শ্লোক অপৰিহাৰ্য আছিল।

(চ) সূত্ৰধাৰ : নাটৰ কেন্দ্ৰীয় চৰিত্ৰ সূত্ৰধাৰে আন অঙ্কীয়া নাটৰ দৰে সৰ্বময় কৰ্তৃত্ব এই নাটত লাভ কৰা নাই।

(ছ) মুক্তিমঙ্গল ভটিমা : শঙ্কৰদেৱৰ নাটৰ অপৰিহাৰ্য অঙ্গ মুক্তিমঙ্গল ভটিমা এই নাটত অবৰ্ত্তমান।

(জ) চৰিত্ৰ : শ্ৰীকৃষ্ণ আৰু চন্দ্ৰ ভাৱতীৰ বাহিৰে এই নাটৰ সকলো চৰিত্ৰই 'সমূহীয়া' চৰিত্ৰ আৰু তেওঁলোকৰ কথা আৰু কাৰ্যও সমূহীয়া। বলোভদ্ৰ চৰিত্ৰটোও নতুন ধৰণৰ এই কাৰণেই যে এই চৰিত্ৰটোৰ কোনো নাটকীয় কাৰ্যও নাই আৰু বচনো নাই।*

---

* এই সম্পৰ্কীয় বহল আলোচনাৰ কাৰণে এই লিখকৰ 'চিত্ৰা-বিচিত্ৰা' নামৰ সংকলনত সন্নিবিষ্ট পত্নীপ্ৰসাদ বিষয়ক প্ৰবন্ধত ইচ্ছুকসকলে চকু ফুৰাব পাৰে।

২ পাৰিজাত হৰণ ঃ 'পাৰিজাত চেন নাম অক মহাঅনুপাম' — ৰামচৰণ ঠাকুৰে ৰচনা কৰা চৰিত পুথিত পাৰিজাত হৰণৰ বিষয়ে এইদৰে উল্লেখ কৰা হৈছে। 'মহা' আৰু 'অনুপাম' বিশেষণ দুটা ছন্দৰ প্ৰয়োজনত আৰু ভাৱাবেগত যে ব্যৱহাৰ কৰা হোৱা নাই, শঙ্কৰদেৱৰ আন নাটৰ লগত তুলনা কৰিলেই এই বিশেষণ দুটাৰ সাৰ্থকতাৰ বিষয়ে বুজিব পাৰি। নাট্যকাৰ হিচাপে শঙ্কৰদেৱে ল'ব পৰা স্বাধীনতাৰ বহুল প্ৰয়োগ এই নাটকতে কৰিছে। (বৈষ্ণৱ যুগৰ কবি-নাট্যকাৰসকলে বহুখিনি সীমাবদ্ধতাৰ মাজত কাম কৰিব লাগিছিল।) এনেহে যুগৰ কাৰণে সৃষ্টি হোৱা এক ঘৰুৱা সমস্যাৰ লগত স্বৰ্গ-মৰ্ত্ত্য এক হৈ পৰিছে। সেই কালৰ পৰাও কাহিনীৰ আকৰ্ষণীয়তা কম নহয়। লগতে নৰকাসুৰৰ কাহিনীও মূলৰ অক্ষ কৰি পেলোৱাত ঘটনাত বৈচিত্ৰ্য সম্পাদিত হৈছে।

শেষত স্বৰ্গত গৈ অদিতিক সেৱা জনাই কুণ্ডল অৰ্পণ কৰা, ইন্দ্ৰৰ লগত ভাই ভাই বুলি আঁকোৱালি-আঁকুলি কৰাৰ মূৰকত পাৰিজাত গছ চুৰ কৰি বা ভুকালি আনিব লগা হোৱা কাৰ্যৰ যোগেদি ঘটনাই নাটকীয় চমৎকাৰিত্ব আৰু উৎকণ্ঠাৰ সৃষ্টি কৰিছে।

পাৰিজাত-হৰণৰ কাহিনী ভাগৱত পুৰাণ, বিষ্ণুপুৰাণ আৰু হৰিবংশত বৰ্ণিত হৈছে। হৰিবংশত কাহিনীটো বহলাই বৰ্ণনা কৰা হৈছে। ইয়াত নৰকাসুৰ বধ আৰু পাৰিজাত-হৰণ বেলেগ বেলেগ সময়ত ঘটা দুটা স্বকীয় কাহিনী। ভাগৱতত একেটা যাত্ৰাতে দুয়োটা কাৰ্য সমাপন কৰা দেখুৱাইছে শঙ্কৰদেৱে ভাগৱত আৰু হৰিবংশৰ পৰা কাহিনীভাগ লৈ, ভাগৱতৰ ঘটনাক্ৰম ৰক্ষা কৰি নাটকীয় কাহিনীৰ লগত দুয়োটা কাৰ্য বা ঘটনাৰ অঙ্গাঙ্গি সম্পৰ্ক স্থাপন কৰাই কাহিনীৰ ঐক্য সম্পাদন কৰিছে। দেৱকাৰ্য সাধনৰ যোগেদি (নৰক-বধ) পাৰিজাত গছজোপা অনাৰ কাম সহজসাধ্য হ'ল—সত্যভামাৰ এনে উক্তিৰ যোগেদি কাহিনীৰ ঐক্য সাধিত হৈছে।

নাৰদ চৰিত্ৰৰ টুটকীয়া ফালটো এই নাটত পূৰ্ণৰূপত বিকশিত হৈছে। ইয়াৰ ফলত সমাজৰ এনে শ্ৰেণীৰ লোক 'টুটকীয়া নাৰদ' এই অগৌৰৱপূৰ্ণ বিশেষণৰ অধিকাৰী হৈ পৰিল। এনে শ্ৰেণীৰ লোকক সমাজে ভয় আৰু ঘৃণাৰ চকুৰেহে চাবলৈ ধৰিলে। নাৰদৰ নিৰ্দোষ আৰু 'ধৰ্মীয়' ধেমালিবিলাক প্ৰকৃততে 'ধৰ্মীয়' কেৱলতো নিৰ্দোষ

নহয়। প্ৰাগ বৈষ্ণৱ যুগৰ ‘ধৃষ্টা সৰস্বতী’ৰ ঠাই বৈষ্ণৱ যুগত মহাভক্ত নাৰদে লাভ কৰিলে আৰু দেৱৰ্ষি নাৰদক সৰ্বসাধাৰণৰ ওচৰ চপোৱাৰ চেষ্টাও চলিল। সেয়ে হ'লেও মহাভক্ত নাৰদক কোনো ভকত-বৈষ্ণৱে বা সাধাৰণ মানুহেও আদৰেৰে গ্ৰহণ নকৰিলে। ভাওনাত নাৰদৰ চৰিত্ৰই হাঁহিৰ সমলহে যোগাই আহিছে।

নাৰদৰ কাৰ্যাৱলীৰ যোগেদি ভগৱানৰ ভক্ত-পৰাধীনতা দেখুৱাই মানুহক ভক্তিৰ পথত আগ বাঢ়িবলৈ উদগনি দিয়াও নাট্যকাৰজনাৰ অন্যতম উদ্দেশ্য যেন লাগে। তাৰ উপৰি, মানৱচৰিত্ৰই যে পৃথিৱীত সম্পূৰ্ণতা লাভ কৰা টান, তেনে এটা ইংগিতো নাৰদ-চৰিত্ৰৰ যোগেদি প্ৰকাশ কৰাৰ ধাৰণাও মনলৈ আহে।

যি কি নহওক, নাৰদৰ সকলোবিলাক কাৰ্যই মহৎ উদ্দেশ্য প্ৰণোদিত—বিশ্বৰ মঙ্গল সাধন। নাটকীয় ঘটনা, কাৰ্য, চৰিত্ৰৰ প্ৰসাৰ আৰু বিকাশত নাৰদৰ কাৰ্যই গতিশীল কৰি তুলিছে। সেই ফালৰ পৰাও নাৰদ-চৰিত্ৰৰ নাটকীয় গুৰুত্ব অতি বেছি।

নাৰদে পাৰিজাত ফুলপাহ আনি নিদিয়া হ'লে ঘটনাৰ আৰম্ভ আৰু গতি দুয়োটাই সম্ভৱ নহ'লহেঁতেন। জগতে শ্ৰীকৃষ্ণৰ ঘৰুৱা জীৱনৰ একান্ত ব্যক্তিগত সমস্যাবিলাকো চকুৰ আগলৈ নাহিলহেঁতেন। এই চিত্ৰৰ যোগেদি সেই সময়ৰ সমাজৰ ডা-ডাঙৰীয়াসকলৰ একাধিক পত্নী গ্ৰহণৰ বিলাসিতা আৰু তাৰ ফলত ঘৰুৱা জীৱনলৈ অহা অশান্তিৰ চিত্ৰও এই কাহিনীত প্ৰতিবিম্বিত হৈছে। তিৰোতা-সকলৰ স্বামীৰ সংখ্যা সেই সময়ৰ সমাজত নিশ্চয় বাঢ়িছিল। শ্ৰীমন্ত শঙ্কৰে সেয়েহে একাধিক নাটকত সেই বিষয়ে উল্লেখ কৰিছে।

নাৰী-চৰিত্ৰৰ চিত্ৰণ আৰু নাৰীমনৰ গতি-প্ৰকৃতিৰ নিৰীক্ষণত নাট্যকাৰ আধুনিক যুগৰ মনস্তাত্ত্বিক চৰিত্ৰ ৰূপায়ণকাৰীসকলৰ একজন যেন হৈ পৰিছে। সত্যভামাৰ চৰিত্ৰৰ মাজেদি নাৰীমনৰ চিৰন্তন ঈৰ্ষা আৰু শচীৰ চৰিত্ৰৰ মাজেদি তিৰোতাই লাভ কৰা সামাজিক মৰ্যদাগত অস্থায়ী অহংকাৰৰ চিত্ৰ প্ৰকাশ কৰিছে।

ভগৱানক আঁতৰত নাৰাখি গৃহস্থী জীৱনৰ তুলনাৰে নিজৰ লগৰে একজন বুলি ধৰিও সেৱনীয় আৰু ভজনীয় ঈশ্বৰ কৰি ল'ব পাৰি; সেই উদাহৰণো ইয়াত দেখুৱাইছে।

যুদ্ধক্ষেত্ৰলৈ নিজ নিজ পত্নীক লগত লৈ যোৱাৰ উদাহৰণ এই প্ৰথম পাৰিজাত-হৰণতে দেখিবলৈ পাওঁ। শ্ৰীকৃষ্ণই সস্ত্ৰীক গৰুড়ৰ পিঠিত উঠি যুদ্ধযাত্ৰা কৰা দেখুৱাই বিষ্ণু-কৃষ্ণৰ অভেদত্ব আৰু এবাৰ ভক্তৰ মনত দৃঢ়তাৰে প্ৰতিপন্ন কৰা হৈছে এই নাটকতে। ভক্ত-বাঞ্ছা পূৰ্ণকাৰী ভগৱানৰ ৰূপটোও এই নাটত সম্পূৰ্ণকৈ দেখুওৱা হৈছে। ৰুক্মিণী, সত্যভামা, বসুমতী, ইন্দ্ৰ, নাৰদ প্ৰত্যেকৰে বাঞ্ছা সুকীয়া; কিন্তু একে যাত্ৰাতে প্ৰত্যেকে বাঞ্ছিত ফল লাভ কৰিছে।

ৰচনাৰ ক্ষেত্ৰতো এই নাট শঙ্কৰদেৱৰ আন নাটসমূহৰ ভিতৰত শ্ৰেষ্ঠ। আন অঙ্কীয়া নাটৰ ৰচনাৰ ক্ষেত্ৰত থকা গতানুগতিকতা আৰু আড়ষ্টভাৱ পৰা পাৰিজাত-হৰণৰ ৰচনা বহুখিনি মুক্ত। পৰিস্থিতি আৰু চৰিত্ৰৰ লগত খাপ খোৱা শব্দ আৰু কথন-ভঙ্গীৰ প্ৰয়োগে এই ৰচনাসমূহক আকৰ্ষণীয়, গতিশীল আৰু জীৱন্ত কৰি তুলিছে। কথা আৰু পৰিস্থিতিৰ মাজেদি নাটকীয় শ্লেষৰ (dramatic ivory) সৃষ্টি কৰাত নাটকাৰ সফল হৈছে।

সূত্ৰধাৰৰ প্ৰাধান্য সমানে থাকিলেও আন কেইখন নাটৰ তুলনাত পাৰিজাত-হৰণৰ চৰিত্ৰসমূহ বচন-ভঙ্গী আৰু কাৰ্যৰ যোগেদি সম্পূৰ্ণ ব্যক্তিত্বসম্পন্ন হৈ পৰিছে।

৩ কালিয়দমন যাত্ৰা : কালিদমন নাটখনি সম্পৰ্কে বিশেষ ক'বলগীয়া নাই। এই কাহিনীটো বিষ্ণুপুৰাণ, হৰিবংশ আৰু ভাগৱতপুৰাণত বিবৃত হৈছে। ভাগৱতৰ দশম স্কন্ধৰ ভাগনিত আৰু কীৰ্ত্তনত শ্ৰীমন্ত শঙ্কৰদেৱে এই আখ্যান সুললিত পদত ৰচনা কৰিছে। নাটতো প্ৰধানকৈ ভাগৱতৰ কাহিনীকে অনুসৰণ কৰিছে।

এই কাহিনীৰ লৌকিক ব্যাখ্যা-প্ৰসঙ্গত স্বৰ্গীয় ৰাজমোহন নাথদেৱে অনুমান কৰিছে যে কালিয় নাগ কালিয় বংশৰ এজন নাগ জাতিৰ চৰ্দাৰ। তেওঁ দলবল লৈ বৃন্দাবনৰ ওচৰত যমুনাৰ পাৰত বাস কৰিছিল আৰু বৃন্দাবনবাসীৰ ওপৰত নানা অত্যাচাৰ কৰাত শ্ৰীকৃষ্ণই তাক যুদ্ধত হৰুৱাই সেই ঠাইৰ পৰা খেদি পঠায়।

হ্ৰদৰ পাৰত থকা জীৱিত কদম গছজোপাৰ ওপৰত গৰুড়ে স্বৰ্গৰ পৰা অমৃত হৰণ কৰি আনোতে খন্তেক জিৰাইছিল। অমৃতৰ পৰশ লগাত কদমজোপা জীয়াই থাকিল, কিন্তু বাকী গছবিলাক হ্ৰদৰ বিষপানী লাগি পুৰি মৰিল। শ্ৰীধৰ স্বামীৰ

মতে শ্ৰীকৃষ্ণৰ চৰণ-স্পৰ্শতহে কমলজোপা সজীৱ হ'ল।

.গৰুড় এই কালিয়-হ্ৰদলৈ নহাৰ কাৰণে কালি নাগে গৰুড়ৰ ভয়ত ইয়াত আশ্ৰয় লৈছিল। সৌভৰি নামৰ এজন মুনিয়ে এই হ্ৰদৰ পাৰত আশ্ৰম কৰি তপস্যা কৰিছিল। হ্ৰদৰ পানীত বহি তপ কৰোতে মাছবিলাক তেওঁৰ চাৰিওকালে ঘূৰি ফুৰা দেখি মুনিৰো ঘৰ-সংসাৰ কৰিবৰ ইচ্ছা হ'ল। কিছুদিন ঘৰ-সংসাৰ কৰাৰ পাছত আকৌ তপস্যাত বহিল। এইবাৰ ঋষিয়ে মানা কৰা সত্বেও পোনা এজাক লৈ ঘূৰি ফুৰা শ'ল মাছ এজনীক গৰুড়ে ধৰি খোৱাত সৌভৰিয়ে গৰুড়ক ভৱিষ্যতে এই হ্ৰদৰ কাষলৈ আহিলেই ধ্বংস হ'ব বুলি শাপ দিয়ে। তেতিয়াৰ পৰা গৰুড় সেই হ্ৰদলৈ নহা কাৰণেই কালিনাগ সপৰিবাৰে নিৰ্ভয়ে সেই হ্ৰদত থাকিবলৈ লয়।

এই কালিয় .নাগ আগতেও ৰমণক নামৰ সাগৰৰ এটা দ্বীপত আছিল। নাগসকলে কাতিমাহৰ পূৰ্ণিমাত গৰুড়ক পূজা দিয়াৰ ৰীতি আছিল। কালিয়েই এই পূজাৰ বিৰোধিতা কৰাত গৰুড়ৰ লগত যুদ্ধ হয় আৰু যুদ্ধত হাৰি এই হ্ৰদলৈ আহে। [স্বৰ্গীয় ৰাজমোহন নাথদেৱৰ দ্বাৰা সম্পাদিত 'কালিয়-দমন নাট'ৰ পাতনিৰ পৰা ]

এই নাটৰ কল্যাণ গীত আৰু মুক্তি-মঙ্গল ভটিমাত শ্ৰীৰামৰায়ৰ নাম মুঠতে দুবাৰ উল্লেখিত হৈছে। ইতিমধ্যে জগতানন্দ নাম ভল পৰি ৰামৰায় নামেৰে তেওঁ বিখ্যাত হৈ উঠিছে এই কথা অনুমান কৰিব পাৰি। সেই কাৰণেই এই নাটক পাৰিজাত-হৰণৰ পিছৰ ৰচনা বুলি ঠাৱৰ কৰিছো। সম্ভৱ ৰুক্মিনীহৰণৰো পিছৰ হ'ব পাৰে।

৪ ৰুক্মিণীহৰণ নাট : শ্ৰীমন্ত শঙ্কৰদেৱে ৰুক্মিণীহৰণৰ কাহিনীৰে এখন কাব্য আৰু এখন নাট ৰচনা কৰে। কাব্যত ভাগৱতৰ কাহিনীৰ লগত হৰিবংশৰ কাহিনীও মিহলোৱা হৈছে। নাটত ভাগৱতৰ কাহিনীকে ৰূপায়িত কৰিছে। যি কোনো কাব্যৰসিকে স্বীকাৰ কৰিব যে কাব্যখন এখন অপূৰ্ব আৰু অনুপম কাব্য। ৰুক্মিণীৰ বিবাহক কেন্দ্ৰ কৰি সমসাময়িক অসমৰ ঘৰুৱাজীৱন তথা সামাজিক জীৱনৰ ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, সাজ-পাৰ-অলঙ্কাৰ, পাৰিবাৰিক জীৱনৰ বিভিন্ন কাম, কথা-বাৰ্তাৰ ধৰণ-ভঙ্গী আদিৰ বিচিত্ৰৰূপ এই কাব্যত খটখটীয়াকৈ প্ৰকাশিত হৈছে। [illegible], [illegible] আই, [illegible] দৰে [illegible] [illegible] [illegible] [illegible]

শঙ্কৰদেৱৰ নিজা সৃষ্টি। নাটত কিন্তু সুমালিনী নাই, মদনমঞ্জৰী, লীলাৱতী সখীহে আছে। বাকী চৰিত্ৰ নাটলৈও আহিছে।

শঙ্কৰদেৱৰ ৰুক্মিণী নামৰ দ্বিতীয়া এগৰাকী কন্যাও আছিল। এওঁ অপূৰ্ব ৰূপ-লাৱণ্যৱতী আৰু শঙ্কৰদেৱৰ ঘৰ মৰমৰ কন্যা আছিল। এওঁকেই মাধৱদেৱলৈ বিয়া দিয়াৰ চিন্তা আই মাতৃয়ে কৰিছিল। মাধৱদেৱে এওঁক কান্ধত উঠাই, 'গুৰুকন্যা বন্দনীয়া' বুলি পদূলিৰ পৰা ঘৰলৈ নৈ অহাৰ পিছত আই মাতৃয়ে সেই চিন্তা এৰিলে। ঘৰদোৱাত থাকোতেই গুৰুজনাৰ প্ৰথমা পত্নীৰ বিয়োগ হোৱাত একমাত্ৰ আৰু প্ৰথমা কন্যা মনুক হৰি নামৰ কায়স্থ এজনক বিয়া দি, জী-জোঁৱাই আৰু ঘৰ-সংসাৰৰ দায়িত্ব ভ্ৰাতৃ ৰামৰায়ৰ হাতত সমৰ্পণ কৰি শঙ্কৰদেৱ প্ৰথমবাৰ তীৰ্থ ভ্ৰমণলৈ যায়।

বাৰ বছৰৰ পিছত উভতি আহি আত্মীয় কুটুম্বৰ অনুৰোধত দ্বিতীয়বাৰ বিবাহ কৰায়। ৰুক্মিণী এই দ্বিতীয় বিবাহৰ ফল। ধুঁৱাহাটাত (বেলগুৰি) থাকোতেই 'এজন ভাল কায়স্থেৰে সৈতে ৰুক্মিণী কন্যাক বিয়া দিলে'। (বেজবৰুৱা)। কন্যাৰ লগত ভূমি, দাস-দাসী আদি নানা যৌতুক দিছিল।

ৰুক্মিণী-হৰণ নাটৰ সূৰভি ভাটে, 'হামাৰ কুণ্ডিল নগৰী অনুপাম' বুলি যিখন দেশক লৈ কৃষ্ণৰ আগত গৌৰৱ কৰিছিল, সেই দেশেই কামৰূপ, সৌমাৰ, শ্ৰীমন্ত শঙ্কৰৰ দেশ। ৰুক্মিণী এই দেশৰেই জীয়াৰী। শঙ্কৰদেৱৰ সৃষ্টি বেদনিধি দ্বিজৰাজ ইমান জীৱন্ত চৰিত্ৰ যে ভেওঁ ৰথৰ বেগত মূৰ্চ্ছা গ'লত পাটবাউসীতে, 'কৃষ্ণদেৱে ধনুৰ আঁক দি জল উলিয়াই মাথাত দিছে, জলপান কৰিছে।' অকল সেয়ে নহয়, 'কৃষ্ণদেৱে গুৱা ভোজন কৰি ইয়াতেই মুখামৃতো পেলাইছিল'। (কথা-গুৰুচৰিত: এভিয়া ঠাকুৰ আতাৰ চৰিত)।

বাস্তৱ জীৱনত কন্যা ৰুক্মিণীক মাধৱত বিয়া দিব নোৱাৰাৰ অপূৰ্ণ ইচ্ছাক কৃষ্ণ-ৰুক্মিণীৰ বিবাহৰ যোগেদি আধ্যাত্মিক পূৰ্ণতা দিয়াৰ প্ৰচ্ছন্ন কামনাও এই কাব্য আৰু নাট ৰচনাৰ অন্যতম প্ৰেৰণা হ'ব পাৰে।

কাব্যত ৰুক্মিণীৰ বিবাহ সম্পৰ্কীয় আচাৰ-অনুষ্ঠানৰ ৰসাল বৰ্ণনাৰ গুৰিত মনুকন্যাৰ

বিয়াৰ স্মৃতি সজীৱ অৱস্থাত থাকোঁতেই কাব্যখনৰ ৰচনা-কাৰ্য সম্পন্ন হ'ব পাৰে, এনে ধাৰণাও মনলৈ আহে। কাব্যখন আগ বয়সৰ ৰচনা, সেই বিষয়ে সমালোচক-সকলৰ মাজত দ্বিমত নাই, কিন্তু নাটখন বেলগুৰিত থাকোঁতেই ৰচনা কৰা হ'ব পাৰে। পাটবাউসীৰ কীৰ্তনঘৰ সজা প্ৰসঙ্গত বেদনিধিৰ কাহিনীৰ উল্লেখৰ পৰা এনে অনুমান হয়—যদিও কাব্যখনৰ জনপ্ৰিয়তাৰে। বেদনিধিৰ কাহিনী এনেদৰে প্ৰচাৰ কৰিব পাৰে।

ৰামবিজয় নাটৰ লগত ৰুক্মিণী-হৰণ নাটৰ বহুখিনি সাদৃশ্যলৈ লক্ষ্য কৰিলে এই নাট ৰামবিজয়ৰ ঠিক আগৰ ৰচনা বুলি ভাবিবৰ থল ওলায়। কিন্তু সেইটোও দৃঢ় প্ৰমাণ হ'ব নোৱাৰে। ভটিমাত শ্ৰীৰামৰায়ৰ নামৰ উল্লেখৰ যোগেদি এই সিদ্ধান্তলৈ আহিব পাৰি যে নাটখন পাৰিজাতহৰণৰ পিছৰ ৰচনা।

৫ কেলি-গোপাল : কেলি-গোপাল নামে জনাজাত এই নাটখনৰ নাম কোনো কোনো সত্ৰীয়া পুথিত ৰাস-ক্ৰিয়া বুলিও পোৱা গৈছে। কলিয়াবৰৰ ভোলাগুৰি সত্ৰৰ পুথিত আৰু সেই পুথিৰ পৰা ছপা কৰা কিতাপত এই নাটৰ নাম ৰাস-ক্ৰীড়া দিছে। [ ৰাস-ক্ৰীড়া নাট ঃ শ্ৰীসৰ্বেশ্বৰ কটকী (বৰ্তমান স্বৰ্গীয়) দেৱৰ দ্বাৰা সম্পাদিত, ১৯৩৯ চন ]। নতুন কমলাবাৰী সত্ৰৰ পুথিতো ( সাঁচিপতীয়া ) ৰাস-ক্ৰীড়া নামহে পোৱা যায়।

নাটকীয় কাহিনীৰ মূল : শ্ৰীমদ্ভাগৱত পুৰাণ, বিষ্ণুপুৰাণ, হৰিবংশম্, ব্ৰহ্মবৈৱৰ্ত-পুৰাণ, গৰ্গসংহিতা আদি পুথিত শ্ৰীকৃষ্ণৰ লীলা-প্ৰসঙ্গত ৰাসলীলাৰ কাহিনীও বৰ্ণিত হৈছে। শ্ৰীমন্ত শঙ্কৰদেৱে অকল ভাগৱতপুৰাণৰ পৰা এই নাটৰ বিষয়-বস্তু গ্ৰহণ কৰিছে।

কেলি-গোপাল নাটৰ ৰাধা চৰিত্ৰ ঃ শ্ৰদ্ধেয় স্বৰ্গীয় কালিৰাম মেধিদেৱে তেওঁৰ দ্বাৰা সম্পাদিত 'অঙ্কাৱলী'ত এই নাটৰ আলোচনা-প্ৰসঙ্গত ৰাধা চৰিত্ৰৰ প্ৰক্ষিপ্ততা সম্পৰ্কে যুক্তি দেখুৱাইছে। নাটৰ মূল ভাগৱত পুৰাণ আৰু হৰিবংশ, বিষ্ণুপুৰাণ এই তিনিখন গ্ৰন্থত ৰাধাৰ নাম নাই। শঙ্কৰদেৱৰ ৰাস ক্ৰীড়াৰ পদ ভাওনিতো (দশম, কীৰ্তন) ৰাধাৰ নাম নাই। নাটখনলৈ 'ৰাধা' চৰিত্ৰ হঠাৎ কেনেকৈ আহিল ? অসমৰ আন আলোচকসকলৰ লগতে এই সম্পাদকৰো ধাৰণা দৃঢ় যে ৰাধা নামটো নাটত প্ৰসিদ্ধ। এজনী গোপীৰ চৰিত্ৰক ৰাধা নাম দিয়া হৈছে।

আনহাতে এইটোও সত্য যে ৰাধা ইয়াত এগৰাকী গোপীৰ নাম মাথোন, তাৰ বাহিৰে আন ধৰ্মীয় বা আধ্যাত্মিক গুৰুত্ব নাই। নাটৰ ৰাধা চৰিত্ৰই অসমৰ নৱ-বৈষ্ণৱ ধৰ্মৰ স্বৰূপটোৰ একো সাল-সলনি ঘটোৱা নাই। ভাৰতৰ আন ঠাইৰ দৰে অসমৰ বৈষ্ণৱ ধৰ্মত ৰাধা-কৃষ্ণৰ যুগল উপাসনাৰ স্থান নাই, শ্ৰীকৃষ্ণই একমাত্ৰ সেৱনীয় পৰমেশ্বৰ। মাধৱদেৱৰ ভূষণ-হৰণ ঝুমুৰাতো ৰাধা নামৰ, শিশু কৃষ্ণৰ অভিভাৱিকা স্বৰূপা এগৰাকী গোপীৰ চৰিত্ৰ আছে। মাধৱদেৱৰ বৰগীততো ৰাধাৰ কাৰ্য-কলাপৰ বৰ্ণনা আছে। এই সকলোতে ৰাধা এগৰাকী গোপীৰ নাম মাথোন।

কলিয়াবৰৰ ভোলাগুৰি সত্ৰৰ পুথি আৰু নতুন কমলাবাৰী সত্ৰৰ অতি প্ৰাচীন পুথিতো ৰাধা চৰিত্ৰ বৰ্তমান। মাথোন শ্ৰীমান ড° কেশৱানন্দ দেৱ গোস্বামীৰ দ্বাৰা সম্পাদিত 'অঙ্কমালা'ৰ কেলি-গোপালত ৰাধা অনুপস্থিত।

নগাঁও কলেজৰ ভূগোল বিভাগৰ মুখ্য অধ্যাপক মাজুলীৰ এলেঙি সত্ৰৰ শ্ৰীযুত কমল চন্দ্ৰ গোস্বামীদেৱৰ পৰা জনামতে তেখেত সকলৰ সত্ৰৰ এই নাটত ৰাধা নাই। কোৱামৰা আদি সত্ৰৰ নাটতো ৰাধাৰ স্থান নাই বুলি আন এটি সূত্ৰৰ পৰা জানিব পাৰিছোঁ।

সি যি কি নহওক, নাটৰ ৰাস মণ্ডলত ৰাধা 'ৰাসেশ্বৰী' নহয় আন সকলো গোপীৰ সমানেই ৰাধাৰ মৰ্যদা। শ্ৰীকৃষ্ণই তেওঁক লৈ অন্তৰ্দ্ধান হৈছিল কাৰণে ৰাধাই (গোপী গৰাকীয়ে) ভগৱানৰ বিশেষ অনুগ্ৰহ পোৱা বুলি আন গোপীসকলৰ এটা সাময়িক ধাৰণা হৈছিল যদিও পিছত তেওঁকো পৰিত্যক্তা অৱস্থাত পোৱাৰ ফলত তেওঁলোকৰ এই ধাৰণাৰ ভেটি সুদৃঢ় হোৱা বুলি জনা নাযায়।

আন এটা অতি গুৰুত্বপূৰ্ণ কথা, শুকদেৱে ভাগৱতৰ ৰাসলীলাৰ বৰ্ণনাত ক'তো কোনো গোপীৰেই নাম উল্লেখ কৰা নাই। 'এগৰাকী গোপী', 'আন এগৰাকী গোপী', 'এওঁৰ দ্বাৰা, 'তেওঁৰ দ্বাৰা' আদি পদৰ সহায়ত গোপীৰ কাৰ্যৰ উল্লেখ কৰি গৈছে। শঙ্কৰদেৱে আনকি নাটকতো কোনো গোপীৰ নাম উল্লেখ কৰা নাই। গতিকে হঠাৎ ৰাধাৰ নাম উল্লেখিত হোৱাৰ সপক্ষে সবল যুক্তি নাই।*

---

*ৰাধা সম্পৰ্কীয় বহল আলোচনাৰ কাৰণে ড° শশীভূষণ দাসগুপ্তদেৱৰ 'শ্ৰীৰাধাৰ ক্ৰমবিকাশ' নামৰ বঙলা গ্ৰন্থ আৰু ছাৰ আৰ, জি, ভাণ্ডাৰকাৰদেৱৰ 'বৈষ্ণৱিজিম শৈৱিজিম' নামৰ ইংৰাজী গ্ৰন্থ চাওক। এনে আলোচনাৰ ভেটিত যুক্ত কৰা এই লিখকৰ প্ৰবন্ধ 'অংকীয়া নাটৰ চৰিত্ৰৰ ভাৰাত' (চিন্তা-বিচিত্ৰা নামৰ সংকলনত সন্নিৱিষ্ট) ইচ্ছুক সকলে চকু ফুৰাব পাৰে।

৬. শ্ৰীৰাম-বিজয় : কাহিনীভাগ সম্পৰ্কে টোকা—এই নাটত মূল ৰামায়ণৰ কাহিনী সম্পূৰ্ণকৈ গ্ৰহণ কৰা নাই। মূল ৰামায়ণত সীতা জাতিস্মৰ কন্যা নহয়। হৰধনুখনত (মূলত এই ধনুৰ নাম 'সুনাভ') যি জন বীৰে গুণ দিব পাৰিব, তেওঁকেহে সীতাক দান কৰিব, এয়ে আছিল জনক ৰজাৰ পণ। কোনো ৰজায়ে সেই ধনুত গুণ দিয়া দূৰৰ কথা দাঙিবই নোৱাৰাত খং-অপমানত সকলোৱে মিলি মিথিলা নগৰী অৱৰোধ কৰি তেওঁৰ সৈন্য-বাহিনীক ধ্বংস কৰে। পিছত দেৱতাসকলৰ কৃপাত লাভ কৰা চতুৰঙ্গ সেনাই ৰজাবিলাকক পৰাস্ত কৰি খেদি পঠায়।

ৰামচন্দ্ৰই সেই ধনুত গুণ লগাই আকৰ্ষণ কৰি মাজতে ভাঙে। তেতিয়া জনক ৰজাই সীতাক ৰামচন্দ্ৰৰ হাতত সমৰ্পণ কৰাৰ মানসেৰে দশৰথ ৰজালৈ আমন্ত্ৰণ পঠায়।

ৰামচন্দ্ৰৰ বিয়াহৰ লগতে জনক ৰজাৰ দ্বিতীয়া কন্যা (তেওঁৰ নিজ কন্যা) উৰ্মিলাক লক্ষ্মণলৈ বিয়া দিয়াৰ আৰু একে সময়তে ভৰত আৰু শত্ৰুঘ্নলৈও জনক ৰজাৰ ভ্ৰাতৃ কুশধ্বজ ৰজাৰ দুই কন্যা মাণ্ডৱী আৰু শ্ৰুতকীৰ্তিক বিয়া দিয়াৰ সিদ্ধান্ত জনক আৰু দশৰথ ৰজাই লয়। সেইমতে ভৰতে মাণ্ডৱীৰ আৰু শত্ৰুঘ্নই শ্ৰুতকীৰ্তিৰ পাণি গ্ৰহণ কৰে। একে বেদীতে চাৰিওজনৰ বিয়াহ-কাৰ্য সম্পন্ন কৰে মহৰ্ষি বশিষ্ঠই।

পুত্ৰ-পুত্ৰবধূ সহ অযোধ্যালৈ ঘোৰাৰ বাটত পৰশুৰামৰ লগত সংঘৰ্ষ হয়। বিয়াহ-স্থলিত বা বিয়াহৰ পাছতো ৰজাসকলৰ লগত ৰাম-লক্ষ্মণৰ যুদ্ধ হোৱা নাছিল।

নাটৰ ৰচনা-কাল : 'ৰামবিজয়' আৰু পত্নীপ্ৰসাদ এই দুখন নাটত জগতানন্দ বা ৰামৰায়ৰ নাম উল্লেখিত হোৱা নাই। ৰামবিজয়ত গুৰুধ্বজ বা চিলাৰায়ৰ (ৰামৰায়ৰ জোঁৱাই) নাম কল্যাণ গীতত আৰু মুক্তিমঙ্গল ভটিমাত যথাক্ৰমে 'পৰম ৰসিক গুৰু' আৰু 'ৰামক পৰম ভকতি ৰস জানা' বিশেষণেৰে উল্লেখিত হৈছে।

'কথা-গুৰুচৰিত'ত আছে : 'আৰু চোট দেৱানে প্ৰাৰ্থনা কৈলে ৰামায়ণৰ নাট কৰিবলৈ। একে লিপা নাট, সূত্ৰ, গীত, ভটিমা, কথা কৰি শুনাইছে ৰাজাক। দেখি শুনি আশ্চৰ্য অদ্ভুত হৈ ঈশ্বৰ শক্তি দেখি এশপঞ্চাশ হৰিচ কৰাই সেৱা কৰাইছে। বস্ত্ৰ টকা দি সেৱা কৰিছে তাৰা সবে। গুৰুজনে তাতে কাগ-কাঠ এৰিলে। পুৰাণৰ 'পঞ্চ' শ্লোক লক দিছে। শ্ৰীশঙ্কৰ কিৰ্তি ভুবন গুণেপু থাকে

জাতো শমভু হৰিপদং খ বিলা বিধু চন্দ্ৰে ইতি ১৪৯০ ॥' (এতিয়া চোট আতাৰ চৰিত)।

ৰাম বিজয় নাট শ্ৰীমন্ত শঙ্কৰদেৱৰ শেষ ৰচনানে—এই সম্পৰ্কে মতদ্বৈধ নোহোৱা নহয়।* তাৰ উপৰি এই নাটৰ কল্যাণ গীতটিলৈ আঙুলিয়াই কোনোৱে ক'ব খোজে যে ৰাম-সীতাৰ প্ৰণয়-লীলাৰ যি চিত্ৰ ইয়াত বৰ্ণিত হৈছে সেয়া শেষ বয়সৰ ৰচনা হ'ব নোৱাৰে,—( কাঞ্চোৰ চোৰ ফোৰ কুচ সুচুক··)। সেই সকলৰ মতামতক শ্ৰদ্ধা জনায়ে কওঁ যে সাহিত্য-সৃষ্টিৰ ক্ষেত্ৰত বয়স শেষ কথা নহয়, প্ৰতিভাহে মূল কথা। ৰস-সৃষ্টিৰ ক্ষেত্ৰত বয়সৰ বিচাৰ নিশ্চয় নাহে।

সেয়ে হ'লেও অন্তৰঙ্গ প্ৰমাণৰ যোগেদিও এটা কথা ফটফটীয়া হয় যে শ্ৰীমন্ত শঙ্কৰদেৱে এই নাট লৰালৰিকৈ ৰচনা কৰিব লগা হৈছিল। হয় ৰুক্মিণীহৰণ নাটখন ৰচনা কৰা বেছি দিন হোৱা নাছিল নাইবা ৰাম-বিজয় ৰচনাৰ সময়ত এই নাটখন নাট্যকাৰৰ সন্মুখত আছিল। ( দ্বিতীয় অনুমানেই সত্য হ'ব )। ৰাম-বিজয়ৰ গীত-পদ-কথা-চৰিত্ৰ · চিত্ৰণ আদিত ৰুক্মিণী-হৰণৰ প্ৰভাৱ সুস্পষ্ট।

সীতা যে জাতিস্মৰ কন্যা, এই কথা মূল ৰামায়ণত নাই বুলি কৈ অহা হৈছে। মাধৱদেৱৰ আদিকাণ্ড ৰামায়ণতো এই কথাৰ উল্লেখ নাই। সেইদৰে ধনুখনৰ নামো 'অজগৱ' বুলি বাল্মিকী ৰামায়ণ বা মাধৱদেৱৰ আদি-কাণ্ডতো নাই।

ধনুখন স্বয়ং জনক ৰজাই নিজ কান্ধত দাঙি লৈ ৰাজসভালৈ অনা বুলি নাটত দেখুওৱা হৈছে। মূল ৰামায়ণত সেই কথা নাই (শব্দাৰ্থত এই ধনু সম্পৰ্কীয় টোকা দ্ৰষ্টব্য )। মাধৱদেৱৰ ৰামায়ণতো :

·····ৰাজাৰ বচন শুনি ভেতিকণে গৈল।
অৰ্বুদেক লোকে ধনু সাজি কৰি লৈল ॥
কুজি মুজি হুয়া সৱে আনে বল দিয়া।
আদখনে আসে মাটিত লুটিয়া ॥
যেলেতেলে আনি সমাজৰ মাজে থৈল।
দেখিয়া ধনুক ৰাজাগণ ভয় ভৈল ॥”···

*দৈত্যাৰি ঠাকুৰৰ চৰিত পুথি মতে 'সীতা-স্বয়ম্বৰ' (ৰামবিজয়) শেষ ৰচনা নহয়।

এই বৰ্ণনা মূল ৰামায়ণসন্মত আৰু ধনুৰ বিশালত্বৰ পৰিচায়ক।

মূল ৰামায়ণত বিশ্বামিত্ৰই ৰাম-লক্ষ্মণক জনক ৰজাৰ ধনুখনৰ বিষয়ে কওঁতে সেই ধনুখন দেৱতাসকলে যজ্ঞত সন্তুষ্ট হৈ জনক ৰজাক দান কৰিছিল বুলি কৈছিল আৰু ধনুখনৰ নাম 'সুনাভ' বুলি কৈছিল। মাধৱদেৱৰ আদিকাণ্ড ৰামায়ণৰ ভাওনিত ধনুখনৰ কোনো নামৰ উল্লেখ কৰা নাই। কিন্তু ধনুখন মহাদেৱে মৃগয়া কৰিবলৈ আহি জনক ৰজাৰ কাৰেঙৰ সিংহদুৱাৰত থৈ যোৱা বুলি কৈছে।

বিশ্বামিত্ৰই ৰাম-লক্ষ্মণক জনক ৰজাৰ 'উত্তম ধৰ্মময় যজ্ঞ' চাবলৈ আৰু তাত থকা 'অদ্ভুত ধনুৰত্ন'খন দেখুৱাবলৈ বুলি কৈহে মিথিলালৈ তেওঁলোকক লৈ গৈছিল। নাটত কিন্তু সীতাৰ স্বয়ম্বৰৰ কথা কোৱাৰ উপৰিও সীতাৰ দেহ-সৌন্দৰ্যৰ এনেকুৱা জীৱন্ত বৰ্ণনা বিশ্বামিত্ৰৰ যোগেদি দিয়াইছে যাৰ ফলত পোৰুৰ-যোল্ল বছৰীয়া তৰুণ ৰামৰ মনত, 'কিঞ্চিৎ মদন-বিকাৰ উপজল' আৰু লগতে এটা নিশ্বাসো ফোকাবিলে। (অৱশ্যে ঋষি বা লক্ষ্মণৰ অজ্ঞাতে!) ৰুক্মিণী-হৰণৰ সুৰভি নামৰ ভাটজনৰ কাম এই নাটত বিশ্বামিত্ৰই আৰু হৰিদাস নামৰ ভাটজনৰ কাম সীতাৰ সখী ৰণকাৰন্তীয়ে কৰিছে। (ৰুক্মিণী-হৰণৰ সাঁচতে এই নাটখন ৰচনা কৰিছে)।

মাধৱদেৱেও ৰামায়ণত বিশ্বামিত্ৰৰ মুখেদি সীতাৰ অপৰূপ ৰূপ-লাৱণ্যৰ দীঘলীয়া বৰ্ণনা দিয়াইছে।

নাটৰ আন এটি উল্লেখযোগ্য বিষয় হ'ল, ৰামচন্দ্ৰই হৰধনুখন হাতেৰে তুলি গুণ লগাবলৈ দলি মাৰি আকৌ 'লুফি' ধৰাৰ সময়ত সীতাই মনে মনে বসুমতী আদিক প্ৰাৰ্থনা কৰিছে:

'হে মাৱ বসুমতি … হে পিতা অনন্ত …
হে ঈশ্বৰ কূৰ্মৰাজ … ' — ইত্যাদি।

মাধৱদেৱেও আদিকাণ্ড ৰামায়ণত সীতাৰ মনৰ অৱস্থাৰ বৰ্ণনা প্ৰায় একেদৰে দিছে:

…'পৃথিবীক কাতৰ কৰিলা সীতা মায়ে॥
মাতৃ বসুমতী কৃপা কৰিয়োক মোক।

থিৰ হুৱা প্ৰভু বাৰেক ধৰিয়োক ॥
দিগ্‌গজ সকল তুমি সবে হৈৱা থিৰ ।
ভণিয়ো অনন্ত তুমি নলাৰিবা শিৰ ॥
হে কূৰ্ম্ম ভালে অনন্তক ধৰিবাহা ।
দিগপাল সকল স্বামীৰ হৈৱা সহা ॥ ...'

শ্ৰদ্ধেয় ড' সত্যেন্দ্ৰ নাথ শৰ্মাদেৱে নাটৰ সীতাদেৱীৰ উক্তি 'হনুমান্নাটক'ৰ স্পষ্ট প্ৰতিধ্বনি বুলি মূল শ্লোকটো উদ্ধৃত কৰি দেখুৱাইছে ঃ

'পৃথ্বি স্থিৰাভৱ, ভুজঙ্গম ধাৰয়ৈনাং,
ত্বং কূৰ্ম্মৰাজ তদিদং দ্বিতয়ং দধীথাঃ ।
দিক্‌কুঞ্জৰাঃ কুৰুত তত্ৰিতয়ে দিধীৰ্ষাং'
ৰামঃ কৰোতি হৰ কাৰ্ম্মুকমাততজ্যাম ॥'
[অসমীয়া নাট্য-সাহিত্য, পৃঃ ৫৮]

মন কৰিবলগীয়া এয়ে যে 'হনুমান্নাটক'ত এই উক্তি সংক্ষেপতহে আছিল ।

শ্ৰীমহিম বৰা

# পল্লীপ্রসাদ

## চৰিত্ৰ

শ্ৰীকৃষ্ণ

বলোৰাম

গোপবালকসকল

দ্বিজসকল

চন্দ্ৰভাৱতী

দ্বিজপত্নীসকল

দেৱতাসকল

# পত্নীপ্ৰসাদ

## শ্ৰীকৃষ্ণায় নমঃ

১ নান্দী ॥

*লক্ষ্ম্যা ওক নতৌ নতস্তৱ পদে ভক্তস্য ভীভঞ্জকে
বন্দে নন্দনিৱাসৱাস দনুজশ্ৰীকচ্ছিদা গৰ্ব্বিত।
পদ্মামোদন সুন্দৰেন্দ-দলিত-প্ৰায় প্ৰকাশ প্ৰভো
ভোগব্যালনলাৱলেপ নিষামেল্লোহন্নামৃতং(১) দেহি ভোঃ ১ক ॥

১ ভটিমা ( ভট্ৰিমা ) ॥

জয় জয় যাদৱ দৈত্যপৰাভৱ কাৰি মাধৱ
ভকত জন যো মুকুতি সাধৱ ॥
জগত নিধান পুতনাক প্ৰাণ কয় নিৰজান(২)
নিজ জন তাৰণ পুৰুষ পুৰাণ ॥
জয় অজহংস যে নিজ অংশ হুয়া যদুবংশ
সংহাৰু অঘ বক কেশী কংস ॥
জয় বনমালী বিমৰ্দিয়ে কালি বহুবলশালী
খেদল হ্ৰদ মহ তাহে নিকালি ॥

---

১ পাঠান্তৰ—পৰমাকে নামৃতং দেহি ভোঃ।

১ক শ্ৰীকৃষ্ণ কৃষ্ণ সখৱাৰ্ক্ষেৰ ভাৱনাসু অগ্ৰজবংশ দহনাংপবৰ্গবীৰ্য্য।
গোবিন্দ গো-দ্বিজ-সুৰাৰ্ত্তিহৰাৱভাৰ যোগেশ্বৰাখিল গুৰু ভগৱন্ নমস্তে ॥
[ নতুন কমলাবাৰী সত্ৰৰ নাটত এই নান্দী শ্লোক আছে। সত্ৰৰ বুঢ়াভকত শ্ৰীদেৱেন্দ্ৰনাথ বায়ন আতাৰ যোগেদি পোৱা হৈছে। ]

২ নিৰযান = নিৰ্যান।

*মূল শ্লোকৰ ওপৰত শ্ৰী এ টি বিশ্বাসদেৱে দিয়া শুদ্ধ পাঠহে গ্ৰহণ কৰা হৈছে।
[ A Textual Criticism of sanskrit verses in Old Assamese Dramas. I. U. G. Vol. Vii, 1956.

ছুয়া অৱতাৰ ভূমিকো ভাৰ সব সংহাৰ
যো কৰু বিৰিন্দা বিপিন বিহাৰি ॥
ধৰু গোবৰ্দ্ধন বাৰণ বৰিখণ তাৰল ব্ৰজজন
মদ ইন্দ্ৰক দূৰ কয় নাৰায়ণ ॥
গোপিনীক সঙ্গ বঢ়াৱত ঢঙ্গ হেৰি ভ্ৰূভঙ্গ
ৰমনীক মনোৰথ পূৰল অনঙ্গ ॥
জয় গোপাল বজ্ৰকবিলাস স্তচকৰুকাল
ঋজু কবুজী যো কৰত গোপাল ॥
জয় শ্ৰীৰাম ভকত সুদাম তনিকব থান
গয় ৰবদানে পূৰল কাম ॥
পৰম প্ৰতাপ যো কৰু দান ভাঙ্গল চাপ
শুনি কংসক মনে মিলল সন্তাপ ॥
প্ৰমত্ত মাতঙ্গ নিপাতল অঙ্গ কৰি ভ্ৰূভঙ্গ
দশন উৎপাৰি প্ৰাৱেশল ৰঙ্গ ॥
পৰম দন্দুৰ মল্ল চান্নুৰ কয় মষিমুৰ
নিজ জন ভকতক ভয় ভেল দূৰ ॥
যত মল্ল মন্দ নিপাতল কন্ধ মিলল আনন্দ
চোৰল পাচু পিতাকেৰি বন্ধ ॥
শুন সবলোই বচনেক মোই হৰি বিনে কোই
ওই সংসাৰে সুহৃদ নাহি হোই ॥
কৃষ্ণক নাট পাপ উতপাত
শুন যাকেৰি ইচ্ছা বৈকুণ্ঠক বাট ॥
হৰিক বিহাৰ জগত আধাৰ নিগম কসাৰ
শুনিতে ভণিতে ভৱ পাই উতাৰ ॥
বিষয় বিলাস ওহি যমপাশ তেজুতথি আশ
কৰু হৰি নামে সুদৃঢ় বিশ্বাস ॥

হৰিগুণ নাম আতি অনুপাম লেহু অবিৰাম
কহ শঙ্কৰ সব বোলহু ৰাম ৰাম ॥ (৩)

৫ সূত্ৰ ॥ আহে সামাজিক লোক, যোহি জগতক পৰম গুৰু পুৰুষোত্তম, সোহি নন্দনন্দনৰূপে কহোঁ, অন্ন প্ৰাৰ্থনা ছলে বিপ্ৰসৱক কৰ্ম গৰ্ব দূৰ কয়ল, পত্নীসৱক পৰম প্ৰসাদ দেলহ, বালকসৱক ষড়ৰস অন্ন ভোজন কৰাওল, সোহি পত্নীপ্ৰসাদ নাম নাট ওহি সভামধ্যে কৌতুকে কৰব, তাহে দেখহ, শুনহ নিৰন্তৰে হৰি বোল হৰি।

প্ৰথমে বিপ্ৰসৱক দেখহ শুনহ।(৪)

৪ গীত ॥ ৰাগ কানাড়া ॥ পৰিতাল ॥

ধ্ৰুং ॥ আৱত দ্বিজসব কউ(৫) পৰবেশ।
তপ উপবাসে শৰীৰ ভেল ক্লেশ ॥
পদ ॥ হাতে গলে শিৰে ৰুদ্ৰাক্ষৰ ঝোণ্টাঝোট(৬)
ভোৰকাৰ দাড়ি-গোফ(৭) চৰাচৰ(৮) ফোট ॥
উচ্চাৰত বেদমন্ত্ৰ অল্প কৰি হাস।
চান্দক জ্যোতি দশন পৰকাশ ॥
বিনে হৰি ভকতি বিফল স্বৰ্গকাম।
হৰিকো হৃদয়ে ধৰি বোলা ৰাম ৰাম ॥

৩ এই ভটিমাটো অকল স্বৰ্গীয় হৰিনাৰায়ণ দত্তবৰুৱাৰ দ্বাৰা সম্পাদিত 'শ্ৰীশঙ্কৰ বাক্যামৃত'ত সন্নিৱিষ্ট 'পত্নীপ্ৰসাদ নাট'ত মাত্ৰ পোৱা হৈছে। স্বৰ্গীয় কালিৰাম মেধিদেৱৰ দ্বাৰা সম্পাদিত 'অঙ্কাৱলী' আৰু কেইবাখনো সাঁচিপতীয়া পুথিত 'কালিয়-দমন নাট'ৰ ভটিমাটোকে দিয়া হৈছে: 'জয় জয় যদুকুল কমল প্ৰকাশক নাশক কংসক প্ৰাণ—' ইত্যাদি। বৰ্তমানৰ ভটিমাটো ৰামচৰণ ঠাকুৰৰ 'কংসবধ' নাটত সন্নিৱিষ্ট।
৪ প্ৰথমে বিপ্ৰসৱ কৈছে প্ৰবেশ কয়ল তা দেখহ ৫ কয় ৬ জোটাঝোট
৭ নখ ৮ ছৰছৰ।

৫ সূত্ৰ ॥ ঐচন প্ৰৱেশ কয়ে বিপ্ৰসব যজ্ঞ কৰিতে লাগল। তদনন্তৰে ৰামকৃষ্ণ গোপগণ সহিতে যৈচে প্ৰৱেশ কয়ল, তা দেখহ, শুনহ, নিৰন্তৰে হৰি বোল হৰি।

৬ গীত ॥ ৰাগ আশোৱাৰি ॥ তাল (জৌতি(৯) ॥

ধ্ৰুং ॥ আৱত কাণু বেণু বজাই।
চললি সঙ্গে গোপ গুণ গাই ॥
শ্যামল অঙ্গে পীত পিছোৰা।
নৱঘন যৈচে বিজুৰি উজোৰা ॥(১০)
হাৰ মুকুট মণি কুণ্ডল ডোল।
কৃষ্ণ কিঙ্কৰ ওহি শঙ্কৰ বোল ॥(১১)

৭ সূত্ৰ ॥ শ্ৰীকৃষ্ণ ঐচন প্ৰৱেশ কয় কহোঁ বলোভদ্ৰ সহিতে অশোক মূলে বহল। তদনন্তৰ বালক সব গোবৎসসবক জলপান কয়ল। আপুনু জলপান কয়ল। পৰম ক্ষুধাতুৰ হুয়া ৰামত কৃষ্ণত যৈচে গোচৰ কয়ল, তাহে দেখহ, শুনহ।

৮ কথা ॥ বালকসব বোল ॥
হে ৰাম, হে কৃষ্ণ, তোহো হামাৰ পৰম জীৱন! আজু পৰভাতে ভোজন কৰয়ে নাহি, হামু দধি অন্ন সঙ্গে নাহি আনল। (ক্ষুধায়ে পৰম পীড়িত হৈয়া আছি, ইহা জানি) ক্ষুধা নিবাৰণ উপায় চিন্তহ।

৯ সূত্ৰ ॥ বালকসবক বচন শুনিয়ে শ্ৰীকৃষ্ণ বিহসি বোলল ॥

১০ কথা ॥ শ্ৰীকৃষ্ণবোল ॥
আহে সখিসব, আঃ ভয় কহল, হামো যে বোলোঁ তা শুনহ। ওহি আশ্ৰমক মধ্যে বিপ্ৰসব স্বৰ্গকামে যজ্ঞ কৰসিয়া(১২)।

---

৯ একতাল, পৰিতাল ১০ শ্যাম মূৰ্তি দীপিত পীতবাস কণ্ঠে কমলমালা কয়ো লৰালাস ১১ কৃষ্ণক কিঙ্কৰ শঙ্কৰ বোল ১২ কৰিছেহে

বেদত শাস্ত্রত পৰম সম্পন্ন। তাবাসবক আগে দাদাব হামাব নামধৰি অন্ন প্ৰাৰ্থনা কৰ গিয়া॥

১১ সূত্র॥ ওহি বুলি শ্রীকৃষ্ণ মৌনে ৰহল। বালকসব শ্রীকৃষ্ণক আজ্ঞা শিৰে ধৰি কহোঁ, যজ্ঞশালা প্ৰৱেশ ভেল। বিপ্রসবক দেখিয়ে নমস্কাৰ কৰিয়ে কৰ যোৰি যে বোলয়ে লাগল, তা দেখহ, শুনহ।(১৩)

১২ কথা॥ বালকসৱ বোল॥

আহে গুৰুসব, তোৰাসৱ পৰম পণ্ডিত, যজ্ঞ-দান ব্ৰতে পৰম নিৰ্মল হুয়াছ(১৪), ওহি অশোক মূলে, গোপগণ সহিতে ৰামকৃষ্ণ পৰম ক্ষুধাতুৰ হুয়া, অন্ন প্ৰাৰ্থি পঠায়ল: যেবে শ্ৰদ্ধা থাকয়(১৫) অন্ন ব্যঞ্জন প্ৰচুৰ দেৱহ। অন্নদানে যে পুণ্য আপুনে জানহ, অজ্ঞানক শিক্ষাৱহ। তোৰাসৱক আগে হামু কি কহব॥

১৩ সূত্র॥ ওহি বোলি বাৰম্বাৰ গোপসবে অন্ন প্ৰাৰ্থনা কয়ল। গুৰুসবে শুনয়ে নাহি, শুনিও গণাগণ কৰয়ে নাহি। সোহি সময়ে এক চন্দ্রভাবতী(১৬) ব্ৰাহ্মণে পৰম ক্ৰোধে যে বোলল, তাহে শুনহ।

১৪ কথা॥ চন্দ্রভাবতী বোল॥

আহে গোৱালসব, হামু বেদত শাস্ত্ৰত পৰম পাৰ্গত, যজ্ঞ ব্ৰত দানে পৰম পবিত্ৰ। ওঃ হামোসৱ ভূদেৱতা, হামাক সৰ্ব-লোকে পূজয়। নন্দসূত কৃষ্ণ হামাক আগে কোন হয়।

১৫ সূত্র॥ ওহি বুলি ব্ৰাহ্মণ মৌনে ৰহল। তদনন্তৰ শিশুসবে অন্যো অন্যে খেদ কৰিতে লাগল।

১৬ বালকসৱ বোল॥

আহে সখিসৱ, ওহি বিপ্ৰসৱ সকল যজ্ঞমূৰ্তি দেৱক দেৱতা কৃষ্ণক জানয়ে নাহি। আবাসৱ পৰম মূৰ্খ।

---

১৩ তাশুনহ ১৪ হুয়াধিক ১৫ আছয় ১৬ চণ্ডভাবতী

১৭ সূত্ৰ ॥ ওহি বুলি শিশুসব গৈয়া কহোঁ, কৃষ্ণক আগু যে বোলল, তা দেখহ, শুনহ।

১৮ কথা ॥ শিশুসৱ বোল ॥

হে কৃষ্ণ, তোহাক কদৰ্থনা কয়ল (১৭) হেন অবৈষ্ণৱ থানে পঠায়ল। আৰা কম গৰ্ব্বে পৰম দাম্ভিক, তোহ্মাৰ কথা গণয়ে নাহি।

১৯ সূত্ৰ ॥ ওহি বুলি শিশুসৱ মৌনে ৰহল। তদনন্তৰ শ্ৰীকৃষ্ণ সঙ্গীসৱক(১৮) যে বোলল, তাহে দেখহ, শুনহ, নিৰন্তৰে হৰি বোল হৰি।

**২০ পয়াৰ ॥ ৰাগশ্ৰী ॥ পৰিতাল ॥**

শুনিয়া সিদ্ধান্ত পাছে দিলন্ত মাধৱ ॥(১৯)
কোননো প্ৰাৰ্থকে নাহি পাৱে পৰাভৱ ॥(২০)
তথাপি প্ৰাৰ্থনা নেবৈ শুন সখিগণ।
বিপ্ৰপত্নী সৱত মাগিয়া গৈয়া অন্ন ॥(২১)
সিটো স্ত্ৰী সৱ মোৰ ভক্ত বিপৰীত।
দেহা মাত্ৰ গৃহত মোতেসে প্ৰাণ চিত্ত ॥(২২)
তাসম্বাত কৈবা আমি আসিবাব কথা।
লাগে মানে পাইবা অন্ন ব্যঞ্জন সৰ্বথা ॥
হেন শুনি লৰি গৈলা গোপগণ পাছে।
দেখিলেক গৈয়া দ্বিজ ভাৰ্যা যৈত আছে ॥
সম্রে সালঙ্কৃতা সুচৰিতা বৰনাৰী।
বুলিবে লাগিলা গোপচয় জানু পাৰি ॥

২১ সূত্ৰ ॥ ব্ৰাহ্মণীসৱক দেখিয়া কৰযোৰি নমস্কাৰ কয় শিশুসৱ যে বোলল তা দেখহ শুনহ ॥

---

১৭ কৃষ্ণ তোহো হামাক কদৰ্থনা কয়ল ১৮ শিশুসৱক ১৯ মাধৱে ২০ নাহি পৰাভৱ পাৱে/নতু পাৱে পৰাভৱ ২১ প্ৰাৰ্থিয়ো গৈয়া অন্ন ২২ মাত্ৰ চিত্ত।

২১ কথা ॥ শিশুসৱ বোল ॥

হে মাতাসৱ, ওহি ৰাম কৃষ্ণ বালকসৱ সহিতে ওহি অশোক-মূলে থিক, পৰম ক্ষুধাতুৰ হুয়া তোৰাসৱক অন্ন প্ৰাৰ্থি পঠায়ল।

৩ সূত্ৰ ॥ ওহি শুনি ব্ৰাহ্মণীসব পৰম হাৰষে উল্লাসি উঠল।
আগবাঢ়ি পৰম সাদৰে পুছয়ে লাগল ॥

২৪ কথা ॥ ব্ৰাহ্মণীসৱ বোল ॥

হে বালকসৱ, সোহি নন্দনন্দন কৃষ্ণক হামু ওহি চক্ষুৱে দেখব ?(২৩)

২৫ বালকসব বোল ॥

আ দেখব।

২৬ সূত্ৰ ॥ ওহি শুনি ব্ৰাহ্মণীসব পৰম হৰষিত মনে শ্ৰীকৃষ্ণক প্ৰতি পৰম সুগন্ধি অন্ন ব্যঞ্জন, পিঠাপন্না, পৰমান্ন, পনস, শুক্ল চেনি, বহুবিধ ষড়ৰস, বিচিত্ৰ পাত্ৰ ভৰি লয়া কলু যৈচে চলল, তা দেখহ, শুনহ, নিৰন্তৰে হৰি বোল হৰি।

২৭ গীত ॥ ৰাগ ধনশ্ৰী ॥ একতাল ॥

ধ্ৰুং ॥ হাসি হাসি চলে মাত হৰি দৰশন লাগ।
প্ৰেমে পুলক কায নয়ন জুৰাইতে যাই ॥
পদ ॥ যাহে নাম শুনি সতী নচাৱে ভকতি ৰতি।
পেখবোঁ কমলাপতি নাচে যৈচন সতী ॥
চলে সব সখিগণ আনন্দে মগন মন।
কৃষ্ণ কিঙ্কৰ ভাণ গতি মেৰি নাৰায়ণ ॥

২৮ সূত্ৰ ॥ ঐচন প্ৰকাৰে ব্ৰাহ্মণীসৱ শ্ৰীকৃষ্ণক দেখিতে চলল। সোহি সময়ে ব্ৰাহ্মণসৱে যৈচে নিষেধল, তা দেখহ।

---

২৩ হে বালকসৱ দেখব।

২৯ সূত্ৰ ॥ ব্ৰাহ্মণসৱ বোল ॥

আহে ব্ৰাহ্মণীসৱ, তোবাসব কি দেখল কি শুনল? যজ্ঞাকৰ্ম পৰিহৰি গোৱালক পাচু পাচু কতিহো যাৱ? হা হা তোবাসং ভ্ৰষ্টা ভেলি ।(২৪)

৩০ সূত্ৰ ॥ ঐচন প্ৰকাৰে ব্ৰাহ্মণসাৱে বহুবিধ বাধা কয়ল। পিতৃ পুত্ৰ ভ্ৰাতৃ সৱে নিষেধ বোলয় । হৰি ভক্তি ৰসে আকুল হুয়া, তাবাসৱে শুনয়ে নাহি। সোহি সময়ে এক ব্ৰাহ্মণে ব্ৰাহ্মণীক গৃহ মধ্যে আছিতে জানি দ্বাৰ বন্ধ কয় ৰাখল। তদনন্তৰ কৃষ্ণ দৰশন আশা ভঙ্গে, ব্ৰাহ্মণী কৃষ্ণচৰণ হৃদয়ে ধৰিয়ে, যৈচে প্ৰাণ তেজল, তাহে দেখহ, শুনহ, নিৰন্তৰে হৰি বোল হৰি ॥

৩১ ॥ গীত ॥ ৰাগ বেলোৱাৰ ॥ ৰূপক তাল ॥

ধ্ৰুং ॥ হৰি পদ পেখয়ে না পাৱলি মাই।
ফোকাৰয় ঘনে ঘন নয়ন ঝুৰায় ॥

পদ ॥ বন্ধু বিয়োগ আগি প্ৰাণ ফুটি যায়।
অৰুণ চৰণ মনে ৰহলি ধিয়াই ॥
চোৰ্ড়ি পৰল প্ৰাণ ধৰি হৰি পায়ে।
পাৱলি গতি সতী শঙ্কৰে গায়ে ॥

৩১ সূত্ৰ ॥ ঐচন প্ৰকাৰে ব্ৰাহ্মণী প্ৰাণ তেজল । তদনন্তৰ ব্ৰাহ্মণে দেখিয়ে, হা হা বুলি হৃদয়ে মুঠি হানি, ব্ৰাহ্মণীক গলে বান্ধিয়ে, যৈচে কান্দিতে লাগল, তা দেখহ, শুনহ, নিৰন্তৰে হৰি বোল হৰি ॥

ই কথা ৰহোক। তদনন্তৰ, যে ব্ৰাহ্মণীসৱ কৃষ্ণ দৰশন আশে চলৈছে, তাবাসৱক বহুবিধ বাধা কয় ৰাখিতে নাহি পাৰল। হৰিভকতক যৈচে বিঘিনি লঙ্ঘয়ে নাহি। তাবাসৱ পৰম হৰিষে কৃষ্ণক সমীপ পাৱল ॥

---

২৪ হা হা তোবাসৱ নষ্ট ভেলি।

৩৩ অথ ভটিমা ॥

অশোক বন মহ ৰহল মুৰাৰি ।
দেখল গৈয়া সয়ে দ্বিজ কুমাৰী ॥
শ্যাম শৰীৰ বসন তথি পীত ।
নৱঘন যৈচে জড়িত(২৫) তড়িত ॥
নিন্দি ইন্দু কোটি বয়ন বিকাশ ।
বন্ধুলি অধিক অধৰ পৰকাশ ॥
নাসা উন্নত তিলফুল ভাস্তি(২৬) ।
উতিম মোতিম দশনক পান্তি ॥
অৰুণ নয়ন দুহু পঙ্কজ পাতা ।
ৰুচিকৰ কৰ দুহোঁ উতপল ৰাতা ॥
যাথে ময়ুৰ পুচ্ছ অলক কপোল ।
কৰ্ণে নৱ দুহোঁ উৎপল ডোল ॥
লম্বিত বাহু দুহু ৰতন মোলান ।
বহল হৃদয়ে গেৰু কৰু পৰিধান ॥
কৰ কঙ্কণ কেয়ুৰ জাতিঙ্কাৰ(২৭) ।
গলে বনমালা ৰতনময় হাৰ ॥
ৰতনক মেখলা সোহে কটিত ।
মাটি লোটি পাট ধুতি পীত ॥
অৰুণ চৰণ দুহোঁ পঙ্কজ কোষ ।
ৰতন মঞ্জিৰ কৰয় তথি ঘোষ ॥
মাণিক উঝন্তি(২৮) অঙ্গুলিক পান্তি ।
নখচয় চান্দ কৰয় তথি কান্তি ॥
পদতল আৰকত পেখি মন মোহে ।
যৱ-পঙ্কজ-ধ্বজ-অঙ্কুশ শোহে ॥

---

২৫ চমকে ২৬ ভ্ৰান্তি ২৭ ঝনকাৰ ২৮ উজ্বাই, জ্যোতি

ত্রিভুৱন মোহন নটবৰ বেশ ।
চৌভিতি বেঢ়ি বহু গোপ নিঃশেষ ॥
লীলা(২৯) পদ্ম ফুৰায়ন্ত হাতে ।
পেখল দ্বিজ বধূ সব সাক্ষাতে ॥
কোটি মদন আগে মুহি গিয় ।
পেখি জুবায়ত তনু মন জীয় ॥
অমৃত পানে যৈচে মিলন আহ্লাদ ।
পায়ল দ্বিজ বধূ পৰম প্রসাদ ॥
কয়লি আগু দণ্ড পৰণাম ।
পূৰল সবহি আপুন মনকাম ॥
কৃষ্ণ কিঙ্কৰ কহ ধৰ্ম উপাম ।
ডাকি সবহি বোলহু ৰাম ৰাম ॥

৩৭ শ্লোক ॥

শ্যামং হিৰণ্যপৰিধিং বনমাল্যবৰ্হ—
ধাতু প্রবাল নটবেষমনুব্রতাংসে ।
বিন্যস্তহস্তমিতৰেণ ধুনানমব্জং
কৰ্ণোৎপলালককপোলমুখাব্জহাসম ।।(৩০)

৩৫ কথা ॥ এহেন ৰূপ পেখিয়ে, ব্রাহ্মণীসব খড়ৰস অন্ন, কৃষ্ণক আগে নিবেদন কয়ল । দণ্ডৱতে পৰি নমস্কাৰ কয়ল । উঠি কহু আনন্দ মূৰ্ত্তিক নয়নে নিৰেখিয়ে হৃদয়ে আলিঙ্গন কয় কহু পৰম প্রেমত মৌনে ৰহল । তদনন্তৰ তাবাসবৰ প্রেম ভকতি পেখিয়ে শ্রীকৃষ্ণ যে বোলল তাহে শুনহ ॥

২৯ নীল

৩০ শ্যামং হিৰণ্যপৰিধিং বনমাল্য বৰ্হধাতু
প্রবাল নটবেশং অনুব্রতা (প্রাম্) বংসে
বিন্যস্ত হস্তমিতৰেণ ধুনানমব্জং
কৰ্ণোৎপলালককপোল মুখাব্জহাসম ॥
[মূল শ্লোক ভাগৱতৰ লগত মিলে ]

৩৬ শ্ৰীকৃষ্ণ বোল ॥

আহে ব্ৰাহ্মণীসব, কুশলে আৱল(৩১) তোহোঁসব্ৰ পৰম ভাগ্যৱতী। হামো তোহাৰ কোন কাৰ্য(৩২) সাধৰ তাহেক সম্ভৱে কহ। পতি, পুত্ৰ, সুহৃদ সবৰ বাধা নগণি কাহোঁ, হামাক দেখিতে আৱল। তাং, তুমি সব ভকতৰ হেনয় লক্ষণ: পৰম চতুৰ মহাবিৱেকী যাৰাসব তাৰা সব হামাক নিষ্কামে ভজয়। তোৰাসবৰ প্ৰেম ভকতি হামাক বশ্য কয়ল। ইদানিক তুমিসব ব্ৰাহ্মণসবৰ যজ্ঞস্থানে যায়। হামাৰ ওহি সম্মত।

৩৭ সূত্ৰ ॥ ওহি বুলি শ্ৰীকৃষ্ণ মৌনে ৰহল। তদনন্তৰ ব্ৰাহ্মণীসব নৈৰাশ্য বচন শুনিয়ে শ্ৰীকৃষ্ণক যে বোলল, তাহে দেখহ, শুনহ, নিৰন্তৰে হৰি বোল হৰি ॥

৩৮ গীত ॥ ৰাগ আশোৱাৰী ॥ মান একতালি ॥

ধ্ৰুং ॥ তোহাৰি চৰণে মন মজাইলো মধুসূদন।
কতিনা বোলসি নাথ কঠিন বচন ঘন ॥

পদ ॥ গৃহপতি সুতধন সুহৃদ সোদৰজন।
পেখি বিষম(৩৩) মন তেজলোহোঁ নাৰায়ণ ॥
তোহাৰি কিঙ্কৰীজন পুনু নকৰিয়ো ছন্ন।
কৃষ্ণ কিঙ্কৰ ভণ গতি মেৰি নাৰায়ণ ॥

৩৯ কথা ॥ ব্ৰাহ্মণীসব বোল ॥

হে শ্ৰীকৃষ্ণ, তোহো ভকত বৎসল, বেদত শাস্ত্ৰত হামু শুনৈছি, ভকতৰ নষ্ট নাহি। সোহি বচন সাফল কৰহ, হামাক তেজবি নাহি। সোহি পতি পুত্ৰ সবে হামাক থান নাহি দেৱব। হামু গৃহে কমনে ৰঞ্চব। তোহাৰি চৰণ নিৰ্মাল্য তুলসী, তাহেক শিৰে ধৰি কাহোঁ, দাসী হুয়া ৰহব।(৩৪)

---

৩১ কুশলে আৱল কোনো কোনো পুথিত নাই ৩২ কৰ্ম ৩৩ বিশ্বসমন ৩৪ ৰহোঁ।

৪০ সূত্র ॥ ওহি বুলি ব্রাহ্মণীসব শ্রীকৃষ্ণক আগে বহুবিধ কাতৰ কয় মৌন ৰহল। তদনন্তৰে শ্রীকৃষ্ণ তাৰাসবক যে বোলল, তাহে দেখহ, শুনহ।

৪১ কথা ॥ কৃষ্ণ বোল ॥

হে ব্রাহ্মণীসব, তোৰাসবক পতিপুত্রে অসূয়া কৰব নাহি, হামু হৃদয়ে থাকি অনুমতি দেঞ। যবে প্রত্যয় নাহি যাব, তব্ দেৱতাসবক বাক্যে প্রমাণ লহ।

৪২ সূত্র ॥ ওহি বুলি শ্রীকৃষ্ণ দেৱতাসবক আনিয়ে প্রত্যক্ষে দেখায়ল।

৪৩ দেৱতাসব বোল ॥

আহে মাতাসব(৩৫), তোৰাসবক কোনো(৩৬) অসূয়া কৰব নাহি; হামু দেৱতাসবে জানো।

৪৪ সূত্র ॥ ওহি বলি দেৱতাসব অন্তর্দ্ধান ভেল। ব্রাহ্মণীসব দেৱক বচনে কৃষ্ণক চাৰয়ে নাহি। পুনঃ শ্রীকৃষ্ণ বিহসি বোলল ॥

৪৫ শ্রীকৃষ্ণ বোল ॥

হে ব্রাহ্মণীসব, বিদূৰে থাকিয়ে শ্রৱণ কীর্ত্তনে ভক্তিয়ে হামাক যৈচে বশ্য কৰাবে, নিকটে থাকি সিমতে ভকতি কৰিতে পাৰয়ে নাহি, যৈচে অমৃত পান কৰিতে কৰিতে মুখে ৰুচয়ে নাহি। ইহা জানি তোৰাসব শীঘ্রে চলহ।

৪৬ সূত্র ॥ ওহি বুলি শ্রীকৃষ্ণ মৌনে ৰহল। ব্রাহ্মণীসব কৃষ্ণক বচন বাধিতে নাহি পাৰি প্রেমে ক্রন্দন কয় যৈচে গৃহে চলল, তাহে দেখহ, শুনহ, নিৰন্তৰে হৰি বোল হৰি ॥

৪৭ গীত ॥ ৰাগ গৌৰী ॥ জোতি মান ॥

ধ্রুং ॥ মোহে মাধৱ কয়লি বঞ্চিত
দহে দেহা সব আগিৱা।

৩৫ ব্রাহ্মণীসব ৩৬ কাহুৱে

লহু লহু ধায়ি নয়ান ঝুৰাই
নচলে চিত্ত গৃহ লাগিয়া ॥

পদ ॥ কৃষ্ণ চৰণ তেজি যাইতে যৈচন জীব যাই।
বাহুৰি নয়ন চান্দবয়ন পুনু পুনু চাহে মাই ॥
কঞ্জলোচন দুখমোচন কতিহো চৰণ চলাই।
হা হৰি হৰি বুলি বহু কৰি কৃষ্ণ কিঙ্কৰে গাই ॥

৭৮ সূত্ৰ ॥ ঐচন প্ৰকাৰে ব্ৰাহ্মণীসব, গৃহে গয়া কহোঁ, কৃষ্ণক হৃদয়ে ধৰি, অন্যো অন্যে কৃষ্ণ গুণ কীৰ্তন কৰিয়ে ৰহল। তদনন্তৰ ব্ৰাহ্মণসব, পত্নীসবৰ পৰম প্ৰেমভাব ভকতি পেখিএ যৈছে আপোনাক ধিক্কাৰ কয়ল,(৩৭) তা দেখহু, শুনহু।

৪৯ কথা ॥ বিপ্ৰসব বোল ॥
হে মিশ্ৰ, হে কন্দলি, হে ভট্টাচাৰ্য,(৩৮) হে ভাৰতী, ওহি ব্ৰাহ্মণীসব শৌচাচাৰ হীন(৩৯) বেদ-শাস্ত্ৰ জানয়ে নাহি, গুৰুসেৱা পৰম ধৰ্মবৰ্জিত, তথাপি(৪০) আৰাসবৰ শ্ৰীকৃষ্ণত পৰম প্ৰেম-ভকতি(৪১) ভেল। হা হামু সব স্ত্ৰীতো অধম ভেলোঁ। কৰ্ম গৰ্ব অন্ধ হুয়া, কৃষ্ণক জানিতে নাহি পাৰলো। যে কৃষ্ণ সকল যজ্ঞমূৰ্তি, বেদৰো উপৰ ভূমি, লক্ষ্মী যাহেৰ চৰণ কিঙ্কৰী আপনো নিজানন্দে পূৰ্ণ, সোহি কৃষ্ণে হামাত অন্ন মাগি পঠাৱল। হামু সব তাহেৰ প্ৰাৰ্থনা ভঙ্গ কয়লো। হামুসব ব্ৰহ্মচৰ্য ব্ৰত ধৰি, গুৰুক শুশ্ৰূষা কৰিয়ে যে বেদসব পঢ়লো ইহাক ধিক্কাৰ বহোক। আঃ নিজকৰ্মে(৪২) বুদ্ধিহত ভেলো। পৰ উপদেশে পণ্ডিত বোলাইছি, ইহাক ধিক্কাৰ আসোক(৪৩)। আঃ হামুসব ব্ৰজক যাঞো, কৃষ্ণক দেখব, পাৱে ধৰিয়ে কাতৰ কৰিয়ে মিনতি কৰব(৪৪) সোহি ভকত বৎসল দেৱ হামাৰ অপৰাধ ক্ষমা কৰব(৪৫)।

---

৩৭ আপোনাক ধিক্কাৰবোলয়/ধিক্কাৰকয়ল ৩৮ হে আচাৰ্য ৩৯ নাহি ৪০ কোনো কোনো পুথিত 'তথাপি' নাই ৪১ পৰম ভকতি ৪২ নিজ কাৰ্যে ৪৩ ধিক্কাৰ বহোক ৪৪ পাৱে ধৰি কহোঁ ভকতি মিনতি কৰব ৪৫ হামাৰ অপৰাধ চাৱব।

৫০ সূত্ৰ ॥ ওহি বুলি ব্ৰাহ্মণ সব চলিতে নিশ্চয় কয়ল। সোহি সময়ে এক বৃদ্ধ ব্ৰাহ্মণ, লাঠিত ভৰ দিয়ে, গৃহহন্তে বাজহুয়া, যৈচে নিষেধ বোলল, তা, দেখহ।

৫১ কথা ॥ ব্ৰাহ্মণ বোল ॥

হে ব্ৰাহ্মণসব, তোহ্মাসব গোকুলে যাইতে চাৱ? তোহ্মাসব নষ্ট ভৈলা। ৰাজা কংসে ইহাক জানি সহব নাহি। তোহ্মাসবক নিগ্ৰহি সৰ্বস্ব আগ্ৰহ কৰি লেব। জাতি কুল সব ভ্ৰষ্ট কৰব ॥

৫২ সূত্ৰ ॥ এহি শুনি ব্ৰাহ্মণসব ভীত হয়া যাইতে নাহি পাৰল। কৃষ্ণক চৰণে শৰণ লৈয়া, কৰ্ম-গৰ্ব সব চাৰিয়ে, শ্ৰবণ-কীৰ্তন কৰিয়ে, গৃহে ৰহল। তদনন্তৰ শ্ৰীকৃষ্ণ, বালকসবক, ষড়ৰস অন্ন ভোজন কৰাওল। ভকত কামদ কৃষ্ণ আপুনা ভোজন কয়ল। তদনন্তৰ, পৰম কৌতুকে গোপগণ সহিতে, যৈচে গোকুলে চলল, তা দেখহ, শুনহ, নিৰন্তৰে হৰি বোল হৰি ॥

৫৩ গীত ॥ ৰাগ শ্যাম ॥ পৰিতাল ॥

ধ্ৰুং ॥ গোপাল চলে গোকুল লাই।
বাবে গোপ বেনু ধেনু চলাই ॥
পদ ॥ শ্যাম শৰীৰে শোভে পীতবাস।
কণ্ঠে কদম্বমালা কয়ো লাস ॥ (৭৬)
মাথেহি খণ্ড শিখণ্ডক লুলে।
হেৰিতে হাসি ভুৱন মন(৭৭) ভুলে ॥
গলে গুঞ্জাৰ হাৰ ত্ৰিভঙ্গ ভাৱে।
অধৰ মধুৰ বেণু বজাইতে যাৱে ॥
চৰণ পঙ্কজ মণি মঞ্জিৰ বোল।
তাহে মজোক মন শঙ্কৰে বোল ॥

৫৭ সূত্ৰ ॥ আহে সামাজিক লোক, ঐচন প্ৰকাৰে শ্ৰীকৃষ্ণ অন্ন প্ৰাৰ্থনা চালে, বিপ্ৰসৱক কৰ্ম্ম-গৰ্ব দূৰ কয়ল, বিপ্ৰপত্নীসৱক প্ৰসাদ দেলহ, ওহি পত্নীপ্ৰসাদ নাম নাট সম্পূৰ্ণ ভৈল। ইহাক যে সৱ লোকে ভক্তি ভাৱে গাৱে, যে ভাৱনা কৰয়, তাৰা সৱৰ কৃষ্ণ চৰণে পৰম ভক্তি বাঢ়য়। ইহা জানি কৃষ্ণ চৰণে শৰণ সাৰ কয কাট্ঠা, নিৰন্তৰে হৰি বোল হৰি ।(৭৮)

ইতি পত্নীপ্ৰসাদ নাটকং সমাপ্তম্

৪৮ শ্যামল অঙ্গ পীত পিচোৰা।
নৱঘন জিনি যৈচে বিজুৰি উজোৰা॥

৪৭ ভূৱন তিনি ৬৮(ক) 'আহে সামাজিক লোক, ঐচন পৰকাৰে শ্ৰীকৃষ্ণ অন্ন প্ৰাৰ্থনা ছলে বিপ্ৰসবক কৰ্ম গৰ্ব দূৰকয়ল, বিপ্ৰপত্নীসবক প্ৰসাদ দেলহ। ওহি প্ৰসাদক যে শচ্ছা কৰয় যে কৃষ্ণ চৰণে এক শৰণ হুয়া হৰিগুণ শ্ৰৱণ কীৰ্তন কয় কছু প্ৰসাদ পাৱে, অন্যথা নাপাৱে। ইহা জানি নিৰন্তৰে হৰি বোল হৰি॥
(খ) সামৰণিৰ সূত্ৰধাৰৰ কথা নতুন কমলাবাৰী সত্ৰৰ নাটত নাই।

# পাৰিজাত-হৰণ নাট

চৰিত্ৰ

শ্ৰীকৃষ্ণ

সত্যভামা

ৰুক্মিণী

নাৰদ

ইন্দ্ৰ

শচী

গৰুড়

নৰকাসুৰ

বসুমতী

ভগদত্ত [শিশু]

অদিতি [ দেৱমাতা ]

দেৱতাসকল

# পাৰিজাত-হৰণ নাট

নমঃ শ্ৰীকৃষ্ণায় ॥

১ নান্দী ॥ শ্লোক ॥

নমঃ কৃষ্ণ বিষ্ণোঽচ্যুতানন্ত শক্তে
নমো ৰাম ৰাজীৱ নেত্ৰ প্ৰভো তে ।
নমো ব্ৰহ্মমূৰ্ত্তে মুৰাৰে পৰেশ
নমো বিশ্বৱাস প্ৰসীদ প্ৰসীদ ॥

অপিচ,

১ (ক) খগেন্দ্ৰং সমাৰুহ্য নিৰ্জ্জিত্য শত্ৰুং
মুদা লীলয়া দৈৱকীনন্দনো যঃ ।
প্ৰিয়ং পাৰিজাতং জহাৰ প্ৰিয়াৰ্থং
পৰেশায় কৃষ্ণায় তস্মৈ নমো মে ॥

২ সূত্ৰ ॥ পাহিলেহি শ্ৰীকৃষ্ণক প্ৰণাম কয়ে কহু, সভাসদ লোকক সম্বোধি বোল ॥

৩ শ্লোক ॥ ভো ভো সামাজিকা ঈশ কৃষ্ণস্য জগতীপতেঃ ।
শ্ৰী পাৰিজাত হৰণং যাত্ৰাং সম্প্ৰতি পশ্যত ॥

৪ অথ ভটিমা ॥

জয় জয় কৃষ্ণদেৱ নিজ অংশ
লীলা নাশিত কংস সবংশ ॥
যাকেৰি চৰিত্ৰ ভকত অৱতংশ ।
কমলা(১) কেলি কমল কলহংস ॥
তনু ইন্দিবৰ শ্যামল চোৰি ।
তথি পৰকাশিত পীত পিচোৰি ॥

---

১ কমল

তড়িত জড়িত যচ নৱ ঘন খণ্ড।
মকৰী কুণ্ডল মণ্ডিত গণ্ড॥
কনক কিৰিটি ৰতন অৱভাস।
কুঞ্চিত চাৰু চিকুৰ পৰকাশ॥
ৰুচিকৰ কৰ্ণ ভুৱন মনভোল।
নাসা নীল ৰতন তিল ফুল॥
নয়ন কমল মুহ পঙ্কজ জোৰ।
একু মিলল যচ চান্দ-চকোৰ॥
মাণিক দশন হাসা ঠখি মোৰ।
আৰকত অধৰ বন্দূলি ৰুচি চোৰ॥
ৰুচিৰ চিবুক পেখি হৰু তাপ।
ভ্ৰুৱ-যুগ ৰঞ্জি মদনকেৰি চাপ॥
কুটিল অলক-কুল তিলক কপোল।
হৃদয়ে হেমক হাৰ অমোল॥
গুতিম মোতিম মালা লুলে।
কৌস্তুভ কণ্ঠ-কণ্ঠ মহ ঝুলে॥
চাৰু উদৰ দৰ হৃদয় বিশালা।
লম্বিত পঞ্চবৰণ বনমালা॥
সঞ্চৰ চঞ্চৰ মধুকৰ লোহে।
শ্ৰীশ্ৰীবৎস উৰস্থল সোহে॥
চাৰু চতুৰভুজ অঙ্গ ভুঅঙ্গ।
ৰতন কেয়ুৰ উজুৰ ভচু সঙ্গ॥
কঙ্কণ কনক ঝনক কৰ মূল।
কৰতল ৰাতা উৎপল ফুল॥
অঙ্গুলি চাৰু হীৰ হেম মোতি।
নখমণি নিন্দিত চান্দক জোতি॥

অৰি অৰবিন্দ কৌমুদী কম্বুপাণি ।
কোকিল-কণ্ঠ অমিয়া ঝুৰে বাণী ॥
নাভি কঞ্জ ৰঞ্জ অনুপাম ।
বিহিকো জনম ভেলি যোহি ঠাম ॥
কটিতক কনক কাঞ্চি পৰিৰম্ভ ।
উৰু কৰি কৰ বৰ মৰকত স্তম্ভ ॥
লম্বি নিতম্ব পীত রুচি চিৰ ।
পদ পঙ্কজ ঝুৰে ৰতন মঞ্জিৰ ॥
নীল অঙ্গুলি যচ চম্পক কোৰ ।
নখচয় চাৰু চান্দ উজোৰ ॥
কমল পদতল অলকত ভান্তি ।
ধ্বজ পঙ্কজ যৱ অঙ্কুশ কান্তি ॥
পাশ লাস শ্বেত চামৰ ঢোলে ।
সঞ্চৰে ৰাজহংস দুহো কোলে ॥
মাথে ছত্র চাৰু শশীকান্ত ।
বৰিষে শীকৰ অমিয়া নিতান্ত ॥
মধুৰ মূৰ্তি ভকত মনভুল(১)
মনমথ কোটি যাহে নাহি তুল(৩) ॥
হোই যব নীল নৱ ঘন খণ্ড ।
উৱৰে ৰহ ৰবিকৰ পৰচণ্ড ॥
পূৰ্ণিমাক চান্দ দুহোঁ দুহোঁ পাশা ।
তথি কৰু ইন্দ্ৰচাপ পৰকাশা ॥
বহে দুহোঁ ধাৰ সুৰেশ্বৰী নিৰ ।
উজুৰি বিজুৰি ৰহ তথি থিৰ ॥
অভিনৱ সূৰ উগত তচু মাঝে ।
তাহে লম্বি বক-পঙতি বিৰাজে ॥

২ পূৰ ৩ তুৰ

তাৰা ঝিকমিক কৰু বহু ঠাম।
তব হোই সোই মুকুতি উপাম॥
ৰঙ্গ হৃদি পঙ্কজ সোহি মুৰাৰি।
অৰ-স্থুই(৪) লোই দেখু বিচাৰি॥
কোটি কল্পতৰু পূৰণ কামা।
ঐচন ঈশ ৰহয় নিজ ঠামা॥
তাহে চৰণ চিন্তু চিত্ত লাই।
তনু চিন্তামণি বিফলেহি যায়॥
আনে নিকত নিত অন্তৰে গৰজি।
লেহু হৰি চৰণ শৰণ সব বৰ্জি॥
যো মুহে ৰাম নাম নাহি আসে।
কলিযুগ কাল ভুজঙ্গমে দংসে॥
সোহি কৃষ্ণক নাটক উপামা।
পাৰিজাত হৰণ আহে নামা॥
ভকতিক সাধি(৫) শুনহ সব লোই।
হৰি বিনে বান্ধৱ আন নাহি কোই॥
কৃষ্ণ কিঙ্কৰ ভাত শঙ্কৰে বোল।
কৰ জোৰ নৰ সব হৰি হৰি বোল॥

৫ সূত্ৰ॥ আহে সামাজিক লোক! যে জগতক পৰম গুৰু যাহেৰি স্ৰজনা সয়লা সংসাৰ, ব্ৰহ্মা মহেসে বন্দিত পাদপদ্ম, পৰম পুৰুষোত্তম শ্ৰীকৃষ্ণ, ৰুক্মিনী সত্যভামা সহিত, তাহি সভামধ্যে প্ৰবেশ কয়লো, নৰকাসুৰ বধ পাৰিজাত হৰণ লীলা যাত্ৰা কৌতুকে কৰব, তাহে সাৱধানে দেখহ, শুনহ, আত পাৰে পুণ্য কালত নাহি নাহি, জানি নিৰন্তৰে হৰি বোল, হৰি বোল।

তদনন্তৰ সূত্ৰ পুছত। আহে সঙ্গি সখি কি বাদ্য বাজত।(৬)

৪ সব (স ই—সেইজনক) ৫ ভকতি সাধে ৬ আহে সঙ্গি, কি বাদ্য বাজে

সঙ্গী বোল ॥

আহে সঙ্গি সখি(৭), আঃ দেৱ বাস্ত বাজত।

সূত্ৰ ॥ আঃ মিলল মিলল ॥

৬ শ্লোক ॥ প্ৰৱেশমকৰোদ্দেৱো গোৱিন্দো গৰুড়াসনঃ।
কৃক্মিনীসত্যভামাভ্যাং সহ চাৰুশ্চতুৰ্ভুজঃ ॥

৭ সূত্ৰ ॥ আহে লোক, হামু যে কহলু, সোহি পৰম ঈশ্বৰ, শ্ৰীকৃষ্ণ সভাযে, যাত্ৰা নিমিত্তে, এথা আৱত। পৰম সাৱধান হুয়া দেখহ শুনহ, নিৰন্তৰে হৰি বোল।

ইতি সূত্ৰো নিষ্ক্ৰান্তঃ ॥

৮ প্ৰৱেশ গীত ॥ ৰাগ সিন্ধুৰ ॥ একতালি ॥

ধ্ৰুং ॥ আৱে গৰুড়কেতু কয়ো পৰৱেশ।
মদনক লাজ হেৰি ৰূপ লেশ ॥

পদ ॥ শ্যাম মুৰুতি দীপিত পীতবাসা।
মুকুট কুণ্ডল মণি মুখ পৰকাশা ॥
কৰ কঙ্কন বনমালা উৰে লোলে।
চৰণক মাঝে মঞ্জিৰ কৰু বোলে ॥
কোটি মদন জিনি উজৰ মুৰাৰি।
সঙ্গে সত্যভামা ৰুকমিণী বৰ নাৰী ॥
শৰীৰক জ্যোতি জ্বলয় দিশ পাশা।
কহয় শঙ্কৰ হৰি দাসকু দাসা ॥

৯ আহে সভাসদ লোক! শ্ৰীকৃষ্ণ পত্নীসৱ সহিতে কৌতুকে নৃত্য কয় কছু, ৰুকমিনী সহিত এক মন্দিৰে ৰহল। সত্যভামা নিজ মন্দিৰে ৰহল।

১০ শ্লোক ॥ পশ্চাৎ পুৰন্দৰো দেৱো নাৰদেন সহাগতঃ।
প্ৰণম্য কেশৱং সৰ্ব্বং প্ৰোৱাচ ভৌমচেষ্টিতম্ ॥

৭ আহে সঙ্গি

১১ সূত্ৰ ॥ তদনন্তৰ দেৱতা ইন্দ্ৰ নাৰদ সহিতে আসিকহোঁ শ্ৰীকৃষ্ণক শিৰে পৰণাম কয় কহু, নৰকাসুৰক বিচেষ্টা যৈচে নিবেদল, নাৰদ আশীবাদ কয় শ্ৰীকৃষ্ণক হাতে যৈচে পাৰিজাত নিবেদল, ৰুক্মিণীক মাথে জগতক নাথে যৈচে পিন্ধায়ল, আহে লোক, তাহে দেখহ, শুনহ, নিৰন্তৰে হৰি বোল ॥

## ১২ গীত ॥ ৰাগ আশোৱাৰী ॥ পৰিতাল ॥

ধ্ৰুং ॥ ঐৰাৱত কান্ধে বাসৱ আৱে।
আগহি নাৰদ হৰিগুণ গাৱে ॥

পদ ॥ সুন্দৰী ৰমণী শচী একুপাশে।
চলল ভ্ৰূভঙ্গ লয় লাসে ॥
মাথে ছত্ৰ বজ্ৰ এক হাতে।
কহ শঙ্কৰ নতি গোপিনী নাথে ॥

১৩ সূত্ৰ ॥ তদনন্তৰ নাৰদক দেখি শ্ৰীকৃষ্ণ সভাৰ্যে উঠি কহু সপাটে প্ৰণাম কয়ল। নাৰদ হাত তুলি চিৰঞ্জীৱ বুলি আশীবাদ শ্লোক পঢল ॥

১৪ শ্লোক ॥ জয় জয় যদুদেৱো দেৱকীনন্দনস্ত্ব
ভুৱন পতি সমস্তৈৰচ্চিতাঙ্ঘ্ৰিঃ সদৈৱ (৮)।
নিজ জনভয়হাৰিন্ সৃষ্টি সংহাৰকাৰিন্
অসুৰ নৰকাৎত্ৰান্(৯) সাম্প্ৰতং পাহি দেৱান্ ॥

১৫ সূত্ৰ ॥ ওহি আশীবাদ কয় শ্ৰীকৃষ্ণক হাতে পাৰিজাত দিয়ে নাৰদ তাহেক মহিমা কহল ॥

১৬ নাৰদ বোল ॥

হে কৃষ্ণ, ওহি পাৰিজাতক গন্ধ তিনি প্ৰহৰেক পথ যায়। ওবি পাৰিজাত যাহেক গৃহে ৰহে ধন-জন-বিভৱ তাহেক

---

৮ সমস্তৈ .সৰ্ব্বিতাঙ্ঘ্ৰি সদৈৱ ৯ নৰকতস্তং

চাড়য়ে নাহি। ওহি দেৱ-দুৰ্লভ পাৰিজাত, যে নাৰী পৰিধান কৰে, সে পুষ্পক মহিমায়ে স্বামীক(১০) পৰম সোভাগিনী হয়। তাহেক বাৰী চাড়ি স্বামী কোথায়ে যায়ে নাহি। অঃ ওহি কুসুমক মহিমা কি কহব।

১৭ সূত্ৰ ॥ ওহি বুলি নাৰদ চৰড়ি পাৰি বৈঠি(১১) মৌন ৰহল ॥

১৮ শ্লোক ॥ শ্ৰুত্বা কুসুম মাহাত্ম্যং ৰুক্মিণী কেশৱপ্ৰিয়া।
প্ৰণম্য স্বামীচৰণং পাৰিজাতমযাচত ॥

১৯ সূত্ৰ ॥ মুনিক মুখে কুসুমক মহিমা শুনি ৰুকমিনী পৰম কৌতুকে কৃষ্ণক গোৰি লাগি কৰ-যুৰি বোলল ॥

২০ ৰুক্মিণী বোল ॥
হে স্বামী, হামি তোহাৰ প্ৰথম পত্নী, জানি ওহি দেব-দুৰ্লভ পাৰিজাত, প্ৰাণ নাথ হামাক দেহু ॥

২১ সূত্ৰ ॥ ওহি বুলি মেচে কুসুম মাগল, তাহে দেখহু, শুনহু, নিৰন্তৰে হৰি বোল ॥

## ২২ গীত ॥ ৰাগ শ্ৰীগান্ধাৰ ॥ জোতিমান ॥

ধ্ৰুং ॥ কৌতুকে ৰুকমিনী নমিয়ে স্বামীক পায়ে
মাগে আঞ্জুৰি যোৰি হাত।
অব প্ৰাণনাথ মাগে মিলায়(১২) মোহি
ওহি কুসুম পাৰিজাত ॥

পদ ॥ আহেৰ গুণ শুনি মুনি মুখে মাধব
সাধু অন্তৰে তোষী মান।
ভকত কৃপাল লাগু চৰণ তেৰি
কৰহু কুসুম মোহি দান ॥
তোহাৰি প্ৰথম পতনী পৰম স্বামী
জানি পুৰহু মোহি আশা।

১০ 'স্বামীত' কোনো কোনো পুথিত নাই। ১১ 'চৰড়ি পাৰি বৈঠি'—(লোপ)
১২ মিলায়ো, মিলাব্ৰ

পনীক বাণী শুনি হাসে ৰসিক হৰি
কহতু শঙ্কৰ কৃষ্ণ দাসা ॥

১৩ সূত্ৰ ॥ তদনন্তৰ ৰুক্মিনীক অতি কাতৰ বাণী শুনি শ্ৰীকৃষ্ণ হাসি হাসি হাতে তুলি প্ৰিয়াক গৌৰৱে কোলে বৈঠাই কৌতুকে জগতক নাথে ৰুক্মিনীক মাথে পাৰিজাত পিন্ধাইল। ৰমণীক বাঞ্ছা সফল ভেল। তদন্তৰ প্ৰিয়া সহিত শ্ৰীকৃষ্ণ নাৰদক সাদৰে বাৰ্তা পুছত।

১৪ শ্ৰীকৃষ্ণ বোল ॥

হে মুনিৰাজ! তুহু কুশলে আৱল। আঃ তোহাৰি আগমনে আজ হামাৰ দ্বাৰকাপুৰী পৱিত্ৰ ভেল। তোহাৰি দৰশনে হামু কৃতাৰ্থ ভেলো।

১৫ শ্লোক ॥ নাৰদ শ্লোক পঢ়ল।

কৃষ্ণস্য বচনংশ্ৰুত্বা বিহস্যোবাচ নাৰদঃ।
নিজ ভক্তাস্তবৈবাহং ময়ি মায়াং কৰোষি কিম ॥

১৬ নাৰদ বোল ॥

হে স্বামী কৃষ্ণ! মনুষ্য চেষ্টা দেখায়া সবলোক মোহিছ। তোহোক ঈশ্বৰ বোলি জানয়ে নাহি। হামু তোহাৰি ভকতিক বলে সব জানি। হামু মোহিতে চাহ, আৰু স্বামী শুনহ।

১৭ পয়াৰ। হে হে পৰমেশ্বৰ জগত নিৱাসা।
হামু নাৰদ তুৱা চৰণকু(১৩) দাসা ॥
ভৰমো দিশ দশ তুৱা গুণ(১৪) গায়া।
হামাক্ আগু কৰসি ওহি মায়া ॥
জগত উদ্ধাৰণ যাহে চৰিত্ৰ।
তাহেক হামু আজু(১৫) কয়লি পৱিত্ৰ ॥
যাহেৰি নামে মুকুতি পদ পাই।
যো হৰি কৰ তুতি নতি কতি লাই ॥

তুহু জগতক গুৰু দেৱক দেৱা ।
তোহাৰি চৰণে বহোক মেৰি সেৱা ॥
মুখে যোনো নোচাড়ো(১৬) তুৱা গুণ নাম ।
মাগো অন্তয়ে বৰ শোহাকেৰি(১৭) ঠাম ॥

১৮ কথা । নাৰদ বোল ॥ হে কৃষ্ণ ! তুহু পৰম পুৰুষ নাৰায়ণ, ভূমিক ভাৰ হৰণ নিমিত্ত অৱতৰিছ(১৮) । সাম্প্ৰত পাপী নৰকাসুৰে দেৱতা সবক বহুত দুখ লগাব । তন্নিমিত্ত শচী সহিত ইন্দ্ৰ দেৱতা তোহাৰি চৰণে শৰণ লেলহু । হে শ্ৰীকৃষ্ণ দেখু দেখু ॥

১৯ সুত ॥ এহি(১৯) বলি নাৰদ মৌনে ৰহল । তদন্তৰ কৃষ্ণক আগু পৰি পুৰন্দৰ প্ৰণাম কয়কত্ত সভাৰ্যে কৰযোৰি স্তুতি বোলল, তাহে দেখহু, শুনহ. নিৰন্তৰে হৰি বোল হৰি বোল ॥

৩০ পয়াৰ । জয় জয় যাদব দেৱ । জয়ধাতা-কৃত সেৱ ॥
জয় ভকতক ভয়হাৰী । জয় ঈশ্বৰ মুৰাৰি ॥
যাকেৰি নাম উচাৰি । পাই পদাৰথ চাৰি(২০) ॥
জীৱ নিয়ন্তা তুহু অজ । বান্দো তুৱা পদ-পঙ্কজ ॥
অঘ বক ধেনুক কংস । মাৰল অসুৰ সব সবংশ ॥
হৰলি ভূমিকেৰি ভাৰ । ভকতক হেতু অৱতাৰ ॥
সাম্প্ৰত গোচৰ হামাৰি । বান্ধৱ শুনহ মুৰাৰি ॥
অৱ নৰকাসুৰ পাপ । কৰয়(২১) বড়ি উপতাপ(২২) ॥
আনল স্বৰ্গক মাৰি । দেৱক যতেক(২৩) কুমাৰী ॥
সৰ্বস্ব নৰহে হামাৰি । তুৱাপায়ে কয়লো গোহাৰি ॥

৩১ কথা । ইন্দ্ৰ বোল ॥

হে স্বামি শ্ৰীকৃষ্ণ ! পাপী নৰকাসুৰে কোন নকৰল । বৰুণক ছত্ৰ, মণিপৰ্বত, এসৱ কাঢ়ি আনল । হে কৃষ্ণ কি কহব, মাতৃ অদিতিক কুণ্ডল দোহো ৰাখয়ে নাহি পাৰল । আৰ হামাৰ

---

১৬ চাড়হ ১৭ তোহাৰি ১৮ অৱতৰৈছ ১৯ এতহি ২০ পদাৰস ( পদাৰ্থ = পুৰুষাৰ্থ ) ২১ কয়লি ২২ উতপাত ২৩ যতয়ে

হইবে কি বহল। হে কৃষ্ণ কোটি কোটি ব্ৰহ্মাণ্ডেশ্বৰ, তোহাৰি চৰণ চোৰি হামাৰ গতি নাহি। বাপ জগন্নাথ, ত্ৰাহি ত্ৰাহি ॥

৩২ সূত্ৰ ॥ ওহি বোলি কৃষ্ণক আগু কান্দি কান্দি পুৰন্দৰ পৰল।

৩৩ শ্লোক ॥ দৃষ্ট্বা দুঃখং মহেন্দ্ৰস্য শ্ৰুত্বা চ ভৌমচেষ্টিতম্ ।
আশ্বাস্য বাসৱং হস্তে গৃহীত্বোবাচ কেশৱঃ ॥

৩৪ সূত্ৰ ॥ তদনন্তৰ মহেন্দ্ৰক দুখ দেখিয়ে, পৰম কৃপাময় নাৰায়ণ, হাতে ধৰি তোলি ইন্দ্ৰক আশ্বাসি বোলল ॥

৩৫ কথা। শ্ৰীকৃষ্ণ বোল ॥

হে মহেন্দ্ৰ! তোহোঁ তাপ তেজহ। তোহাৰি বৈৰী, পাপী নৰকাসুৰ, সে গন্তাব্য ভেলি। তাহেক মাৰি দেৱতাসবক প্ৰয়োজন সত্বৰে সাধব। এহি নিষ্ঠে জানি, তুহু আগ হুয়া, সত্বৰে অমৰাৱতী চলহ। নৰকাসুৰ বধিতে হাম আজ পয়াণ কৰব ॥

৩৬ সূত্ৰ ॥ সে সময় নাৰদ ইন্দ্ৰক বোল ॥

৩৭ কথা। নাৰদ বোল ॥

হে পুৰন্দৰ, শ্ৰীকৃষ্ণ যেখানে অঙ্গীকাৰ কয়ল, তোহাৰি শত্ৰুক সেখানে স্কন্ধ পাত ভেল। ইথাত শঙ্কা নাহি। তুহু আগু হুয়া চলহ। তোহাক নিমিত্তে, শ্ৰীকৃষ্ণক কাতৰ কয়, হামু পাচ লৈয়া যাৱব। চিন্তা নাহি, চলহ, চলহ ॥

৩৮ সূত্ৰ ॥ ওহি নিৰ্ভয় বাণী শুনি বাসৱ, কৃষ্ণক নাৰদক প্ৰদক্ষিণ কৰি কহুঁ, পৰি পৰণাম কয়ল। বিদায় লৈয়া ঐৰাৱতে চঢ়ি ইন্দ্ৰ চলল ॥

৩৯ শ্লোক ॥ মুনিৰ্মাধৱামাহেদং গন্তুং ত্বৰয় কেশৱ।
দ্বাৰৱত্যাঃ শ্ৰিয়ং পশ্যান্নেষ্যামি(২৪) চান্তিকন্তৱ ॥

৪০ কথা। নাৰদ বোল ॥

হে কৃষ্ণ, তুহুঁ চলিবাক সত্বৰে সাজহ। হামু তোহাৰি দ্বাৰকাপুৰী, কৌতুকে পেখিয়ে এইখানে আৱব ॥

৪১ সূত্ৰ ॥ ওহি বুলি নাৰদ যৈচে চলল তাহে দেখহ, শুনহ, নিৰন্তৰে হৰি বোল হৰি ॥

---

২৪ পশ্যান্নেৰ স্থানত পশ্যন্নেষ্যামি হ'লে অৰ্থ পৰিষ্কাৰ হয়

৪১ গীত ॥(২৫) ৰাগ শ্ৰীগান্ধাৰ ॥ পৰিতাল ॥(২৬)

ধ্ৰুং ॥ চললি নাৰদ হৰি গুণ গাই ।
ভৰমে দ্বাৰকাপুৰী সম্পত্তি চাই ॥
পদ ॥ ৰতনে ৰচিত গৃহ হৰিক আবাস ।
যৈচন সুৰ পুৰ কৰ পৰকাশ ॥
পেখল পাছু ভুৱন অনুপমা ।
আসনে থিক বৈঠিয়ে সত্যভামা ॥
পূৰ্ণিমাক চান্দ বদন পৰকাশা ।
চিৰঞ্জীৱ বোলি নাৰদ কৰু হাসা ॥
পেখি মুনিক ধনি অৱনত কায় ।
পৰি পৰণাম কয়লি পুনু মাই ॥
জীৱতু জীৱতু নাৰদ বোল ।
ডাকি কৰন্ত নৰ হৰি হৰি বোল ॥
৪৩ সূত্ৰ ॥ তদনন্তৰ বাসুৱা চৰড়ি(১৭) পাৱল ।
মুনি আসন ভিড়ি তথি বৈঠল ॥
৪৪ শ্লোক ॥ নাৰদ ॥
সাদৰং দেৱীং সম্বোধ্যাহ হৰিপ্ৰিয়াম্ ।
কৃষ্ণস্য কৰ্ম্ম বিষমং সত্যভামে নিবোধ মে ॥ (১৮)
৪৫ কথা ॥ নাৰদ বোল ॥
অঃ হে দেৱী সত্যভামা, তোহাৰি স্বামী শ্ৰীকৃষ্ণক বৰি বিষম চেষ্টা দেখল। হা হা মাস, তুহু দুৰ্ভাগা ভেলি, হামু আজুসে জানলো।
৪৬ সত্যভামা বোল ॥
হে মুনিৰাজ! তোহো কি কহৈছ হামু কিছু বুজয়ে নাহি ॥

২৫ পয়াৰ ২৬ ৰাগ শ্ৰী ২৭ আসন ২৮ দৃষ্ট্বা দেৱ্যাসু নিৰ্ব্বন্ধম। কৃষ্ণস্য চৰিতং সৰ্ব্বং বোদলেৱ স নাৰদঃ ॥ (পাঠান্তৰৰ এই শ্লোক নগ্নত্ৰৰ 'পাৰি জাত-হৰণ'ত আছে।

৪৭ নাৰদ বোল ॥

হা হা লোকোক বিধি বঞ্চল। হে মায়, কি কহব। কহিতে বৰি দুখ লাগে ॥

৪৮ সূত্ৰ ॥ ওহি বুলি হেঠ মাথে ঠেস কয় ৰহল মুনি ॥

৪৯ শ্লোক ॥ সত্যভামাভবদ্বীতা নিশম্য মুনি ভাষিতম্।

দৃষ্টং কথয় কিং কস্য পৃচ্ছন্তি পুন' পুন ॥

৫০ সূত্ৰ ॥ শুনি ভিতি হয়া দেৱী কৰযুগি বোলল ॥

৫১ সূত্ৰ ॥ দেৱী বোল ॥

হে মুনিৰাজ! হামু জানু মোহি সম সৌভাগিনী আনবি নাহি। সে স্বামী কৃষ্ণ হামাক চাড়ি কতিহো যায় নাহি। তুহু আজ কোন ঠামে কি দেখল, কি শুনল, হামাক শপথ, সত্বৰে স্বৰূপ বাট কহ। চিত্ত বৰি উদ্বেগ কৰয় ॥

৫২ শ্লোক ॥ দৃষ্টা দেব্যাঃ সুনির্বন্ধং কথয়ামাস সাদৰম।

কৃষ্ণস্য চৰিতং সৰ্ব্বং ক্ৰন্দন্নিব স নাৰদ ॥

৫৩ সূত্ৰ ॥ দেৱীক নিৰ্ব্বন্ধ দেখি মুনি বোলল ॥

৫৪ নাৰদ বোল ॥

হা হা হে মায়, কি কহব। ঐসব কথা কহিতে দোষ। হামু দেৱ-দুৰ্লভ পাৰিজাত পুষ্প স্বৰ্গ হন্তে আনি কৃষ্ণক হাতে দেলো। সে পাৰিজাত যে নাৰী পৰিধান কৰে, সে পুষ্পক মহিমায়ে পৰম সৌভাগিনী হয়। ইহা জানি হামু বোললু, ওহি পাৰিজাতক যোগ্য দেৱী সত্যভামা। তথি কৃষ্ণে কয়লি কি! তোহাক কটাক্ষ কৰিযে আপুন হাতে প্ৰিয়া ৰুক্মিনীক মাথে পৰম সাদৰে সে দিব্য পাৰিজাত পিন্ধায়ল। আঃ তোহাক জীৱন ধিক ধিক। সতিনীক অভ্যুদয় দেখি কি নিমিত্ত প্ৰাণ ধৰহ। মায়, তুহুঁ জীয়ন্তে মৰল। হা হা বিস্তৰ কি কহব।

৫৫ শ্লোক ॥ মুনেৰ্ব্বচনমাকৰ্ণ্য শোককোপপৰিপ্লুতা।

মূৰ্চ্ছিতা পতিতা ভূমৌ যথা বাতাহতা লতা ॥

৫৬ সূত্ৰ ॥ তদনন্তৰ নাৰদ মুখে সতিনীক মহোদয় শুনি কহুঁ, কোপে অপমানে আন্ধাৰি দেখিয়ে, দেৱী সত্যভামা মূৰ্চ্ছিত হয়া পৰল। যৈছে লৱঙ্গলতাক বাতে উপাৰল, তদ্ৰূপ। কেশ মুক্ত ভেল, মুখে বচন হৰল, নাসাত প্ৰাণ-বায়ু নাহি খেলে। পেখি সখী ইন্দুমতী, হা হা প্ৰাণ-সখী মৰল মৰল বুলি বাহু মেলি ধৰি কণ্ঠে শিৰে জল সিঞ্চল, আগোৰে বিঞ্চি, কান্দি কান্দি পৰবোধ বোলল ॥

৫৭ কথা। ইন্দুমতী বোল ॥
হে প্ৰাণ সখি! সতিনীক অপমানে কি মৰিতে চায়! ওহি কোন ব্যৱহাৰ। আৰ সে প্ৰাণ মাধৱ স্বামী তোহাৰি মান সাধয় নাহি। ওহি তুৰন্ত চিন্তা পৰিহৰ, উঠহ উঠহ ॥

৫৮ শ্লোক ॥ কথঞ্চিৎ চেতনাং সংজ্ঞাং লব্ধা দেৱী পুন পুনঃ
বিনিশ্বস্যাপমানেন ৰুৰোদ সখীসন্নিধৌ ॥

৫৯ সূত্ৰ ॥ সে দেৱী সত্যভামা কথঞ্চিত চেতন লভিয়ে ঘন ঘন নিশ্বাস ফোকাৰি যৈচে সন্তাপ কয়ল, তাহে দেখহ, শুনহ, নিৰন্তৰে হৰি বোল ॥

৬০ গীত ॥ ৰাগ কল্যাণ ॥ জোতিতাল ॥

ধ্ৰুং ॥ মানিনী মাই নয়ন পঙ্কজ জুৰে বাৰি
ফোকাৰয়ে শ্বাস হ্ৰাস ভেল দেহা
ঘন ঘন দেখু আন্ধিয়াৰি ॥

পদ ॥ সতিনীক উদয়ে হৃদয়ে দাহে আগি
অধিক মিলয়ে মনতাপ।
ধিক অব জীৱন যৌৱন মোহে অভাগী
ৰগিনী কৰত বিলাপ ॥
হৰি হৰি পিউ মেৰি, বৈৰী অধিক ভেলি
অতয়ে কয়লি অপমানা।

ধৰণী লুটি লুটি বিলপতি বালা
কৃষ্ণ কিঙ্কৰ ৰস ভাণা ॥

৬১ সূত্ৰ ॥ দেৱী সত্যভামা, ওহি সকৰুণ বিলাপ অপমান কায় থিক। তদনন্তৰ কলহ-প্ৰিয় নাৰদ, পুনৰ্ব্বাৰ কৃষ্ণক আগু গিয়া, যে বোলল, তাহে শুনহ ॥

৬২ কথা। নাৰদ বোল ॥

আহে শ্ৰীকৃষ্ণ। তুহু এথা কোন সুখে ৰহইছ। সে প্ৰিয়া সত্যভামা পাৰিজাতক নিমিত্তে, অপমানে অন্নপান সব চাডল। পৰম তাপে মৰয়িছে। হা হা চক্ষুয়ে দেখিতে কি পাই কি নাহি থাব। দেৱ, সত্বৰে যাব ॥

৬৩ শ্লোক ॥ মুনেৰ্ব্বচনমাকৰ্ণ্য মাধৱো ভক্তবান্ধৱঃ।
ক্ৰুতং তস্যা গৃহ প্ৰাগাৎ প্ৰিয়ায়াঃ প্ৰেমবিহ্বলঃ ॥

৬৪ সূত্ৰ ॥ মুনিক মুখে প্ৰযাক দুখ শুনি, শ্ৰীকৃষ্ণ প্ৰেম-বিহ্বল হুয়া মুনিক কাতৰ কৰি কহু, বাত পুছি, যৈছে সত্যভামাক সমীপ চলল, তাহে দেখহ, শুনহ, নিৰন্তৰে হৰি বোল ॥

৬৫ গীত ॥ ৰাগ তুৰ ভাটিয়ালী ॥ জোতিমান ॥

ধ্ৰুং ॥ এ মুনি কহিয়ো কহিযো কপট পৰিহৰি।
প্ৰাণে কি জীৱৱ মোৰ গুণেৰ সুন্দৰী ॥

পদ ॥ মানিনী নাসহে তিলেকো অপমান।
মেৰি অপৰাধে কৈছে ধৰব পৰাণ ॥
প্ৰিয়াক সন্তাপ তাপে দহে শোক আগি।
কুসুম নাদিয়া ভৈলো তিৰী বধ ভাগী
ঝুৰাইতে নয়ন প্ৰিয়াৰ পাইয়া কোল।
পেখি আকুল কৃষ্ণ-কিঙ্কৰ বোল ॥

৬৬ সূত্ৰ ॥ শ্ৰীকৃষ্ণ প্ৰেমে বিহ্বল হুয়া প্ৰিয়াক দেখল। লোতকে মুখ

মলিন, ঘন ঘন নিশ্বাস ফোকাৰি, মাটি লুটি ৰহত। তাহে পেখি শ্ৰীকৃষ্ণ, হা হা কি ভেলি বোলি, আঙ্কোৱালি ধৰল। নয়নক নীৰ ঝুৰায়ে আশ্বাস বোলল॥

৬৭ কথা। শ্ৰীকৃষ্ণ বোল॥

হে প্ৰিয়ে, গোট এক ফুল ৰুক্মিণীক দেলোঁ। সে নিমিত্তে যদি অপমান কৰহ, তবে উঠহ। তোহাক একশত পাৰিজাত দেৱব। ৰুক্মিণী, জাম্বৱতী তোহাক সম সৌভাগিণী হয়ে নাহি। তোহো হামাক প্ৰাণ সম প্ৰিয়ে, জানি তাপ তেজহ। তোহাৰি দুখ দেখি হামাৰ হৃদয়ে সহয়ে নাহি। প্ৰিয়ে, হামাক শপত, উঠহ, উঠহ॥

৬৮ শ্লোক॥ প্ৰিয়ং প্ৰণয়কোপেন নিঃশ্বস্যাহ ততঃ সতী।
ধূৰ্ত্তালাপৈঃ দুৰ্ভগাং মাং কিমৰ্থং প্ৰনিকথ সে॥(২৯)

৬৯ সূত্ৰ॥ তদনন্তৰ শ্ৰীকৃষ্ণক বাক্য শুনি দেৱী সত্যভামা স্বামীক পিঠি দিয়ে কহোঁ, হেঠ মাথে সকৰুণে ক্ৰন্দন কয়ে বোলল॥

৭০ কথা। সত্যভামা বোল॥

হে স্বামী! হামি দুৰ্ভাগাক, কপট বাক্যে কত কদৰ্থনা কৰহ। যে তোহাৰ প্ৰিয়তমা ৰুক্মিণী তাহেক সমীপ চলহ। হামাত কোন প্ৰয়োজন থিক॥

৭১ সূত্ৰ॥ এহি বোলি বহুত বিলাপ কয়, কৃষ্ণক যে বোলল, তাহে দেখহ, শুনহ, নিৰন্তৰে হৰি বোল॥

৭২ গীত॥ ৰাগ শ্ৰীগান্ধাৰ॥ জৌতিতাল॥

ধ্ৰুং॥ কেশৱহে বুঝলহুঁ তুহুঁ।
জানলোহোঁ তুহুঁ ব্যৱহাৰ॥
অতয়ে চাতুৰি চোড়ি চলহু বহুৰি হৰি এ
যাহা প্ৰিয়া ৰমণী তোহাৰা॥

---

২৯ মাংনু ধূৰ্ত্তক দুৰ্ভাগাং কিমৰ্থং জধসে পুনঃ

পদ ॥ তোহাৰি কপট কৃষ্ণ নাবুঝি মানলো হামু এ
নাহি সোভাগিনী-সম মোই ।
যৈচন পীৰিতি ৰীতি সবহি বিদিত ভেলিৰে
আজু জানল মতি তোই ॥
ওহি অপমানে প্ৰাণ নাহি পৰবো হামু ৰে
চোড়ল জীৱনক আশা
আগু পিউক পৰি বহু বিলপতি বালাৰে
কহতু শঙ্কৰ হৰিদাসা ॥

৭৩ কথা ॥ দেৱী বোল ॥
হে স্বামি! হামু দুভাগা । সতিনীক অধান । তুহো হামাক কতয়ে বিকৰ্থনা কৰহ । ওহি অপমানে হামু প্ৰাণ ৰাখব !
অঃ তব হামাক জীৱন ধিক ধিক ॥

৭৪ সূত্ৰ ॥ ওহি বুলি দেৱী, কান্দি কান্দি মূৰ্চ্ছিত হয়া পৰল ॥

৭৫ শ্লোক ॥ ৰুদন্তীং হা হৰেত্যুক্ত্বা বামামালিঙ্গ্যাকুল মানসঃ ।
প্ৰিয়বাক্যেস্ততাং শান্তো সান্ত্বয়ামাস মাধবঃ ॥*

৭৬ সূত্ৰ ॥ তাহে দেখি শ্ৰীকৃষ্ণ, হা হা বোলি বাহু মেলি ধৰল ।
প্ৰিয়াক দুখ দেখিয়ে মৰম চড়ল । কমল নয়নক নীৰ ঝুৰায়ে ।
আলিঙ্গি প্ৰিয়াক চাপি ধৰি কোৰ কৰিযা আশ্বাস বচন বোলল ॥

৭৭ পয়াৰ ॥ প্ৰিয়াক দুখ দেখি নসহে শৰীৰ ।
কমল নয়ন ভৰি ঝুৰি বহে নীৰ ॥
আলিঙ্গি প্ৰিয়াক চাপি ধৰি কোল ।
কৰিয়া আশ্বাস বচন হৰি বোল ॥
হে হে প্ৰাণ প্ৰিয়া শুন বাত ।
দেলুহুঁ নাহি তুহি পাৰিজাত ॥
অত অপৰাধ সহব অব মোই ।
তুৱা সম সোভাগিনী নাহি কোই ॥

*শুদ্ধ শ্লোক A. T. Biswasৰ আলোচনাৰ পৰা দিয়া হৈছে ।

ৰুক্মিনীক দেলো গোটা এক ফুল।
তাহেক লাগি তুহুঁ অতয়ে আকুল॥
পাৰিজাত তৰু সমূলি উপাৰি।
ৰোপন কৰব আনি তুয়া বাৰী॥
যব মোহি বাক্য নাহি পতিআয়া।
কহলো সত্য সত্য শুন জায়া॥
অব তেজহু তাপ কুমাৰী।
নসহে হৃদি দুখ দেখি তোহাৰি॥
হামাকু শপত থেৰ লহু মাথ।
উঠহ উঠহ প্ৰিয়া তেৰি ধৰু হাত॥
কৰ কাকুতি নতি জগতৰ ঈশ।
ৰমণীক মনে কিছো মিলল হৰিষ॥
পৰম ঈশ্বৰ কৰ কাকুতি প্ৰিয়াক।
দেখু অদ্‌ভুত ভকতি মহিমাক॥
ব্ৰহ্মা মহেশ যাক কৰে সেবা।
মাথে খেড় ধৰত সোহি দেৱা॥
কৃষ্ণক লীলা বুঝয়ে নাহি পাৰি।
পূৰ্ণ কাম হৰি কি কৰব নাৰী॥
ভকতি কয়লি হৰিকো মন ভোল।
জানি কৰহু নৰ হৰি হৰি বোল॥

৭৮ সূত্ৰ॥ তদনন্তৰ সখী ইন্দুমতী বোল॥

৭৯ কথা। ইন্দুমতী বোল॥

হে প্ৰাণ সখি! পৰম ঈশ্বৰ তোহোৰ স্বামী। মাথে খেড় ধৰি অতয়ে কাতৰ কৰয়িছে, আৰ কোন মান সাধিতে ৰহল। সখি তাপ তেজহ, উঠহ, উঠহ॥

৮০ সূত্ৰ॥ দেৱী স্বামীক অতয়ে বিনয় বাণী শুনি কছু কিঞ্চিৎ চিত্ত শান্ত ভেল। শ্ৰীকৃষ্ণ তাহে পেখি আলিঙ্গি তুলি বৈঠাই,

পীত বস্ত্রে শৰীৰৰ ধূলি ঝাড়ল, কেশ বান্ধল, নিজ হস্তে কর্পূৰ তাম্বুল ভুঞ্জাওল।

৮১ শ্লোক ॥ ততো দেৱী সত্যভামা কৃষ্ণ বাক্যামৃতেন সা। প্রীতা প্রসন্ন বদনা প্রণম্যাহ প্রিয়ং হৰিম ॥

৮২ সূত্র ॥ দেৱী স্বামীত মহামান লভিয়ে অতি প্রসন্নমুখী হুয়া শ্রীকৃষ্ণক প্রণামি বোলল ॥

৮৩ কথা। দেৱী বোল ॥

হে স্বামি, হামাক পাৰিজাত তৰু দিতে তুহু সত্য কয়ল। জানি বিলম্ব চোড়ি, এই ক্ষণে আনিয়া দেও। যাহে পাৰিজাত নাহি দেখু, তাহে বাড়ি প্রবেশো নাহি। হামু সত্য কহে বোললু ॥

৮৪ কথা। শ্রীকৃষ্ণ বোল ॥

হে প্রিয়ে! পাপী নৰকাসুৰে দেৱতা সৱক জিনিয়ে, সৰ্বস্ব আনল। আগু তাহেক মাৰি দেৱকাৰ্য সাধো। পাচু পাৰিজাত আনো।

৮৫ দেৱী বোল ॥

অহে স্বামী উচিত কহল। আগে দেৱকায সাধি সোহি যাত্রায়ে পাৰিজাত আনহ। হামু তোহাৰ সঙ্গে চলব ॥

৮৬ কৃষ্ণ বোল ॥

হে প্রিয়ে তুহুঁ স্ত্রী জাতি, যুদ্ধক সময়ে তোহাৰি গমন উচিত নহে।

৮৭ দেৱী বোল ॥

হে স্বামি। হামাৰ বহুত সতিনী। ইবাৰ পাৰিজাত আনি কোন স্ত্রীক দেৱব তাহে বুঝয়ে নাহি। হামু কদাচিতো তোহাৰি সঙ্গ নাহি চাড়ব।

৮৮ কৃষ্ণ বোল ॥

হে প্রিয়ে তুহুঁ যদি হামাৰ সঙ্গে চলব, তব সত্বৰে সাজহ।

৮৯ শ্লোক ॥ কৃষ্ণমভ্যেত্য ভগৱান্ জগাদ নাৰদস্তদা।
জ্ঞাতংকিল ভৱান্ ভাৰ্য্যভক্তিসক্তোঽহস্তি কেশৱঃ* ॥

৯০ কথা নাৰদম সক্রোধমাহ ॥
হে কৃষ্ণ। জানলো। তুহু স্ত্রীক লাড়িকা দেৱ-কাৰ্য সব পৰি ৰহল। তোহাৰ ভাৰ্যাক চাটু বুলিতে সব দিৱস গেল ॥

৯১ কথা। শ্ৰীকৃষ্ণ বোল ॥
হে মুনিৰাজ! স্ত্রী যুজে সে না বুজে কি কৰব। কুমাৰীক হাত এড়াইতে পাৰয়ে নাহি। হে মুনিৰাজ, এচলইছো, ক্রোধ নাহি কৰবি ॥

৯২ সূত্ৰ ॥ ওহি বুলি শ্ৰীকৃষ্ণ আতি সত্বৰে যাত্ৰা কয় চলল ॥

৯৩ শ্লোক ॥ সহৰ্ষমকৰোৎ কৃষ্ণঃ প্ৰয়াণং প্ৰিয়য়া সহ
ধনুষ্টঙ্কাৰঘোষেণ দশ দিশঃ প্ৰকম্পয়ন্ ॥

৯৪ সূত্ৰ ॥ শ্ৰীকৃষ্ণ ধনুঃটঙ্কাৰে দশোদিশ কঁপাই প্ৰিয়া সহিতে যৈচে 'পয়ান কয়ল তাহে দেখহ শুনহ। নিৰন্তৰে হৰি বোল হৰি ॥

৯৫ গীত ॥ ৰাগ মাহুৰ ধ্ৰনশ্ৰী ॥ একতালি ॥

ধ্ৰুং ॥ কয়নি পয়ান গৰুৰাঙ্গ
কবে শাৰঙ্গ সঙ্গে প্ৰিয়া চলি যায় ॥

পদ ॥ শ্যামল অঙ্গ সুৰঙ্গ পীতবাসা।
বিজুৰি উজৰ নৱ ঘন পৰকাশা ॥
অৰুণ চৰণ মঞ্জিৰ কৰু বোল।
তাহে মজোক মন শঙ্কৰে বোল ॥

৯৬ সূত্ৰ ॥ শ্ৰীকৃষ্ণ ওৰি প্ৰকাৰে প্ৰিয়া সহিত প্ৰয়াণে চলছে। সে সময়ে নাৰদ আসি বোলল ॥

---

*শুদ্ধ পাঠ A. T. Biswas দেৱৰ আলোচনাৰ পৰা গ্ৰহণ কৰা।

৯৭ কথা ॥ নাৰদ বোলে ॥

হে হৰে! তোহোঁ সম স্ত্ৰী জিত পুৰুষ কবহো না দেখি। যুদ্ধক সময়ে স্ত্ৰীক চোৰয়ে নাহি পাৰ। তুহুঁ জগত গুৰু। তোহাক যশ গাই তিনিও লোকক বেড়াঞো। অঃ হামাক লাজ ভেল ॥

৯৮ কৃষ্ণ বোল ॥

হে মুনিৰাজ! কি কৰব। পাৰিজাত নিমিত্তে সত্যভামা প্ৰাণ চাড়য়। উনিকৰ নিৰ্বন্ধ কত সহব?

৯৯ নাৰদ বোল ॥

হে কৃষ্ণ! কামাতুৰ পুৰুষক ঐচন অৱস্থা। স্ত্ৰী যে আজ্ঞা কৰে, সে অৱশ্যে কৰিতে লাগে। সে হোক। সে কামৰূপ নৰকাসুৰক পাট। ওহি দ্বাৰিকা হন্তে স্বভাৱে মাস চাৰিক পথ। স্ত্ৰী লেয়া যাইতে বৎসৰ দুই চাৰি পাওব। অঃ দেৱকাৰ্য্য ভল্ল সম্বৰ সাধল। এক কৰ্ম কৰহ। তোহাক বাহন গৰুড় পক্ষীৰাজ। তাহেক আজ্ঞা কৰহ। তাহেৰ স্কন্ধে চঢ়িয়ে, সত্বৰ নৰকাসুৰক মাৰহ।

১০০ সূত্ৰ ॥ মুনিক বাণী শুনি শ্ৰীকৃষ্ণ প্ৰিয়াক বোলল ॥

১০১ কথা ॥ শ্ৰীকৃষ্ণ বোল ॥

হে প্ৰিয়ে, মুনি ভল্ল কহল ॥

১০২ দেৱী বোল ॥

হে স্বামি। হামিতো পায়ে হাঁটিতে পাৰযে নাহি ॥

১০৩ সূত্ৰ ॥ তা শুনি শ্ৰীকৃষ্ণ বাহনক স্মৰল ॥

১০৪ শ্ৰীকৃষ্ণ বোল ॥

আহে গৰুড় পক্ষীৰাজ! সত্বৰে আও, সত্বৰে আও।

১০৫ শ্লোক ॥ আহে আগত্য(৩০) গৰুড়ো নত্বা কৃষ্ণং কৃতাঞ্জলিঃ
মম স্কন্ধং সমাৰুহ্য জহি ভৌমং দ্ৰুবাশয়ম্ ॥

---

৩০ চাপয়।

১০৬ কথা। গৰুড় বোল ॥

হে স্বামি ! হামু থাকিতে তোহোঁ পায়ে বেড়াওব ! অঃ হামাৰ কন্ধে চড়ি, পাপী নৰকাসুৰ বধ গিয়া ॥

১০৭ সূত্ৰ ॥ তদনন্তৰ শ্ৰীকৃষ্ণ সভাৰ্য্যে গৰুড় কন্ধে চড়ি পৰম লীলায়ে চললি ॥

১০৮ শ্লোক ॥ প্ৰাগ্‌জ্যোতিষং সোহাতিযয়েন জায়য়া।
সুপৰ্ণমারুহ্য যযৌ জনাৰ্দ্দনঃ ॥
ক্ষণেন সম্প্ৰাপ্য পুৰং পৰেশো।
মহোৎসবৈঃ শঙ্খবৰং চকাৰ ॥

১০৯ সূত্ৰ ॥ শ্ৰীকৃষ্ণ গৰুড়বাহনে বায়ুবেগে কামৰূপ পাই, পাঞ্চজন্য ধ্বনি কয়ল। তাহে শুনি নৰকাসুৰ খেদি আয়ল। শ্ৰীকৃষ্ণ তাহেক যৈচে বধ কয়ল, তাহে দেখহ, শুনহ, নিৰন্তৰে হৰি বোল হৰি।

১১০ পয়াৰ(৩১) ॥ ৰাগ কানাড়া ॥

চললি গোবিন্দ গৰুড়ক কন্ধে।
নৰক মাৰিতে কয়লি প্ৰৱন্ধে ॥
বায়ুক বেগে চললি পক্ষীৰাজ।
তিলেকে পায়ল কামৰূপৰাজ ॥
ফুকল শঙ্খ হৰি বাৰে বাৰে।
শুনি শত্ৰুক ভেল হৃদয় বিদাৰে ॥
জানলু আয়ল মাধৱ ধাই।
গৰজে দানৱ যুদ্ধক লাই ॥
সমৰক সাজি বজায়য় ঢোল।
ধৰ ধৰ মাৰ মাৰ কৰে বহু বোল ॥

---
৩১ গীত

ধায়ে সুৰ, নৰকাসুৰ ৰাগি।
থাণ্ডা কিঙ্কাৰয় কৃষ্ণক লাগি॥
হৰি টঙ্কাৰল শাৰঙ্গ ভিড়ি।
বৰিখল বাণ দৈত্যকহোঁ পিড়ি॥
কাটল কাণ্ড কন্ধ কৰ শিৰ।
মাৰল হৰি সৱ দানৱ বীৰ॥
পেখি পলায়ত অপৰ অসুৰ।
বাণ প্ৰহাৰিয়ে মোৰল সুৰ॥
কোপে চক্ৰ ক্ষেপি জগন্নাথ।
কাটল দাৰুণ নৰক মাথ॥
দেখি দেৱক উছুক বহুল।
বায়ে দুন্দুভি বৰিষয় ফুল॥
জয় জয় যাদৱ কৰে বহু বোল।
সমাজিক সৱ হৰি হৰি বোল॥

১১১ সূত্ৰ॥ সে সুৰ, নৰকক মাৰি কহুঁ শ্ৰীকৃষ্ণ যশ সাধল। দেখি দেৱসৱ আনন্দে দুন্দুভি বজাই, জয় কৃষ্ণ জয় কৃষ্ণ বোলি, শিৰে কুসুম বৰিষল। শ্ৰীকৃষ্ণ সভাযো আনন্দে ৰহল॥

১১২ শ্লোক॥ ততো বসুমতী পৌত্ৰং পুৰঃ সংস্থাপ্য আত্মজং।
বিলপন্তী তদা কৃষ্ণং নত্বা প্ৰোৱাচ দুঃখিতা॥

১১৩ সূত্ৰ॥ নৰক পুত্ৰ বধ ভেল দেখি বসুমতী পৰম সন্তাপে তাহেক পুত্ৰ ভগদত্ত শিশুক আগ কৰি কহোঁ কৃষ্ণ দৰশন নিমিত্ত যৈচে চললি, আহে লোকাহ! তাহে দেখহ, শুনহ, নিৰন্তৰে হৰি বোল হৰি॥

**১১৪ গীত॥ ৰাগ মাহুৰ ধ্ৰুবশ্ৰী॥ একতালি॥**

ধ্ৰুং॥ পিউক সমীপ চলে মাই,

হৰি দৰশন চলে লাই(৩২)।
শিশু সমে বসুমতী লহু লহু গতি ধাই ॥(৩৩)

পদ ॥ সুতক সন্তাপে তনু ভেলি হ্রাসা।
লোতক লেপিত মুখ কোকাবে নিশ্বাসা ॥
স্বামীক কৰু পায়ে পৰণাম।
কহতু শঙ্কৰ গতি মতি মেৰি ৰাম(৩৪) ॥

১১৫ সূত্র ॥ ঐচন শিশু সমে বসুমতী আসি কহুঁ:
শ্রীকৃষ্ণক পৰি পৰণামি, কৰযৰি বোলল ॥

১১৬ বসুমতী বোল ॥

হে স্বামী শ্রীকৃষ্ণ, কোটি কোটি ব্রহ্মাণ্ডেশ্বৰ পৰমপুৰুষ পুৰুষোত্তম, তুহু জগতগুৰু। তোহাক দ্রোহ কৰি, পাপী পুত্র নৰক, নিজ পাপে নাশ গৈল। তাহাক পুত্র, ওহি ভগদত্ত নাতিক তোহাৰ পায়ে সমৰ্পল, তাহেক ৰক্ষা কৰহ। হামাৰ সন্ততি ৰহোক। তোহাৰি চৰণ পঙ্কজে কাতৰ কয়, অভয়ে প্রসাদ মাগো গোসাঞি ॥

১১৭ সূত্র ॥ এহি বোলি বসুমতী, বহুত বিলাপ, শ্রীকৃষ্ণক আগু কয়ল। ঐচন কাৰুণ্য বাণী শুনি নাৰায়ণ, বসুমতীক আশ্বাস কয় বোলল ॥

১১৮ শ্রীকৃষ্ণ বোল ॥

আহে বসুমতি। তোহো তাপ তেজহ। তোহাৰি পুত্র নৰকাসুৰ ভূমিক ভাৰ ভেলি। সে নিমিত্তে ইহাক মাৰি ভূমিক ভাৰ দূৰ কয়ল। তোহাৰি বচনে ওহি ভগদত্ত শিশুক কামৰূপ পাটে ৰাজা পাতব। তুহোঁ চিন্তা নাহি কৰব ॥

১১৯ সূত্র ॥ ওহি বুলি শ্রীকৃষ্ণ বসুমতীক আলিঙ্গি আশ্বাসিয়ে অন্তেৰপুৰ প্রৱেশি কহোঁ, ভগদত্তক ৰাজ্য অভিষেক কয়ল। ষোড়শ হাজাৰ কন্যা তাহেৰ বাৰি পাই দ্বাৰকাপুৰ পঠায়ল। অদিতিক

---

৩২ ধাই ৩৩ ধায় ৩৪ গতি মেৰি ৰাম

কুণ্ডল, বৰুণক ছত্র, মণি পর্বত লৈয়া গৰুড়ক স্কন্ধে সত্যভামা সঙ্গে স্বর্গক কৌতুকে চলল ॥

১১০ শ্লোক ॥ ততঃ স্বর্গস্য নৈকট্য দৃষ্ট্বা কৃষ্ণো মুদা যুতঃ।
পাঞ্চজন্যংদধ্মৌ শঙ্খং হর্ষয়ন দিবি দেৱতাঃ* ॥

১১১ সূত্র ॥ সুৰ নৰকান্তৰক মাৰি শ্রীকৃষ্ণ স্বর্গক সমীপ পাই পৰমানন্দে শঙ্খধ্বনি কয়ল। ধ্বনি শুনি জানল দেৱতাসৱ আঃ হামাৰ স্বর্গক লাগি শ্রীকৃষ্ণ আরল। পৰম হৰিষে, জয় জয় বোলি, দুন্দুভি বাজাই, শিৰে কুসুম বৰিষিল (৩৫)। তাতে পেখি সত্যভামা পিউক পুছত ॥

১১২ সত্যভামা বোলু ॥
আহে স্বামি! ওহি কোন স্থান পাওলো হাম্। যে দুন্দুভিবজাই, কুসুম বাৰিষে, এসব কে? হামাক পৰিচয় কৰাব(৩৬) ॥

১১৩ শ্লোক ॥ কৃষ্ণঃ প্রাহ প্রিয়াং পশ্য ইমামমরাৱতীপুৰীম(৩৭)।
আগতাঃ দেৱতা এতাং মাং দেবি দিদৃক্ষয়া ॥

১১৪ কথা। শ্রীকৃষ্ণ বোল ॥
হে দেবি! তুহু নাহি জানহ, ওহি অমৰাৱতী পুৰী। ওহি দেৱতাসৱ হামাক দেখিতে আবল। দেখো, ওহি ঐৰাৱত কন্ধে বাসৱ থিক। উনিকৰ মহাদেই ওহি শচী। এসৱ দিগপাল, সিদ্ধ, বিদ্যাধৰ ॥

১১৫ দেৱী পুনু পুচল ॥
হে স্বামী! যে বিমানক উপৰে প্রকাশ কৰৈছে,ওহি কোন বৃক্ষ?

১১৬ শ্রীকৃষ্ণ বোল ॥
হে প্রিয়ে, নাহি জানহ? যাহেৰ নিমিত্ত মানিনী হয়াছ, সে পাৰিজাত বৃক্ষ ওহি!

১১৭ দেৱী হর্ষমাহ ॥
অঃ হামাৰ মনোৰথ সাফল্য ভৈল। ওহি পাৰিজাত পুষ্প

---

*Sri A. T. Biswas দেৱৰ শুদ্ধ পাঠ গ্রহণ কৰা হৈছে।
৩৫ বৰিষল. ৩৬ এসবকে হামাক পৰিচয় কৰাব ৩৭ ইমামমৰাৱতীম্ দেৱি

ধৰিয়ে, সতিনী সৱক মাজে লাসাবেশ কৰি বেড়াৱৰ। হে স্বামী, সত্বৰ কৰু ॥

১২৮ শ্লোক ॥ ততোহন্তিকৌতুকা দৃষ্টা ইন্দ্ৰ আগত্য সাদৰম্।
দোর্ভ্যাং দেৱং পৰিষ্বজ্য জগাদ মধুৰং বচঃ ॥

১২৯ সূত্ৰ ॥ তদনন্তৰ ইন্দ্ৰ আসিকহু গৌৰৱে কৃষ্ণক ধৰল। শচী সত্যভামাক আলিঙ্গি সৎকাৰ কয়ল ॥

১৩০ ইন্দ্ৰ বোল ॥

হে শ্ৰীকৃষ্ণ, পাপী নৰকাসুৰক মাৰি, হামাক কৃতাৰ্থকয়ল। বাৰ বাৰ তুহু উদ্ধাৰ কৰহু। তোহাক গুণ শুজয়ে নাহি পাৰি ॥

১৩১ সূত্ৰ ॥ এহি বোলি প্ৰেমে লোতক ঝুৰয়ে। ইন্দ্ৰ মৌনে ৰহল ॥

১৩২ শ্লোক ॥ অদিতিং মাতৰং পশ্চাৎ সভাৰ্য্যো জগদীশ্বৰঃ।
প্ৰণম্য দেৱমাতেভ্যোদাদমৃতস্ৰাৱিকুণ্ডলে ॥*

১৩৩ সূত্ৰ ॥ তদনন্তৰ শ্ৰীকৃষ্ণ ইন্দ্ৰ সহিত, অদিতি মাতৃক প্ৰণাম কয়ে কয়ে কহু অমৃত কণ্ডল দোহো নিৱেদল। শচী সহিত সত্যভামা অদিতি শাশুক জানুপাৰি প্ৰণাম কয়ল ॥

১৩৪ শ্লোক ॥ তং সা দেৱজননী কৃষ্ণং মত্বা মহেশ্বৰম্।
বদ্ধাঞ্জলিৰ্জগন্নাথস্তৌতি দেৱী মনোদধে ॥*

১৩৫ সূত্ৰ ॥ অদিতি শ্ৰীকৃষ্ণক পৰম ঈশ্বৰ জানিয়ে যৈচেস্তুতি আৰম্ভল, তাহে দেখহ, শুনহ, নিৰন্তৰে হৰি বোল ॥

১৩৬ পয়াৰ ॥ জয় জয় জগত নিবাসা।
জয় জয় অসুৰ বিনাশা ॥
জয় ছেদক ভৱ পাশা।
জয় তাৰক নিজ দাশা ॥
জয় জয় ঈশ্বৰ মুৰাৰি।
জয় জয় অসুৰ সংহাৰি ॥

* শুদ্ধ পাঠ Sri A. T. Biswas দেৱৰ প্ৰবন্ধৰ পৰা লোৱা হ'ল।
* Sri A. T. Biswasৰ শুদ্ধ পাঠ

জয় জয় শাৰঙ্গ ধাৰী।
জয় জয় ব্ৰজ(৫৪) অধিকাৰী॥
জয় জয় জগতক ধাতা।
জয় জয় পাতক ঘাতা॥
জয় জয় ভূতক ত্ৰাতা।
জয় জয় মুকুতি দাতা॥
জয় জয় যাদৱ ৰামা।
জয় জলধৰ তনু শ্যামা॥
জয় জয় পূৰক মনকাম।
জয় ভদ্ৰ তাৰক নাম॥
কৰু করুণা যদুৰাই।
লেলোঁ শৰণ তুয়া পাই॥
পৰম পুৰুষ কৰু ত্ৰাণা।
তুয়া বিনে গতি নাহি আনা॥
ভৱ-বন্ধন ছোড মেৰি।
কৰু ওহি স্তুতি কৰ যোৰি॥
কয়লি পৰি পৰণাম।
সঘতি বোলন্ত ৰাম ৰাম॥

১৩৭ শ্লোক॥ অদিত্যা ঈশ্বৰজ্ঞানং নিশম্য মধুসূদনঃ।
মোহনার্থং নিজমায়াং ততান জন মোহনীম্॥

১৩৮ সূত্ৰ॥ তদনন্তৰ অদিতিক ঈশ্বৰ জ্ঞান দেখিয়ে, বৈষ্ণৱীমায়া বিস্তাৰি, অদিতিক মন মোহিত কৰিয়ে, শ্ৰীকৃষ্ণ কৰযোৰি প্ৰণাম কয় বোলল॥

১৩৯ শ্ৰীকৃষ্ণ বোল॥

হে মাতা! তুহু হামাৰ পৰম দেৱতা। আমাক সৰ্বথা আশীৰ্বাদ কৰবি॥

৫৪ ব্ৰজ্যা

১৪০ সূত্ৰ ॥ অদিতি শুনি কহু পৰম সকৰুণ চিত্তে কৃষ্ণক গলে ধৰি কহু, বুলিতে লাগল ॥

১৪১ অদিতি বোল ॥

হে পুত্ৰ, তুহু চিৰঞ্জীৱ হব। হামাক বৰদানে দেৱতা-অসুৰে তোহাক জিনায়ে নাহি পাৰব ॥

১৪২ সূত্ৰ ॥ তদনন্তৰ, শ্ৰীকৃষ্ণ দেৱীক বিদায় কয়ল। বৰুণক ছত্ৰ, মনি পৰ্বত, ইন্দ্ৰক হাতে সমৰ্পল। দেৱতা সৱত বিদায় কৰি কাহ্ণে, নাৰদ সহিতে সত্যভামা পৰিসৰ্পি যৈচে চলল, তাহে দেখহ শুনহ, নিৰন্তৰে হৰি বোল ॥

[১৪৩ গীত ॥ ৰাগ গৌৰী ॥ যতি তাল ॥ জৌতিমান]

ধ্ৰুং ॥ লীলাগতি যাই, ভুবন ভুলাই, মধুৰ মুৰুতি মুৰাৰি।
লগলাসে চলে ৰঙ্গে
সঙ্গেহি বৰনাৰী ॥

পদ ॥ উৰে বনমালা মাণিক মণি
বয়ন ঈষত হাসা।
নব জলধৰ শোভিত তনু
পীত অম্বৰ ভাসা ॥
পদ-পঙ্কজ মঞ্জিৰ জল(৩৮)
পল্লৱ পৰকাশা।
ভকতি মুকুতি হেতু ভয়ো অৱতাৰ
কহতু কেশৱ দাসা ॥

১৪৪ সূত্ৰ ॥ ঐচন মধুৰ মূৰুতি শ্ৰীকৃষ্ণ পৰম লীলাগতি স্বৰ্গবাসীক মন মোহি কৌতুকে চলল। তদনন্তৰ যে কথা ভেল, তাহে দেখহ, শুনহ, নিৰন্তৰে হৰি বোল ॥

৩৮ ভোলে

১৪৫ শ্লোক ॥ শ্ৰুত্বা বস্ত্ৰে পতিংপ্ৰাহ সতী ৰোষ সমান্বিতা।
ক যাসি পাৰিজাতং ত্বং নানীয় মধুসূদন ॥

১৪৬ সূত্ৰ ॥ তদনন্তৰ দেৱী সত্যভামা, কৃষ্ণক পীত বস্ত্ৰে ধৰি কাঢ়া, মহাক্ৰোধ হুযা বোলল ॥

১৪৭ সত্যভামা বোল ॥

হে স্বামি! তুহু ভল্ল সত্য কয়ল। পাৰিজাত নালয়া তুহু কাহা যায়? তোহাক চিন্ত বুঝয়ে নাহি।

১৪৮ কৃষ্ণ বোল ॥

হে প্ৰিয়ে, হামু বিচোৰল। দোষ নাহি ধৰবি। (নাৰদক বোল।) হে ঋষিৰাজ! তুহু সত্বৰে যাস। ইন্দ্ৰক গোচৰি পাৰিজাত বৃক্ষ প্ৰিয়াক নিমিত্ত সত্বৰ আন গিয়া।

১৪৯ সূত্ৰ ॥ কৃষ্ণক বাণী শুনি নাৰদ চলি গিয়া ইন্দ্ৰক বোল ॥

১৫০ নাৰদ বোল ॥

হে দেৱৰাজ! শ্ৰীকৃষ্ণ তোহাক পাৰিজাত খোজল। সত্যভামাক নিমিত্ত। জানি সত্বৰ দিয়া পঠায়।

১৫১ সূত্ৰ ॥ নাৰদক বাণী শুনি পৰম ক্ৰোধ হয়া শচী উত্তৰ দেলহ ॥

১৫২ শচী বোল ॥

অঃ অভাগা কপাল! ইন্দ্ৰানী শচীক পাৰিজাত কথাক মানুষী সত্যভামা, পিন্ধিতে সাধ গেল। ঋষিৰাজ, বোল গিয়া, যবে অনেক পুণ্য কয় কহু অমৰাৱতীক অধিকাৰিণী হয়, তেবে পাৰিজাত পৰিধান কৰিতে পাৰে। হামাৰ পাৰিজাত ইন্দ্ৰে দিতে পাৰয়ে নাহি ॥

১৫৩ ইন্দ্ৰ বোল ॥

হে দেৱৰাজ, দেৱস্ত্ৰীক পাৰিজাত কি মতে দিতে পাৰি? স্ত্ৰীক কথা কৃষ্ণতে বিদিত। বোল গিয়া ঋষিৰাজ ॥

১৫৪ শ্লোক ॥ নাৰদস্ত ততোহভ্যেত্য ভগৱানাহ কেশৱম। ইন্দ্ৰান্যা বৰ্ণিতং যৎ তৎ সৰ্ব্বমৱৰ্ণয়ৎ ॥

১৫৫ সূত্র ॥ তদনন্তৰ নাৰদ পৰিবৰ্ত্তি আসি কহু, শচী যে বোলল, কৃষ্ণ-সত্যভামাক আগু সব কহল ॥

১৫৬ নাৰদ বোল ॥

হে কৃষ্ণ! পাৰিজাতক নিমিত্ত তুহু পাঠায়ল। হামু বড়ি লাজ ভৈলো। সত্যভামাক বহুত গালি পৰাল মাত্র। পাৰিজাতক নাম শুনি শচী ক্রোধে বোলল : অঃ, কোথাক মানুষী সত্যভামা, শচীক পাৰিজাত পিন্ধিতে ইচ্ছা কয়ল। অভাগা কপাল। যব তপ জপ আচৰি জন্মান্তৰে অমৰাৱতীক অধিকাৰিণী হয়, তব পাৰিজাত পাৱব, বোল গিয়া। হে কৃষ্ণ, দেৱীক ধিক্কাৰ শুনিয়ে হৃদয় দহে, হাহা কি ভেলি!

১৫৭ সূত্র ॥ তাহে শুনি সত্যভামা কোপে কম্পমান হুয়া বোলল ॥

১৫৮ সত্যভামা বোল ॥

হে স্বামী হামাক কদৰ্থিতে তুহু আনল। দানৱক বেটী শচীক চাটু কয় পৰিজাত নেৱব! অঃ তব ধিক্কাৰ হোক। হে প্ৰাণনাথ কাহেক ভয় থিক, সত্বৰে পাৰিজাত আন গিয়া।

১৫৯ নাৰদ বোল ॥

আঃ দেৱী ভল্ল কহল। শ্রীকৃষ্ণ সত্বৰ পাৰিজাত আনহ।

১৬০ শ্লোক ॥ নিশম্য সত্যভামায়াঃ বচনং কঞ্জলোচনঃ।
জহাৰ সহসা গত্বা পাৰিজাতং তৰুং হৰিঃ॥

১৬১ সূত্র ॥ তদনন্তৰ শ্ৰীকৃষ্ণ প্ৰিয়াক বাক্য শুনিয়ে তত্তকালে পাৰিজাতক সমীপ চাপি, সমূলি উপাৰি আনল। পেখি ৰখীয়াসব কোলহাল কয়ে বোলল ॥

১৬২ ৰাখীয়াসব বোল ॥

হে কৃষ্ণ, শচীক পাৰিজাত নিতে তোহাৰি কোন ব্যৱহাৰ?

১৬৩ সত্যভামা বোল ॥

অয়ে ৰখীয়াসব, তোহাক শচীত কহগিয়া সত্যভামা পাৰিজাত নিয়া যাই। অব যত শকতি থিক ৰাখোক আসিয়া।

১৬৪ সূত্ৰ ॥ শুনি ৰথীয়াসব, ইন্দ্ৰ শচীক প্ৰণামি কহল ॥

১৬৫ ৰথীয়াসব বোল ॥

হে মাতা শচী, তোহাবি পাৰিজাত তৰু সত্যভামা ৰবাই কৰিয়ে স্বামীক হাতে হৰি নিয়া যাই। জানি যে যসাই তা কবহ ॥

১৬৬ শ্লোক ॥ পাৰিজাতস্য হৰণং নিশম্য কুপিতা শচী।

পতিং পুৰন্দৰং প্ৰাহ ধিক্ জন্ম তব বজ্ৰিণঃ ॥(৩৯)

১৬৭ সূত্ৰ ॥ পাৰিজাত হৰণ শুনি শচী কোপে পুৰন্দৰক বোলল ॥

১৬৮ শচী বোল ॥

হে স্বামী, তুহু বিদ্যমান থাকিতে হামাক পাৰিজাত মানুষী নিয়া যাই। অঃ তোহাক ধিক্কাৰ থিক। বজ্ৰকো ধিক্কাৰ ৰহোক ॥

১৬৯ সূত্ৰ ॥ এহি বোলি ইন্দ্ৰক আগে বহুত বিলাপ কয়ল ॥

১৭০ ইন্দ্ৰ বোল ॥

হে প্ৰিয়ে! দুখ চোৰহ। হামাক আগে কৃষ্ণ কোন হয়! তাহেক জিনি পাৰিজাত এখনে আনব। চিন্তা নাহি কৰবি।

১৭১ সূত্ৰ ॥ ওহি বুলি ইন্দ্ৰ পৰম প্ৰাৰম্ভে সাজি, ধনু-শৰ ধৰি কতু দেৱসব সহিত শচী সমন্বিতে ঐৰাৱত কান্ধে খেদি আৱল।

১৭২ শ্লোক ॥ গত্বা সত্ৰাজিত সুতাং প্ৰোবাচ কুপিতা শচী।

নেষ্যামি(৪০) ত্বং পাৰিজাতং কিংনু বক্ষ্যসে স্থিতে ॥

১৭৩ শচী বোল ॥

অয়ে সত্ৰাজিতক কমাৰী। তুহু মানুষী হুয়া হামাৰ পাৰিজাত নিয়া যায়। অঃ তোহাক অভাগা মিলল। যব বজ্ৰধৰক হাতে সবংশে নাহি মাৰব, তব সত্বৰে পাৰিজাত চোড়হ ॥

---

৩৯ প্ৰাহ ধিগস্তু তব বিক্ৰমম্ ৪০ নেষ্যামি

১৭৪ ওহি বুলি যৈচন গৰজল, তা দেখহ, শুনহ, নিৰন্তৰে হৰি বোল ॥

১৭৫ ॥ গীত ৰাগ আশোৱাৰী ॥ প্ৰৱমান ॥

ধ্ৰু ॥ মানুষী সাহসন ঐচন তোহাৰি
হৰলি কুসুম হামাৰি ॥

পদ ॥ স্বামী পুৰন্দৰ বীৰ বজ্ৰধৰ
আচন্তু দৈত্য অপুকাৰী ।
পাৰিজাত তৰু চাবহ মেৰি
ৰাখহো জীৱন কুমাৰী ॥
তোহাৰি স্বামী মাধৱ মানুষ
কয়লি গৰব যাহে লাই ।
বাসৱ আগে সেহি কোন হোই
কৰু শচী ঐচন বৰাই ॥

১৭৬ শচী বোল ॥

অয়ে সত্যভামা, তোহাৰি স্বামী মাধৱক কথা হামু সব জানি । ওহি গোপীবিটাল গোপাল । উনিকৰ আগু গোকুলক স্ত্ৰী নাহি ৰহল । দেখো কংসক দাসী কুবুজী তাহেক হাত এৰায়ল নাহি । তাহেক আৰ কি কহব ? ঐচন অনাচাৰী কৃষ্ণত গব কয়কহো হামাক পাৰিজাত নিয়া যায় ? অ. বজ্ৰধৰত সবংশে নাশ ভেলি জানব ॥

১৭৭ শ্লোক ॥ নিশম্য গৰ্ববাক্যং সা সত্যভামা হৰিপ্ৰিয়া ।
কোপেন কম্পিতব্ৰতী শচীমাভাষা বলগতি ॥*

১৭৮ সত্যভামা বোল ॥

আৱে ইন্দ্ৰাণী, জাগতক পৰম গুৰু, হামাৰ স্বামী, যাহেৰ

*শুদ্ধ পাঠ A T. Biswas.

নাম স্মৰিতে মহা মহা পাপীসব সংসাৰ নিস্তৰে, তাহেক অতয়ে নিন্দা কৰহ। অয়ে নিলাজিনী, মৰিতে নজানহ। তোহাৰি স্বামী ইন্দ্ৰক কথা কহিতে ঘৃণাসে উপজে। দেখো অস্ৰাৱতীক যত বেশ্যা তোহাক স্বামীক সে নাহি আণ্টল। তোহাৰ স্বামী কয়লি কি, গৌতম ঋষিক ভাৰ্যা অহল্যা, তাহেক মায়া কৰি কহুঁ, জাতি ভ্ৰষ্ট কয়ল। তন্নিমিত্তে সব শৰীৰ ঢাকি যোনী দাগ ভেল! অয়ে পামৰী, ঐচন ইন্দ্ৰক হামাক আগে বখানহ॥

১৭৯ সূত্ৰ॥ ওহি বুলি সত্যভামা যৈচে বলগল তাহে দেখহ, শুনহ, নিৰন্তৰে হৰি বোল হৰি॥

**১৮০ গীত॥ ৰাগ বেলোৱাৰ॥ তাল ধ্ৰুবমান॥**

ধ্ৰুং॥ পামৰী হৰিকে৷ কৰসি বৰাই।
আজু চৰণ পঙ্কজ বজ পৰশি
গাৰ দেসি কতি লাই॥

পদ॥ ওহি জগত গুৰু ব্ৰহ্মা ৰুদ্ৰ কৰু
পৰি পৰণাম যাহাৰি।
কৈচে দাসী শচী ঐচে স্বামীক কৰু
কন্দল বয়নে নেহাৰি॥
যাহে নাম গুণ পাই পাপী তৰে
ভকতি মুকুতি মিলায়ে।
ঐচে গোবিন্দক নিন্দস পামৰী
শঙ্কৰ কহ হৰি পায়ে॥

১৮১ সত্যভামা বোল॥

ঐয়ে দানৱক বেটী ইন্দ্ৰানী, হামাৰি আগু তোহাৰি অতয়ে বৰাই। হামু পৰম দৰ্প কয় কহুঁ তোহাৰি পাৰিজাত আনল। দেখু অব তোহাক স্বামী পুৰন্দৰক যত শকতি

থিক, যুদ্ধ কয়। হামাৰ হাতক পাৰিজাত নিয়া যাউক দেখি! তবে সফল বৰাই কয়লি ॥

১৮২ সূত্ৰ ॥ দেৱী সত্যভামাক অতয়ে বিকৰ্থনা বাণী শুনি শচী কোপে অপমানে ইন্দ্ৰক বোলল ॥

১৮৩ শচী বোল ॥

হে স্বামী দেৱৰাজ, তোহাক জীৱন ধিক ধিক। মানুষী স্ত্ৰীক অতয়ে কদৰ্থনা শুনি ৰহইছ। ছিঃ তোহাত পুৰুষ তেজ কিছো নাহি। অঃ দেৱতাক ইন্দ্ৰ মিছা বোলৱসি ॥

১৮৪ শ্লোক ॥ ততো পুৰন্দৰো দেব্যাঃ পীড়িতো বাক্যসায়কৈঃ। ক্ৰোধেন ধনুৰাদায় যুদ্ধায় সম্মুখহভৱৎ ॥

১৮৫ সূত্ৰ ॥ তদন্তৰ পুৰন্দৰ বাক্য-শৰে পীড়িত হুয়া শচীক গৰিহা শুনি কাহোঁ পৰম ক্ৰোধে ধনু ধৰি যুদ্ধ কৰিতে কৃষ্ণক সম্মুখ ভেলহ। দেখি শাৰঙ্গ টঙ্কাৰি শ্ৰীকৃষ্ণ গৰুড় কন্ধে ইন্দ্ৰক সম্মুখ হুই ৰহল। তাহে পেখি পুৰন্দৰ দৰ্পে বোলল ॥

১৮৬ সূত্ৰ ইন্দ্ৰ বোল ॥

অয়ে যাদৱ! শচীক পাৰিজাত কৈচে নিয়া যাৱ? ওহি তীক্ষ্ণতৰ শৰে তোহাৰি প্ৰাণ চোৰাৱব। হামুক আগু কাহা যাৱব?

১৮৭ সূত্ৰ ॥ ঐচন প্ৰকাৰে বহুত বল্লল। দিব্যবাণ হানি যৈচে দামোদৰ পুৰন্দৰ দুহোঁ মহাযুদ্ধ কয়ল, আহে লোক, তাহে দেখহ, শুনহ, নিৰন্তৰে হৰি বোল ॥

## ১৮৮ গীত ॥ ৰাগ তুৰ ॥ পৰিতাল ॥

ধ্ৰুং ॥ গৰজে বাসৱ বাণ প্ৰহাৰা।
আজু জীৱন লেহু তোহাৰা ॥
পদ ॥ পেখি তাহে হৰি কৰে সাৰঙ্গ ধৰি
কৰু শৰ সত্বৰ মুৰাৰি।

চেদি বাণগণ হৰলি চেতন
ইন্দ্ৰক হৃদয়ে বিদাৰি ॥

১৮৯ সূত্ৰ ॥ কৃষ্ণক বাণ প্ৰহাৰে, মূৰ্চ্ছিত হুই পুন চেতন পাই ইন্দ্ৰ বোল ॥

১৯০ ইন্দ্ৰ বোল ॥
অয়ে শ্ৰীকৃষ্ণ, পাৰিজাত চোৰহ, নাহ এহি বজ্ৰ সন্ধানে তোহাৰি প্ৰাণ চোচাওঁ ॥

১৯১ কৃষ্ণ বোল ॥
অয়ে দুষ্ট দেৱৰাজ ! হামাক ভীতি দেখাৱ ? যত শকতি থিক প্ৰহাৰ দেখি !

১৯২ সূত্ৰ ॥ শুনি ইন্দ্ৰ বজ্ৰ ধৰিয়ে পুনু স্বস্থ হুয়া কৃষ্ণক হানল। শ্ৰীকৃষ্ণ হাসি হাসি লুফি ধৰল যৈচে তাহে দেখহ, শুনহ নিৰন্তৰে হৰি বোল হৰি ॥

পদ ॥ স্বস্থ কলেৱৰ পুনু পুৰন্দৰ
ধৰল বজ্ৰ বীৰ তোলি।
হানল সন্ধানে প্ৰাণ অৱলেপ
ৰহ ৰহ যাদৱ বোলি ॥

১৯৩ সূত্ৰ ॥ বাণ যুদ্ধে নপাৰি পুৰন্দৰ পৰম আটোপে কোপে শ্ৰীকৃষ্ণক বজ্ৰ প্ৰহাৰল। হৰি হাসি হাসি বজ্ৰক লুফি ধৰল।

১৯৪ শ্লোক ॥ ততঃ কৃষ্ণো কথা চক্ৰং শক্ৰং প্ৰতি গৃহীতবান।
হন্দ্ৰো ভীত ইভাদ্ ক্ৰুতস্ত্ৰ্ পশ্চাদ্ বিহসন্ যযৌ ॥*

১৯৫ শ্ৰীকৃষ্ণ বোল ॥
অয়ে দুষ্ট দেৱৰাজ, দেখো তোহাৰি প্ৰহাৰ হামো সহল। অব হামাৰ প্ৰহাৰ সম্বৰহ ॥

১৯৬ সূত্ৰ ॥ এহি বোলি পৰম প্ৰাৰম্ভে ইন্দ্ৰক লাগি চক্ৰ তুলি ধৰল। তাহে পেখি ইন্দ্ৰক হৃদয় কম্প লাগল। হাত পাৱ থিৰ নোহে, মহাভয়ে হস্তী চাৰি পলাৱল। তাহে পেখি শ্ৰীকৃষ্ণ হাসি

* শুদ্ধ পাঠ Sri A. T. Biswasৰ পৰা লোৱা হৈছে।

হাসি পাচু পাচু ইন্দ্ৰক খেদল। তাহে দেখহ, শুনহ, নিৰন্তৰে হৰি বোল॥

১৯৭ গীত ॥ ৰাগ কানাৰা ॥ পৰিতাল ॥

ধ্ৰুং ॥ প্ৰাণৰ কাতৰে ইন্দ্ৰ পলাই
পাচু পাচু হাসি মাধৱে ধাই॥
পদ ॥ ৰে ৰে পুৰন্দৰ ডাকে মুৰাৰি।
ৰহ ৰহ কাহে পলাস বজ্ৰধাৰী॥
লৱৰে বাসৱ পাচু নচাৱে।
কৃষ্ণক কিঙ্কৰ ওহি শঙ্কৰে গাৱে॥

শ্লোক ॥ নিৰীক্ষ্য ৰাত্ৰিং শৰদিন্দু শুভ্ৰাম্,(১৭)
চন্দ্ৰোচিতা চাৰুবনং বিকাশম।
গীতং জগৌ গোকুলকামিনীনাং
মোহং বিতন্বন নিতৰাং মুৰাৰিঃ ॥

সূত্ৰ ॥ শ্ৰীগোপাল পাৰেশ দিয়ে কণ্ঠৌ (১৮) অধৰে পূৰি বেণু বজাইতে লাগল। তাহে শুনিয়ে গোপীসব বিমোহিত হুয়া শ্ৰীগোপাল সমীপ পাওল। তাহে দেখহ, শুনহ, নিৰন্তৰে হৰি বোল হৰি ॥

১২ গীত ॥ ৰাগ শ্ৰীপয়াৰ ॥ পৰিতাল ॥(১৯)

ধ্ৰুং ॥ অখণ্ড মণ্ডল শশী শৰৎ ৰাতি।
শশাঙ্ক কোমল বৃন্দাবন বিকশিত ॥ (২০)

পদ ॥ লহু লহু বহে মন্দ মলয়া পবন।
ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈলা মন ॥
উচ্চায়া পঞ্চম পূৰি হৰি গাইলা গীত।
শুনি ব্ৰজবালা সব ভৈলা বিমোহিত ॥
পতিসুত তেজল মজল প্ৰেমসিন্ধু।
হৃদয়ে ধৰল মাধৱক বুলি বন্ধু ॥

১৭ শৰদিন্দু সুন্দৰীং ১৮ কণ্ঠ
১৯ ক ৰাগ পয়াৰ, একতাল
খ শ্ৰীৰাগ পৰিতাল
২০ শশাঙ্ক কোমল নৱ পল্লৱে বিকশিত

কৃষ্ণক দেখিতে অলক্ষিতে গোপজায়া।
চলে সচকিতে পতিসুত উপেক্ষিয়া॥ (২১)
হাস্তিতে কুণ্ডল দোলি দোলি গণ্ড লোলে।
কৃষ্ণৰ চৰণ চিত্তে পৰশয় ভোলে॥
সুহৃদ সোদৰ বাধে স্বামী নিষেধয়।
তবহু বিমুখী সখি কবো নাহি হয়॥
উপেক্ষিয়া বাধা ধায়া (২২) গয়োৰে গোপিনী।
ভকতক লঙ্ঘে নাহি কবহি (২৩) বিঘিনি॥
হৰিক ভকতি ওহি পৰম সম্পদ।
দহে দোষসব মিলায়য় মনোৰথ॥
পৰম বান্ধৱ মাধৱৰ গুণনাম।
জানিয়া লোকাই ডাকি বোলা ৰাম ৰাম॥

শ্লোক॥ যা গোপ্যঃ পাৰ্শ্বমপ্ৰাপ্তা নিৰুদ্ধাঃ পতি দেৱৰৈঃ।
হৃদি গোবিন্দ চৰণং ধ্যিচিন্ত্য বিজহুঃ তনুঃ॥ (২৪)

সূত্ৰ॥ আহে সামাজিক লোক! যে গোপীসৱ কৃষ্ণক দেখিতে নপাইল, স্বামী দেৱৰে দ্বাৰ বন্ধ কয় ৰাখল, সে সৱ বিৰহে তাপে তাপিত হুয়া হৃদি প্ৰাণ-মাধৱক নিবিড় ধ্যানে আলিঙ্গি কাহোঁ, যৈচে প্ৰিয়তম তনু ছাবল, তা দেখহ শুনহ, নিৰন্তৰে হৰি বোল হৰি॥

১৫ গীত॥ ৰাগ কেদাৰ॥ তাল জোতি॥

ধ্ৰুং॥ হৰিক গোপিনী দেখয়ে নপাই
অধিক মিলল মোহ বিৰহ দহনু
এ তনু ধৰণু নযায়॥

২১ কৃষ্ণক দেখিতে মনে সবে গোপজায়া।
চলে অলক্ষিতে পতি সুত উপেক্ষিয়া॥
২২ উপেক্ষিয়া বাধাকো ২৩ একোৱে ২৪ ৱিজহুস তনুং

পদ ॥ ঘন ঘন শ্বাস ফোকাৱে ৰৰবালা
হৰিকো ৰহলি ধিয়াই
একুমনে প্ৰেম ভকতি ভাৱই,
হৃদি-পদ-পঙ্কজ ধৰয়ে ঝুৰয়ে নীৰ
প্ৰেম পুলক ভেলি কায় ॥
ভকতি কৰম বন্ধ কয়ে ক্ষীণা
কহ শঙ্কৰ পৰমাণা
বিৰহে মুদি ৰহু তুহো নয়না।
কৃষ্ণৰ চৰণ চিন্তি পায়ে পৰম গতি
ছোড়ি পৰল গোপী প্ৰাণা ॥

সূত্ৰ ॥ আহে লোকাই, পেখু পেখু, অজ্ঞানী অনাচাৰী গোপীসৱ কামভাৱে কেৱলে কৃষ্ণ চৰণ চিন্তি তৎকালে পৰম গতি পাৱল। হৰি ভকতিক মহিমা কি কহব, ইহা জানি নিৰন্তৰে হৰি বোল হৰি বোল ॥

তদনন্তৰ, যে গোপীসৱক বন্ধু বান্ধৱে বাখয়ে নাহি পাৰল, বৃন্দাবনে গয়া কহো, সকল সুৰাসুৰেশ্বৰ-শিৰ-শিখৰ চূড়ামণি-বিৰাজিত পাদ-পঙ্কজ, পৰম ঈশ্বৰ শ্ৰীশ্ৰীগোপালক সমীপে পাৱল তাৰাসৱক বৃত্তান্ত শুনহ। সে সৱক হৰি পৰিহাস স্বভাৱে পুচয়ে লাগল। (২৫)

১৭ শ্ৰীকৃষ্ণ বোল ॥

হে সখীসৱ, কমন উতপাত গোকুলে মিলল। কি নিমিত্ত ৰজনী লৱৰি কাহোঁ বনমাধ্যে ইহা আৱল?

১৮ গোপীসৱ ॥

হে পৰমেশ্বৰ নাহি নাহি কিছু শঙ্কা ॥

---

২৫ সে সেৱক হৰি পৰিহাসে মোহয়ে লাগল
২৬ কোনো কোনো পুথিত গোপীৰ এই উক্তি নাই

১৯ পুনু হৰি বিহসি বোল ॥

হে সখীসৱ, কুশলে আৱল ? হামাত কমন প্ৰয়োজন থিক, সত্বৰে কহ, তা সাধো।

সূত্ৰ ॥ শুনি গোপীসৱ পৰম লজ্জিত হুয়া হেঠমাথ কয় ৰহল।

পুনঃ হৰি বিহসি বোল ॥

শ্লোক ॥ দৃষ্টা বনং বিকশিতং শীতলং শশীশোভিতম্ ।
যমুনা জলবাতেন প্ৰত্তিযাত(২৭) বনাৎ দ্ৰুতম্ ॥

কথা ॥ হে সখিসৱ ! যদি বৃন্দাবন দেখিতে আৱল, বিকশিত বৃন্দাবন দেখল। যদি হামাক দেখিতে আৱল, হামাকু দেখল(২৮) অব সত্বৰে চলহ, এই চল।

২৬ গীত ॥ ৰাগ শ্ৰীগৌৰী ॥ একতাল ॥(২৯)

ধ্ৰুং ॥ এ সখি চলহু বহুৰি গোৰি গোকুল গোৱাৰি
'কৰবিনা কামিনী কলঙ্ক হামাৰি,
নাহি পৰখো(৩০) পৰনাৰী ॥

পদ ॥ আকুল মতি পতি সুত সোদৰ হে
চাহে চকিত দিশ পাশা।
হোই কুল কামিনী যামিনী কৈছে
তেজল নিজ পিউ পাশা ॥(৩১)
স্বামী জানয়ে যব মিলব মৰণ তব
চলহু পাতক মতি ছোড়ি।
কৃষ্ণ কিঙ্কৰ কহ শঙ্কৰ
হৰিকো ঐচন বচন চাতুৰি ॥

---

২৭ প্ৰত্তিযাত্ত
২৮ 'যদি হামাক . . . . দেখল।' (কোনো কোনো পুথিত নাই)
২৯ ৰাগ শ্ৰীগান্ধাৰ, একতাল ৩০ পৰখো ৩১ আশা

শ্ৰীকৃষ্ণক পৰম বিপ্ৰিয় বাণী শুনি কাহাঁ গোপীসব দুৰন্ত চিন্তা পাৱল। পৰম দুখভৰ পাই হেঠমাথ কৰল। ঘন ঘন নিশ্বাস ফোকাৰিতে অধৰ শুখাৱল, মুখ মলিন, যৈচে শিশিৰ পৰি পদ্ম সংকোচিত ভেল, হৃদয়ে মৰম চডল॥

২৮ গীত॥ ৰাগ বেলোৱাৰ॥ ৰূপক তাল॥

ধ্ৰুং॥ চিন্তিত গোপিনী পেখএ নৈৰাশা।
লম্বিত আনন ফোকাৰে নিশ্বাসা॥
পদ॥ তনু মন ঝামৰি নয়নে ঝুৰে বাৰি।
পদ-নখে ক্ষিতি লেখু দেখু আন্ধিয়াৰি॥
কুচকহোঁ কুঙ্কুম লেপিত লোলে।
তাপিত ব্ৰজবধু শঙ্কৰে বোলে॥
সূত্ৰ॥ তদন্তৰ কথং কথমপি শোকক তন্ত্ৰাই কহোঁ আঞ্চোৰে আখি মুখ মুছল। আশা ছেদ দুখে দীঘ নিশ্বাস ছাড়ল, প্ৰেম-কোপে বাক্য গদগদ, কষ্ট-কটাক্ষে কৃষ্ণক নিৰেখি যে বোলল সে গোপীসব, শাহে দেখহ, শুনহ॥

৩০ গীত॥ ৰাগ সুহাই॥ জোতিমান॥

ধ্ৰুং॥ হৰিহে বুঝলোঁ তুহু বৰ নিৰ্দ্দয়া
নিকৰুণ বাণী বাণ মাৰল হানি
দাৰল হামাকেৰি হৃদয়া॥
পদ॥ পতি সুত সব অব ছোড়ি পৰল নাথ
তুৱা পদ পঙ্কজ আগ।
ভকত কৃপাল গোপাল তেৰি কৈছে
টুটল নব অনুৰাগ॥

তোহোঁ বিনে মাধৱ দেহা নাহি ৰাখৱ
বিৰহিনী ছোড়ব প্ৰাণ।
নকৰহু নৈৰাশা তুহু জগতবাসা
কৃষ্ণ কিঙ্কৰে এহু ভাণ॥

৩১ গোপীসৱ বোল॥

হে স্বামী, তোহাৰি গীতে মোহিত হুয়া পতি সুত সৱ ছোড়ি তুয়ু পদ সমীপ পাৱল। তোহো দাৰুণ বাক্য বোলইছ। হে পৰমেশ্বৰ তয়ু মুখ পঙ্কজ ছোড়ি হামাৰ চক্ষু আন পেখয়ে নাহি। তুৱা কথা ছোড়ি আন পুনু কিছু শুনয়ে নাহি। তুয়ু চৰণ ছোৰি হামাৰ পাৱ খোজেক চলয় নাহি, ব্ৰজে গৈয়া কি কৰব স্বামী। যে লক্ষ্মী গোসানী হৃদয়ে থান লভি কাহোঁ তথাপি ওহি পদ-পঙ্কজ-ৰেণু আশা কৰিয়ে ওহি চৰণ সেৱা কৰিতে, ধৰ্ম অৰ্থ চাৰি পদ্য ৰথ মুখে পাই, ঐচন তব পদ-পঙ্কজ। ইহা ছাড়িতে প্ৰাণ ফুটি(৩২) যায়। হে পৰমেশ্বৰ স্বামী, তুৱ পদ-পঙ্কজ তেজয়ে নাহি পাৰিয়ে, নাহি পাৰিয়ে॥

৩২ শ্লোক॥ ন পাৰয়ামস্তৱ পাদ-পঙ্কজম
ৱয়ং বিহাতুং নৱকঞ্জ-লোচন
স্বনেন তে মোহিতমানসা ভৃশম
ত্যজস্ব মা মাধৱ ন, কৃপাং কুৰু॥

**৩৩ গীত॥ ৰাগ শ্ৰীগান্ধাৰ॥ জ্যোতিমান॥**

ধ্ৰুং॥ নাহি পাৰয় পাৱ পঙ্কজ তেজয় যাদৱৰায়লো হৰি, হৰি কুসুম-ধনু-মন-মোহন মুৰুতি পেখিতে মুকুতি মিলাই। মুকুতি মিলাই।

---

৩২ ফুটি

পদ ॥ হামু অনুচৰি চৰণ অনুসৰি
পৰম প্ৰেম ৰসে আশ।
কঠিন বচনে হৰসি চেতন
কৈছে কৰসি নৈৰাশ ॥
মোহন বংশীৰ স্বান শুনিকহোঁ
জীৱন ধৰণ নযায়ে।
ৰাখুৰে প্ৰাণ বন্ধু মাধৱ
মধুৰ অধৰ সুধাই ॥
বিৰহ দহনু তায়ে তনু মনু
দূৰ কৰু তাহে হাসি।
কৃষ্ণ কিঙ্কৰ কহয় শঙ্কৰ
চৰণ ৰেণু অভিলাষী ॥

৩৪ সূত্ৰ ॥ গোপীসৱক ঐচন কাৰুণ্য বিলাপ শুনি কহোঁ, শ্ৰীকৃষ্ণক স্নেহৰসে আকুল কয়ল, কমললোচন দুহো লোতকে পূৰল, ততকালে উঠি কহোঁ গাৱে গাৱে গোপীক আখি মুখ আপুন পীতবস্ত্ৰে মুছি কহো প্ৰবোধ কয়ল।

৩৫ শ্ৰীকৃষ্ণ বোল ॥
হে সখিসৱ! তোহোসব পৰম ভকত। হামাক প্ৰাণতো অধিক। হামু পৰিহাস কেলি-কৌতুক কয়ল; তাহে নাহি বুঝল। দুখ ছোড়হ। তোৰা সৱক মনোৰথ পুৰি ক্ৰীড়া-কৌতুক কৰব। প্ৰাণ সখিসৱ উঠহ।

৩৬ সূত্ৰ ॥ ঐচন আশ্বাস শুনি, গোপীসৱ কৃষ্ণৰ বাক্যামৃতে বিৰহ তাপ ততকালে দূৰ কয়ল, যৈচে বনাগ্নি বৃষ্টিজলে নির্বান ভেল। পৰম উৎসুকে উঠি কহোঁ কৃষ্ণক আৱৰি ক্ৰীড়া কয় লাগল। তদনন্তৰ শ্ৰীগোপাল পৰমেশ্বৰ গোপী সৱক কাম বঢ়ায়। কহোঁ কেলি কৰয়ে লাগল। [তা দেখহ, শুনহ নিৰন্তৰে হৰি বোল হৰি।]

## ৩৭ গীত ॥ ৰাগ শ্ৰীগান্ধাৰ ॥ পৰিতাল ॥

ধ্ৰুং ॥ দেখো সখি ঐচন নিকৰুণ কাণ।
পয়োধৰ অধৰ দশন নখ হান॥
পদ ॥ খসল কেশপাশ টুটল হাৰ।
ফোড়ল কাঞ্চুৱা কুচক হামাৰ॥
কয়লি আলিঙ্গন ঘন ঘন বাহু।
যৈচে চান্দক গৰসি ৰহে ৰাহু॥
হৰিৰ সুৰতি ৰসে নবহে গিয়ান।
কৃষ্ণ কিঙ্কৰ এহু শঙ্কৰে ভাণ॥(৩৩)

৩৮ শ্লোক ॥ অথাপি তস্বয়া বাচা শ্বাশাস্য স্নেহ যন্ত্ৰিতঃ।
গোপীনাং বৰ্দ্ধয়ন্ কামং ৰময়ামাস কেশৱঃ॥

## ৩৯ গীত ॥ ৰাগ সুহাই ॥ পৰিতাল ॥

ধ্ৰুং ॥ কেশৱ কৰতৰে কেলি(৩৪) গোপিনী সঙ্গে ৰঙ্গে গোবিন্দে কৰত কেলি।
কাহাকু হেৰয় হাসি আখি ভঙ্গে লোৰাম॥
পদ ॥ কাহাকু চুম্বয় বনমালী লাগি মুখ।
আলিঙ্গনে গোপীক মিলত ৰতি সুখ॥
উচ্চ কুচ কৰু ক্ষত নখেৰ পৰশি।
গোপালক কেলি কৃষ্ণ কিঙ্কৰ কহসি॥

৩৩ স্বৰ্গীয় সৰ্বেশ্বৰ কটকীদেৱৰ দ্বাৰা সম্পাদিত (১৯৩৯ চন) 'ৰাসক্ৰীড়া নাট'ত আৰু দুই-এখন সত্ৰীয়া পুথিত, বিশেষকৈ নতুন কমলাবাৰী সত্ৰৰ পুথিত এই গীতটো নাই। গীতটোৰ বৰ্ণিত বিষয়ৰ ফালৰ পৰাও বিচাৰ কৰিলে এই গীতটো এই স্থানত থাকিব নালাগে। ইয়াৰ পিছৰ গীতটোৰ ঠিক পিছতে অৱশ্যে থাকিব পাৰে।

৩৪ কেশৱ কৰত কেলি

৪০ সূত্ৰ ॥ এহিমত নানা খেলা(৩৫) শ্ৰীগোপালে কয়ল। গোপীসৱ মনোৰথ পুৰি আনন্দে মন মগ্ন হুয়াছে। সে সময়ে কুবেৰক এক অনুচৰ, এক যক্ষ, তনিকৰ(৩৬) নাম শঙ্খচূড়; সে পাপী কামাতুৰ হৈয়া গোপীক হৰি নিবাক প্ৰতি প্ৰৱেশ কয়ল, তাহে দেখহ, শুনহ, নিৰন্তৰে হৰি বোল।

৪১ শ্লোক ॥ অথ প্ৰৱেশমকৰোৎ যক্ষো ৰক্ষইবাপৰঃ।
শঙ্খচূড ইতি খ্যাতোনাম্না গোপীভয়ঙ্কৰ ॥

## ৪২ গীত ॥ ৰাগ কানাড়া ॥ তাল ছুটা ॥

ধ্ৰুং ॥ আৱত শঙ্খচূড় উড়ি বাও।
যৈচে চান্দ গৰাসিতে মিলল ৰাহু ॥

পদ ॥ কায়া থুল শূল তুলি হাতে।
কম্পিত মেদিনী চৰণ আঘাতে ॥
আৰক্ত আঁখি চাহে দিশ-পাশ।
শঙ্কৰ কহ ওহি কেশৱ দাস ॥

৪৩ সূত্ৰ ॥ সে শঙ্খচূড় গোপীসৱক ভয় জনি কাহাঁ, বীভৎস ৰস ভাৱনা কয় তথি থিক ভয়ঙ্কৰ ৰূপ যক্ষক পেখিয়ে গোপীসব ভয়ে কম্পাযে লাগল। তাহি কৃষ্ণ ঘন ঘন জম্পাহু। তাহে পেখিয়ে ভকতক ভয়হাৰী হৰি গোপীসৱক আশ্বাস আলিঙ্গন কয়ল। বিক্ৰম দেখিয়ে যক্ষক খেদায়ল। পুনৰ্বাৰ শ্ৰীকৃষ্ণ গোপীসৱ সহিতে অনঙ্গ কেলি কয় লাগল। তা দেখহ নিৰন্তৰে হৰি বোল।

## ৪৪ গীত ॥ ৰাগ শ্যাম ॥ পৰিতাল ॥(৩৭)

ধ্ৰুং ॥ ৰময়া(৩৮) কৰু মদন খেলা।
খেলে সঙ্গে ৰঙ্গে গোপৰমণী মেলা ॥

---

৩৫ খলনা ৩৬ উনিকৰ ৩৭ জোতিমাক ৩৮ ৰময়া কা

পদ ॥ কাহাকু হরি হাসি করু মান।
কাহাকু চন্দন চর্চন দান ॥
কাঞ্চুরি ছোড়ি কচ পরকাশ।
হাতে ঘেরি গৌরী কর৽ হাস ॥
কাহাকু লেলা হরি অম্বরি ছোড়ি।
বহুল লাজে গোপী অঙ্গ মোরি ॥
সবহু বেকত গুপুত অঙ্গ।
বচন চরপটি বঢ়ায়া ঢঙ্গ ॥
যাকেরি সেবা কয় সুরাসুরে।
সো হরি গোপী মনোরথ পূরে ॥
ভকত-বান্ধব মাধব প্রাণ।
কৃষ্ণ কিঙ্কর কহয় পরমাণ ॥

৪৫ সূত্র ॥ যে পরমেশ্বর শ্রীকৃষ্ণ, ব্রহ্মা রুদ্রাদি দেৱতা যাকের পদ পঙ্কজ সদায়ে সেৱত, ঐচন জগত গুরুক বনচারী অনাচারী গোপনারী কাম ভকতিয়ে বশ্য কয়ল। হরি ভকতিক মহিমা কি কহব। আহে লোকাই, পেখু পেখু, হরিগুণ নাম শ্রৱন কীর্তন বিনে কলিত গতি নাহি নাহি। জানি নিরন্তরে হরি বোল হরি বোল ॥

৪৬ শ্লোক ॥ গোপ্যঃ গোৱিন্দ সম্মান মদমোহিত চেতসঃ।
গর্বেন খর্ব বাক্যেন চক্রুস্তা হরি হেলনম্।

৪৭ সূত্র ॥ তদনন্তর স্ত্রীক দুর্জন ভাব শুনহ। যে পূর্ণানন্দ শ্রীকৃষ্ণ উনিকর কৎসিত বিষয় সুখে কোন অভিলাষ থিক। নাহি নাহি, যৈচে কামধেনু বৃন্দাধিকারীক ছাগলীত কি প্রয়োজন থিক। গোপী-সবে তাহে নাহি জানিয়ে মাধৱত মহামান্য পাই কহোঁ, বুদ্ধি অন্ধ ভেল। কৃষ্ণক অৱহেলা কয় লাগল। আন্যো আন্যো কহয়।

৪৮ সখিসর বোল ॥

হে সখিসর! হামার রূপ যৌৱন পেখি শ্রীকৃষ্ণ ভোলল।

হামাৰ কোল ছাড়য়ে নাহি, বাক্য বাধয়ে নাহি।

৪৯ সূত্ৰ ॥ ওহি বোলি গোপীসৱ বাহু লাড়ি, মদগৰ্ব্বে ভ্ৰময়ে লাগল। শ্ৰীকৃষ্ণ তাহে দেখিয়ে পাছু পাছু চাটু বুলি চলইছে।

৫০ শ্ৰীকৃষ্ণ ॥ হে সখীসৱ, হামাক কৈছে প্ৰিয় সম্ভাষণ নাহি কৰত ? হাম্ কোন অপৰাধ কয়ল ? প্ৰাণ গোপীসব, প্ৰেম কটাক্ষে নিৰেক্ষি হামাক আশ্বাস কৰহ ॥

৫১ সূত্ৰ ॥ গোপীসৱ পৰম গৰ্ব্বে পিঠি দিয়েকাহোঁ চলয়। কিছো শুনয়ে নাহি। তাহে দেখি শ্ৰীকৃষ্ণ হাসি হাসি লীলায়ে প্ৰেম কয় লাগল। তা দেখহ, শুনহ, নিৰন্তৰে হৰি বোল হৰি বোল।

## ৫২ গীত ॥ ৰাগ সুহাই ॥ পৰিতাল ॥

ধ্ৰুং ॥ এ সখি কতনো কয়ালো হামো তুখ কথ ছোড়ি।
দেহু দাহে কাম আগি আলিঙ্গন কোৰ ॥
পদ ॥ নব প্ৰেমৰস বিচোৰণ কৈচে তোই।
বঙ্কিম নয়নে হেৰন্ত হাসি মোই ॥
ধৰয়ে নপাৰি মন মনমথ ভোল।
হৰিক চৰিত কৃষ্ণ কিঙ্কৰে বোল ॥

৫৩ কৃষ্ণ বোল ॥

হে প্ৰাণ গোপীসৱ, কোন অপৰাধে হামাত প্ৰেম ছোড়ল। তোবাক নিমিত্তে হামাক মন মদনে মৰ্দয়। জানি প্ৰেমে নিৰেখি আলিঙ্গহ।

৫৪ সূত্ৰ ॥ কৃষ্ণক বাক্য গোপীক কৰ্ণপথে যায়ে নাহি, অধীন কৃষ্ণ বুলি গণয়ে নাহি। যৈচে সেকুৱা স্বামীক পেৰাপাত্ৰক ঝীৰ কটাক্ষে গণয়ে নাহি। বাহু লাৰি কহোঁ লীলায়ে ভ্ৰমময় লাগল ॥

৫৫ শ্লোক ॥ নিশম্য গৰ্ব্বং গোবিন্দো গোপীনাং প্ৰেমবৃদ্ধয়ে।
গোপীং(৩৯) বিধায় হৃদয়ে তত্যাজ ব্ৰজযোষিতঃ ॥

৫৬ সূত্ৰ ॥ তদনন্তৰ শ্ৰীকৃষ্ণ গোপীসৱৰ আতি গৰ্বভাব নাহি সহল। হা হা কি ভেল, গোপীসৱ হামাকু গণয়ে নাহি। আৰাসৱ হামাক নপায় প্ৰেম-ভকতি হৌক বুলি কহোঁ, এক গোপীক (৪০) হৃদয়ে বান্ধি কহোঁ, তথায়ে অন্তৰ্ধান ভৈল।

৫৭ শ্লোক ॥ তত্ৰ কৃষ্ণমপশ্যান্তো ৰজন্যাং ব্ৰজযোষিতঃ।
কৰুদঃ সুস্বৰং ভীতা হৰেৰ্বিৰহবিহ্বলাঃ ॥

৫৮ সূত্ৰ ॥ তদনন্তৰ আগু পাছু চাই গোপীসৱ কৃষ্ণক দেখয়ে নাহি। বৃন্দাবনে বিচাৰি নপাই তত্তকালে গৰৱ চূৰ ভেল। বিৰহ কাতৰ হুয়া কৃষ্ণ দৰশন সাৰে প্ৰাৰ্থয়।

৫৯ গোপীসৱ বোল ॥

হে স্বামী কৃষ্ণ! স্বভাৱে স্ত্ৰীক দোষ ধৰবি নাহি। হামু তোহাক কিঙ্কৰী, ইহাক জানি দৰশন দেহু নাথ ॥

৬০ সূত্ৰ ॥ গোপীসৱ অনেক প্ৰবন্ধে কৃষ্ণক ভেট নপাই, পৰম আকুল হুয়া, যৌচে ক্ৰন্দন কয়ে লাগল বালাসৱ, তা শুনহ, নিৰন্তৰে হৰি বোল।

## ৬১ গীত ॥ ৰাগ কল্যাণ ॥ জোতিতাল ॥

ধ্ৰুং ॥ কাহে গেয়ো কাহে গেয়ো হামাৰি বন্ধু মধাই।
ফোকাৰে নিশ্বাস ঝুড়য়ে নীৰ নয়না বয়না হাত চড়াই ॥
পদ ॥ হা হৰি হা হৰি কৰয়ে কামিনী মিলি
বিৰিন্দা বিপিন বিচাৰি।
ঘন ঘন মূৰছি পৰয়ে বৰ বালা
দিশ দিশ দেখু আহ্বিআৰি ॥
প্ৰাণ গোপাল পিউ বিনে নাহি ৰত জীউ
বিৰহ দহনু দহে প্ৰাণ।

---

৩৯ ৰাধাং ৪০ ৰাধা নাম এক গোপীক

কৰহু বিলাপ গোপাল গুণ গায়ে
কৃষ্ণ কিঙ্কৰ গুণ গান॥

৬২ গোপীসব বোল॥

হে কমললোচন, দুঃখ বিমোচন স্বামী। হাম্ পাপিনী সব তোহাত গৰব কয়ল। বৰ অপৰাধ আচৰল। সে দোষসব মৰষ স্বামী। হাম্ কিঙ্কৰীক কৃপা কৰহু দৰশন দেহু।

সূত্ৰ॥ এহি বলি আৰ্ত্তৰাৱে ক্ৰন্দন কয়ল।

৬৩ শ্লোক॥ তথা লপন্ত্যো গোপাস্তা অলব্ধা মাধবংধৱম।
মত্ত্বা প্ৰবিশ্য বিপিনং পপ্ৰচ্ছুস্তুৰুৰাজিন॥

৬৪ সূত্ৰ॥ ঐচন কৃষ্ণ গুণ গাই কান্দিতে গোপীক প্ৰেম-ভকতি উপজল। শৰীৰ পুলকিত, নেত্ৰেক নীৰ ঝাড়য়ে। মত্ত হুয়া কতিহো কৃষ্ণ চেষ্টা কয়ল। কতিহো কৃষ্ণক ক্ৰীড়া সুমৰি মনে মৰম চড়ল। হা কৃষ্ণ হা কৃষ্ণ বুলি ঢলি ঢলি পড়ল।
কতিহো উনমত মনে বৃন্দাবন পশিয়ে পুনঃ কৃষ্ণ কৃষ্ণ বুলি বিচৰিয়ে লাগল। যে শ্ৰীকৃষ্ণ জগতক বাহিৰে ভিতৰে থিক সে শ্ৰীকৃষ্ণক বৃক্ষক সমীপ চাপিয়ে যৈচে কান্দি কান্দি বাৰ্ত্তা পুচয়ে লাগল, তা শুনহ।

## ৬৫ গীত॥ ৰাগ গৌৰী॥ জোতিমান॥

ধ্ৰুং॥ পুচতহোঁ মাধৱী(৪১) বান্ধৱ মধুসূদন।
কতি না ৰহলি হৰি গোপিনী জীৱন॥

পদ॥ বকুল কদম্ব বন্দুলি বক তুলসী
তোহোঁ সব পৰ উপকাৰী।
কহ কাহে গেল বন্ধ মধাই হামাৰি॥
বিৰহিনী জীৱন ধৰএ নপাই।
চম্পক চুত আম্ৰাৰ পাতি মাগো

৪১ মাধৱ

প্ৰাণ বন্ধু দেহু দেখাই ॥
পহু বিনে তনু মন ধৰণ নযাই।
বহল প্ৰাণ কৃষ্ণ কিঙ্কৰে গায় ॥

৬৬ সূত্ৰ ॥ ঐচন পৰকাৰে ভক্ত সৱত কৃষ্ণ গুণ গাই পুছিতে পৰম প্ৰেম উপজল। শৰীৰ বিছুৰল। অবিচ্ছেদ ধাৰায়ে নয়নক নীড় ঝড়ায়ে। কৃষ্ণক চৰণ হৃদয়ে বান্ধিকহোঁ আনন্দ মগন মন।(৪২) কলিহোঁ মৌন হুয়া থিক। ভকতিক মহিমায়ে কৃষ্ণময় দেখয়। হামু কৃষ্ণহু মানি প্ৰেমে মত্ত হুয়া কৃষ্ণ চেষ্টা কৰয়ে লাগল।

৬৭ শ্লোক ॥ ভক্ত্যা পমত্তাস্তা গোপ্যঃ মত্বাত্মানংহি মাধৱম।(৪৩)
অন্যোন্যমভি সম্ভাষ্য ৱিজগুঃ কৃষ্ণ চেষ্টিতম্ ॥

৬৮ সূত্ৰ ॥ কৃষ্ণ ভকতি মত্ত হুয়াকহো সব শোক বিছুৰল। অন্যো অন্যে সম্ভাষিয়া কৃষ্ণক লীলা আপুনে কয় লাগল গোপীসব ।। দেখহ, শুনহ, নিৰন্তৰে হৰি বোল।

৬৯ গীত ॥ ৰাগ কানড়া ॥ পৰিতাল ॥(৪৪)

মহিঃ কৃষ্ণ বুলি কৰে ভাৱনা।
স্তন পানে শুসি মাৰে পুতনা ॥
হামু কৃষ্ণ বুলি ঠোকাৰে বক।
মাৰে অঘ বক বৎস ধেনুক ॥
কাহ্নু বোলে হামু গোপিনী নাথ।
মৰ্দয়ে কালিক চড়িয়া মাথ ॥
ওহি হ্ৰদ ছোড় অৰে দুৰাচাৰ।
দুষ্টক দণ্ডিতে হামু অৱতাৰ ॥
নাহি ভয় কাহু গোপিনী বুলি।
এক হাতে ধৰে মন্দৰ তুলি ॥

৪২ ...... হৃদয়ে ধৰি কহোঁ আনন্দ মগন।
৪৩ মত্বাত্মানম্পি ৪৪ কোনো পুথিত 'পৰাৰ' বোলা হৈছে।

চাপ গোপীসব হামাৰ পাশ ।
ইন্দ্ৰক গৰ্ব কৈলো সব নাশ ॥
হামুসে কৃষ্ণ দেখ কেহো বোলে ।
গোপিনী দেহো আলিঙ্গন কোলে ॥
অবহু পীত বস্ত্ৰ বনমালা ॥
বোলয় কাহ্নু আইলো হামু হৰি ।
বেণু বজাৱত অধৰে ধৰি ॥
গোপীক কান্ধে কাহ্নু বাহু মেলি ।
বেণু বজাৱত অধৰে ধৰি ॥
কাহ্নু বোলে বিলাই দধিক মোৰ ।
ধৰিলোঁ কৃষ্ণক লৱণু চোৰ ॥
তোৰ মাথা খাইবো বোলয় বাণী ।
গোপীক বান্ধয় উৰলে টানি ॥
ভকতি প্ৰমত্ত গোপ অঙ্গনা ।
ঐচন কৰতু কৃষ্ণ ভাৱনা ॥
কৃষ্ণ কিঙ্কৰে শঙ্কৰে বোলে ।
পৰিষদকব হৰি হৰি বোলে ॥

৭০ সূত্ৰ ॥ পৰম ভাগৱতী গোপীসৱ, হৰি ভকতিক মহোদয় মিলাৱল । ঐচন কৃষ্ণ ভাৱনা কৰি কাহোঁ মত্ত হুয়া বহল । যো গোপী কৃষ্ণক সঙ্গে যায় উনিকৰ দুৰ্জন ভাব শুনহ । শ্ৰীকৃষ্ণ সে গোপীক কতিহুঁ উৰুত বৈসাই, কুসুমে লাস কৰাৱল ।(৪৫) কতিহুঁ ক্ৰীড়া কৌতুক কৰিতে যায় । তদনন্তৰ শ্ৰীকৃষ্ণক সে গোপী শ্ৰীকৃষ্ণক বোলল ।

৭১ গোপী বোল ॥

হে স্বামী কৃষ্ণ । হামাক পদতলে কণ্টকে বেধল, চলয়ে নাহি পাৰি ।

৪৫ কুসুমে ৰাসক্ৰীড়া কৰাৱল

৭১ কৃষ্ণ বোল ॥

হে প্ৰাণ সখি(৪৬)! হামাৰ বোকে চৰসিয়া।

৭৩ সূত্ৰ ॥ এহি বুলি গোপীক বোকে তুলি বহয়ে লাগল, তা দেখহু শুনহু, নিৰন্তৰে হৰি বোল।(৪৭)

৭৪ গীত ॥ ৰাগ সুহাই ॥ (জৌতিমান ॥

ধ্ৰুং ॥ গোপীনাথ লীলা জানব কোই।
বিপৰীত কৌতুক তোই ॥

পদ ॥ চৈধয় ভুৱন অধিকাৰী।
সো বোকে বহে গোপনাৰী ॥
যো বহে গৰুড় আসনে।
সো হৰি গোপিনী বাহনে ॥
ভকত বান্ধৱ কিনা ভেলি।
শঙ্কৰে কহ কৃষ্ণ কেলি ॥

সূত্ৰ ॥ ঐচন ক্ৰীড়াকয় কৃষ্ণে কামাতুৰ পুৰুষক দুখ দেখাৱল। স্ত্ৰী ভেল ৰাজা, কামাতুৰ তনিকৰ দাস। স্ত্ৰী আজ্ঞা পালি সৰ্বথা থিক, ইহাক জানব।

৭৫ শ্লোক ॥ কৃষ্ণেন সহ সা যাতি গোপী তন্মানদৰ্পিতা।
কৃষ্ণস্য স্কন্ধমারূঢ় গতা সা দুঃস্বভাৱতঃ ॥

৭৬ সূত্ৰ ॥ তদনন্তৰ স্ত্ৰীক দুৰ্জন ভাৱ শুনহ। বোকাহন্তে কৃষ্ণে নমাৱল। গোপী(৪৮) হাষ্টিয়ে চলে। কৃষ্ণক সম্মানে গৰ্ব উপজল। বোলে সব গোপী তেজি হামাক আনল। আঃ মোহি সম কোন সৌভাগিনী থিক। দৰ্পে ঠেস কৰি বৈঠল। তাহে পেখি শ্ৰীকৃষ্ণ বোলল।

---

৪৬ হে প্ৰাণ ৰাধা

৪৭ তা দেখল। [বাকী লোপ] ৪৮ ৰাধা

৭৭ শ্ৰীকৃষ্ণ বোল ॥

হে প্ৰাণ সখি(৪৯)। তুহুঁ কি নিমিত্তে ৰহল ?

৭৮ গোপী বোল ॥(৫০)

হে কৃষ্ণ তুহুঁ বড দাৰুণ পুৰুষ। হামু ভূমি পায়ে চলইছি। তুহুঁ দেখয়ে নাহি। অব চলয়ে নাহি পাৰি। যেমন কয় নিয়া যাব়।

৭৯ সূত্ৰ ॥ স্বভাৱে চঞ্চল স্ত্ৰী লাই পাই ঈশ্বৰ কৃষ্ণক গণয়ে নাহি। শুনি শ্ৰীকৃষ্ণ কটাক্ষে বোল ॥

৮০ শ্ৰীকৃষ্ণ বোল ॥

হে প্ৰাণ সখি(৫১), অতক্ষণ কেনে নাহি কহ। যদি চলয়ে নাহি পাৰ হামা কান্ধে চডসিয়া।

৮১ সূত্ৰ ॥ গোপী কটাক্ষ নাহি বুঝল। বস্ত্ৰ কাছি কান্ধে চৰিতে ৰঙ্গে চলল। তাহে পেখি কৃষ্ণ অন্তৰ্ধান ভেল(৫২)। গোপী কৃষ্ণক নাহি পেখি, ভয় বিহ্বল হুয়া হা কৃষ্ণ হা কৃষ্ণ বুলি যৈচে দৰশন প্ৰাৰ্থল, তা শুনহ।(৫৩)

## ৮২ গীত ॥ ৰাগ সুহাই ॥ জোতিমান ॥

ধ্ৰুং ॥ দৰশন দেহুঁ দয়াল মেৰি বন্ধু মধাই। কৈছে কৰসি দাসীক ৰোষ, দোষ মৰষ গোসাঁই ॥

পদ ॥ নিশি একেশ্বৰী নাৰী অনাথিনী কৰো কৰুণা মুৰাৰি।
তুহুঁ বিনে জীৱন ৰহয় নপাৰি, দহে হৃদয় হামাৰি ॥
কৰল গৰৱ নাথ তোই হামু পাপিনী আন্ধা।
কহ শঙ্কৰ নৰ হৰি বোল ছাড় বিষয় ধান্ধা ॥

৮৩ সূত্ৰ ॥ ঐচন আৰ্ত্তনাদ কয়ে ৰহল বালা। যে গোপীসৱ কৃষ্ণ ভাৱনা

৪৯ হে প্ৰাণ ৰাধা ৫০ ৰাধা বোল ৫১ ৰাধা ৫২ অন্তৰ্ধানহই পলাৱল
৫৩ তা দেখহু, শুনহ নিৰন্তৰে ... ... ইত্যাদি।

কয় থিক পুনু প্ৰাণ কৃষ্ণক সুমৰি তাপিত হুয়া, বিৰিন্দাবন পশি বিচাৰল। তদন্তৰ কৃষ্ণক খোজ পেখি কাহু গোপী সখী সবক যে বোলল, তা শুনহু, নিৰন্তৰে হৰি বোল হৰি।

৮৪ গীত ॥ ৰাগ শ্ৰীগান্ধাৰ ॥ একতালি ॥

ধ্ৰুং ॥ ওৰে সখি পেখো পেখোৰে হামাৰ জীৱন কানু
ওহি পথে গৈলে লীলাই।
ধ্বজ বজ্ৰ পঙ্কজ খোজ হেৰলো ৰে
কমন ৰমণী সঙ্গে যায ॥
পদ ॥ সতিনাৰ খোজ দেখি হৃদয় নসহে ৰে
অধিক মিলল দুখ মোৰ।
সব গোপিনীক ধন বন্ধু অধৰ মধু
পিয়ে একেশ্বৰী কৰি চোৰ ॥
দেখ সখি সতিনীক কোলে কৰিয়াৰে
কুসুমে কৰায় বিলাস।
বাহে গোপিনীক কাণু বোকে তুলিয়াৰে
কহতু শঙ্কৰ হৰি দাস ॥

৮৫ সূত্ৰ ॥ ঐচন খোজগুৰি যাই গোপীসব সে সতিনীক ক্ৰন্দন শুনিয়া বেগে আসি কহোঁ গোপীক(৫৪) বেঢ়ি বাত পুচত।

৮৬ সখীসব বোল ॥

হে সখি, কি ভেল, কি ভেল, প্ৰাণ কৃষ্ণ কোন ভিতি গেল সত্বৰ কহ।

৮৭ সূত্ৰ ॥ তাহে শুনি গোপী আখি মুখ মুছি, নিশ্বাস তেজি কহোঁ, কহল ॥

---

৫৪ ৰাধাক

৮৮ গোপী বোল ॥

সখিসৱ, কিপুছহ ! হামু অভাগিনী স্বামী কৃষ্ণত কোন মান নসাধলোঁ ।(৫৫) কৃষ্ণ বোকে বান্ধি হামাক ফুৰাৱল সে গৰ্বে অন্ধ ভৈলো। কৃষ্ণক কান্ধ বগাইতে গেলো। সে অপৰাধে বান্ধৱ কৃষ্ণ হামাক ছাৰি কোন ভিতি গেল ইহা নাহি জানো।

৮৯ সূত্ৰ ॥ ওতি বুলি ক্ৰন্দন কৰে লাগল বালা ॥

৯০ শ্লোক ॥ নিশম্য তদ্বচো গোপ্যো নিৰাশা ৹ কৃষ্ণদৰ্শনে।
পুনঃ পুলিনমাগত্য জগুৰ্গোবিন্দচেষ্টিতম্ ॥

৯১ সূত্ৰ ॥ তাহে শুনিয়ে কৃষ্ণ দৰ্শনে নিৰাশা ভেল। গোপীসবে তাহাক(৫৬) সঙ্গেলৈয়া কহোঁ যমুনাক বালি নামিয়ে, কৃষ্ণক প্ৰাৰ্থয়ে ক্ৰন্দন কয় যৈচে হৰিগুণ গাৱল, তাহে শুনহ।

৯২ গীত ॥ ৰাগ আশোৱাৰী ॥ একতাল ॥

ধ্ৰুং ॥ গোপিনীক কৈছে কেশৱ জীৱলে।
অবহু বাহুৰি নাথ দৰশন দে ॥

পদ ॥ তুৱা পদ-পঙ্কজ জীৱন আধাৰ।
তাহে নাহেৰি হৰি ৰহয়ে নপাৰ ॥
দৰশ সৰস মুখ-কমল মধাই।
কৰহু করুণা কৃষ্ণ কিঙ্কৰে গাই ॥

৯৩ গোপীসৱ বোল ॥

হে বন্ধু মাধৱ ! তোহোৰ জনম নিমিত্তে গোকুল অধিকে সম্পন্ন ভৈল। সৱলোক সুখে ৰহে। হামাক কৈছে মদনক হাতে মাৰাৱত থিক ! হে সখি, তোহো যশোদানন্দন নহ, জগত ৰাখিতে ব্ৰহ্মা প্ৰাৰ্থল সে নিমিত্তে তোহো সৰ্ব অন্তৰ্যামী

৫৫ নাহি সাধলোঁ ৫৬ ৰাধাক

শ্ৰীকৃষ্ণ বেকত হয়াছ। হামাৰাসৱক অঘ বক বৎস পুতনা বৃষ্টি বহ্নি হন্তে ৰক্ষা কৰাইছ। অখন কি নিমিত্ত ৰজনী কছু বনমধ্যে হামাক তেজল স্বামী ? যে ঈশ্বৰ নাৰায়ণ, সে তুমি, ঐচন ভকতক ত্যাগ তোহোক উচিত নহে। হে নাথ! যে ভকতক মনোৰথ পূৰে, সে হস্তপদ্ম হামাৰ মাথে থৈয়োসিয়া স্বামী। যাহেৰ স্মৰণে জগতক পাপহৰে সোহি পদ-পঙ্কজ হামাৰ স্তন উপৰে অৰ্পহ নাথ। দেখু, দেখু, তোহাৰি কিঙ্কৰী মৰি যাওঁ, অধৰামৃতে জীয়াবাসিয়া স্বামী।

৯৪ সূত্ৰ ॥ ওহি বুলি পুনু যৈচে ক্ৰন্দন কয়ে প্ৰাৰ্থল, তাহে দেখহ, শুনহ, নিৰন্তৰে হৰি বোল হৰি ॥

৯৫ গীত ॥ ৰাগ মাহুৰ ॥ জোতিমান ॥

ধ্ৰুং ॥ কৰুণা সিন্ধু জীৱন লেহু কতি লাই।
মোহন বংশীৰ স্বানে নিশি বিপিন আনি
কৈচে তেজলি মধাই ॥

পদ ॥ পতি সুত সব তেজি তেৰি কিঙ্কৰী ভৈলো
হামু মুগুধা গোপনাৰী।
তুহো কপট কয় কৈচে না দেসি হৰি
দৰশন মেৰি মুৰাৰি ॥
তোহো পৰম ধন গোপিনী জীৱন
জানি কয়লো তযু আশা।
তোহো দয়াল দীন জন বান্ধৱ
কহতু শঙ্কৰ হৰিদাসা ॥

৯৬ গোপীসৱ বোল ॥

হে স্বামীকৃষ্ণ! তোহাৰি যে চৰণ পঙ্কজ, কঠিন তন উপৰে হামু লাসে লাসে থএো গোসাঞি, সে কোমল পায়ে কৈচে

কণ্টক বনে বেড়ায়, ইহা সুমৰিতে প্ৰাণবন্ধু হামাৰ প্ৰাণ ফুটি যায়।

৯৭ সূত্ৰ ॥ ওহি বুলিতে প্ৰেম উপজল, লোতক ঝুৰে মাটি লুটি পৰল, অতিশয় মৰম চড়ল। দীৰ্ঘ নিশ্বাস ফোকাৰি ডাকিয়ে বোলল ॥

৯৮ গোপীসব বোল ॥

হে স্বামী তোহাৰি দাসী সব মৰিয়ে যাওব, নাথ, দৰশন দেহু।

৯৯ সূত্ৰ ॥ ওহি বুলি হা কৃষ্ণ হা কৃষ্ণ ঘন ঘন জল্পিয়ে আৰ্তস্বৰে ক্ৰন্দন কয় লাগল গোপীসব। সে ক্ৰন্দনক উৰ্মি গগন মণ্ডল বেঢ়ল ॥

১০০ শ্লোক ॥ গোপী প্ৰেমাকুলঃ কৃষ্ণো বাৰিপূৰিতলোচনঃ।
আৱিৰ্বভুৱ তন্মধ্যে সাক্ষান্মদন মোহন ॥

১০১ সূত্ৰ ॥ তদনন্তৰ গোপীক প্ৰেম ভাৱনা পেখিয়ে শ্ৰীকৃষ্ণ পৰম আকুল ভেল। হৃদয় দ্ৰৱল। তৎকালে গোপীসব মধ্যে কোটি কন্দৰ্প-দৰ্প-দলন্ত ৰূপে যৈচে বেকত ভেল, তা দেখহ, শুনহ, নিৰন্তৰে হৰি বোল হৰি ॥.

১০২ গীত ॥ ৰাগ ধনশ্ৰী ॥ একতালি ॥

ধ্ৰুং ॥ বেকত ভেলি মুৰাৰি
গোপিনী প্ৰেম-সুধা ৰসে আকুল
কমল নয়নে ঝুৰে বাৰি ॥

পদ ॥ হাৰ মুকুট মণি কুণ্ডল মণ্ডিত
শ্যাম ৰুচিৰ পীতবাসে।
মনমথ কোটি মথন মন মূৰুতি
ইন্দুকোটি পৰকাশে ॥

অধৰ মধুৰ বেণু বায়ত আয়ত
কণ্ঠে কদম্ব মালা দোলে।(৫৭)
পদযুগ মঞ্জিৰ ঝুৰয়ে শঙ্কৰ কয়
এহু ৰূপে ত্ৰিভুৱন ভোলে॥

১০৩ সূত্ৰ॥ ঐচন কোটি ইন্দু পৰকাশ কৃষ্ণক ৰূপ পেখিয়ে গোপীক তাপ তৎকালে দূৰ গৈল। আঃ পায়ল পায়ল বোলি সত্বৰে উঠিকহোঁ, প্ৰাণ মাধৱক বেঢ়ি ধৰল গোপীসৱ॥

১০৪ শ্লোক॥ ইন্দ্ৰিয়াণাং যথা প্ৰাণা আয়ান্তং বীক্ষ্য গোপিকাঃ।
জগৃহুঃ সহসোত্থায় কৃষ্ণং প্ৰেমৰসাকুলম্॥

১০৫ সূত্ৰ॥ গোপীসৱ কাহুঁ কৃষ্ণক আলিঙ্গি ধৰল, কাহুঁ পাদ-পদ্ম, কাহুঁ হস্ত-পঙ্কজ, কাহুঁ বাহু কান্ধে লৈয়া শুঙ্গয়। তদনন্তৰ প্ৰাণবন্ধু মাধৱক সম্মান কয়ে আঞ্চোৰ পাতি বৈসায়া, পৰম ভকতি কৰয়ে লাগল। কাহুঁ ধৰি হস্ত পাদ মৰ্দয়, কাহুঁ তাম্বুল যোগায়য়, কাহুঁ আঞ্চোৰে বিঞ্চি কহোঁ প্ৰণয় কোপে যে বোলল, তা শুনহ, নিৰন্তৰে হৰি বোল॥

১০৬ গীত॥ ৰাগ গৌৰী॥ একতালি॥

ধ্ৰুং॥ জানলোৰে, প্ৰাণ-পিউৰে, তেৰি যৈচন ৰীত।
নাহি একুতিল তেৰি তিৰীবধ ভীত॥

পদ॥ প্ৰাণ টুটত তেৰি চৰণ না হেৰি।
কৈচে না দেসি দৰশন এতি বেৰি॥
অতয়ে কঠিন কৈচন চিত তোই।
শঙ্কৰ কহ হৰিবিনে গতি কোই॥

১০৭ গোপীসৱ বোল॥
হে স্বামী, তোহো কপট কয় নিশি হামাক বনমধ্যে তেজল॥

---

৫৭ লোলে

১০৮ সূত্ৰ ॥ ওহি বুলিতে নয়নক নীৰ ঝুৰাই, হেঠমাথ কয়ল গোপীসৱ ॥

১০৯ শ্লোক ॥ নিৰীক্ষ্য করুণং কৃষ্ণঃ গোপীনাং পীতবাসসা।
মাৰ্জ্জয়ন্মুখমাশ্বাস্য প্ৰোৱাচ সাশ্ৰুলোচনঃ ॥

১১০ সূত্ৰ ॥ গোপীক করুণা পেখিয়ে শ্ৰীকৃষ্ণ সজল নয়ন ভেলা। তৎকাল উঠিকহুঁ পীতবস্ত্ৰে সখীসৱক মুখ মুচি কহোঁ, প্ৰবোধ কয়ল ॥

১১১ শ্ৰীকৃষ্ণ বোল ॥
হে সখীসৱ। তোহাৰি ঐচন প্ৰেমভৰ্কাৰে হামু পৰম আকুল। অতয়ে কঠিন বচন (৫৮) নাহি বোলব। হামাক নিমিত্ত বিলাপ ছাড়হ। হামু বচনেক বোলোঁ তা শুনহ ॥

১১২ গীত ॥ ৰাগ কাৰুণ্য কেদাৰ ॥(৫৯)

ধ্ৰুং ॥ সখীসব ঐচন বচন না বোল।
তোহাৰি পৰম প্ৰেম পেখি ভৰ্কা
সহজে নাসহে হৃদি মোৰ ॥

পদ ॥ তোহা কেৰি ভৰ্কা শুজয়ে নাহি পাৰি
ৰহল ধাৰ মোহে গোপিনী।
শুন সখি স্বৰূপ কহো বাণী ॥
অব যব দায় সুন্দৰীসৱ আপুন
চোৰ হুও ৰব অঋণী।
তোহো সম বিনে নাহি বন্ধু হামাৰি
প্ৰাণ অধিক প্ৰিয়মানি ॥
অব সখী বিলাপ তাপ তেজহু
ভকত বৎসল মোক জানি।
ভকতক দুখ দেখি হৃদি সহয়ে নাহি
শঙ্কৰ কহ হৰি বাণী ॥

---

৫৮ কঠিন বাক্য ৫৯ ৰাগ কেদাৰ

১১৩ শ্ৰীগোপাল বোল ॥

হে সখিসব, বিলাপ ছোড়হ। তোৰাসব যে প্ৰেম ভকতি কয়ল, তাহে শুজয়ে নাহি পাৰি। হামু ঋণী হয় ৰহলো। ওহি সত্যবাণী জানি অসূয়া ছোড়হ। হামাক শপত উঠহ। পৰম উৎসুকে ৰাস কেলি কৰসিয়া।

১১৪ সূত্ৰ ॥ ওহি বুলি হাতে ধৰি তুলি যমুনাক বালি নামি ৰাস-কেলি কৰিতে আৰম্ভল। গোপীসব বিৰহ তাপ তেজিয়ে, কৃষ্ণ বাক্যামৃতে তৃপিতি হয়া, পৰম উৎসুকে ক্ৰীড়াক প্ৰৱেশল। হৰি কাহুঁক চুম্বয়, কাহুঁক হাস্তে নিৰিখয়, কাহাকুনখে তন পৰশয়, কাহুঁক আলিঙ্গয়। এবম্বিধ নানা অনঙ্গ খেলায়ে গোপীক চিত্ত ৰঞ্জি শ্ৰীগোপালে ক্ৰীড়া কয়ল। গোপীসব কৃষ্ণক সম্মান পাই যৈচে পৰম উৎসুকে কেলি কয়ল, তা দেখহ, শুনহ।

২১৫ গীত ॥ ৰাগ মাহুৰ ॥ খৰমান ॥

ধ্ৰুং ॥ ব্ৰজ ৰমণীসঙ্গে খেলত গোপাল
আনন্দে মন মগনে।
হৰিকো মকৰ কুণ্ডল লৈয়া কাহু
বিহসি হাসি বদনে ॥

পদ ॥ কাহুঁ কৰ কঙ্কন কাঢ়ি লৈলা কাহুঁ
হাসী বংশী লৈলা গৌৰী।
পীত অম্বৰু বৰ মালা লৈলা কাহুঁ
কাকু কৰয় কৰ যোৰি ॥
কাহুঁ কদম্ব মাল বালা লৈলা হাসি
কণ্ঠ কৌস্তুভ কাহুঁ লৈলা।
ৰমণীক বিনয়ে ৰময়া মাগে
শঙ্কৰ কহ হৰি খেলা ॥

১১৬ সূত্ৰ ॥ গোপীসৱ শ্ৰীকৃষ্ণক বেঢ়ি ধৰি কহোঁ কাহুঁ বসন, কাহুঁ বংশী, কাহুঁ কঙ্কন কাঢ়ি লেলহ। কৃষ্ণে বিনয়ে খোজিতে হাসি হাসি পুনু পিন্ধাৱল। আহে লোকাই, পেখু পেখু, যাহেৰ চৰণ ব্ৰহ্মা ৰুদ্ৰে সাৱধানে ধৰয়, সোহি পৰমেশ্বৰ, অজ্ঞানী অনাচাৰী গোপনাৰী, সে সৱ সহিতে কাম-কেলি কৰয় থিক ॥ হৰি-ভকতিক ঐচন মহিমা। ইহা জানি নিৰন্তৰে হৰি বোল হৰি।

১১৭ শ্লোক ॥ ততোহুতি কৌতুকোদ্ৰেকং নিশাম্য ব্ৰজযোষিতাং।
গোপীভিৰ্ভগৱান কামক্ৰীড়ামাৰভতাচ্যুতঃ ॥

১১৮ সূত্ৰ ॥ তদনন্তৰে শ্ৰীকৃষ্ণক সঙ্গে নিয়া ৰঙ্গে অনঙ্গ কেলি কৰিতে যমুনাক বালি নামি ৰাস মণ্ডল (৬০) কয়ল। যত গোপী তত মূৰুতি হৈয়া বাহু মেলি গোপীক কণ্ঠ আলিঙ্গি কহো যৈচন ক্ৰীড়া কয়ল তা দেখহ শুনহ, নিৰন্তৰে হৰি বোল হৰি ॥

১১৯ গীত ॥ ৰাগ গৌৰী পৰিতাল ॥

ধ্ৰুং ॥ ভুৱন ভুলাই আনন্দে গোৱিন্দ নাচে
প্ৰভু নাচত চৰণ চলাই।
সুখে কেলি কৰত কণ্ঠ আলিঙ্গি
ৰঙ্গিনী গোপী মিলাই ॥ (৬১)

পদ ॥ যত গোপী তত মূৰতি মাধৱ
চলয় লয়লাসে হাসে।

৬০ ৰাস-মণ্ডল

৬১ ভুৱন ভুলাই আনন্দে গোৱিন্দ
নাচে প্ৰভু চৰণ চলাই।
ভুজ মেলি কেলি কণ্ঠ আলিঙ্গি
ৰঙ্গিণী গোপী মিলাই ॥

যৈচে হেম মণি মাঝে মাঝে মণি
মৰকত পৰকাশে ॥
কৰইতে নৃত্য কঙ্কণে ঝনকিত
মঞ্জিৰ কণ ঝণ বোলে ।
কহ শঙ্কৰ কেলি হৰিকো হেৰত(৬১)
সুৰ-ৰমণী পৰ ভোলে ॥

১২০ সূত্র॰॥ ঐচন কৃষ্ণ সমে নানা ক্রীড়া কৰিতে গোপী সবে আনন্দ সমুদ্রে মন মগ্ন হয়া সবহি বোলে, হামাক মাত্র কৃষ্ণে আলিঙ্গি নাহে। ওহি বুলি কৌতুকে কেলি কয় থিক। সোহি সময়ে পুনঃ শঙ্খচূড় যক্ষ গোপীক ভয় জনিতে আৰল । তাহে পেখিয়ে ত্রাহি ত্রাহি বলি গোপীসব, কৃষ্ণত শৰণ লেলহ । বিক্রম দেখায়া কৃষ্ণে যক্ষক খেদাওল। তদন্তৰ পুনঃ ক্রীড়া কয় লাগল শ্রীকৃষ্ণ গোপীসব সাথে যৈচে, তা দেখহ শুনহ ॥

১২১ গীত ॥ ৰাগ নাট ॥ পৰিতাল ॥

ধ্রুং ॥ খেলে মধুৰ মধাই ৰে ।
সঙ্গে গোপিনী নাচে ৰে ॥
যৈচে তড়িত জড়িত সেহু ।
মণ্ডলী পৰকাশে ৰে ॥
পদ ॥ চলিতে চুম্বই বালা গায়ে গীত নিকৰে ।
গোপী গোপাল কেলি মিলল অধিক ৰে ॥
ধৰত গোপিনী কণ্ঠে বাহু মেলি কেলি ৰে ।
ভুলি শশধৰ ৰথ তম্ভিত ভেলি ৰে ॥
হেৰিয়ে সুৰ ৰমণী সব্র মূৰুচি পৰয় ভোল ৰে ।
গোবিন্দে কৰত কেলি শঙ্কৰে বোল ৰে ॥

---

৬২ হেৰি

১২২ শ্লোক ॥ সুৰ সেৰিত শ্ৰীকৃষ্ণ-ক্ৰীড়া-পীড়াতুৰা ভৃশম্ ।
শৰীৰং নৈব উদ্ধৰ্ত্তুং শেকুৰ্গোকুলযোষিতঃ ॥(৬৩)

১২৩ সূত্ৰ ॥ শ্ৰীকৃষ্ণক ক্ৰীড়ায়ে পীড়িত হুয়া গোকুল কামিনী সব আকুল ভেল ; কেশ বেশ খসল, বস্ত্ৰ সম্বৰয়ে নাহি। কণ্ঠক সাতসৰী চিণ্ডি পৰল, কটিক মেখলা শিথিল ভেল, কুচ কাঞ্চুলি টুটি পৰল। সব শৰীৰে ঘৰম বহয়। মুখে শ্বাস ফোকাৰে। কৃষ্ণক ধৰিকন্ত মহা শ্ৰান্ত হুয়া ৰহল। শ্ৰীকৃষ্ণ গোপীসৱক যৈচে শ্ৰম দূৰ কয়ল, তা দেখহ, শুনহ, নিৰন্তৰে হৰি বোল হৰি বোল।

১২৪ গীত ॥ ৰাগ গৌৰী ॥ তালাজোতি ॥

ধ্ৰুং ॥ কৰ' সুৰ' কেলি গোপী তুৰবলী ভেলি।
ধৰি হৰিকণ্ঠৈৰহুন বাহু মেলি ॥

পদ ॥ শুকল কামিনী কেহো হৰিক কোলে।
কাহু গোপীক পীঠে অম্বৰ ঢোলে ॥
শ্ৰম জল বিন্দু ইন্দু বদনে বিৰাজে।
হৰি কাহু কৰ পঙ্কজ লেল মাজে ॥
কাহুঁক কেশ কেশৱ বান্ধে হাতে।
শঙ্কৰ কহ খেলে গোপীনী নাথে ॥

১২৫ সূত্ৰ ॥ শ্ৰীগোপালে কাহু গোপীক কেশ বান্ধল, কাহুঁক গাৱে আগৰ চন্দন ঘসল, কাহুঁক কৰ্পূৰ তাম্বুল সাজি যোগায়ল। এৰম্বিধ নানা খেলন কয় কহেঁা গোপীসৱক শ্ৰম দূৰ কয়ল। আহে লোকাই, পেখু পেখু, কৌটি কৌটি ব্ৰহ্মাণ্ডক ঈশ্বৰ শ্ৰীকৃষ্ণ, কৈৰ অনাচাৰী গোপী তাহে কৃপায়ে শ্ৰম দূৰ

---

৬৩ গোকুলকুল যোষিত
শুদ্ধ পাঠ—A. T. Biswas

কয়ল। হৰি ভকতিক মহিমা কি কহব? ইহা জানি নিৰন্তৰে হৰি বোল হৰি বোল।

১১৬ শ্লোক ॥ ততঃ আগত্য তৰসা গোপালে কৃতকৌতুকে।(৬৭)
জহাৰ যক্ষোগোপীনামেকাং কামনিমোহিতঃ॥

১১৭ সূত্ৰ ॥ গোপীসব সহিতে, নানা বিধ কেলি কৌতুক কয় শ্ৰীগোপাল তথি থিক। তদন্তৰ পৰম কামাতুৰ হুয়া যক্ষ শঙ্খচূড়ক কালে গৰসল। ত্ৰাস মণ্ডল হন্তে এক গোপীক ধৰিকহোঁ, কোলে তুলি, বেগে লৰড় দেল। তাহা পেখি সব গোপী তৰাসে কম্পয়, ত্ৰাহি কৃষ্ণ জম্পয়। যে গোপীক যক্ষে নিয়া যায়, সে বালা ত্ৰাহি কৃষ্ণ, ত্ৰাহি কৃষ্ণ স্বামী অনাথক বন্ধ বুলি, আৰ্তৰাব কয়ে যায়। অনন্তৰে ভকতক দুখ দেখি কোপে গোপাল, শাল বৃক্ষ উভাৰি কহোঁ, কাহা যাব, বহ বহ বুলি ডাক ছাড়ল॥

শ্ৰীকৃষ্ণ বোল ॥
অৰে পাপী কাহা যাব॥

১১৮ পয়াৰ ॥ ছোড় ছোড় পাপী গোপী হামাৰ।
গৰজয় যক্ষক নন্দ কুমাৰ॥
ত্ৰাহি ত্ৰাহি কৃষ্ণ গোপিনী বায়ে।
পাছু পাছু তাকু মাধৱ ধাৱে॥
নাহি নাহি ভয় বোলে গোপাল।
যক্ষক খেদে তুলি তৰু শাল॥
ৰে ৰে শঙ্খচূড় তিৰী চোৰ।
মোড়ব ঘাব ছোড় গোপী মোৰ॥
শুনি তৰাসে জীব গেল উৰি।
পাপী পলায়ত গোপীক ছোড়ি॥
বেগহি যাই জনিল তৰাস।
যক্ষক খেদে দেৱ দিশ পাশে॥

৬৪ 'গোপালেকৃত কৌতুকে'—শুদ্ধ ৰূপ [ মেধি আৰু শ্ৰী এ. টি. বিশ্বাস ]

ৰতি কোপে দন্ত কামুড়ি খাই।
খেপল শূল মাধৱক লাই॥
পেখি তাহেক হৰি কৰি আস্ফাল।
ভাঙ্গল শূল হানি যক্ষ শাল॥
লগাড় শঙ্খচড় ৰাখি পৰাণ।
ধাৱে পাছু পাছু পুৰুব পুৰাণ॥
বাঘক আগু পলাই যৈচে ছাগ।
ধবল গোপাল পাই তম্বু লাগ॥
মাৰল কোপে মুষ্টি গোপীনাথ।
পড়ল কন্ধ ছিড়ি যক্ষক মাথ॥(৬৫)
তাহেক ৰত্ন চূড়ামণি আনি।
গোপীক অপয বুলিলা বাণী॥
তাহে পেখি গোপী দান্ত প্ৰকাশি।
সাধু সাধু কয পূজয হাসি॥
মাৰল শঙ্খচূড় দুৰাচাৰ।
মিলল ৰঙ্গ-ঢঙ্গ গোপীকাৰ॥
শিৰত কানুৰ কুসুম সিঞ্চে।
বেঢ়ি কান্ত কান্ত আকোৰে বিঞ্চে॥
মোচে শ্ৰম-জল কান্ত গোপিনী।
কতোহো গাৱত গুণ আপুনি॥
কৃষ্ণক ভকতি মোক্ষ নিদান।
শুন সব লোক বেদ প্ৰমাণ॥
কৃষ্ণক কিঙ্কৰ শঙ্কৰে বোলে।
পৰিত্ৰ কৰ হৰি হৰি বোলে॥

১২৯ শ্লোক॥ নিহত্য গোপীহৰ্ত্তাৰং যক্ষং স্ত্ৰীভিস্ততো হৰিঃ।
জলক্ৰীড়াং সমাৰেভে প্ৰবিশ্য যমুনা জলম্॥

---

৬৫ পড়ল চিণ্ডিকহোঁ যক্ষক মাথ

১৩০ সূত্ৰ ॥ তদনন্তৰ শঙ্খচূড় যক্ষক মাৰি কহোঁ পৰম প্ৰিয় গোপীসৱ সহিত, যমুনাক জল প্ৰৱেশি শ্ৰীগোপাল আতি কৌতুকে জলকেলি আৰম্ভল। মত্ত মাতঙ্গ যৈচে হস্তিনী সৱ সহিতে লীলায়ে খেলাৱত, সৱ গোপী বেঢ়ি কহোঁ, শ্ৰীকৃষ্ণ যৈচন জলক্ৰীড়া কৰল, তাহে দেখহ, শুনহ, নিৰন্তৰে হৰি বোল হৰি॥

১৩১ গীত ॥ ৰাগ গৌৰী ॥ পৰিতাল ॥

ধ্ৰুং ॥ কৰত গোপাল জলকেলি
চৌভিতি গোপিনী পানী সিঁচত হাসি
ৰময়াক মুহ নেহাৰি ॥
পদ ॥ কাহুঁক অম্বৰ ছোড়ি লেলা হৰি
কাহুঁক আলিঙ্গন দান।
কাহুঁক ভোৰে কোৰে কৰি চুম্বন
কাহুঁক কুচ নখ হান॥
মত্ত গজ যৈচন জলমহ লেখতু
তৰুণী কৰিণী সব সঙ্গে।
লীলা গোপাল পেখি সুৰ সুন্দৰী
দাবল হৃদয় অনঙ্গে॥
যাহেৰি চৰণ সুৰাসুৰ সেৱত
সো হৰি গোপীক পিউ।
শঙ্কৰ কহ হৰি চৰণ শিৰে ধৰি
তাৰু তাৰু জগজীউ॥

১৩২ সূত্ৰ ॥ এবম্বিধ নানা খেলনা কৰে জলকেলি সমাপল। তদনন্তৰ গোপীসৱ শ্ৰীকৃষ্ণক সেৱা কৰয় লাগল। কাহুঁ পীতবস্ত্ৰ পৰিধান কৰাৱে। কাহুঁ গন্ধ চন্দন গাৱে চড়াৱে। কাহুঁ কদম্ব মালা গাথি গলে পিন্ধাৱয়। কাহুঁ তাম্বুল সাজি

যোগায়য়। কাহুঁ আঙ্কোৰে বিঙ্কে। কাহুঁ সুৰভি কুসুম সিঞ্চে। কাহুঁ কৃষ্ণ-মুখ-পঙ্কজ নয়ন-ভৃঙ্গ ভৰি পিয়ত। কাহুঁ কাহুঁ বালা বেঢ়ি গোবিন্দ গুণ গায়ত। কাহুঁক প্ৰেম-ৰসে শৰীৰ পুলকিত, নয়নক নীৰ ধাৰায়ে বহইছে। ভাগ্যৱতী গোপীসৱ মহোদয় পায়ল। আহে লোকাই, পেখু পেখু, পৰম অনাচাৰী গোপস্ত্ৰী কামভাৱে হৰিগুণ গাই পৰম গতি পায়ল। হৰিভকতিক ঐচন মহিমা, আচাৰী অনাচাৰী বাছয় নাহি। ইহা জানি নিৰন্তৰে হৰি বোল হৰি ॥

১৩৩ শ্লোক ॥ এবং বৃন্দাবনে তস্মিন ব্যতিতা ক্ৰীড়তোনিশা।(৬৬)
নিৰীক্ষ্য ভগৱান্নাহ ব্ৰজং যাম্বাৱলাক্ৰুত্তম্ ॥(৬৭)

১৩৪ সূত্ৰ ॥ নিৰ্ভয় ক্ৰীড়া কৰিতে সকল নিশা সমাপল পেখি শ্ৰীকৃষ্ণ বোল ॥

১৩৫ কৃষ্ণ বোল ॥

হে সখীসৱ, যাৱত প্ৰসন্ন নাহি হোৱে, তাৱে সত্বৰ আজু ব্ৰজে যাৱ। বিলম্ব পৰিহৰ।

১৩৬ সূত্ৰ ॥ ঐচন শুনি গোপীসৱক মাথে যৈচে কলস ভাঙ্গল। নিশ্বাস ফোকাৰি মুখে বচন হৰল। তৰধ নয়নে হেঠ মাথ কয়ল ॥
পুনঃ কৃষ্ণ বোল ॥

১৩৭ শ্ৰীকৃষ্ণ বোল ॥

হে সখীসৱ, যাৱত প্ৰভাত নাহি হয়, লোকে নাহি জানত, তাৱে সত্বৰ গৃহে চল। হামাক যদি ৰাখৱ, বেগে যাৱ।

১৩৮ সূত্ৰ ॥ গোপীসৱে শুনি নিশ্বাস ফোকাৰি কৃষ্ণচৰণ ৰেণু মাথে মাখি পৰম দুখ ভাৱে ব্ৰজ চলল যৈচে ৰজনীক গাড়ি দেই, কুকুৰাকো শপয়, তা দেখহ, শুনহ, নিৰন্তৰে হৰি বোল হৰি ॥

---

৬৬ ক্ৰীড়িতে নিশা (শুদ্ধ ৰূপ)

৬৭ যাত্তাৱলা প্ৰ ুত্তম্

**১৩৯ গীত ॥ ৰাগ অহিৰ ॥ তাল জোতি ॥**

ধ্ৰুং ॥ বন্ধবি গৌৰী গোপাল প্ৰাণ নেহাৰি।
শোকাৰে নিশ্বাসা চলয়ে নাহি চৰণা
নয়না পূৰিত বাৰি ॥
পদ ॥ কৰ্কৰা বায়ে জানি ৰজনী শেষ
তাকু শপয় পূত মাথে
আজু বৈৰিণী নিশি নিমিষে পুহাগলি
হামাক তেজল পাণনাথে ॥
ভবি পাঙ্ক সাত চলিতে তনু কাপিত
হৰি বিনে দেখু আন্ধিয়াৰি।
পেম পৰশে পুনু পৰয়ে ধৰণী লুটি
শঙ্কৰ বোলে উদ্ধাৰ মুৰাৰি ॥

১৪০ সূত্ৰ ॥ শ্ৰীকৃষ্ণক তেজিতে যৈচে প্ৰাণ চুটে, মাটি লোটি ক্ৰন্দন কৰয়ে বালাসব, তাহে পেখি শ্ৰীকৃষ্ণ প্ৰবোধি বোলল।

১৪১ শ্ৰীকৃষ্ণ বোল ॥

সখিসব উচিত নহে, আজু গৃহে যায়। প্ৰাণ সখি সব, হামাকু বচন ৰাখহ, উঠহ, উঠহ ॥

১৪২ সূত্ৰ ॥ গোপীসব শুনি আখি মুখ মুচি শ্ৰীকৃষ্ণক প্ৰণামি পুনু চলল। ভৰি আগকু বাঢ়য়ে নাহি কথংকথমপি ব্ৰজ যাই কিছু কৃত্য কৰয়ে নাহি পাৰিয়ে কেৱল কৃষ্ণক চৰণ চিন্তি ৰহল। কৃষ্ণক বিৰহে সব দেহা দহয়। এক পাশ হয়া কৃষ্ণ গুণ গাই যৈচে দিৱস বঞ্চল, তা দেখহ, শুনহ নিৰন্তৰে হৰি বোল হৰি ॥

**১৪৩ গীত ॥ ৰাগ অহিৰ ॥ একতালি ॥**

ধ্ৰুং ॥ মাই মাই হৰিক বিচুৰি কত ৰহবি।

যাহে নেহাৰি সুৰ-ৰমণী মূৰুচিপৰে
তাহে বিৰহ কত সহবি ॥

পদ ॥ বাম বাহুত বাম কপোলে মিলাযা
কেলি কদম্বক মূলে বেণু বাই।
শুনি বেণু ধেনু ধৰত তৃণ দসন্ত
বহে নীৰ নয়ন ঝুৰাযি ॥
শুনিযা মোহন ধ্বনি স্তম্ভিত তৰঙ্গিনী
পুলক কমল কুল দোলে।
হৰিণী হৰাৱল চেতন এ তনু
বিচৰি ৰহ ৰস ভোলে ॥
নীল তনু পীত পট পেখি গগন ঘন
বোলি সুহৃদ কৰো মান।
ছাযা ছত্র ধৰত কৰত মধুৰ ধ্বনি
কৃষ্ণ কিঙ্কৰে ৰস ভাণ ॥

১৪৪ গোপী বোল ॥

হে সখিসব, যেখন শ্ৰীকৃষ্ণ, বাম বাহু বাম কপোলে থাপি কোমল অঙ্গুলি চয় চালি বেণু বজায়য়, তা শুনি সুৰ-সুন্দৰীসব, মূৰুচি পৰয়, ধেনুসৱ তৃণ দন্তে নয়নক নীৰ ঝুৰে, হৰিণীসৱ চেতন হৰায়ল, নদীসৱ কামে কম্পযে ৰহ পেখু পেখু, বিবিখ পশু, সে সবো কৃষ্ণ গীতে মোহিত হয়, সে প্ৰাণবন্ধু বিৰহে হামু কৈচে জীৱ ৰাখব ॥

১৪৫ সূত্ৰ ॥ হে সভাসদ, ঐচন ব্যৱহাৰে কৃষ্ণ গুণ গাই বিৰহ বিলাপ কয় দিন সব বঞ্চয়। সন্ধ্যা সময়ে পূৰ্ব্বতে বৃন্দাবনে গৈয়াকহু পুনু প্ৰাণ কৃষ্ণ সহিত সমস্ত শৰত ৰাত্রি ৰাস ক্রীড়া (৬৮) কয ৰহত গোপীসৱ। শ্ৰীকৃষ্ণ এৱম্বিধ নানা খেলনা কয় গোপীসৱক মনোৰথ পূৰল। ওহি কামজয়, কেলি-গোপাল

৬৮ ৰাস ক্রীড়া

নাম নাটক সম্পূর্ণ ভেল। আহে লোকাই, ওহি ভারত
বাৰিষে নৰতনু, কোটিকল্প অন্তৰো জীৱে নাহি পাই। বিশেষত
কলিযুগে কৃষ্ণ গুণ-নাম-শ্ৰৱণ-কীৰ্ত্তন বিনে গতি নাহি।
ইহা জানি নিৰন্তৰে হৰি বোল হৰি ॥

ছন্দনন্তৰ চপয় ছান্দ মঙ্গল বোল ॥

১৪৬ ভটিমা ॥ মীনৰূপে প্ৰলয় পয়সি সত্যব্ৰত যো তাৰিলে।
কূৰ্ম্ম ৰূপে ক্ষীৰ সাগৰ মাথনে যো ধৰিলে ॥
শূকৰ ৰূপে হিৰণ্য বিদাৰি দেৱভয় কৰ ত্ৰাণ।
সোহি হৰি তেৰি কৰতু নিত্য মুকুতি মঙ্গল বিধান ॥

নৰসিংহৰূপে প্ৰকটি অটোপে হিৰণ্যকশিপু দাৰিলে।
বামন মূৰুতি বলিক ছলি কাহোঁ ইন্দ্ৰ যোহি তাৰিলে ॥
পৰশুৰাম নামে অৱতৰি ক্ষত্ৰিয় কয় নিৰযান।
সোহি হৰি তেৰি কৰতু নিত্য মুকুতি মঙ্গল বিধান ॥

দাশৰথী ৰামৰূপ ধৰিকহুঁ জলধি বান্ধল সেতু।
সীতা উদ্ধৰল বধল বৈৰী এ দশস্কন্ধ ধূমকেতু ॥
ৰাম হলধৰৰূপে ধেনুক দ্বিবিদ কৰ নিৰযান।
সোহি হৰি তেৰি কৰতু নিত্য মুকুতি মঙ্গল বিধান ॥

বোধ মূৰুতি জগত মোহিয়ে কয়ল পাষণ্ড ৰীত।
ধৰম দূৰ গেল ভেল মলমতি লোকসব কলিত ॥
কলকি ৰূপে ভকতক তাৰি কৰবি ম্লেচ্ছ উচ্ছান।
সোহি হৰি তেৰি কৰতু নিত্য মুকুতি মঙ্গল বিধান ॥

কৃষ্ণ ৰূপে পৰম ঈশ্বৰ ভেলি লীলা অৱতাৰ।
যাকু নাম গুণ শ্ৰৱণ কীৰ্ত্তন কৰতু জগত উদ্ধাৰ ॥
যোহি অঘ বক কংস কুৱলয় কয়লি মাৰি নিৰযান।
সোহি হৰি তেৰি কৰতু নিত্য মুকুতি মঙ্গল বিধান ॥

যাহে মহিমা ব্ৰহ্মা শঙ্কৰ কবহু অন্ত নাপাই।
যাহু নামধৰি মুনিবৰ পামৰ দুহোঁ একগতি পাই ॥
যাহে ভকতিক শকতিক ঐচন নিগম সব পৰমাণ।
সোহি হৰি তেৰি কৰতু নিত্য মুকুতি মঙ্গল বিধান ॥

শ্ৰীৰামৰায়া হৰিকো পৰমা ভকতি ৰসিক সুজান।
কেলি-গোপাল কৰাওত নাটক কৃষ্ণ কিঙ্কৰ ওহি ভাণ ॥
শুনহু বুধজন নাহি নিন্দব মোহি নাহি দোষ বখান।
যোহি সোহি বাণী হৰিগুণ মিশ্ৰিত মুকুতি মিলায়ত জান ॥

দেৱক দুৰ্লভ ভাৰাতে নবতনু হৰি বিনে বিফলেহি যায়।
ওহি জনম চিন্তামণি কৈচে বেচহু কাচক লাই ॥
এহি সংসাৰ সাৰ নাহি হেৰব হৰিকো বিনে গুণ নাম।
নিস্তৰ নিস্তৰ লোক নিৰন্তৰ ডাক বোলহু ৰাম ৰাম ॥

কেলি-গোপালে নামেদং নাটকং সমাপ্তম্। (৬৯)

৬৯ ক ইতি কেলি-গোপাল নাম নাটকং সমাপ্তম্
খ ইতি শ্ৰীগোপাল কেলি কাম জয় ৰাস নাট সম্পূৰ্ণং
গ শ্ৰীকৃষ্ণায় নমঃ। ৰাম নাটকং সমাপ্তম্

# শ্ৰীৰামবিজয় নাট

চৰিত্ৰ

শ্ৰীৰামচন্দ্ৰ

লক্ষ্মণ

সীতা

দশৰথ

জনক

বিশ্বামিত্ৰ-[ কৌশিক ]

তাড়কা ৰাক্ষসী

মাৰীচ-সুবাহু [ তাড়কাৰ দুই পুত্ৰ ]

মণিমন্ত্ৰ [ জনক ৰজাৰ মন্ত্ৰী ]

কনকাৱতী
মদন-মন্থৰা } সীতাৰ সখী

ৰজাসকল

পৰশুৰাম [ ভাৰ্গব ]

গালৱ [ বিশ্বামিত্ৰৰ শিষ্য ]

# শ্ৰীৰামবিজয় নাট

নমো ভগৱতে শ্ৰীকৃষ্ণায় ॥

১ প্ৰথম শ্লোক ॥

যন্নামাখিল লোকশোকশমনং যন্নাম প্ৰেমাস্পদম
পাপাপাৰ পয়োধি তাৰণবিধৌ যন্নামপীনপ্লবঃ।
যন্নামশ্ৰৱণাৎ পুনাতিশ্বপচঃ প্ৰাপ্নোতিমোক্ষং ক্ষিতৌ
তং শ্ৰীৰামমহং মহেশবৰদং ৱন্দে সদা সাদৰম্ ॥

অপিচ ॥

যেনাভাজি ধনুঃ শিৱস্য সহসা গীতা সমাশ্বাসিতা।
যেনাকাৰি পৰাভৱো ভৃগুপতেৰামস্য(১) ৰামশ্চমঃ।
বৈদেহ্যা বিধিৱদ্বিৱাহমকৰোৎ নিৰ্জিত্য যঃ পাৰ্থিবান।
যুষ্মাকং বিতনোতুশং হি ভগবান শ্ৰীৰামচন্দ্ৰশ্চিৰম্ ॥*

২ নান্দী গীত ॥ ৰাগ সুহাই ॥ একতালি ॥

| | | |
|---|---|---|
| ধ্ৰুং ॥ | জয় জয় জগজীৱ ৰাম। | কয়লো পৰি পৰণাম ॥ |
| পদ ॥ | যাহে গুণ নাম মুহেগাই। | পাপী পৰম পদ পাই ॥ |
| | ওহি ভৱ তাপ অপাৰা। | যাহে স্মৰণে কৰু পাৰা ॥ |
| | অজগৱ ভঞ্জন কাৰী। | পাৱল জনক কুমাৰী ॥ |
| | নৃপসৱ ছেদল বাণে। | কৃষ্ণ কিঙ্কৰে এহু ভাণে ॥ |

৩ নান্দ্যান্তে সূত্ৰধাৰঃ ॥

অলমতি বিস্তৰেণ ॥ প্ৰথমং মাধৱো মাধৱ ইত্যুক্ত্বা শ্ৰীৰামচন্দ্ৰং প্ৰণম্য সভাসদঃ সম্বোধ্যাহ ॥

---

১ ভৃগুপতে ৰামস্য ৰামস্য

*শুদ্ধ পাঠ A. T. Biswas : Textual Criticism (J.U.G. Vol VII 1956)

৪ শ্লোক ॥ ভো ভো সামাজিকাঃ যূয়ং শৃণুধ্বমধুনা(১) বুধাঃ। শ্ৰীৰাম
বিজয় নাম নাটকং মুক্তিসাধকম্ ॥

৫ অথ ভটিমা ॥

জয় জয় ৰঘুকুল কমল প্ৰকাশক
দাসক নাশক ভীতি।
জয় জয় নিজজন যাতন ঘাতন
পাতন পাতক ৰীতি ॥
হৰক শৰাসন নাশন শাসন
নৃপসব বাণ সন্ধানে।
ছেদল ভেদল খেদল দাপে
তাপে পলায়ত প্ৰাণে ॥
ভৃগুবৰ বামক বামক কাৰক
কয়লি দৰপ উপান্ত।
ভব ভয ভঞ্জন সজ্জন ৰঞ্জন
জাৱন জানকী কান্ত ॥
যোহি বনমালী বালি ঘালি
ৰাজা কৰু সুগ্ৰীৱ।
যাহেৰি কোপ কটাক্ষ নিৰেখি
কম্পিত জলধিক জীৱ ॥
সমৰক নাগৰ নাগৰ সাগৰ
শিলা সেতু কয বন্ধ।
ভকতক ভীতা সীতা নীতা
যুদ্ধে বধিয়া দশস্কন্ধ ॥
সাধলল বাণী জানি আনি
থাপি বিভীষণ পাট।
যতয়া আতঙ্কা লঙ্কা শঙ্কা
কয়লি পুলু উতপাট ॥

২ শৃণুতাবহিতং বুধা

জগতক অন্তক অন্তক সন্তক
পূৰল পৰম কাম।
ভূমিক ভাব উদ্ধাৰল তাৰল
সুৰ নৰ ৰাজা ৰাম॥
ব্ৰহ্মা মহেশ্বৰ কিঙ্কৰ যাকৰ
পড়ি পড়ি কৰত সেৱা।
ত্ৰিভুবন কাৰণ তাৰণ মাৰণ
যোহি দেৱক দেৱা॥
সোহি মহেশ্বৰ ৰামক নাটক
শুন মন কৰিয়া বিশ্বোআস।
যাকেৰ কথানে মথানে কৰয়
কলিমল সকলে বিনাশ॥
অসাৰক সাৰত কাৰক ভাৰত
নৰতনু বিফলেহি যায়।
পদ অৰবিন্দ অনিন্দা গোবিন্দ
হৃদি পঙ্কজে ধৰু ভাই॥
ধন জন জীৱন যৌৱন বিজুৰি
উকৰি দেখা না দেখা।
জানব কেশৱ দেৱাসে দেৱা
সোহি শিলা কৰু ৰেখা॥
সব অপৰাধক বাধক সাধক
সিদ্ধি কৰু হৰিনাম।(৩)
কহ কৃষ্ণ কিঙ্কৰ লোক নিৰন্তৰ
ডাকি বোলহু ৰাম ৰাম॥

৬ সূত্ৰ॥ ভো ভো সভাসদ সাধুজন। যে জগতক পৰম ঈশ্বৰ নাৰায়ণ ভূমিক ভাৰ হৰণ নিমিত্ত দশৰথ গৃহে অৱতৰল সোহি

৩ সিদ্ধি ঋদ্ধি হৰিনাম

ভগৱন্ত শ্ৰীৰামৰূপে ওহি সভামধ্যে প্ৰবেশ কয়কহু সীতা বিৱাহ বিহাৰ নৃত্য পৰম কৌতুক কৰব, তাহে সাৱধানে দেখহু শুনহ। প্ৰথমে লক্ষ্মণ সহিত শ্ৰীৰামক প্ৰৱেশ তদনন্তৰ সখীসব সহিত সীতাক প্ৰবেশ ইতি জ্ঞাত্বা সৰ্ব্বে সাৱধানে স্থিয়তাম্ ॥

পুনঃ সূত্ৰ ॥

আহে সঙ্গী কি বাদ্য শুনিয়ে ॥

সঙ্গী বোল ॥

সখি, দেব-দুন্দুভি বাজত,
আহে দেব-দুন্দুভি বাজত ॥

সূত্ৰ ॥ অত শ্ৰীৰামচন্দ্ৰ মিলল ॥

৭ শ্লোক ॥ পৰেশমকৰোৎ কামং ৰামো ৰাজীৱলোচনঃ
সসোদৰো ধনুষ্পাণি ৰূপেনা প্ৰতিমো ভুবি ॥

৮ সূত্ৰ ॥ আহে সভাসদ। হামু যাকৰ কথা কহৈছি সে শ্ৰীৰাম লক্ষ্মণ সহিতে এ আৱত, এ আৱত ॥ [ ইতি সূত্ৰ নিষ্ক্ৰান্তঃ ]

৯ গীত ॥ ৰাগ সিন্ধুৰা ॥ একতালি ॥

ভেলি পৰবেশ পৰমেশ ৰঘুনাথে।
সঙ্গে সোদৰ শৰ ধনু ধৰি হাতে ॥
শ্যাম ৰুচিৰ চিৰ পীত পৰবাশ।
পঙ্কজ নয়ন বয়ন মন্দ হাস ॥
মণিময় মুকুট কুণ্ডল গণ্ড দোলে।
হেৰি মুকুতি মন মনমথ ভোলে ॥
মাণিক মৌতি জ্যোতি হেমহাৰা।
গগণ উজোৰ যৈচন ৰুচি তাৰা ॥
চৰণক ৰঞ্জি মঞ্জিৰ মণি ৰোল।
কৃষ্ণ কিঙ্কৰ ওহি শঙ্কৰ বোল ॥

১০ সূত্ৰ ॥ ওহি প্ৰকাৰে শ্ৰীৰামচন্দ্ৰ প্ৰবেশ কয় এক পাশ হুয়া ৰহল। তদনন্তৰ সীতাক প্ৰবেশ শুনহ ॥*

আহে সঙ্গী, কি বাদ্য বাজং ॥

সঙ্গী বোল ॥

অয়ে দেৱ বাদ্য বাজে ॥

সূত্ৰ ॥ আঃ জনক নন্দিনী সীতা সখীসব্ৰ সহিত মিলল মিলল ॥

১১ শ্লোক ॥ চকাৰ জানকী কামং প্ৰৱেশং সখী সঙ্গতা।
চিন্তয়ন্তী ৰামচন্দ্ৰ চৰণৌ ৰুচিৰাননা ॥

১২ সূত্ৰ ॥ হে সামাজিক, সখি মদনমন্তৰা, কণকাৱলী সহিত সে জনক-নন্দিনী সীতা ৰামক চৰণ চিন্তি প্ৰৱেশ কয় আছে, তা দেখহ, শুনহ, নিৰন্তৰে হৰি বোল হৰি বোল ॥

## ১৩ গীত ॥ ৰাগ সুহাই ॥ একতালি ॥

ধ্ৰুং ॥ 'আৱে জনকসূতা কয় পৰবেশ।
পেখিয়ে বদন মদন মন ক্লেশ ॥

পদ ॥ মাণিক মুকুট কুণ্ডল কৰু কান্তি।
দশন ওতিম নৱ মোতিম পান্তি ॥
ঈষত হাসি চান্দক ৰুচি চোৰ।
নীল অলক লোচন চকোৰ ॥
কণক কেয়ূৰ ঝণকিত কাই।
ৰামক চৰণ চিন্তিয়ে চিত্ত লাই ॥
পদ পঙ্কজ মণি মঞ্জিৰ বোল।
ৰূপে ভুৱন ভুলে শঙ্কৰে বোল ॥

১৪ সূত্ৰ ॥ হে সামাজিক লোক। সে জনকনন্দিনী সীতা, সখীসৱ সহিত

* কোনো কোনো পুথিত, বিশেষকৈ ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ দ্বাৰা সম্পাদিত 'অঙ্কীয়া নাট'ৰ 'ৰামবিজয়ত' প্ৰথমে দশৰথৰ প্ৰৱেশ দেখুওৱা হৈছে।

নৃত্য কৰিয়ে - সে জাতিস্মৰ কন্যা, পূৰ্ব জন্মক কথা চিত্তে পৰল। তাহে সুমৰি, পৰি ক্ৰন্দন কয় ৰহল। তাহে পেখি সখী মদনমঞ্জৰা, সখী কণকাৱতী বাহু মেলি ধৰি পুচত ॥

১৫ মদনমঞ্জৰা কনকাৱতী } বোল ॥

আহে সখি। তুহু ৰাজনন্দিনী, কোন সম্পত্তি, নাহি থিক। কি নিমিত্ত বাৰম্বাৰ বিলাপ কৰহ। প্ৰাণ সখি। হামাক শপত, তোহাৰ পাৱৰে লাগু, হামাত সত্বৰ কথা কহ ॥

১৬ শ্লোক ॥ ততঃ সীতা বিনিঃশ্বস্য চৰিতং পূৰ্ব্বজন্মনঃ।
সখীভ্যাং বৰ্ণয়ামাস কদলী সুদতী সতী ॥

১৭ সূত্ৰ ॥ সীতা কতি বেৰি স্বস্থ হয়া, আঁচোৰে আখি মুখ মুচি, নিশ্বাস ফোকাৰি, সখীসৱক সম্বোধি বচন বোলয়ে লাগল।

১৮ সীতা বোল ॥

আহে সখীসৱ। পৰম অভাগিনীক কি পুচহ। হামু পূৰুব জনম ঈশ্বৰ নাৰায়ণক স্বামী ইচ্ছা কয়, অনেক জনম কায় ক্লেশ কৰিয়ে, বহুত বৰিষ তপস্যা কয়লো। তদনন্তৰ আকাশী বাণী শুনল। আহে কন্যা ঃ তোহোঁ ওহি জনমে স্বামীক ভেট নাহি পাৱৰ ঃ আৰৰ জনম ঃ শ্ৰীৰামৰূপে তোহাক বিৱাহ কৰাৱব।

ইহা জানি হামু অগণি প্ৰৱেশি প্ৰাণ চাড়ল। আহে সখিসৱ, সে দৈৱবাণীয়ে বিফল ভেল। সে শ্ৰীৰাম স্বামীক চৰণ ওহি জনম ভেট নাহি পালো।

১৯ সূত্ৰ ॥ ওহি বুলিতে সীতাক পৰম তাপ উপজল। হা ৰাম স্বামী বোলি মাটি লুটি যৈচে বিলাপ কয়ল, তা দেখহু, শুনহ, নিৰন্তৰে হৰি বোল ॥

২০ গীত ॥ সুহাই ॥ জ্যোতিমান ॥ চুটকলা জামান ॥(৪)

ধ্ৰুং ॥ বিলপতি মৈথিলী মাই নীৰ নয়ন ঝুৰাই।
ঘন ঘন শ্বাস কোকাৰত তনু চেতনু নাই॥

পদ ॥ চিৰ বিৰহে দহে দেহা দিশ দেখু আন্ধিয়াৰি।
ৰময়া বিনে মন ঝামৰু পঙ্ক মুৰুচি কুমাৰী॥
হা হৰি হা হৰি জম্পয় জীৱন যৈচন যায়।
ৰাম চৰণে লাগু গতি আৱৰি নাই॥

২১ সূত্ৰ ॥ ঐচন সীতাক বিলাপ দেখিয়ে, সখিসৱ প্ৰবোধ কয় বোলল ॥

২২ সখীসৱ বোল ॥

আহে প্ৰাণসখি। সে ভকতক বান্ধৱ মাধৱ, তোহাক দুখ দুৰ কৰব। পূৰুব জনমক তোহাক স্বামী অৱশ্যে পাৱব। হে সখী তাপ চাড়হ॥

২৩ সূত্ৰ ॥ হে সামাজিক লোক। জনকনন্দিনী সীতা, কিঞ্চিত স্বস্থ হুয়া, সখীসৱ সহিত, এক পাশ হুয়া ৰথল। ৰামক চৰণ চিন্তি, বয়নে হাত চৰাই, অধোমুখ হুয়া ৰহল। তদনন্তৰ ৰাজাক প্ৰবেশ পেখহ॥*

২৪ শ্লোক ॥ প্ৰৱেশমকৰোৎ কৃষ্ণদাসো দশৰথ স্তদা (৫)
ছত্ৰ চামৰসংযুক্তো ধনুষ্পাণি নৃপোত্তমঃ॥

২৫ গীত ॥ ৰাগ কানাড়া ॥ পৰিতাল ॥

ধ্ৰুং ॥ আৰে দশৰথ পৃথিৱীনাথ।
চ্লে চামৰ ছত্ৰ ধৰু মাথ॥

---

৪ গীত ॥ ৰাগ সুহাই ॥ চুটিকলা ॥

* দশৰথ ৰজাৰ প্ৰৱেশৰ আগলৈকে সীতাৰ প্ৰৱেশ আৰু কাৰ্যাৱলী কোনো কোনো পুথিত নাই। [ ১০-২৫ সংখ্যকলৈ ]

৫ প্ৰৱিবেশ মহাতেজা ৰাজা দশৰথ স্তদা

পদ ॥ দুৰ্জ্জয় বীৰ ধৰি শৰ ছাপ।
কাম্পে ৰিপুগণ যাহে প্ৰতাপ ॥
ত্ৰিভুবন ঈশ্বৰ ৰামক বাপ।
যাহে নেহাৰি দূৰ হয় তাপ ॥

২৬ সূত্ৰ ॥ ঐচন প্ৰবেশ কয় ৰাজা দশৰথ পৰম হৰষে বৈঠি ৰহল ॥

২৭ শ্লোক ॥ শিষ্যেন সাকমাগতো বিশ্বামিত্ৰো মহামুনিঃ।
আশীৰ্ব্বাদং দদৌ তস্মৈ ৰাজ্ঞে মন্ত্ৰমুদীৰয়ন্ ॥

২৮ সূত্ৰ ॥ তদনন্তৰ ঋষিৰাজ কৌশিক শিষ্য সহিত আসি কছু, ৰাজা দশৰথক আশীৰ্বাদ কয় যে কহল, তা দেখহ, শুনহ, নিৰন্তৰে হৰি বোল ॥

২৯ গীত ॥ ৰাগ ক্নানাড়া ॥ পৰিতাল ॥

ধ্ৰুং ॥ আৰে কৌতুকে কৌশিক চণ্ড।
মালা মাথে হাতে ধৰু দণ্ড ॥

পদ ॥ লাৰয় বাহু হৰিগুণ গাৱে।
সচকিত ভাৱে চৌদিসে চাৱে ॥
শোহে সুললিত তিলক কপাল।
হেৰত কোপে কৈচে যমকাল ॥

৩০ সূত্ৰ ॥ ঐচন প্ৰবেশ দিয়ে(৬) সে ঋষিৰাজ ৰাজাক আশীৰ্বাদ দেলহু, (তাহে দেখহ, শুনহ ॥)

৩১ শ্লোক ॥ চিৰঞ্জীৱ চিৰঞ্জীৱ চিৰঞ্জীৱ জনাধিপ।
পুত্ৰ পত্নী সমাযুক্তঃ ভক্তিমান্ ভব মাধৱে ॥

৩২ কৌশিক বোল ॥
হে ৰাজা দশৰথ। তোহো সপৰিবাৰে চিৰঞ্জীৱ ভৱ ॥

---

৬ কৰে

৩৩ দশৰথ বোল ॥

হে মুনিৰাজ। তোহাৰি পদ পৰশে হামাৰ অযোধ্যাপুৰী পবিত্ৰ ভেল। তব দশৰথে হামাৰ জনম সাফল ভেল। মুনি অব কোন প্ৰয়োজন সাধো, হামাক আজ্ঞা কৰহ। সভামধ্যে অঙ্গীকাৰ কয়লো,(৭) আজু যে দান মাগহ, তাহেক সত্যে সত্যে দেৱব।

৩৪ সূত্ৰ ॥ ঋষি ৰাজাক সত্যবাণী শুনি হাসি হাসি কৌতুকে উঠিকহু নৃত্য কয়ল(৮)। আঃ মনোৰথ সাফল ভেল। ৰাজাক আশীৰ্বাদ কয় বোলল ॥

৩৫ কৌশিক ঋষি বোল ॥

হে নৃপতে! তোহো পৃথিৱীক কল্পতৰু। তোহাৰ ঠাই প্ৰাৰ্থক কবহু বিমুখ নাহি হয়। ইহাক জানো। কিন্তু হামাৰ প্ৰয়োজন শুনহ। হামু সিদ্ধাশ্ৰমত যজ্ঞ আৰম্ভল। তাহেক মাৰীচ সুবাহু দোহো ৰাক্ষস বহুত বিঘিনি আচৰয়। সে যজ্ঞ ৰক্ষা নিমিত্তে তোহাৰ ৰাম লক্ষ্মণ দোহো কুমাৰক হামাৰ সঙ্গে পঠায় তবে হামাৰ মনোৰথ সিদ্ধ হয় ॥

৩৬ শ্লোক ॥ তন্নিশম্যাভৱন্তীতো পপাত মূৰ্চ্ছিতোভুবি।
কৰোতি কাতৰং ৰাজা বিধৃত্য চৰণৌ মুনেঃ ॥(৯)

৩৭ সূত্ৰ ॥ ৰাজা কৌশিকক ঐচন বাণী শুনিয়ে দুৰন্ত চিন্তায়ে পীড়ল। মূৰ্চ্ছিত হৈয়া পৰল। তদনন্তৰে স্বস্থ হুয়া ঋষিক চৰণে ধৰিকহু কাতৰ কয় বোলল ॥

৩৮ দশৰথ বোল ॥

আহে মুনিৰাজ! হামাৰ পুত্ৰ ৰাম লক্ষ্মণ, সে বালক। তাহেক ৰাক্ষসক দিতে চায়। শুনি কোন ব্যৱহাৰ। হা হা হে ঋষিৰাজ যজ্ঞ ৰক্ষা নিমিত্ত হামাক নিয়া যায় ॥

---

৭ অঙ্গীকাৰ কয়ে বোললো ৮ ৰাজাক বাণী শুনি হাসি হাসি কৌতুকে

৯ নিগৃহ্য চৰণৌ মুনেঃ

৩৯ সূত্র ॥ ৰাজাক বচন শুনিয়ে কৌশিক পৰম কোপে ভবছয় ॥ (১০)

৪০ কৌশিক বোল ॥

অয়ে পাপী অসত্যবাদী! ৰাম লক্ষ্মণক নাহি পঠাৱব।

৪১ সূত্র ॥ ওহি বুলি কোপে কম্পমান হুয়া বেগে চলল। বাহু লাবিয়ে কোপে দশন চৰ্পয়। ৰাজা আগু হুয়া, ঋষিক চৰণ ধৰিকহু, যৈচে বিলাপ কয়ল, তা দেখহ, শুনহ, নিৰন্তৰে হৰি বোল হৰি ॥

৪২ গীত ॥ ৰাগ সুহাই ॥ জোতিমান ॥

ধ্রুং ॥ কৰহু করুণা ঋষি সুত দান দেহু।
কোন মুখে কহব ৰামক তুহু লেহু ॥
পদ ॥ নেহবি ৰাম ৰাক্ষস লাগি মাগি।
আহে অধিক হৃদয়ে দহে আগি ॥
বালক ৰাম কিছুরে নাহি জানে।
তাহে নাহেৰি ৰহবি নাহি প্রাণে ॥

৪৩ দশৰথ ॥ হে ঋষিৰাজ, বালক ৰামক কৈচে ৰাক্ষসক হাতে দিতে চায়, ইহা উচিত নহে। বাপ! ৰামক ছাড়ি হামাক নিয়া যায় ॥

৪৪ ঋষি বোল ॥

অয়ে দশৰথ! তুহু ৰামক চৰিত্র কিছু জানয়ে নাহি। যোগবলে হামু সবে জানো। ওহি ৰামচন্দ্র পৰম ঈশ্বৰ মহাহৰিক অংশে অৱতাৰ. অসুৰ ৰাক্ষস সব সংহাৰি ভূমিক ভাৰ উদ্ধৰয় ॥ ইহা জানি কিছু চিন্তা নাহি কৰবি। সত্য ৰাখি সত্বৰ ৰাম লক্ষ্মণক হামাৰ সঙ্গে পঠায় ॥

৪৫ সূত্র ॥ ৰাজা ঋষিক বাণী শুনি কহো কিঞ্চিত স্বস্থ হুয় ঋষিক হাতে ৰাম লক্ষ্মণক সমর্পি দেলহ। কৌশিক কৌতুকে

১০ ভৰ্‌ৎসয়, ভবছয় (ভর্জন-গর্জন কৰা অৰ্থত)

ৰাজকুমাৰ দুহোঁ সঙ্গে লৈয়া চলল যৈচে, তা দেখহু, শুনহু, নিৰন্তৰে হৰি বোল ॥

৪৬ পয়াৰ ॥(১১) ৰাগ কানাড়া ॥ জৌতিমান ॥

চলল কৌশিক সাধিবে কাম।
পাচু পাচু চলে লক্ষ্মণ ৰাম ॥
দেলহ ধনুৰ্বেদ দিব্য বাণ।
লক্ষ্মণ ৰাম পথহি সব জান ॥
আশ্ৰম যাইতে ঋষিক উচাট।
পেখিয়ে তাড়কা বেঢ়ল বাট ॥
মিলল ভক্ষ্য পিশাচিনী হাসে।
কাম্পে কৌশিক পৰিয়ে তৰাসে ॥
ৰাক্ষসী খাই ৰাখ ৰঘুনাথে।
শুনিয়ে ৰাম ধৰলি ধনু হাতে ॥
বোলি নিৰ্ভয় জোৰল বাণ।
তাড়কা হৃদয়ে কৰু সন্ধান ॥
পড়ল পিশাচী তেজি আটাস।
বজ্ৰপাতে যৈচে লোক তৰাস ॥
হৃদয়ে আনন্দ মিলল অধিক।
সাধু সাধু ৰামক বোলয় কৌশিক ॥
হৰিষে শিহৰে দেহক লোম।
আশ্ৰম পাই আৰম্ভল হোম ॥
পেখিয়ে ধুম মাৰীচ সুবাহু।
চান্দ গিলিতে যচ আৰল ৰাহু ॥
ত্ৰাসে কৌশিক কহয় আবাৰে।
দেখু দেখু দুহুঁ ৰাক্ষস আৰে ॥

১১ গীত ॥ ৰাগ কানাড়া ॥ তাল চুটা ॥

অব ৰঘুনাথ কৰহু মোহে ত্ৰাণ।
শুনিয়ে ৰাম ধৰল ধনু বাণ॥
বেধল হৃদয় শৰক সন্ধানে।
উৰল ৰাক্ষস ৰামক বাণে॥
ভেলি সুবাহু সাগৰ পাত।
মাৰিচ পৰল প্ৰাণে লঙ্কাত॥
নাশ গেল অব দুহু পিশাচে।
কৌতুকে উঠি কহু কৌশিক নাচে॥
ৰামক ৰঙ্গে সাধু সাধু বোল।
জয় জয় ৰাম কৰ ঘন বোল॥

৪৭ সূত্ৰ॥ পৰম সন্তোষে কৌশিক ৰামক আশীৰ্বাদ কয়ল॥

৪৮ শ্লোক॥ * জয় জয় ৰঘুনাথ (১২) প্ৰাৰ্থকত্ৰাণহেতো।
ৰঘুকুল কমলালী (১৩) সূৰ্য্য বৰ্য্য ত্বমেৱ ॥(১৩ক)
হৰসি দুৰিতমেষাং (১৪) নাম সংকীৰ্ত্তনেন ॥(১৫)
স্বজন সুত কলত্ৰে জীৱতাৎ ত্বং চিৰায়ুঃ ॥(১৬)

৪৯ ঋষি বোল॥
ৰঘুকুল কমল প্ৰকাশক সূৰ্য্য ৰামচন্দ্ৰ। হামাৰ আশীৰ্বাদে পত্নী পুত্ৰ সহিত চিৰঞ্জীৱ ভৱ॥

৫০ সূত্ৰ॥ ওহি বুলি আশীৰ্বাদ তুলসী দেলহ, শ্ৰীৰাম মাথা পাতি লেলহ॥

৫১ ঋষি॥ হে বাপ ৰামচন্দ্ৰ! তুহু হামাৰ পৰম উপকাৰী। মাৰীচ সুবাহু ৰাক্ষস মাৰি হামাৰ যজ্ঞ সিদ্ধ কয়ল। তোহাক গুণ সুজয়ে নাহি পাৰি। সম্প্ৰতি প্ৰত্যুপকাৰ তোহাক কা কৰৱ!

৫২ সূত্ৰ॥ ওহি বুলি মনে বিমৰিষ কয় পুনু বোলল॥

---

১২ জয়তু জয়তু ৰাম ১৩ ৰঘুকুল কমলালৈ ১৩ ক সূৰ্য্যবংশজদেৱ
১৪ হৰসি দুৰিতবাজিং ১৫ নাম সংকীৰ্ত্তনেন ১৬ জীৱতাৎ ত্বং চিৰায়ুঃ
* শুদ্ধ পাঠ—A. T. Biswas ৰ প্ৰবন্ধৰ পৰা লোৱা হৈছে।

৫৩ কৌশিক বোল ॥

আঃ সাধু প্রয়োজন মিলল। হে রঘুনাথ! আজু জানকীক স্বয়ম্বর মিলিছে। হামু জানল, মহেশক ধনু যে গুণ দিতে পারয়, সে কন্যা সেহি পায়ে। সে ভুবনমোহনী ভাগ্যবতী যব তব গৃহিনী হয়, তবে হামার পরম আনন্দ মিলয়। হামু যোগবলে সব জানো। সোহি সীতা পূর্ব জনমত, বহুত তপ আচরি, তোহাক স্বামী পায়ল। তাহেক স্মরিয়ে, ওহি জনম, তোহার চরণ চিন্তি সর্বথা থিক। পরম বিরহাতুর হয়া তোহোক লাগি রহৈছে। সে সুন্দরীক রূপ-সম্পত্তি কিছু কহব তাহে শুনহ।

৫৪ ভটিমা ॥ * কি কহব রূপ কুমারীক রাম।
কনক পুতলি তুল তনু অনুপাম ॥
রতন তিলক লোলে অলক কপোল।
হেরিয়া ভ্রূরভঙ্গ ত্রিভুবন ভোল ॥
দেখিয়ে বদন চান্দ ভেলি লাজ।
নয়ন নিরিখি কমল জল মাজ ॥
হেরিয়ে ভুজ যুগ মিলল উচ্ছঙ্ক
ললিত মৃণাল মজত জল পঙ্ক ॥
আরকত করতল মুনি মন মোহে।
কনক শলাকা অঙ্গুলি করে শোহে ॥
বন্দুলি নিন্দি অধর রুক কান্তি।
দড়িম্ব নিবিড় বীজ দন্তপান্তি ॥
ঈষত হাস মদন মোহ যাই।
নাসা তিলফুল কমলিনী মাই ॥
নব যৌবন তন বদরী প্রমাণ।
উরু করিকর কটি ডম্বরুক ঠান ॥

* এই ভটিমা দুটাকো ভাটর ভটিমা বুলিয়ে ধরা হয়; প্রকৃতত্তে বিশ্বামিত্র ঋষি ভাট নহয়।

পদ-পঙ্কজ নব পল্লব পান্তি ।
চম্পক পাকবি আঙুলি কক কান্তি ॥
নখ চয় চাক চন্দ পবকাশ ।
লহু লহু মত্তগজ গমন বিলাস ॥
কত লাবণ্য বিহি নিবমিল জানি ।
কোকিলনাদ অমিয়া ঝুবে বাণী ॥
তুহুঁ সুকুমাব ৰূপে নোহে হীন ।
বাজ কুমাবীক বয়স নবীন ॥
সোহি বড় বমণী ঘবিণী যব হোই ।
অব গৃহবাস সফল তব হোই ॥
কহলু স্বৰূপ বচন শ্ৰীবাম ।
চল অবিলম্ব জনকক ঠাম ॥
ভাঙ্গহ অজগব ধনুক লীলাৰে ।
সীতা ভোলি ভজোক তুৱা পাৰে ॥
জানি হামু সত্য বাণী বোল ।
ডাকি কবহু নব হবি হবি বোল ॥

৫৫ শ্লোক ॥ সীতায়াঃ ৰূপলাৱণ্যং শ্ৰুত্বা নিঃশ্বস্য বাঘবঃ ।
ঋষিমাভাষ্য ভগবান জগাম মিথিলাম্প্ৰতি ॥

৫৬ সূত্ৰ ॥ সীতাক ৰূপ-সম্পত্তি শুনিয়ে, বামক মনে কিঞ্চিত মদন-বিকাৰ উপজল, জানকি বিয়োগ নিমিত্ত নিশ্বাস ফোকাবি ঋষিক সম্বোধি বোল ॥

৫৭ শ্ৰীবাম বোল ॥
হে মহামুনিবাজ ! সে মহেশক ধনু, বজ্ৰাধিক কঠিন । হামু বালক । তাহেক গুণ নিতে হামাব যোগ্যতা কৈচন হয় । তথাপি তোহাবি আজ্ঞা পালিতে লাগয় । ঋষিবাজ, জানি সত্বৰ চলহ ॥

৫৮ সূত্ৰ ॥ ওহি বুলি, সোদব সহিত ঋষিক পাচু শ্ৰীবাম যৈচে মিথিলাক পয়ান কবল, তাহে দেখহ, শুনহ, নিবন্তৰে হবি বোল হবি ॥

৫৯ গীত ॥ ৰাগ মাহুৰ ॥ জ্যোতিম্মান ॥

ধ্ৰুং ॥ ৰময়া চলে মিথিলাকু লাই
ৰাজীব লোচন শ্যাম সুন্দৰ
সোদৰ সঙ্গতি যাই ॥

পদ ॥ শুনি ৰমণীক নিকলিক কাহিনী
মিলল মোহ মুৰাৰি ।
ভাৱ ভিন্নৰীত ভৈল কিঞ্চিত
চিত্ত মদন বিগাৰি ॥
বদন ইন্দু মদন ৰামৰ ॥
কাম পহলি প্ৰৱেশ ।
চলতু ৰাঘৱ কাম কৌতুক
হৰতু কেশৱ ক্লেশ ॥

৬০ সূত্ৰ ॥ তদনন্তৰ মিথিলাপুৰ পাই ঋষি সোদৰ সহিত শ্ৰীৰামচন্দ্ৰ ৰাজ-সভা প্ৰৱেশ কয়ল। জনক কৰ যোৰি উঠিকহু ৰাম-লক্ষ্মণ সহিত বিশ্বামিত্ৰক আসনে বৈঠাই ঋষিক প্ৰণামি তুতি বোলল ॥

৬১ জনক বোল ॥

হে ঋষিৰাজ, তোহাৰ আগমনে আজু হামাৰ মিথিলাপুৰ পবিত্ৰ ভেল। মেৰি মহা ভাগ্য মিলল ॥

৬২ সূত্ৰ ॥ ঋষি আশীৰ্বাদ শ্লোক পঢ়ল ॥

৬৩ শ্লোক ॥ চিৰঞ্জীৱ চিৰঞ্জীৱ ৰাজন্‌ সজ্জনৰঞ্জন ।
গজবাজিমহৈশ্বৰ্য্য ভাৰ্য্যাত্মজ যুতঃ সদা ॥

৬৪ বিশ্বামিত্ৰ বোল ॥

হে মহাৰাজা জনক। পত্নী পুত্ৰ সহিত তুহু চিৰকালে সুখী ভৱ। তোহাৰি সৎকাৰে পৰম তুষ্ট ভেলোঁ ॥

৬৫ সূত্ৰ ॥ জনক ৰাজা ৰাম লক্ষ্মণক ৰূপ নিৰেখি পৰম আশ্চৰ্য্য হুয়া মুনিত পুছত ॥

৬৬ জনক বোল ॥

হে ঋষিৰাজ, ওহি বালক দুহু অদ্ভুত মধুৰ মূৰুতি দেখি পৰম আনন্দ ভেলোঁ। কাহেৰ কুমাৰ, কিবা দেৱ, কিবা মনুষ্য হামু বুজয়ে নাপাৰি। ওহি সুকুমাৰ কুমাৰ দুহু দেখিতে হৃদয় সন্তোষ ভেল ॥

৬৭ সূত্ৰ ॥ তাহে শুনি ঋষি শ্লোক পঢ়ল ॥

৬৮ শ্লোক ॥ সুতৌ দশৰথস্য তাবাগতৌ ৰামলক্ষ্মণৌ।
দুহিতুস্তৱ সীতায়াঃ স্বয়ম্বৰদিদৃক্ষয়া ॥ *

৬৯ কৌশিক ঋষি বোল ॥

হে মহাৰাজ। তোহাৰি পৰিচয় নাহি। যে দশৰথ ৰাজা তোহাৰি পৰম মিত্ৰ, তাহাৰ কুমাৰ দুহু, হামাৰা পৰম শিষ্য। আৰা সবাৰ নাম ৰাম লক্ষ্মণ। তোহাৰ দুহিতা সীতাৰ স্বয়ম্বৰ দেখিতে ইহা আৱল থিক। ইহা জানি সত্বৰে সমাজ পতাই মহেশক ধনু আনহ ॥

৭০ সূত্ৰ ॥ জনক ৰাজা মহাহৰ্ষে ৰাম লক্ষ্মণক আলিঙ্গি বোলল ॥

৭১ জনক বোল ॥

আঃ ধন্য ধন্য দশৰথ ৰাজা, ঐচন পৰম সুকুমাৰ কুমাৰ যাহেৰ তাহেৰ ভাগ্যক মহিমা কি কহব।

৭২ সূত্ৰ ॥ ওহি বুলি ৰাজা পৰম উৎসৱে পঞ্চ শবদে সম্বাদ নাদ বহুত বজাৱল। মণিমন্ত্ৰ মন্ত্ৰীক আদেশ কয়ল ॥

৭৩ জনক বোল ॥

অয়ে মণিমন্ত্ৰ, যে নৃপতি সৱ বাসা কৰি ৰহিচে, তাহেক আনি সত্বৰ সমাজ মিলাৱ ॥

[ ইতি শ্ৰুত্বা মণিমন্ত্ৰো নিক্ৰান্ত ॥ ]

৭৪ শ্লোক ॥ নিশম্য পৰমাৰামা ৰামাগমন কৌতুকম।
সখীং সম্প্ৰেৰয়ামাস জানকী কণকাৱতীম্ ॥

* শুদ্ধ পাঠ -A. T. Biswas ৰ প্ৰবন্ধৰ পৰা লোৱা।

৭৫ সূত্র ॥ তদনন্তরে, ঢোল ঢক্কা(১৭) শঙ্খ, গোমুখ, মৃদু মৃদঙ্গ তাল করতাল কাহাল কোলাহাল মহোৎসর রব শুনিয়ে জানকী সখিক সম্মুখি বোলল ॥

৭৬ জানকী বোল ॥

আহে সখি কনকারতী(১৮) কি নিমিত্ত সভাত মহা হরিষ বাজন শুনিয়ে। কোন রাজা আরল। সত্বরে জানগিয়া। হামাক বাম অঙ্গ ফান্দে। কোন কুশল সাধে(১৯) জানয়ে নাহি ॥

৭৭ শ্লোক ॥ তস্যাঃ কথামাকর্ণ্য কৌতুকাৎ কনকারতী।
যযৌ রাজসভাং সাধ্বী সীতাং নত্বাতিসত্বরম্ ॥

৭৮ সূত্র ॥ সীতাক ঐচন আদেশ শুনি কহু, কনকারতী, সীতা পারে পরিণাম করিয়ে, যৈচে চললি, তা দেখহ, শুনহ, নিরন্তরে হরি বোল হরি ॥

৭৯ গীত ॥ রাগ শ্রনশ্রী ॥ একতালি ॥

ধ্রুং ॥ কৌতুহলে চলে মাই। রাম পরিচয় লাই ॥
কামিনী কনকারতী। যায় রাজহংসগতি ॥
পদ ॥ পারে সভাক সতী। দেখল রঘুপতি ॥
যৈচন গগণ মাজ। উদিত নক্ষত্র রাজ ॥
পেখি রূপ লারণু। ভেলি পুলকিত তনু ॥
ঝুরে নয়নক নীর। তনু মন নোহে থির ॥

৮০ সূত্র ॥ সভাক মধ্যে রামক রূপ-লারণ্য দেখিয়ে পরম বিস্মিত হুয়া সীতাক আগুগিয়া কনকারতী পরি পরণামি বোলল ॥

৮১ কনকারতী বোল ॥

আহে প্রাণ সখি। তোহোর মহোদয় মিলল ॥

---

১৭ উক্কা ১৮ আহে কনকারতী ১৯ কহে

৮২ সীতা বোল ॥

আহে প্ৰাণ সখি। তোহো কি দেখল, কি শুনল, সত্বৰে কহ ॥

৮৩ কনকাৱতী বোল ॥

আহে জনকনন্দিনি! তুহু যাহেৰ বিৰহে প্ৰাণ ছাড়হ (২০) সোহি দশৰথ ৰাজাৰ কুমাৰ (২১) কৌটি কন্দৰ্প-দৰ্প দলন ৰূপ, শ্ৰীৰামচন্দ্ৰ তোহাৰি স্বয়ম্বৰ শুনিয়ে আৱল। তাহে দেখি ৰাজা জনক আনন্দে দুন্দুভি বজায়ল। হে সখি, ৰামক কি আশ্চৰ্য্য মানুষ ৰূপ কি কহবোঁ! এক অঙ্গক লাৱণ্য শত বৰিষে কহিতে নাহি পাৰি! তথাপি কিছু কহৈছি তা শুনহ ॥

৮৪ ভটিমা ॥ শুন সখি বচন স্বৰূপ। কি কহব ৰামক ৰূপ ॥
শ্যাম মূৰুতি পীতবাস। ঘনে যৈচে বিজুৰি বিকাশ ॥
মস্তক ছত্ৰক বেশ। নীল আকুঞ্চিত কেশ ॥
ৰুচিকৰ কৰ্ণ অতুল। নাসা নীল তিল ফুল ॥
বদন ইন্দু পৰকাশ। অৰুণ অধৰ মন্দহাস ॥
ওতিম দশনক পান্তি। মাণিক ঝিকমিক কান্তি ॥
মদনক ধনু ভ্ৰূৱভঙ্গ। ভূজ যুগ বলিত ভুজঙ্গ ॥
নয়ন পঙ্কজ নৱপাতা। কৰতল উতপল ৰাতা ॥
আঙ্গুলি ললিত আমোল। নখচয় চান্দক তুল ॥
সুন্দৰ উদৰ কটিবন্ধ। শোহে সিংহবন্ধ কন্ধ ॥
উৰু কৰি কৰ নিৰুপম। চৰণ কমল কোষ শ্যাম ॥
পদতল ৰাতুল কান্তি। ধ্বজ যৱ পঙ্কজ পান্তি ॥
মানুষক ঐচন ৰূপ। নাহি শুনি কহলো স্বৰূপ ॥
নবীন বয়স সুকুমাৰ। ভেলি নাৰায়ণ অৱতাৰ ॥
কিনো ভৈল ভাগ্য তোহাৰি। তুহু নৱ তৰুণী কুমাৰী ॥

২০ তুহু যাহেৰ নিমিত্ত প্ৰাণ ৰাখহ
২১ দশৰথ ৰাজকুমাৰ

বিধি মিলায়ল আনি। তেবি মনোৰথ জানি॥
অব সব পূৰব আশ। বিৰহ দুখ গেল নাশ॥
পায়ব স্বামীক কোল। কৰ নব হৰি হৰি বোল॥

৮৫ কনকাৱতী বোল॥
আহে সখি! যৈচন মহাপুৰুষ লক্ষণ দেখল, হামু জানল, ওহি ঈশ্বৰ নাৰায়ণ, শ্ৰীৰামৰূপে তোহাৰ বিৱাহ হেতু আয়ল। ইহাত কিছু শঙ্কা নাহি কৰবি। সখি! তোহাৰ মনোৰথ সাফল ভেল॥

৮৬ শ্লোক॥ শ্ৰুত্বা সখীমুখাদ্ৰামচন্দ্ৰস্য চৰিতামৃতং।
মূৰ্চ্ছিতা পতিতা সীতা সুমহাহৰ্ষ ধৰ্ষিতা॥

৮৭ সূত্ৰ॥ স্বামীক পৰম চৰিত্ৰ শুনিয়ে সীতা মহা হৰ্ষম্বিতা হৈয়া পড়ল। (২২) যৈচে প্ৰেমৰসে মহা আকুল কৈলা, (২৩) তা দেখহ, শুনহ, নিৰন্তৰে হৰি বোল হৰি॥

৮৮ গীত॥ ৰাগ ধনশ্ৰী॥ একতালি॥

ধ্ৰুং॥ স্বামীক চৰিত্ৰ শুনিয়ে কুমাৰী
ভেলি পুলক (২৪) তনু চেতন আকুল
কমল নয়নে ঝুৰে বাৰি॥
পদ॥ ৰামক চৰণ চিত্ত চিৰএ (২৫) চিন্তিয়ে
নয়না মুদি ৰহু মাই।
প্ৰেম পৰশ ৰস ৰাজনন্দিনী যৈচ
মানস অমিয়া ঝুৰাই॥
যাহে বিৰহে (২৬) দহে বহল নাহি জীৱ (২৭)
সো প্ৰিয় (২৮) পায়ল কোল।

---

২২ ... সীতা মহাহৰিষাবেশে মূৰ্চ্ছিত হয়া পৰল ২৩ আকুল ভেলি ২৪ পুলকিত
২৫ চিৰ চিন্তিয়ে, থিৰ চিন্তিয়ে ২৬ বিৰহ ২৭ ৰহেলা জীৱন ২৮ পিউ

আনন্দ সিন্দু মগন মন কামিনী
কৃষ্ণ কিঙ্কৰ ওহি বোল ॥

৮৯ সূত্র ॥ সখি কনকাৱতী, মদনমঞ্জৰা সীতাক ধৰি কহোঁ আঞ্চোৰে অঙ্গ মুছি, প্রবোধ বোলয় ॥

৯০ কনকাৱতী বোল ॥

হে প্রাণসখি ! তোহো যাহেৰ চৰণ চিন্তি চিৰকাল ৰহৈছ, সে ৰামচন্দ্রক বিধি হাতে মিলায়ল।

৯১ মদনমঞ্জৰা বোল ॥

হে সখি ! আনন্দ সময়ে তোহো কি নিমিত্ত আকুল ভেলি।
হে মাত্রিঞি ! স্বস্থ হুৱ ॥

৯২ সূত্র ॥ সখী সৱক বাণী শুনি সীতা আকুল তেজি, ৰামক চৰণ চিন্তিয়ে এক পাশ হুয়া ৰহল ॥

৯৩ শ্লোক ॥ ততো নৃপান্ সমানীয় (২৯) মণিমন্তো নৃপাজ্ঞয়া।
কাৰয়ামাস মহতীং সভামুৎসৱ শোভিতাম্ ॥

৯৪ সূত্র ॥ তদনন্তৰে মণিমন্ত্র মন্ত্রী ৰাজাসৱক আনিয়ে যৈচে মহাসভা মিলায়ল, (৩০) তা দেখহ, শুনহ, নিৰন্তৰে হৰি বোল ॥

৯৫ গীত ॥ ৰাগ কানড়া ॥ পৰিতাল ॥

ধ্রুং ॥ আয়ে ৰাজাসৱ ধৰি শৰ চাপে।
কাম্পে ধৰণী পৰম প্রতাপে ॥

পদ ॥ ৰাহু কাণ্ডে খাণ্ডা উড়ি হাত।
দশন কামুৰি ঝঙ্কাৰে মাথ ॥
দৰপে কৰন্ত মাৰ ধৰ বোল।
আয়ল ৰাজা সভাকেৰি কোল ॥

৯৬ সূত্র ॥ সে ৰাজাসৱ ঐচন বীভৎস ভাৱনা কয় এক পাশ হুয়া সভাত বৈঠল ॥

---

২৯ ৰথানীয় ৩০ সভামধ্যে মিলায়ল

৯৭ শ্লোক ॥ সখীভিঃ সাকমভেত্যং (৩১) জানকীং জনকো হ্রনয়ৎ।
মহেশধনুঃ স্কন্ধে নিধায় শোভিতাং সভাম্ ॥

৯৮ সূত্র ॥ তদনন্তৰ, ৰাজা জনক অভ্যন্তৰ প্ৰৱেশিয়ে, মহেশক অজগৰ ধনু কন্ধে কৰিয়ে, দুহিতা সীতাক বস্ত্র অলঙ্কাৰে মণ্ডিত কৰিয়ে, সুবর্ণ পঙ্কজমালা হাতে দিএ কহু, সখীসৱ সহিত, যৈচন উৎসৱ উৎসুকে সভা প্ৰৱেশ কৰায়ল তাহে দেখহ, নিৰন্তৰে হৰি বোল।

## ৯৯ গীত ॥ ৰাগ সুহাই ॥ চুটকলা মান ॥ (৩৩)

ধ্রুং ॥ জানকী কামিনী কৌতুকে চললি লীলায়ে (৩৪)
সখী সৱ সঙ্গে বঙ্গে কৰত কেলি
মেলি আন্দোল তুলাই ॥

পদ ॥ নৱ পিউ পৰশ ৰসিক কৰু বালা
মালা কৰতলে দোলে।
চৰণ ৰঞ্জিত মণি মঞ্জিৰ ঝনকিত
কঙ্কণ (৩৫) কিঙ্কিণী বোলে ॥
মত্ত গজ গামিনী কামিনী যাই
যাই নিজ পিউ পাশা।
হেৰিয়ে নৃপসৱ মদনে দহতু মন (৩৬)
কহতু কৃষ্ণক দাসা ॥

১০০ সূত্র ॥ ৰাজ নন্দিনীক নৱ-যৌৱন ৰূপ-লাৱণ্য নিৰেখি ৰাজাসৱক কাম বাণে পীড়ল; অচেতনে মূৰ্চ্ছিত হুয়া পৰল; পুনু চেতন লভিয়ে উঠি কহু, পৰম আকুল ভাৱে, সীতাক কাতৰ কয় ৰাজাসৱ বোলয়ে লাগল ॥ (৩৭)

---

৩১ সাকমভেত্যং ৩২ সুমণ্ডিত ৩৩ জোতিতাল / একতালি ৩৪ চললিলাই, চলে লীলাই ৩৫ কনক ৩৬ তনু ৩৭ সীতাক কাতৰ কয় বোলল

১০১ ৰাজাসব বোল ॥

হে প্ৰাণেশ্বৰী, কামসাগৰে মগন ভেলো, নিস্তাৰ কৰহ।

১০২ সূত্ৰ ॥ কাহু মুখে আঙ্গুলি লৈয়া বোলল ॥

১০৩ অন্য ৰাজা বোল ॥

হে ৰাজনন্দিনী! মদন হামাৰ মন মৰ্দয়। প্ৰিয়ে! হামাক হস্তে পৰখ!

১০৪ দশনে খেৰ কামুৰি কাহু বিনয়ে বোল ॥

হে সুন্দৰি! মদন বাণে হামাৰ প্ৰাণ ফুট যায় (৩৮)। বচন অমিয়া ৰস বৰষি হামাক জীয়াওঁ।

১০৫ কাহু কামে ভুলি বোলয় ॥

হামাৰ গৃহে যত মহাদৈ থিক, সব তোমাক দাসী কৰি দেৱব। হামু তোহাৰ চৰণক দাস ভোলো। হামাৰ আগে খানিক তিষ্ঠিয়ে, কটাক্ষে নিৰেখি প্ৰাণ দান দেহ ॥

১০৬ সূত্ৰ ॥ ঐচন কামে মত্ত হয়া ৰাজাসব, নানাবিধ বীভৎস ভাৱনা কৰয়। পেখি সীতাক সখী কনকাৱতী, মদনমঞ্জুৰা, চন্দ্ৰমতি সূৰ্যপ্ৰভা, কাহু ৰাজাক গোৰ মাৰি ভৰচয়, কাহু হাতে পাৱে ঠেঙ্গনা মাৰয়, কাহু বস্ত্ৰ গলে বান্ধিয়ে, দুই তিনি সখিয়ে ধৰিয়ে ঘসাৱে। সে সব দুখকো নগণয়ঃ তথাপি নৃপকুমাৰীক কাতৰ কয় থিক। অয়ে লোক, হৰি ভকতিহীন, কামাতুৰ পুৰুষৰ দুখ দেখহ। জগতক মাতা জনকনন্দিনী, তাহেক জানৱে নাহি। ইহা জানি নিৰন্তৰে হৰি বোল ॥

১০৭ শ্লোক ॥ জগাদ জনকো বাক্যং পশ্যত্বেতৎ ধনুৰ্নৃপাঃ (৩৯)

ইদং সজ্যং কৰোতি যঃ তস্মৈ সীতাং সমৰ্পৈয়ম্ ॥ (৪০)

১০৮ সূত্ৰ ॥ জনক ৰাজা ৰাজসভাক স্পষ্ট কয় বোলল ॥

---

৩৮ মদন বাণে ফুটি হামাৰ প্ৰাণ চুৰি যায়

৩৯ পশ্যত্বৈনং ৪০ সমৰ্পয়ে

১০৯ জনক ৰাজা বোল ॥

আহে ৰাজাসব। হামু সত্যবাণী কহৈছি তা শুনহু। সীতাক বিৱাহ নিমিত্ত চিন্ততে ওহি মহেশক ধনু গগন হন্তে পড়ল। তদনন্তৰ আকাশী বাণী শুনল: ওহি ধনুত যে গুণ দিতে পাৰয়, তাহেক মাথে কুসুম মালা দিএ, সীতা স্বামী বৰব। ইহা সত্য জানি যত্ন কৰহু ॥

১১০ সূত্ৰ ॥ ওহি বাক্য শুনি শতধনু নাম ৰাজা পৰম আড়ম্বৰে কাটি গিয়া, পহিলেহি ধনুক ধৰল, দশন কামুৰি গুণ দিতে, চিত হুয়া পৰল। তদনন্তৰ চন্দ্ৰকেতু ধনু ধৰি কহোঁ, কথংকথমপি উল্লাসি ধনু সহিতে পৰল। তা দেখি ৰাজা পুৰঞ্জয়, পৰম আটোপে ধনু ধৰি কহোঁ, শৰীৰক বলে লাৰিতে নপাৰি উফৰি পৰল। তদনন্তৰ ৰাজা কুমুদাক্ষ কটিত বস্ত্ৰ কাচিকহু অধৰ কামুৰি ধনুক দোপ দিয়া তুলি মহাপ্ৰয়াস পাই বিখেপ (৪১) কৰল, লাজ হুই সমজ্যাত পাৰি হাত-পাৱ আচাৰয় ॥

১১১ শ্লোক ॥ ৰামমাহ মুনির্ৱৎস কিম্নিৱিক্ষ্যোঽতিষ্ঠসি।
কৌশল্যানন্দনোত্তিষ্ঠ ত্বং সজ্যং কুৰু কাৰ্ম্মুকম্ ॥

১১২ সূত্ৰ ॥ হে সামাজিক, ৰাজা সৱক পৰম বীভৎস দেখিয়ে মুনি ৰামক বোল।

১১৩ বিশ্বামিত্ৰ বোল ॥

হে কৌশল্যানন্দন! তুহু কি নিমিত্তে পেখি ৰহৈছ। উঠহ, ওহি ধনুত সত্বৰে গুণ লগাৱ।

১১৪ ৰামচন্দ্ৰ ঋষিক প্ৰণামি বোলল ॥

আহে মুনিৰাজ! হামু বালক, ওহি ধনু বজ্ৰাধিক কঠিন। ইহাত গুণ দিতে হামাৰ সামৰ্থ্য কৈচন হোই। তথাপি তোহাৰ আজ্ঞা পালি যত্ন কৰব। যে ধনুত গুণ দিতে

৪১ বিখেৰ [প্ৰকৃততে 'বিক্ষেপ' = পেলাই দিয়া' অৰ্থত]

মহাৰাজাসব নাহি পাৰল, ইহাত হামাৰ কোন লাজ নাহি ॥

১১৫ সূত্ৰ ॥ ওঁহি বুলি ৰামচন্দ্ৰ পীতবস্ত্ৰে কাচন কাচি লীলায়ে চলল, পেখি ৰাজাসৱ বিহসি বোলয় ॥

১১৬ ৰাজাসৱ বোল ॥

ওঁহি কাহেক চৱাল, কি উপালম্ভ ভেলি ॥

১১৭ সূত্ৰ ॥ শ্ৰীৰাম অজগৱ ধনুক বাম হাতে ধৰি কহু যৈচে কুসুমমালাক ঊৰ্দ্ধক খেপি পুনৰ্ব্বাৰ লুফি ধৰল, পেখি ৰাজাসৱক মুখ মলিন ভেল ॥

১১৮ শ্লোক ॥ ধৃতে চাপে (৪২) শ্ৰীৰামেন সীতা শঙ্কিত মানসা।
অনন্তং কচ্ছপং পৃথ্বিং যাচমানা (৪৩) জগাদসা ॥

১১৯ সূত্ৰ ॥ হে সামাজিক লোক! যেনখন (৪৪) ৰামচন্দ্ৰ অজগৱ ধনু ধৰল, সীতা শঙ্কিত ভাৱে চিন্তিত (৪৫) ভেলি!

১২০ সীতা বোল ॥

হাঁ হাঁ হামাৰ স্বামী পৰম সুকুমাৰ নৱীন বয়স। বজ্ৰাধিক কঠিন মহেশক ধনু, ইহাত গুণ দিতে স্বামী জানো নাহি পাৰয় (৪৬)। হাঁ হাঁ পিতা, কি দাৰুণ কৰ্ম কয়লি।

১২১ সূত্ৰ ॥ ওহি চিন্তি পৃথিৱীক কাতৰ কয় বোল ॥

১২২ সীতা বোল ॥

হে মায় বসুমতি! তুহু থিৰ হুয়া ৰহব। হে পিতা অনন্ত, তুহুঁ ভল্লকয়ে পৃথিৱী ধৰব। হে ঈশ্বৰ কূৰ্মৰাজ তুহো অনন্তক পৃথিৱীক সমন্ধে ধৰব। তোৰা সৱক প্ৰসাদে স্বামী যদি গুণ দিতে পাৰয় তব হামু অগতিৰ গতি হুয় ॥

১২৩ সূত্ৰ ॥ ওহি বুলি সীতা স্বামীক মুখ নিৰেখি ৰহল ॥

১২৪ শ্লোক ॥ ৰামস্তু শঙ্কিতাং সীতাং নিৰীক্ষ্য কৃপয়া প্ৰভুঃ।
প্ৰসজ্য সজ্যমকৰোৎ লীলয়াজগৱং ধনুঃ ॥

---

৪২ ধৃতে ধনুষি ৪৩ যাচিত্বেদং ৪৪ যেখন
৪৫ পৰম শঙ্কিতভাৱে মনে চিন্তিত ভেলি ৪৬ জনু পাৰয়ে নাহি

১২৫ সূত্ৰ ॥ সে কৃপাময় ৰামচন্দ্ৰ, সীতাক সকৰুণ ভাৱ পেখি তৎকালে লীলায়ে ধনুত গুণ লগাৱল। সে ঈশ্বৰ পুৰুষ ৰামচন্দ্ৰ হাসি হাসি অপ্ৰয়াসে, কৰ্ণমানে টানি ধনুত টঙ্কাৰ কৰল। ঠাংকাৰ শৱদে মধ্যখানে ধনু ভাগি পচাৰে ছিড়ল। যৈচন বজ্ৰপাত ভেল তদ্বৎ। ৰামক মহামহিমা দেখি, ৰাজাসৱ সচকিত ভেলহ। সীতা ধনুভঙ্গ পেখি আনন্দে মগন হুয়া, যৈচে শ্ৰীৰামক মাথে কুসুমক মালা দিএ স্বামী বুলি বৰল, তা দেখহ, শুনহ নিৰন্তৰে হৰি বোল হৰি ॥

১২৬ গীত ॥ ৰাগ মাহুৰ ॥ পৰিতাল ॥

ধ্ৰুং ॥ আনন্দে ৰাজনন্দিনী হাসে।
ৰামক পাশ চললি লয়লাসে ॥
পদ ॥ স্বামীক মাথে মালা পৰিধাই। (৪৭)
কৰু পৰণাম পাৱে পৰি মাই ॥
ধৰি কহোঁ ৰমণী ৰাম হাসি তোল।
স্বামীক কামিনী আঙ্কোলে ঢোল ॥

১২৭ সূত্ৰ ॥ হে সামাজিক! সীতা ৰামক স্বামী ভাৱে বৰিয়ে কৰ্পূৰ তাম্বুল যোগাই আনন্দে ৰহল। তাহে পেখি ৰাজাসৱ শোকে কোপে মোহিত হুয়া, ধনুবাণ ধৰিয়ে ৰামক পৰম দৰ্প কৰিয়ে গৰজয় ॥

১২৮ ৰাজাসৱ বোল ॥

আয়ে কহেক ছৱাল। আঃ হামাৰ কন্যা ওহি লৈয়া যায়। (৪৮) হামু সৱ ৰাজাক জীৱন ধিক ধিক ॥

১২৯ সূত্ৰ ॥ ওহি বুলি ধৰ মাৰ বোল আন্দোল বহুত কয়ল ॥

১৩০ শ্লোক ॥ শ্ৰুত্বা সীতাভৱন্তীতা ভূপালবীৰ বৰুলম্। (৪৯)

---

৪৭ পৰুধাই ৪৮ লিয়া যায় ৪৯ ভূপাল বীৰ ভাষিতম্

কৰোদ বেপথুমতী (৫০) শোচন্তী চ পতিং প্ৰতি ॥ (৫১)

১৩১ সূত্ৰ ॥ ৰাজাসৱক পৰম আন্দোল বোল শুনিয়ে, ৰাজনন্দিনী ভয়ে পৰম আকুল ভেলি। জানকী যৈচে স্বামীক লাগি বিলাপ কয় বোল তা দেখহ, শুনহ, নিৰন্তৰে হৰি বোল হৰি ॥

১৩২ সীতা বোল ॥

হা হা বিধি, হামাৰ কি কপাল মিলল। হৰি হৰি, ৰাম স্বামী পৰম সুকুমাৰ। নৱীন বয়স। সঙ্গে সোদৰ মাত্ৰ সহায়। ওহি পৰম নিকৰুণ দাৰুণ ৰাজাসৱক কৈছে যুদ্ধে জিনব। হা হা দৈব, বিধি কোন অপৰাধে হামাক বঞ্চল।

১৩৩ সূত্ৰ ॥ ওহি বুলি জানকী যৈচে স্বামীক লাগি বিলাপ কয়ল, আহে সামাজিক লোক, তা দেখহ, শুনহ, নিৰন্তৰে হৰি বোল হৰি ॥

১৩৪ গীত ॥ ৰাগ গৌৰী ॥ বিম্ৰম তাল ॥

ধ্ৰুং ॥ নাই নাই চেতন তনু নয়ন ঝুৰে বাৰি।
বিলপতি মাই পিউক লাই তাপে পৰি কুমাৰী ॥
পদ ॥ পূৰব জনম পুণ্য পৰম পায়ল পহু ওহি।
বঙ্কিম বিধি হাতক নিধি হৰে অভাগীক মোহি ॥
দুৰ্লভ বল্লভ লাগি আকুল কৰতু এ বৰ নাৰী।
হৰি হৰি স্বৰে নিশ্বাস ফোকাৰে পহুক মুখ নেহাৰি ॥

১৩৫ শ্লোক ॥ ভীতাং সীতাং ততো ৰামো নিৰীক্ষ্য কৃপয়া প্ৰভুঃ।
প্ৰাহ প্ৰিয়াং সমাশ্বাস্য মাভৈঃ সীতে স্থিতে ময়ি ॥

১৩৬ সূত্ৰ ॥ প্ৰিয়াক পৰম সন্তাপ তাপ (৫২) নিৰেখি ৰামচন্দ্ৰ বাহু মেলি প্ৰিয়াক ধৰি কহু, আশ্বাস কয় বোলল ॥

১৩৭ ৰামচন্দ্ৰ বোল ॥

হে প্ৰাণপ্ৰিয়ে, তুহু কাহেক ভয় কৰহ। ওহি ৰাজাসৱ হামাক

---

৫০ বেপিতৱতী ৫১ পতিং প্ৰত্যনুশোচতি ৫২ তাপ (লোপ)

আগু কোন হয়, যৈচে সিংহক আগু বালেক হৰিণ ৮ হামাক বাণ প্ৰহাৰে এইক্ষণে পলায়ব। তুহু আজু কৌতুকে দেখহ।

১৩৮ সূত্ৰ ॥ ওহি আশ্বাস কৰিয়ে ৰামচন্দ্ৰ ধনুক টঙ্কাৰ কৰিয়ে ৰাজাসবক বোলল॥

১৩৯ ৰাম বোল॥

অয়ে পাপী ৰাজাসব। হামু ধনুভঙ্গ কয় জানেকী পায়ল। কি নিমিত্ত ইহাত বিপক্ষ আচৰহ। যত শকতি থিক হামাক সমৰ কৰহ। (৫৩)

১৪০ সূত্ৰ ॥ ৰামক বাণী শুনি, নৃপসব পৰম আটোপে টঙ্কাৰ কয় বাণ বৰিখল। ৰামচন্দ্ৰ সোহি শৰ সব ছেদিয়ে ৰাজাসবক গায়ে গায়ে বাণ প্ৰহাৰি হৃদয় ভেদল। কাহু কাহু ৰাজাক উৰু কৰ কাটি কাটি পেলায়ল। কাহুক বাহু কৰ্ণ ছেদল। অপৰ নৃপসব পৰম ভয়ে সমৰ ছোড়ি পলায়ল। (৫৪)

১৪১ শ্লোক॥ নিৰীক্ষ্য সাক্ষাদ্ৰামস্য বিজয়ং জনকো মুদা।
বিবাহবিধিনা ধীৰো ৰাঘৱায় সুতামদাৎ॥ (৫৫)

১৪২ সূত্ৰ ॥ তদনন্তৰ, ৰামচন্দ্ৰক পৰম বিক্ৰম দেখিয়ে, জনক ৰাজাক মনে পৰম আনন্দ ভেলহ। দূত পঠাই ৰাজা দশৰথক অতি সত্বৰে অনায়ল। ৰাজা দশৰথ পুত্ৰক বিক্ৰম সীতাক প্ৰাপ্তি শুনিয়ে, আসি কহু জনকক পৰম কৌতুকে আলিঙ্গি ধৰল। যৈচে নাচয়ে লাগল। ৰাজা জনক বিবাহক সম্ভাৰ মিলায়ল। বিশ্বামিত্ৰ কুশণ্ডি কৰিয়ে হোম আৰম্ভল॥

১৪৩ শ্লোক॥ ঋষিঃ নিৰীক্ষ্য সীতায়াঃ ৰূপলাৱণ্যমদ্ভুতম্।
পুলকাঙ্গঃ পপাতোৰ্ব্ব্যাং কামাৰ্ত্তো মূৰ্চ্ছিতো যথা॥

১৪৪ সূত্ৰ ॥ মুখচন্দ্ৰিকা কৰিতে সীতাক ভুৱন মোহন ৰূপ নিৰেখি, ঋষি কামে আতুৰ ভেলহ। হাতক শ্ৰুৱ স্ৰুচ খসি পৰল। শৰীৰ

---

৫৩ হামাৰ শকতি বুঝহ ৫৪ অপৰনৃপসব ভয়ে পলায়ল

৫৫ বিবাহে বিধিৱৎ বীৰো ৰাঘৱায় সুতামদাৎ

কম্পি মূৰুছি পৰল। তাহে পেখি শিষ্য গালবে প্ৰবোধ বোলল॥

১৪৫ গালৱ বোল॥

হে গুৰো, তোহাৰ কোন ব্যৱহাৰ, স্বস্থ হুৱ, স্বস্থ হৱ।

১৪৬ শ্লোক॥ ততশ্চেতনমালভ্য মুনির্মন্ত্ৰমুদৈৰয়েৎ

তদোদ্বাহবিধৌ তস্মিন্ উৎসৱঃ সুমহানভূৎ।*

১৪৭ সূত্ৰ॥ তদনন্তৰ মুনি চেতন লভিয়ে, বিষ্ণু বিষ্ণু স্মৰি, হাতে কুশ ধৰিয়ে, বিৱাহক হোম কৰাইতে লাগল। সোহি সময়ে বৰ কণ্যাক কেশ এক ঠাম কৰিয়ে পানী ঢালিতে ব্ৰহ্মা-ৰুদ্ৰ-ইন্দ্ৰাদি দেৱতাসৱ, যৈচন আনন্দ মিলাৱল, তা দেখহ, শুনহ, নিৰন্তৰে হৰি বোল হৰি।

১৪৮ গীত॥ ৰাগ সুহাই॥ জোতিমান॥

ধ্ৰুং॥ ৰঘুনাথ কৌতুকে কৰতু বিৱাহ।
সুৰপুৰ মিলল উৎসাহ॥

পদ॥ শম্ভু স্বয়ম্ভু গুণ গাৱে।
ইন্দ্ৰ মৃদঙ্গ ৰঙ্গে বাৱে॥
বৰিষে কুসুম সুৰ ৰামা।
পূৰল সব মনকামা॥

১৪৯ সূত্ৰ॥ ঐচন পৰম মঙ্গল আনন্দে সীতাক বিৱাহ দিয়ে, ৰাজা জনক যত সৰ্বস্ব পাৱল, সৱ ৰামক যৌতুক দেলহ। দশৰথ ৰাজাক বহুত সম্মান কয় অযোধ্যাক লাগি বৰ কন্যা পঠাৱল॥

১৫০ শ্লোক॥ ততোঽতিকৌতুকো ৰামঃ প্ৰিয়য়া সহ সীতয়া।

সসোদৰো মুদাভ্ৰাজদযোধ্যাম্প্ৰযযৌ পুৰিম্॥

১৫১ সূত্ৰ॥ তদনন্তৰ প্ৰিয়া সীতা সসোদৰ সহিত শ্ৰীৰামচন্দ্ৰ যৈচে

* প্ৰসঙ্গীয়া টোকা চাওক

অযোধ্যা চলল, হে লোক তা দেখহু, শুনহু, নিৰন্তৰে হৰি বোল হৰি ॥

১৫২ গীত ॥ ৰাগ তুৰ ভটিয়ালী ॥ জ্যোতিমান ॥

ধ্ৰুং ॥ কৰতু কৌতুক চলতু ৰময়া ৰমণী সঙ্গহি যাই।
নীল ঘন যচ বিজুৰি উৰ্জৰ কুঞ্জৰ গমনী মাই ॥
পদ ॥ কনক কঙ্কণ ঝণকে ঝমকে ঠমকে কয় লয় লাসা।
পিউক পেখি মুখ আখি মুদি ৰহু লজ্জিত ইষৎ হাসা ॥
মত্ত মাতঙ্গ সঙ্গে যৈচন তৰুণী কৰিণী আৰে।
জয় জয় ৰৱ চৌদিশে উৎসৱ কৃষ্ণ কিঙ্কৰে গাৰে ॥
১৫৩ শ্লোক ॥ ততঃ আগত্য তৰসা ভাৰ্গবো ভ্ৰুকুটিমুখঃ।
স্কন্ধে নিধায় কঠিনং কুঠাৰং ৰামমব্ৰবীৎ ॥
১৫৪ সূত্ৰ ॥ ঐচন মহোৎসৱে ৰামচন্দ্ৰ সীতায়ে সহিত চলৈচে তদনন্তৰ মহেশ গুৰুক ধনুভঙ্গ শব্দ শুনিয়ে পৰম ক্ৰোধে পৰশুৰাম প্ৰচণ্ড মূৰ্তি হুয়া কন্ধে কুঠাৰ ধৰি কহো ৰহ ৰহ বুলি ৰামচন্দ্ৰক আগবেঢ়ল ॥
১৫৫ পৰশুৰাম বোল ॥
আয়ে বেগুসিক (৫৬) পুত্ৰ। মেৰা গুৰুক ধনুভঙ্গ কয় তোহো কাহে যাৱ। পৰশুৰামক কথা তোহো জানয়ে নাহি। হামু একবিংশতিবাৰ ভূমি ভ্ৰমিয়ে সব ক্ষত্ৰিয়ক মুণ্ড মাৰল। সে শোণিতে কুঠাৰ মলিন ভেল। আঃ আজু তোহাৰ কন্ধ ৰুধিৰে পুনু নিকা কৰব ॥
১৫৬ সূত্ৰ ॥ ওহি বুলি বাহু কামুৰি পৰম চটি চপটি কৰিয়ে থিক'।
১৫৭ শ্লোক ॥ তন্নিশম্যাভৱস্তীতো ভয়াদ্দশৰথো নৃপঃ।
স্বস্কন্ধে বসনং বধ্বা ভাৰ্গৱস্ত পদেঽপতৎ ॥

৫৬ মগনীয়া, ভিখাৰী

১৫৮ সূত্ৰ ॥ পৰশুৰামক ঐচন ক্ৰোধ ভাৱনা পেখি ৰাজা দশৰথ প্ৰাণ অন্তৰীক্ষ ভেল। হা হা সৰ্বনাশ ভেলো বোলি, গলে কাপোৰ বান্ধি, ভাৰ্গৱক পায়ে পৰিচয় অনেক কাতৰ কয়ল ॥

১৫৯ দশৰথ বোল ॥

হে পৰশুৰাম প্ৰভু! হামাৰ পুত্ৰ ৰামচন্দ্ৰ বালক মতি। ইহাৰ দোষ মৰ গোসাঞী। তোহাৰি চৰণক দাস ভেলো। মাথে খেৰ ধৰো, হামাক পুত্ৰ দান দেহু। যব নাহি ক্ষমা কৰব তব পুত্ৰক ছোড়ি হামাৰ মাথা লেহু ॥

১৬০ সূত্ৰ ॥ ঐচন অনেক কাতৰ কয়ল। তবহু ভাৰ্গৱে ক্ৰোধে বহুত বোলয়ঁ। তাহে পেখি দশৰথ ৰাজা, হৃদয়ে মুঠি হানি বাহুৰি ৰামচন্দ্ৰক গলে বান্ধি ধৰি কহু বোলল ॥

১৬১ দশৰথ বোল ॥

হা পুত্ৰ! অন্তকক হাতে পৰল। তোহাৰি দৰশন আজু পৰিচ্ছেদ ভেল ॥

১৬২ সূত্ৰ ॥ ওহি বুলি দশৰথ বহুত বিলাপ কয়ল ॥

১৬৩ শ্লোক ॥ বিলোক্য ভাৰ্গৱং ভীতা সীতা বেপিত মানসা।
কৰোদ পতিমালিঙ্গ্য হাহতোস্মীতিবাদিনী ॥

১৬৪ সূত্ৰ ॥ তদনন্তৰ, কালান্তক প্ৰায় পৰশুৰামক নিৰেখি সীতাক শৰীৰ কাম্পে ॥

১৬৫ সীতা বোল ॥

হা হা, সকল গুণভাজন স্বামী হামাৰ, আজু কাহেক দেলহু। বিধি বিৰম্বন কি ভেল!

১৬৬ সূত্ৰ ॥ ওহি বুলি স্বামীক আলিঙ্গি ধৰি কহু, যৈচে বিলাপ কয়ল, তাহে দেখহ, শুনহ ॥

১৬৭ গীত ॥ ৰাগ গৌৰী ॥ জ্যোতিমান ॥

ধ্ৰুং ॥ হৰি হৰি ৰমণী কৰিয়ে পৰি মাই

পেখি পৰম পিউ জীৱ যৈচে যায় ॥

পদ ॥ পায়ল কত পুণ্যে পহু হামি।

হাতে হৰয় বিধি নব নিধি স্বামী ॥

নীৰ ঝুৰয়ে ফুকাৰয় ঘন শ্বাসা।

বঙ্ক বিধাতা কয়ল সব নাশা ॥

১৬৮ শ্লোক ॥ সন্তাপং প্রেক্ষ্য সীতায়াঃ ভক্তয়া ভক্তবৎসলঃ ;

প্রিয়াং প্রোবাচ পৰমাং পাণিনা মাৰ্জ্জয়ন্মুখম্ ॥

১৬৯ সূত্র ॥ ভক্তা সীতাক ঐচন পৰম সন্তাপ পেখিএ শ্রীৰামচন্দ্র হাতে প্রিয়াক মুখ মোচল। সপ্রেম বাণী বুলি আশ্বাস কয়ল ॥

১৭০ ৰাম বোল ॥

হে প্রিয়ে! ওহি বনবাসী ঋষিক দর্প দেখিয়ে তোহাৰি তৰাস মিলল। ওহি হামাকু আগ কোন পতঙ্গ। দেখু, এহি ক্ষণে দুষ্ট দ্বিজক দর্প চুৰ্ণ কৰব। হে প্রাণ প্রিয়ে! আজু কৌতুকে দেখহ ঋষিক মুণ্ড মুণ্ডহো।

১৭১ সূত্র ॥ তদনন্তৰ পুনৰ্বাৰ দশৰথ দর্শনে তৃণ ধৰিয়ে, পৰশুৰামক আগে পৰল ॥

১৭২ দশৰথ বোল ॥

হে ঋষিৰাজ, হামাক পুত্ৰ-দান দেহ। তোহাৰি পায়ৰে লাগু ॥

১৭৩ সূত্র ॥ তথাপি পৰশুৰাম দশন চৰ্পিয়ে ৰাজাক তৰ্জয়। আপুন কুঠাৰক ধিক্কাৰ কয় বোলল ॥ (৫৬)

১৭৪ পৰশুৰাম বোল ॥

অয়ে কুঠাৰ! ৰেণুকা মায়ক কন্ধ ছেদিতে তুহু পাৰল। আজু দশৰথ কুমাৰক প্রতি তুহু অতি শান্ত ভেলি। আঃ আজু তব তোহাৰ ধিক্কাৰ, হামাৰ ধিক্কাৰ ধিক।

১৭৫ সূত্র ॥ ওহি বুলি কুঠাৰ তুলি শ্রীৰামক নিৰেখি, ৰাহুত কামোৰ

৫৬ কোনো কোনো পুথিত লোপ।

দেলহু। মাথা ঝঙ্কাৰি কুঠাৰ ঊৰ্দ্ধক খেপিয়ে পুনু লুফি ধৰি ধৰি কহু কুঠাৰক নিৰেখি বাহুত কামোৰ দেলহু, শৰীৰ কাম্পে।

১৭৬ শ্লোক ॥ বিশ্বামিত্রস্তদাগত্য ভাৰ্গৱং প্ৰাহ কোপতঃ।
আৰে দ্বিজ কথাঙ্গাৰ মৎশিষ্যং হন্তুমিচ্ছসি ॥

১৭৭ বিশ্বামিত্ৰ বোল ॥

আয়ে দুষ্ট দ্বিজাধম! হামাৰ পৰম শিষ্য ৰামচন্দ্ৰ। আহেক বধোদ্যম তুহু ভেলি? অয়ে যত শকতি থিক, আজু হামাক যুদ্ধ দেহু। তোহাৰ দৰ্প চূৰ কৰব।

১৭৮ সূত্ৰ ॥ পৰশুৰাম মহা কোপে দণ্ড ধৰল বিশ্বামিত্ৰো দণ্ড ধাৱল। দুহু দণ্ড প্ৰহাৰক চোটে চূৰ ভেল। তদনন্তৰ চয়ড়ি ধৰিয়ে যুদ্ধ কয়ল। প্ৰহাৰ চোটে দুহু চয়ড়ি চিৰি পৰল। তদনন্তৰ বাহু যুদ্ধ কয়ল। দুহু দোহাক ধৰিয়ে পৰি বাগৰয়। দুহু ঋষিক পৰিধান চৰ্ম খসি পৰল। বিষ্ণুক অংশ অজয় বীৰ্য পৰশুৰাম, তাহেৰ পৰাক্ৰম সহিতে নাপাৰি, বিশ্বামিত্ৰ ভঙ্গ মানি, প্ৰাণৰক্ষা কৰি পলায়ল। পৰশুৰাম পুনৰ্বাৰ কুঠাৰ তুলি শ্ৰীৰামক গজয় ॥

১৭৯ শ্লোক ॥ লক্ষ্মণঃ প্ৰেক্ষ্য তদ্দৰ্পং ৰামমাহ সকোপতঃ।
আজ্ঞাপয় বধে চাস্য দুৰ্জ্জনস্যাততায়িনঃ ॥

১৮০ সূত্ৰ ॥ ঋষিক পৰম দৰ্প দেখিয়ে, লক্ষ্মণ কোপে বস্ত্ৰ কাচি কছু, ৰামক প্ৰণাম কয় বোলল ॥

১৮১ লক্ষ্মণ বোল ॥

হে ৰঘুনাথ, ওহি আততায়ি দুষ্ট দ্বিজক বধে কোন দোষ থিক। হামাক আজ্ঞা কৰহু। আহেক প্ৰাণ চোৰাওঁ।

১৮২ সূত্ৰ ॥ ওহি বুলি ধনুক টঙ্কাৰি ঋষিক সন্মুখ হোই লক্ষ্মণ দশৰথক বোলল ॥

---

৫৭ তদদৰ্পং ৫৮ আহেৰ মণ্ড মাৰো

১৮৩ লক্ষ্মণ বোল ॥

হে পিতা, ওহি ক্ষত্রিয় ঘাতকী, পৰম পাতকীক কত কাতৰ কৰৈচ, সত্বৰ অন্তৰ হুয়, আহেৰ মুণ্ড মাৰো ॥

১৮৪ সূত্ৰ ॥ তাহে পেখি ৰাম হাসি হাসি লক্ষ্মণক পাচু কয় বোলল ॥

১৮৫ ৰাম বোল ॥

অয়ে ভয়াই, তুহু বালক! ৰহ ৰহ। ওহি দুষ্ট দ্বিজক হামু দণ্ড কৰবো। তুহু সুখে যুদ্ধ দেখহ ॥

১৮৬ শ্লোক ॥ ধনুঃ টঙ্কাৰমকাৰোদ্ভার্গৱং ভীষয়ন্প্রভুঃ।

তিষ্ঠ তিষ্ঠেতি তম্প্ৰাহ নয়াম্যদ্য (৫৯) যমালয়ম্ ॥

১৮৭ সূত্ৰ ॥ শাৰঙ্গ টঙ্কাৰ কয়কহু শ্ৰীৰামচন্দ্ৰ পৰশুৰামক সন্মুখ হুয়া বোলল ॥

১৮৮ ৰামচন্দ্ৰ বোল ॥

অয়ে দুষ্ট দ্বিজাধম ! ক্ষত্ৰিয় সব মাৰি তুহু গৰব কৰৈচ। তোহাৰ মাতা ৰেণুকাক কাটি পাপ আচৰল। সোহি কথা কহিয়া কি হামাক ভিতি দেখায়। ৰহ ৰহ, আজু তুহু যমপুৰ দেখব। যত শকতি থিক হামাক সমুখ হুয়া ৰহ ॥

১৮৯ সূত্ৰ ॥ আহে সামাজিক! শ্ৰীৰামক ধনুক টঙ্কাৰে পৰশুৰামক হৃদয় বিদাৰল। পৰম ত্ৰাসে সব শৰীৰ কাম্পে। হাতক পৰশু খসি পড়ল। প্ৰাণক কাতৰে যৈচে পলায়ল, আহে লোক তা দেখহ।

১৯০ গীত ॥ ৰাগ কানাড়া ॥ জ্যোতিম্মান ॥(৬০)

ধায়ে ধৰি শাৰঙ্গ ৰঘুনাথ। ত্ৰাসে ঋষিক কম্পয় পায় হাত॥
পৰশু খসল দূৰ ভেল ৰাগ। পৰল দণ্ডৱতে ৰামক আগ ॥
ৰাখহু তোহাৰি অংশ হামু ৰাম। দশন ধৰু খেৰ পৰিণাম (৬১) ॥

---

৫৯ নেষ্যামদ্য ৬০ পৰিতাল / ৰূপকতাল

৬১ দশনে ধৰো খেৰ কৰো পৰণাম ॥

১৯১ সূত্ৰ ॥ পৰশুৰাম শ্ৰীৰামক আগে পৰিয়ে বহুত কাতৰ কয় বোলল ॥

১৯২ পৰশুৰাম বোল ॥

হে প্ৰভু শ্ৰীৰাম। তুহু পৰম ঈশ্বৰ। হামু তোহাৰি অংশ। ইহা নজানি দৰ্প কয়লো। হামাৰ দোষ মৰষ গোসাঞী ॥

১৯৩ সূত্ৰ ॥ ভাৰ্গৱক কাতৰ পেখি, লক্ষ্মণ-সীতা দুহু বহুত হাস্য কয়ল। শ্ৰীৰাম বিহসি বোল ॥

১৯৪ শ্ৰীৰাম বোল ॥

হে ভৃগুপতি ৰাম। হামাৰ পৰম অমোঘ বাণ তোহাৰি বধ নিমিত্ত উদ্যত ভেল। ইহাক সম্বৰণ কৰিতে নপাৰি।

১৯৫ সূত্ৰ ॥ ওহি বুলি বাণ আকৰ্ণ পূৰল। পৰশুৰাম দশনে খেৰ লৈয়া তৰাসে (৬২) পৰি কাম্পে।

১৯৬ পৰশুৰাম বোল ॥

হে স্বামী! তোহাৰ ধৰ্মক পুত্ৰ ভেলো। হামাক প্ৰাণ দান দেহু ॥

১৯৭ শ্ৰীৰাম বিহসি বোল ॥

অয়ে ভাৰ্গৱ! তুহু নিৰ্ভয়ে ৰহু। তোহাৰি জীৱ ৰাখল। কিন্তু হামাৰ বাণ ব্যৰ্থ নোহে। তোহাৰি স্বৰ্গপথ চেদ কৰহোঁ।

১৯৮ সূত্ৰ ॥ ওহি বুলি শ্ৰীৰাম গগনক লাগি বাণ ক্ষেপল ॥ পৰশুৰাম শ্ৰীৰামক আলিঙ্গি বোলল ॥

১৯৯ পৰশুৰাম বোল ॥

হে বাপ, তোহাৰি প্ৰসাদে আজু প্ৰাণ ৰহল। আঃ পুনৰ্বাৰ উপজল ॥

২০০ সূত্ৰ ॥ ওহি বুলি পৰশুৰাম তপোবনে প্ৰৱেশল ॥

২০১ শ্লোক ॥ নিৰ্জিত্য ভাৰ্গৱং ৰামং প্ৰিয়য়া সহ ৰাঘৱঃ।
পুৰীং অযোধ্যামাৱিশৎ মাতৃভিঃ সম্প্ৰৱেশিতঃ ॥*

২০২ সূত্ৰ ॥ হে সামাজিক! ভাৰ্গৱক জিনিয়ে শ্ৰীৰামচন্দ্ৰ প্ৰিয়ায়ে সহিতে

---

৬২ দশ নখ মুখে লৈয়া তৰাসে

* প্ৰসঙ্গীয়া টোকা দ্ৰষ্টব্য

অযোধ্যাপুৰ প্ৰৱেশল। ৰামক মাতা কৌশল্যা শ্ৰীৰামক বিজয় বাত শুনিয়ে, অনেক স্ত্ৰীসব সহিত, পৰম মঙ্গল গীত আনন্দে বাজনা বজাই, বৰ কন্যাক হাত এক ঠাম ধৰি কহু, মহোৎসৱে, গৃহ প্ৰৱেশ কৰাৱল। আসনে বৈঠাই ৰামক সীতাক মাথে দুৰ্বাক্ষত সিঞ্চাৰি আশীৰ্বাদ কয় কহো পৰম উৎসুকে কৌশল্যা আনন্দে নৃত্য কয়ল। ৰামক ঐচন বিৱাহ মহোৎসৱ সম্পূৰ্ণ ভেল॥

২০৩ শ্লোক॥ ভৃশং হৃষ্টমনা ৰামঃ সম্প্ৰাপ্য পৰমাংপ্ৰিয়াম্।
তয়া কুৰ্ব্বন কামকেলিং ৰেমে মণিময়ে গৃহে॥

২০৪ সূত্ৰ॥ ত্ৰিভুৱন মোহিনী পদুমিনী জানকী সীতাক লভি কহু, শ্ৰীৰামচন্দ্ৰ আনন্দে মগন হয়া মণিময় মন্দিৰে প্ৰৱেশিয়ে, সীতায়ে সহিত, যৈচন পৰম কামকেলি কয় ৰহল, তা দেখহ, শুনহ, নিৰন্তৰে হৰি বোল হৰি॥

২০৫ গীত॥ ৰাগ কল্যাণ॥ থৰমান॥

ধ্ৰুং॥ এ কক ৰময়া, কক ৰময়া ৰস কেলি।
কাঞ্চুৰ চোৰ ফোৰ কুচ চুম্বুক (৬৩)
ৰতি কৌতুক কৰাৱলি॥

পদ॥ নৱ বধু (৬৪) ধৰিয়ে অধৰ মধু ধঞ্চল
লোচন মুদি ৰহু মাই।
কৰত সুৰত মত্ত মাতঙ্গ গামিনী
কামিনী যামিনী যাই॥
চঞ্চৰ চিকুৰ নিকৰ কৰ কঙ্কণ
ঝণকিত ৰতনকু মালা।
শ্ৰমজল বিন্দু ইন্দু মুহ শোহে
মোহে পৰল বৰ বালা॥

৬৩ চুচুক, কুচ কুচ. ৬৪ কামৰঙ্গ, পৰমৰসে

পৰম ৰসিক গুৰু শ্ৰী গুণধ্বজ
ৰাজা নৃপতি প্ৰধানা।
জয়তু জয়তু নিত্য ঈশ্বৰ কৃষ্ণক
কেলি লীলা ৰস জানা॥

২০৬ সূত্ৰ ॥ ঐচন পৰম কামৰস (৬৪) কেলি কয় সীতাক মনোৰথ পূৰি ৰামচন্দ্ৰ অনুদিনে আনন্দ মন্দিৰে ৰহল॥

২০৭ শ্লোক॥ শ্ৰীৰাম বিজয়ান্নাম নাটকং পূৰ্ণতাঙ্গতম।
শ্ৰীকৃষ্ণ পাদপদ্মস্য প্ৰসাদেন সুনিশ্চিতম্॥

২০৮ সূত্ৰ ॥ শ্ৰীকৃষ্ণ পাদপদ্ম প্ৰসাদত ৰামবিজয় নাম নাটক সম্পূৰ্ণ ভেল ॥

২০৯ মুক্তি মঙ্গল বক্তব্যং ॥ (মুক্তিমঙ্গল)॥ ভটিমা

জয় জয় ঈশ্বৰ ৰাঘৱ ৰাম।
পূৰল যো জানকী মনকাম॥
জগ জন জীৱন সোহি মুৰাৰি।
মুকুতি মঙ্গল কৰতু গোহাৰি॥

যোহি পালি পিতাকেৰি আশ।
সীতা সহিতে খপল বনবাস॥
সাধল যজ্ঞ যো ৰাকচ মাৰি।
সোহি কৰতু নিত্য মুকুতি তোহাৰি॥

বালী ঘালি যো সুগ্ৰীৱক পাট।
দেলহ,—যো লৈয়া বানৰক ঠাট॥
বান্ধল সেতু পয়োধিক বাৰি।
সোহি কৰতু নিত্য মুকুতি তোহাৰি॥

ঠাটে চৌদিশ বেঢ়ল লঙ্কা।
ৰাকচ লোক মিলাৱলি শঙ্কা॥

ছেদল যো ৰাকচ ৰাৱণ কেৰি মাথ।
মুকুতি কৰতু সোহি ৰঘুনাথ॥

আৱল সঙ্গে বানৰক ঠাট।
ৰাজা ভেলি অযোধ্যাক পাট॥
যো জানকী মন পূৰল মুৰাৰি।
মুকুতি মঙ্গল কৰতু তোহাৰি॥

ৰামক পৰম ভকতি ৰস জানা।
শ্ৰীশুক্লধ্বজ নৃপতি প্ৰধানা॥
ৰামবিজয় যো কৰাৱত নাট।
মিলহু তাহেক বৈকুণ্ঠক বাট॥

ৰামক চৰণ শৰণ লেহু জানি।
'সব অপৰাধক মৰষ তুহু স্বামি॥
কৃষ্ণক কিঙ্কৰ শঙ্কৰ বোল।
কৰ নৰ অব সব হৰি হৰি বোল॥

শ্লোক॥ শ্ৰীগোপালপদচ্ছত্ৰচ্ছায়ালালসমানমঃ।
বিন্দুৰন্ধ্ৰ ৱেদচন্দ্ৰশাকে শঙ্কৰ সংজ্ঞকে॥
শ্ৰীৰামবিজয়ং নাম নাটকং বিদধেহধুনা।
ৰাম বিজয় নাম নাটোহয়ং সম্পূৰ্ণম শ্ৰীকৃষ্ণ পাদ-প্ৰসাদতঃ॥

[ বিন্দু-০, ৰন্ধ্ৰ-ন, ৱেদ-৪, চন্দ্ৰ-১ -১৪৯০ শক ]

# নাটকেইখনিৰ শব্দাৰ্থ আৰু প্ৰসঙ্গীয়া টীকা

# পত্নীপ্ৰসাদ

নামকৰণ : সংস্কৃতত পত্নীবাচক শব্দ কেইটামান হ'ল : পত্নী, দাৰা, ভাৰ্যা, জায়া, জানী। পতি শব্দৰ স্ত্ৰীলিঙ্গ (ঈ-প্ৰত্যয়) পত্নী। আচলতে হ'ব লাগে 'পতী'। 'ন' কাৰ আৰ্য প্ৰয়োগ। "পত্যাসহ যজ্ঞ বিয়াহ সম্বন্ধৱতী পত্নী।" পতিৰ সৈতে যজ্ঞ বিয়াহত সম্বন্ধ হৈছে যাৰ এই অৰ্থত পত্নী শব্দৰ ব্যৱহাৰ।"

"ঋকবেদত পত্নী বুজোৱা তিনিটা শব্দ ওচৰা-উচৰিকৈ ব্যৱহাৰ কৰা হৈছে—জায়া, জানী, পত্নী। জায়া—পতিৰ প্ৰেমৰ পাত্ৰী। জানী= সন্তানৰ জননী। পত্নীৰ অৰ্থ যজ্ঞকাৰ্যত 'অংশগ্ৰহণ কাৰিণী'। — এই নাটত সেয়েহে শ্ৰীকৃষ্ণই দ্বিজপত্নী সকলক উভতি গৈ যজ্ঞকাৰ্য সম্পন্ন কৰাত ভাগ লবলৈ কৈছে। দাৰা=তিৰোতাই স্বামীৰ ভাই-ককাইৰ মাজত বিভেদৰ সৃষ্টি কৰা কাৰণে 'দাৰা'। পত্নীসকলে ভগৱানৰ কৃপা লাভ কৰাৰ যোগেদি পতিসকলেও এই কৃপা লাভ কৰিলে,— সেই অৰ্থত নাটৰ নাম 'পত্নীপ্ৰসাদ'।

১ লক্ষ্মীওক=লক্ষ্মীৰ বাসস্থান। ভীভঞ্জকে=ভয় দূৰ কৰ (কোনো কোনো পাঠত থকা 'ভৱ ভয়া ভঞ্জকে'ৰ ঠাইত এই শুদ্ধ পাঠ গ্ৰহণ কৰা হৈছে। দনুজ-শ্ৰীকচ্ছিদাগৰ্ব্বিত=দানৱসকলৰ শ্ৰীগৰ্ব্ব ধ্বংস কৰা। পদ্মামোদন=লক্ষ্মীক আনন্দ দিয়া। সুন্দৰেন্দু দলিত প্ৰায় প্ৰকাশ=সুন্দৰ চন্দ্ৰকো (কান্তিকো) ম্লান কৰি যাৰ প্ৰকাশ। ভোগব্যালবলেপ=সৰ্পৰ ফণাৰ বলৰ গৰ্ব। বিষমেয়োঽন্নামৃতং =বিষম+ইত্+নঃ+অন্নামৃতং=বিষমে=বিপদত। নঃ=আমাক। অন্নামৃত =অন্নৰূপ অমৃত। [ 'ইত্' ছন্দৰ কাৰণে আৰু জোৰ বুজাবলৈ ব্যৱহাৰ কৰা উপসৰ্গ=emphatic particle. ]

পাঠান্তৰৰ শ্লোক : বাষ্ণেয়=বৃষ্ণি বংশজ। ভাৱনাসু=ভাৱনাত দহনাৎ-পবৰ্গবীৰ্য=অপবৰ্গ (মুক্তি) দিব পৰা ক্ষমতা যুক্ত। অগ্ৰজ বংশ দহনা= উপৰি পুৰুষসকলৰ বংশ দহন কৰিলে (অপবৰ্গ বীৰ্যেৰে)।

২ পূতনাক···নিৰযান—পূতনা ৰাক্ষসীক মুক্তি দিয়া । নিৰ্যান=নিৰ্গমন, মুক্তি। নিধান আধাৰ । জগত নিধান=জগতৰ আধাৰ । নিজজন —ভক্তসকলক । পুৰুষ পুৰাণ—পুৰণি পুৰুষ=আদি দেৱতা । অজ —যাৰ জন্ম নাই । হংস=বিষ্ণুৰ এটা নাম । অঘ, বক, কেশী—কংসই কৃষ্ণক বধ কৰিবৰ কাৰণে পঠোৱা অসুৰ (কেলি-গোপালৰ টোকা চাওক) । বিপিন বন। মদ=অহংকাৰ। মদ ইন্দ্ৰক··· —দেৱৰাজ ইন্দ্ৰৰ অহংকাৰ চূৰ্ণ কৰা। [গোবৰ্দ্ধন ধাৰণৰ কাহিনীৰ উল্লেখ] ৰমণীক···অনঙ্গ—ৰাসক্ৰীড়াত গোপৰমণীৰ যি কামনা পূৰ্ণ কৰিলে। অনঙ্গ—কামদেৱ, ( ইয়াত কাম-কেলি বুজাইছে । ) ৰজক-ধোবা [ কংসৰ ধোবাক চৰ মাৰি মূৰ চিঙে কৃষ্ণই] তচ্—তাৰ। বিস্ত্ৰ—পোন। কুবুজী—কংসৰ চন্দন যোগাতী কুঁজীক শ্ৰীকৃষ্ণই হাতেৰে টানি পোন কৰে । জয় শ্ৰীৰাম—ৰামচন্দ্ৰ যদিও নাৰায়ণৰ প্ৰধান দহ অৱতাৰৰ এক অৱতাৰ, তথাপি ভাগৱতত ৰাম-কৃষ্ণক অভেদ দেখুৱা হৈছে। বৈষ্ণৱ সকলৰ কাৰণে ৰাম-কৃষ্ণ অভেদ । ইয়াত 'কৃষ্ণ' অৰ্থত ব্যৱহাৰ হৈছে। সুদামৰ কাহিনী কৃষ্ণাৱতাৰৰ লগতহে জড়িত। জয় শ্ৰীৰাম ..পূৰল কাম—ভকত সদামৰ ঘৰলৈ গৈ ( তনিকৰ ঠাম—তনিকৰ থান ) তেওঁক ৰৰদি মনৰ কামনা পূৰ্ণ কৰিলে। ভাঙ্গল চাপ—কংসৰ ধনু ভঙ্গ কৰাৰ কথা উল্লেখ কৰিছে। প্ৰমত্ত মাতঙ্গ কুবলয়পীড় নামৰ হাতীটোৰ কথা। ৰঙ্গ ৰঙ্গশাল (কংসৰ)। পিতাকেৰি বন্ধ=বসুদেৱক (দৈৱকীকো) কংসৰ বন্দীশালৰ পৰা মুক্ত কৰে। পিতাকেৰি-পিতাকৰ। লোই—লোক, সভাসদ। মোই=মোৰ। কোই কোনো। নিগম কুমাৰ বেদৰ কুমাৰ। উতাৰ—পাৰ। (উত্তৰণ)। তেজু - ত্যাগ কৰা। তথি তাত [তাত আশা ত্যাগ কৰা।] প্ৰসাদ—অনুগ্ৰহ, কৃপা।

৪ পৰবেশ—প্ৰৱেশ, সোমোওৱা। ক্লেশ—কৃশ—ক্ষীণ। চৰাচৰ=হুবহুৰ=পথলীয়া।

৭ অশোক মূলে—অশোক গছৰ গুৰিত (তলত অৰ্থত)। গোচৰ=অভিযোগ।

১৪ চন্দ্ৰভাৰতী—পঠাভৰত থকা চণ্ডভাৰতী নামটোহে এই ক্ষেত্ৰত খাপ খোৱা হ'ব যেন লাগে। চণ্ড—খণ্ডাল। এওঁ এজন খণ্ডাল ব্ৰাহ্মণ। ভূ-দেৱতা—পৃথিৱীৰ দেৱতা। মূল ভাগৱতত এই শব্দটো গোপ বালকসকলেহে ব্যৱহাৰ কৰিছিল।

"হে ভূমিদেৱা : শৃণুত কৃষ্ণস্যাদেশ কাৰিণঃ

প্ৰাপ্তাঞ্জানীতঃ ভদ্ৰং বো গোপান্নো ৰামচোদিতান্" ।

নাটত 'গুৰুসব' সম্বোধনটো নাট্যকাৰৰ সৃষ্টি। সমাজত ব্ৰাহ্মণসকলক 'গুৰো' সম্বোধন কৰাৰ নিয়ম প্ৰচলিত আছিল ।

মূলত 'শুকসৰ'ৰ ঠাইত 'হে ধৰ্মবিত্ত দ্বিজ সকল' বুলি দ্বিতীয়বাৰত সম্বোধন কৰিছে। প্ৰথমবাৰত 'হে ভূমিদেৱতাসকল' বুলি সম্বোধন কৰে।

তাৰ উপৰি চন্দ্ৰভাৰতীৰ এই প্ৰত্যুত্তৰ মূল ভাগৱত আৰু দশমৰ পদ-ভাঙনিতো নাই। তেওঁলোকে বালকসকলৰ প্ৰাৰ্থনাৰ 'দিবো বা নিদিবো একো নেদত সিদ্ধান্ত' (দশম)।

১৮ হেন অবৈষ্ণৱ থানে মূল ভাগৱতত 'অবৈষ্ণৱ' শব্দটো গোপবালকে ব্যৱহাৰ কৰা নাছিল। তাৰ ঠাইত দ্বিজসকলক 'ৱালিশা বৃদ্ধমানিন' (মূৰ্খ, জ্ঞান বৃদ্ধ বুলি অভিমানী) বুলি কৈছে। নাটত আৰাসৱ পৰম মূৰুখ' বুলি বালক-সকলে কোৱাকুই কৰিছে। কৰ্ম গৰ্বে পৰম দাম্ভিক মূলৰ 'জ্ঞান বৃদ্ধ বুলি অভিমানী' ভাৱৰ প্ৰকাশক।

২০ কোননো প্ৰাৰ্থকে···পৰাভৱ প্ৰাৰ্থকৰ পৰাভৱ থাকেই, অৰ্থাৎ (সকলো ঠাইতে) প্ৰাৰ্থকে প্ৰাৰ্থিলেই বস্তু নাপায়।

২১ কৰ যোৰি নমস্কাৰ কয় হাতযোৰ কৰি নমস্কাৰ কৰি। পয়াৰত, 'জানু পাৰি' (আঁঠু কাঢ়ি) 'দশমত' 'জানুপাৰি নমস্কাৰ কৰি। (আঁঠু কাঢ়ি নমস্কাৰ কৰি) হে মাতাসৱ – মূলত 'মাতাসৱ' সম্বোধন নাই, আঁঠু কঢ়াও নাই। 'নমো ৱো বিপ্ৰপত্নীভ্যো (নমো বিপ্ৰপত্নী সৱ শুনা অভিপ্ৰায়' – দশম।)

২৪ হে বালক সৱ···চক্ষুৱে দেখৱ? ছপানাট আৰু মই চোৱা দুই এখন পুথিত প্ৰশ্নবোধক চিন (?) নাই, পূৰ্ণবিৰতিৰ চিন (।) হে আছে। প্ৰকৃততে এইটো গোপবালকসকলৰ প্ৰতি বিপ্ৰপত্নীসকলে সোধা প্ৰশ্নহে। সেই কাৰণে প্ৰশ্ন-বোধক চিন দিয়া হৈছে। এই প্ৰশ্নৰ উত্তৰত বালকসকলে কৈছে, "আঃ দেখৱ।"

২৬ পৰম সুগন্ধি অন্ন ব্যঞ্জন মূলত 'বহুগুণম্ অন্নম্' (বিভিন্ন ৰস আৰু গন্ধযুক্ত খাদ্য)। বহুবিধ ষড়ৰস মূলত 'চতুৰ্বিধম্' (চৰ্ব, চোষ্য, লেহ্য, পেয়) পয়া পনা (পিঠা-পনা)। পয়া বা পনা টেকেলি মুখত দিয়া পিঠা বা ভাপত দিয়া পিঠা বুলি নতুন কমলাবাৰী সত্ৰৰ বুঢ়াভকত শ্ৰদ্ধেয় শ্ৰীযুত দেৱেন্দ্ৰনাথ বায়ন আতাই জনায়। পনস অভিধানত আৰু মেথি ডাঙৰীয়াৰ দ্বাৰা সম্পাদিত 'অঙ্কাৱলী'ত কঁঠাল বুলি দিয়া আছে। শুক্লচেনি = চেনি অসমৰ বাহিৰৰ পৰা তীৰ্থযাত্ৰীসকলেহে আনে। শঙ্কৰদেৱেও প্ৰথম তীৰ্থ যাত্ৰা কৰি আহোঁতে চেনি আনিছিল। [ এই খাদ্য-তালিকা দশমৰ পদ-ভাঙনিত আৰু দীঘলীয়া। এই সকলো নাট্যকাৰৰ নিজা মূলত নাই। সেই সময়ত সমাজত প্ৰচলিত জা-জলপানৰ তালিকাখনৰেই এয়া প্ৰতিনিধি।]

২৭ সতী=বিপ্ৰপত্নীসকল কৃষ্ণক চাবলৈ সুখাদ্য সম্ভাৰ লৈ যোৱাৰ বৰ্ণনা থকা এই গীতত বিপ্ৰপত্নীসকলক নাট্যকাৰে দুঠাইত 'সতী' বিশেষণেৰে বিভূষিত কৰিছে। কিন্তু ইয়াৰ ঠিক পিছতে ব্ৰাহ্মণসকলে তেওঁলোকক নিষেধ কৰা বাক্যত তেওঁলোকক 'ভ্ৰষ্টা' (নষ্ট) আখ্যা দিছে । পাঠান্তৰৰ 'নষ্ট' শব্দও 'ভ্ৰষ্ট' শব্দৰ লগত একাৰ্থবোধক।

৩১ আগি=অগ্নি, জুই । বন্ধু বিয়োগ আগি=প্ৰাণবন্ধু ভগৱন্তক দেখিবলৈ নোপোৱা অৰ্থতে 'বিয়োগ' শব্দৰ ব্যৱহাৰ হৈছে। গতি--মুক্তি। ভগৱন্তক দেখিবলৈ নাপায় যি গৰাকী ব্ৰাহ্মণীয়ে প্ৰাণ ত্যজিলে সেই গৰাকী সতীয়ে মুক্তি লাভ কৰিলে বুলি নাট্যকাৰে গীতত কৈছে।

৩৩ ভটিমা॥ অশোক বন মহ=অশোক বনৰ মাজত। কিন্তু আগতে অশোক বনৰ কথা কোৱা নাছিল, অশোক গছৰ তলত বুলিহে কৈছিল। মহ=মাজত, মধ্যত। দ্বিজ কুমাৰী=প্ৰকৃততে দ্বিজপত্নী। কুমাৰী বুলিলে দহৰ পৰা ষোল্ল বছৰীয়া অবিবাহিতা ছোৱালী বুজায়। ভথি=ভাত। নৱঘন—নতুন ডাৱৰ। ইন্দু=চন্দ্ৰ। [কোটি ইন্দুক নিন্দা কৰা মুখৰ বিকাশ।]বন্দুলি=এবিধ ৰঙা সৰু ফুল। অধৰ=তল ওঁঠ। ভান্তি=উজ্জল হৈ থকা। পাঠান্তৰৰ 'ভ্ৰান্তি'ৰ অৰ্থ হ'ব 'ভ্ৰম'। 'নাক টোক তিল-ফুল বুলি ভ্ৰম হয়'। ওতিম=উত্তম। মোত্তিম=মোতিম=মুকুতা। দশনকু= দশনৰ, দাঁতৰ । অৰুণ নয়ন=ৰঙচুৱা চকু। [ হাতৰ তলুৱা, নখ, ভৰিৰ তলুৱা, চকু আৰু অধৰ,=শ্ৰীকৃষ্ণৰ এই পাঁচ অঙ্গ ৰঙচুৱা। মহাপুৰুষৰ লক্ষণ। পঙ্কজ পাতা=পদুমৰ পাহিৰ( দৰে )। পাহিবিলাকৰ দুই মূৰ চিঁয়া, মাজ অংশ বহল। ৰুচিকৰ কৰ দুহুঁ—ৰুচিকৰ=শোভন, সুন্দৰ। কৰ=হাত (ইয়াত হাতৰ তলুৱা বুজাইছে)। দুহুঁ=দুইটা উতপল ৰাতা=ৰঙা (ৰাতা) পদুম। ময়ুৰ পুচ্ছ=ম'ৰাৰ পাখি, শিখণ্ডক। অলক=গালৰ ওপৰেদি বাগৰি অহা কেকোৰা চুলি। কপোল=গাল। অলক কপোল=গালত পৰি থকা অলক। কপালৰ ওপৰেদি বাগৰি অহা কেঁকোৰা চুলিক 'ভ্ৰমৰক' আৰু গালৰ ওপৰেদি বাগৰি অহা কেঁকোৰা চুলিক 'অলক' বোলে। কাণৰ ওচৰেদি ওলোমাই দিয়া চুলিক 'কাকপুচ্ছ' বা 'কাকপক্ষ' বোলা হয়। উতপল্ল=উৎপল। ডোল=দোল =দুলি থকা, ওলমি থকা। মোলান=মৃণাল, পদুমৰ ঠাৰি। ৰতন মোলান=ৰত্নেৰে গঢ়া পদুমৰ ঠাৰি [যেন]। গেৰু=মালা। মেখলা=কঁকালত পিন্ধা অলঙ্কাৰ। পুৰুষ আৰু তিৰোতা উভয়ে পিন্ধা। সোহে=শোভে।

মাটিলোটে=মাটিত লেটি লৈ যোৱা, পেবোৱা লেটা। পাত=পাট। ধুতি=চুৰিয়া। পীত=হালধীয়া। কোৰ=কোহ। মঞ্জিৰ=নূপুৰ। ঘোৰ=শব্দ। মাণিক উৰ্বতি=মাণিকৰ দৰে জেউতি। নখচয় চান্দ=নখবিলাকত চন্দ্ৰ। আৰকত=আৰক্ত, ৰঙা। পেখি=দেখি। যৱ, পঙ্কজ, ধ্বজ অংকুশ=যৱধান, পদ্মম ফুল, পতাকা (বজ্ৰ) আৰু অংকুশ, এই পাঁচ চিহ্ন কৃষ্ণৰ ভৰিৰ তলুৱাত আছে। নটবৰ=শ্ৰেষ্ঠ নট। নিশেষ=সকলোবিলাক। লীলাপদ্ম=হাতত খেলিবলৈ লোৱা পদ্ম, হাতেৰে ঘূৰাই থকা পদ্ম, নীলপদ্ম—নীলৰঙৰ পদ্ম। দণ্ড পৰণাম=দণ্ডৱতে (মাটিত পৰি) প্ৰণাম। অষ্টাঙ্গে সেৱা। উপাম=উপমা [ইয়াত অনুপম অৰ্থ বুজাইছে।]

৩৪ শ্যামং হিৰণ্য পৰিধিং........অজ্ঞ হাসং ॥ 'পত্নীপ্ৰসাদ' নাটৰ এইটোৱে দ্বিতীয় আৰু শেষ শ্লোক। শঙ্কৰদেৱৰ নাটসমূহৰ সকলো শ্লোকৰ ভিতৰত এইটোৱে ভাগৱতৰ পৰা অনা একমাত্ৰ শ্লোক। বাকী নিজৰ ৰচনা। (শ্ৰীমদ্ভাগৱত ১০।২৩।২২) হিৰণ্য পৰিধি=সোণালী জেউতি। বনমাল্যবহ=বনমালা পিন্ধা। ধাতু প্ৰৱাল=প্ৰৱাল ধাতু (প্ৰৱাল আদি ধাতুৰে সজ্জিত) অংশ=কান্ধ। অনুব্ৰত=বিশ্বস্ত, ভক্ত। ইতৰেণ=আন হাতেৰে। বিনস্ত হস্তং=হস্ত স্থাপন কৰি। ধুনান -লৰাই থকা। অজ্ঞং=পদ্মম।

৩৫ কহু—স্বাৰ্থিক প্ৰত্যয়। 'ও' অৰ্থত (নগনি কহু নগনিও) ব্যৱহাৰ কৰা হৈছে।

৩৮ কতিনা—কতনো। চম্ন—ছদ্ম, আঁৰবেৰ। নাইবা আচম্ন কৰা অৰ্থত বুজাব পাৰে। গৃহ, পতি আদিৰ প্ৰতি মন বিষম কৰি তেওঁলোকক ত্যাগ কৰি অহাৰ পিছত আকৌ উভতি যাবলৈ কৈ তেওঁলোকৰ প্ৰতি আমাৰ মন মায়াৰে আবৰি নেপেলাবা—এনে অৰ্থত।

৩৯ বেদত শাস্ত্ৰত=বেদত আৰু অন্যান্য ধৰ্মশাস্ত্ৰত। শুনৈছি=শুনিছোঁ। [যিহেতু তিৰোতাৰ বেদত অধিকাৰ নাই, গুৰুগৃহত থাকি শাস্ত্ৰ অধ্যয়ন নকৰে পতিকে স্বামী, পুত্ৰসকলৰ পৰাহে দ্বিজ পত্নীসকলে শুনিছে।]

৪১ দেৱতাসৱক বাক্যে প্ৰমাণ লৱ—( শ্ৰীকৃষ্ণৰ বাক্যত প্ৰত্যয় নোযোৱাত দেৱতা-সৱক প্ৰত্যক্ষ কৰাই শ্ৰীকৃষ্ণৰ বাক্যকে দোহৰাই প্ৰমাণ দিলে । কিন্তু দেৱতাৰ বচনত তেওঁলোক প্ৰত্যয় নগ'ল। মানি লোৱা হ'লে দেৱতাক শ্ৰীকৃষ্ণতকৈ ডাঙৰ দেখুওৱা হ'লহেতেন। তেওঁলোক শ্ৰীকৃষ্ণৰ পৰীক্ষাত উত্তীৰ্ণ হ ল, শ্ৰীকৃষ্ণই তেতিয়া হাঁহি মাৰি (বিহসি) তেওঁলোকক শ্ৰৱণ-কীৰ্ত্তন ভক্তিৰ মহিমা বুজালে।]

৪৭ মোহে=মোক, (আমাক) আগিয়া -ভূই। লহু লহু=লাহে, লাহে (যাওঁ-নাযাওঁকৈ) নয়ন ঘুৰাই - চকুৰ লোতক পৰে। বহুৰি=ঘূৰাই, উভতি। বহুৰি নয়ন চকু ঘূৰাই। কমললোচন পদ্মলোচন (কৃষ্ণ)। কতিহু - ক'ত, কোনোবা ফালে। [মাজে মাজে বৈ আকৌ খোজ দিয়া অৰ্থত ইয়াত ব্যৱহৃত হৈছে।]

৪৯ হে মিশ্র,··· ···ভাৱতি সেই সময়ৰ অসমৰ ব্ৰাহ্মণসকলৰ উপাধি, মূলত নাই। শৌচাচাৰহীন শুদ্ধতা নথকা। গুৰু সেৱা পৰম ধৰ্ম বৰ্জিত- মূলত 'ন নিৱাসো গুৱাৱপি'—[গুৰুগৃহত থাকি গুৰু সেৱাৰূপী শ্ৰেষ্ঠ ধৰ্ম পালন কৰি বেদাদি শাস্ত্ৰ অধ্যয়ন কৰা নাই। পত্নীসকলৰ ওপৰত দিয়া বিপ্ৰসকলৰ মন্তব্যৰ প্ৰায়খিনিয়ে মূলৰ লগত মিলে। [মূল শ্লোকত তেওঁলোকৰ দ্বিজাতি সংস্কাৰ (উপনয়ন) নাই, গুৰুগৃহত নিৱাস নাই, শৌচ (শুদ্ধতা) নাই, শুভক্ৰিয়া (সন্ধ্যা উপাসনাদি) নাই।] হামুসৱ···ভেলো=মূলত নিজক তিৰোতাতকৈও অধম বুলি কোৱা নাই। তাৰ ঠাইত, 'তেওঁলোকৰ দৰে ভাৰ্যা পাই আমি অতিশয় ধন্য হৈছো' বুলিছে। পৰ উপদেশত পণ্ডিত বোলছি পৰৰ উপদেশত মাত্ৰ পণ্ডিত হৈছো। এই উক্তিও মূলত নাই। তাৰ ঠাইত "দ্বিজ জন্ম লৈ, মনুষ্য কুলৰ গুৰু হৈও স্বাৰ্থত মুগ্ধ হৈছো"—বুলি কৈছে।

৫২ ভিতি হুয়া ভীতি হয়া ভয় খাই।

৫৩ লাই - লাগি। শিখগুৰু মৈৰা পাখি। গুঞ্জহাৰ—গুঞ্জমণি লাতুমণি।

৫৪ গাৱে -গায়, পাঠ কৰে। [কোনো উদ্দেশ্য লৈ কোনো নাট গোৱাৰৰ বাবে মানস কৰিলে, সেই নাটৰ ভাওনা নকৰি সমাজপাতি পাঠ কৰা হয়। তাকে নাট গোৱা বোলে। কিন্তু আজিকালি তেনেদৰে পাঠ কৰাৰ নিয়ম প্ৰায় নাইকিয়া হোৱাত 'গোৱা' অৰ্থই ভাওনা কৰাও বুজোৱা হৈছে। ভাৱনা কৰয়—ভাওনা কৰে, অভিনয় কৰে। ভাৱনা=ধ্যান। "ভগৱানক ধ্যান কৰি তেখেতৰ মানৱ-লীলাৰ আচৰণৰ কথা একান্ত মনেৰে ধ্যান কৰি, সেই ভাৱতে বিভোৰ হৈ তেখেতৰ স্বৰূপ উপলব্ধি কৰাই হৈছে ভকতৰ প্ৰধান উদ্দেশ্য।" [স্বৰ্গীয় ৰাজমোহন নাথ সম্পাদিত 'কালিয়দমন নাট'ৰ পৰা।] পৰম ভকতি বাঢ়ৰ ভাওনা গোৱা বা কৰাসকলৰ ভক্তি বাঢ়িব।

# পাৰিজাত হৰণ নাট

১ কৃষ্ণ বিষ্ণোঽচ্যুতানন্ত শক্তে=হে কৃষ্ণ বিষ্ণু অচ্যুত-অনন্ত শক্তিধাৰী। ৰাজীৱ নেত্ৰ পদ্মনেত্ৰ। ব্ৰহ্মমূৰ্ত্তে=হে ব্ৰহ্মমূৰ্ত্তি [সাকাৰ ব্ৰহ্ম] প্ৰসীদ=প্ৰসন্ন হওক। বিশ্ববাস=বিশ্ব যাৰ অন্তৰত বাস কৰে। পৰেশ পৰা+ঈশ পৰা বিদ্যাৰ ঈশ্বৰ।

১ (ক) খগেন্দ্ৰং -চৰাইৰ ৰজা=গৰুড়। সমাৰুহ্য উঠি। মুদা- আনন্দ মনে। নিৰ্জ্জিত্য জয়কৰি। চক্ৰম ইন্দ্ৰম। জহাৰ হৰণ কৰিলে। প্ৰিয়াৰ্থ প্ৰিয়াৰ কাৰণে। নমো মে মোৰ নমস্কাৰ।

৪ নিজ অংশ - কোনো পাঠত 'নিজ' নাই। 'বিষ্ণুৰ অংশ' এই অৰ্থত 'নিজ অংশ'ৰ প্ৰয়োগ কৰা হৈছে বুলি ধৰিব পাৰি। কিন্তু বৈষ্ণৱ সকলৰ মানত কৃষ্ণই বিষ্ণু পূৰ্ণব্ৰহ্ম। সেই অৰ্থত 'অংশ' শব্দৰ ব্যৱহাৰ খাপ খোৱা নহয়। মন কৰিব লগীয়া যে ভগৱানৰ সকলো অৱতাৰকেই কৃষ্ণৰ অংশাৱতাৰ বুলি গণ্য কৰা হয়। সেই কাৰণেও নিজৰ অংশ বুলি দিয়া হ'ব পাৰে। অৱতংস অলঙ্কাৰ, ভূষণ। কমলা=লক্ষ্মী। কেলি—কমল লীলা পদ্ম। হাতত লৈ খেলাই থকা পদ্ম। কলহংস - ৰাজহাঁহ। [কল অস্ফুট মধুৰ ধ্বনি]। লক্ষ্মীদেৱীয়ে হাতত লৈ খেলাই থকা পদুমৰ ৰাজহাঁহ স্বৰূপ। ইয়াত কৃষ্ণ চৰিত্ৰ বা লীলাক লক্ষ্মীদেৱীয়ে হাতত লৈ ফুৰা পদুম পাহৰ লগত (গতিকে অতি পবিত্ৰ আৰু সুন্দৰ) তুলনা কৰা হৈছে। সেই চৰিত্ৰ ভকতৰ ভূষণ হোৱাৰ উপৰিও সেই চৰিত্ৰ ৰূপী পদুমৰ ভকতসকল ৰাজহংস স্বৰূপ বুলি বৰ্ণনা কৰা হৈছে।] ইন্দিবৰ=নীলা পদুম। চোৰি=চেৰ পেলোৱা। পৰকাশিত প্ৰকাশিত, উজ্জ্বল। পীত—হালধীয়া। পিচোৰি= পিন্ধা কাপোৰ। তড়িত জড়িত - বিজুলিযুক্ত। যচ যেন। খণ্ড অংশ, ডোখৰ। অৱভাস প্ৰকাশ। চাৰু =সুন্দৰ, ধুনীয়া। চিকুৰ চুলি। নীল ৰতন =নীলা ৰত্ন [নাক নীলা ৰত্নেৰে গঢ়া তিল ফুলৰ নিচিনা।] মুহ - মুখ। পঙ্কজ জোৰ— পঙ্কজৰ লগত ফেৰ মৰা। একু=একে ঠাইত। মিলল - লগ হ'ল। যচ যেন। চান্দ-চকোৰ=

চন্দ্ৰ আৰু চকোৰ চৰাই। নয়ন কমল…জোৰ=চকু পদুমৰ নিচিনা মুখো পদুমৰ নিচিনা। একু মিলল…চকোৰ=চকু চকোৰ চৰাই আৰু মুখ চন্দ্ৰ; দুয়ো একে ঠাই হৈছে। [চকোৰ চৰায়ে জোনাক পান কৰে। 'জোৰ' যদি 'যোৰ' বুলি ধৰা হয় তেন্তিয়া 'এহাল' বা 'দুটা' অৰ্থ কৰিব পাৰি। দুইটা চকু এপাহ পদুম আৰু মুখ মণ্ডলক এপাহ পদুম=এযোৰ পদুম। পিছৰ শাৰীত চকুক চকোৰ চৰাই আৰু মুখক চন্দ্ৰৰ লগত তুলনা কৰা হৈছে।] হাসা -হাঁহি। থোৰ -অলপ। চোৰ=চেৰ পেলোৱা। পেখি দেখি। মদনকেৰি =মদনৰ, কামদেৱৰ। চাপ=ধনু। কুটিল = কেঁকোৰা। অলক-কুল = অলক বিলাক, গালত ওলমি থকা চুলিবিলাক। অমোল=অমূল্য, বহুমূলীয়া। ওতিম=উত্তম। কম্বু-কণ্ঠ=শংখৰ নিচিনা (ত্ৰিবলিযুক্ত) কণ্ঠ। দৰ=দ, গভীৰ। সঞ্চৰ - সঞ্চাৰে, ঘূৰি ফুৰে। চঞ্চৰ=চঞ্চল, অস্থিৰ। লোহে=লোভে। উৰস্থল=বুকু। ভুঅঙ্গ -ভুজঙ্গ— সাপ। তচু =তাৰ। কৰমূল=হাতৰ ঠাৰিত। কৰতল=হাতৰ তলুৱা। ৰাতা=ৰঙা। অৰি =চক্ৰ। অৰবিন্দ=পদ্ম। কৌমুদী=কৌমুদকী নামৰ গদা। কম্বু=শঙ্খ। পাণি =হাত। নাভি কঞ্জ নাভি পদ্ম। বিহিক= বিধিক, ব্ৰহ্মাৰ। কটিতট=-কটি স্থানত, ককালত। কণক কাঞ্চি= সোণৰ হাৰ। পৰিৰম্ভ পৰিৰম্ভন, আলিঙ্গন। কৰি-কৰ =হাতীৰ শুঁৰ। লম্বি=ওলমি। চিৰ=কাপোৰ। কোৰ—ক'লি [চম্পা ক'লি] অলকত= ৰঙা। পাশ =কাষত। ঢোলে =দোলে। শশিকান্ত=বিষ্ণুৰ মূৰত ধৰা বিশেষ ছত্ৰ য'ৰ পৰা নিয়ৰৰ দৰে টোপাল সৰি শীতলাই ৰাখে।

[শশিকান্ত=চন্দ্ৰকান্ত মণি]

শীকৰ=নিয়ৰৰ টোপাল বা পানীৰ কণিকা। [ইয়াত 'অমৃত—কণা'] অমিয়া =অমৃত। উৰবে=ওপৰে। ইন্দ্ৰচাপ=ইন্দ্ৰধনু। সুৰেশ্বৰী=আকাশী-গঙ্গা। অভিনৱ সুৰ -অভিনৱ সূৰ্য। নতুন সূৰ্য। উগত=উদিত। তচু মাঝে=তাৰ মাজত। লম্বি=ওলমি। বক পঙতি=বগলীৰ শাৰী। ঠাম=ঠাইত। সোই=সেই সোহি=সেইজন। সুই=পাঠান্তৰ। সব=সকলো। লোই= লোকে।

হোইযৱ নীল……বিচাৰি [এই চিত্ৰটিত প্ৰথমে একখণ্ড নতুন নীলবৰণীয়া মেঘৰ কল্পনা কৰা হৈছে। সেই মেঘ চপৰাৰ ওপৰত সূৰ্যৰ কিৰণ তীব্ৰভাৱে পৰি আছে। মেঘৰ দুই কাষে দুটা পূৰ্ণিমাৰ চন্দ্ৰ জ্বলি আছে। মেঘৰ মাজত ইন্দ্ৰ ধনুৱে প্ৰকাশ কৰিছে। (দুফালে) আকাশীগঙ্গাৰ দুই ধাৰা বৈ আছিছে। (মেঘত) বিজুলী এটা স্থিৰ হৈ বৈ আছে। সেই মেঘৰ মাজত এক অভিনৱ

সূৰ্যৰ উদয় হৈছে। সেই মেঘত বগলীৰ শাৰী ওলমি আছে। বহুত ঠাইত তৰাবোৰে জিকমিক কৰিছে। এনে এটা চিত্ৰ কল্পনাৰে আনিব পাৰিলেহে শ্ৰীকৃষ্ণৰ সেই বৰ্ণিত ৰূপৰ মহিমাৰ লগত তুলনা কৰিব পৰা যাব। সেইজন ভগৱান সকলোৰে হৃদয়-পদ্মত বিৰাজ কৰিছে। এতিয়া সকলো লোকে বিচাৰি লওক] এইটো সম্ভাব্যমানাতিশয়োক্তি অলঙ্কাৰৰ উদাহৰণ। ইয়াৰ লগত মহাকবি মাঘৰ এটি শ্লোকৰ দুটা শাৰীৰ সম্পূৰ্ণ মিল দেখা যায়ঃ

"উভৌ যদি ব্যোম্নি পৃথক প্ৰৱাহ।
ৱাকাশ গঙ্গা পয়সঃ পতেতাম্।
তেনোপমীয়েত তমালনীলম্
তপমুক্তমুক্তালতমস্য বক্ষঃ॥"

"আকাশত যদি আকাশগঙ্গাৰ সোঁতধাৰা যুগল ধাৰাৰে বৈ যায় তেনেহ'লে তাৰ লগত মুক্তামালা শোভিত তেওঁৰ (কৃষ্ণৰ) তমাল-নীল বুকুৰ তুলনা হ'ব।"

[ সাহিত্য—বিদ্যা পৰিক্ৰমা ঃ তীৰ্থনাথ শৰ্মা ]

চিন্তামণি—এক কাল্পনিক মণি। এই মণিৰ স্পৰ্শত লোহাও সোণ হয়। ইয়াত মানৱী দেহাকেই চিন্তামণি বুলি কোৱা হৈছে। মানুহেই ভগৱন্তৰ কৃপাৰে মুক্তি পাব পাৰে। আৱে=আছে। নিত=নিতৌ। অন্তক=মৃত্যু। সব বৰজি=সকলো বৰ্জন কৰি। [ সংসাৰৰ সকলো বস্তুৱে অনিত্য, অসত্য গতিকে নিত্য, সত্য ভগৱন্তত শৰণ ল'ব লাগে ]

৫ সয়লা=সকলো।

৬ গৰুড়াসনঃ=গৰুড়পক্ষীত উঠি। চাৰুশ্চতুৰ্ভূজ=সুন্দৰ চতুৰ্ভুজ (মূৰ্তিৰে)।

৮ হেৰি=দেখি। ৰূপলেশ=লেশমান ৰূপো। উৰে=পিন্ধে। লোলে=ওলমে।

১০ প্ৰোৱাচ=ক'লে। ভৌম চেষ্টিতম=ভূমিৰ পুত্ৰৰ (নৰকৰ) ক্ৰিয়া=কলাপৰ।

১২ বাসৱ=ইন্দ্ৰ, পুৰন্দৰ। নতি=সেৱা।

১৩ সপটে=সবস্ত্ৰে।

১৪ সমস্তৈৰৰ্চ্চিতাঙ্ঘ্ৰি=সকলোৰে দ্বাৰা অৰ্চিত চৰণ। অঙ্ঘ্ৰি=চৰণ। পাহি= ত্ৰাণ কৰক।

১৬ তিনি প্ৰহৰেক পথ—(এক প্ৰহৰ=তিনিঘণ্টা। গতিকে ন ঘণ্টাত যাব পৰা বাট)

১৭ 'ওহি বুলি নাৰদ চৰৱি পাৰি......বহল' [ কোনো পাঠত লোপ। নিজে চোঁৰৰ পাৰি নাৰদ বহাতকৈ মৌন হৈ থকাটোৱে বেছি স্বাভাৱিক হয়।]

১৮ কৃত্বা=কৰি। পাৰিজাতমৱাচত=পাৰিজাত পাহ বিচাৰিলে।

২২ কৌতুকে কৌতুহলী হৈ। আঞ্জুৰি অঞ্জলি, আঁজলি ( পাতি ) মোহি —মোৰ। মাথে মিলাৰ-মূৰত দিয়ক ( খোপাত )। আছেৰ=ইয়াৰ ( পাৰিজাতৰ )। সাধোঁ=সাধনা কৰোঁ, আৰাধনা কৰোঁ।

২২ অতয়ে-ইমানকৈ। তোহ্মী- তোমাৰ, আপোনাৰ। মান=(ইয়াত প্ৰাৰ্থনা অৰ্থত ব্যৱহাৰ হৈছে), সন্মান। সাধু…মান—ইমানকৈ আপোনাক আৰাধনা কৰি প্ৰাৰ্থনা জনাইছোঁ। লাগু=লাগোঁ, ধৰো (তোমাৰ চৰণত ধৰোঁ)। ধনী—সুন্দৰী।

২৫ বিহস্যোৱাচ হাঁহি ক'লে।

২৭ কতি লাই কিহৰ কাৰণে? তুহু তুমি। যোনো যেন। নোচোড়ো- নেৰোঁ।

৩০ মুৰাৰি মুৰ+অৰি। [নৰকৰ সেনাপতি মুৰক বধ কৰাৰ কাৰণে মুৰাৰি। গতিকে নৰকাসুৰক বধ কৰাৰ পিছতহে এই নাম এই নাটত খাপ খোৱা হয়] পদাৰথ=পাঠান্তৰ। পদাৰস=পুৰুষাৰ্থ (ধৰ্ম, অৰ্থ, কাম, মোক্ষ, জীৱনৰ এই চাৰিটা প্ৰধান কাৰ্যকে চাৰি পুৰুষাৰ্থ বোলা হয়। অজ=যাৰ জন্ম নাই। অঘ-বক-ধেনুক-কংস অঘাসুৰ, বকাসুৰ, ধেনুকাসুৰ, কংস। নৰকাসুৰ পাপ=নৰকাসুৰ স্বয়ং পাপ, মূৰ্তিমান পাপ। মাৰি—জয় কৰি (স্বৰ্গজয় কৰি)।

৩১ বৰুণক ছত্ৰ-বৰুণৰ বগা ছাতি-ৰাজচক্ৰৱৰ্তীৰ চিহ্ন। এই ছত্ৰই শীতল ছাঁ দিয়ে। মণি-পৰ্বত নৰকাসুৰৰ ৰাজ্যৰ এটা পৰ্বত। এই পৰ্বতটোৰ শৃঙ্গ নানা মণি মুক্তা ৰত্ন খচিত। এই পৰ্বতৰ বিভিন্ন গুহাত নৰকাসুৰে ষোল্ল হেজাৰ কুমাৰীক বিয়া কৰাবলৈ বন্দী কৰি ৰাখিছিল। শ্ৰীকৃষ্ণই নৰকাসুৰক বধ কৰি কন্যা-সকলক মুকলি কৰি দ্বাৰকালৈ পঠিয়াই দিয়ে। মণি-পৰ্বতৰ শৃঙ্গটো উভাৰি গৰুড়ৰ পিঠিত তুলি দ্বাৰকালৈ লৈ যায়।

৩৩ দৃষ্ট্বা=দেখি। শ্ৰুত্বা শুনি।

৩৯ গচ্ছতু যাওক। তুৰয় খৰখেদা কৰি। অন্তিকং-ওচৰ (তোমাৰ ওচৰলৈ, তোমাৰ পিছে পিছে)

৪২ ভৰমে ভ্ৰমে, ফুৰে। ৰতন=ৰত্ন, মূল্যবান পাথৰ।

৪৩ বাসুয়া-বহিবৰ কাৰণে আসন পতা যাৰ কাম, বহুৱা। [অঙ্কীয়া ভাওনাত এই বসুৱাজনেই 'বহুৱা' হৈ দৰ্শকক হাঁহিব খোৰাক দিছে। 'কথা-গুৰু চৰিত'ত 'বসুৱা'ৰ ঠাইত 'কমলি ধৰা' পাওঁ।]

৪৪ কৰ্ম্ম বিষমং=বিষম কাম। নিবোধমে—মোৰ কথা শুনা।

৪৮ ঠেস কয় বহুল-থপক কৰে বহিল।

৪৯ অভৰক্তীতা-ভয় খাইছিল। নিশম্য- শুনি। কিং=কি। কুত্ৰ=ক'ত।

৫২ সুনিৰ্ব্বন্ধং=কাওবাও কৰি কোৱা (কথা)। বাদ্ধ লগাই কোৱা। কন্দন্নিৱ= কন্দন+ইৱ=কান্দো কান্দোকৈ, কন্দনামুৱা হৈ।

৫৫ মুনেৰ্ব্বচনমাকৰ্ণ্য—মুনিৰ বচন শুনি। বাভাহতা=বতাহে পেলোৱা। পতিতা=পৰি গ'ল=পৰিছিল।

৫৮ কথঞ্চিৎ—কোনোমতে। লব্ধা—লাভ কৰি। বিনিশ্বস্যাপমানেন—অভিমানেৰে নিশ্বাস পেলাই। কৰোদ=কান্দিবলৈ ধৰিলে। সখী সন্নিধৌ=সখীসকলৰ ওচৰত।

৬০ হ্ৰাস=ক্ষীণ। আগি=জুই। উদয়ে=প্ৰকাশত (ভাগ্য উদয়ত)। বাপিনী= খঙাল (স্ত্ৰী)। পিউ=প্ৰিয়। অন্তৰে=ইমানবিলাক। বিলপন্তি=বিলাপ কৰিলে।

৬১ কলহপ্ৰিয়—কন্দল-প্ৰিয়। (বৈষ্ণৱ যুগত নাৰদক কন্দল-প্ৰিয় দেৱতাৰূপে চিত্ৰিত কৰাৰ ফলত বৰ্তমান সমাজতো নাৰদক ভেনে ৰূপতে চোৱা হয়। বৈষ্ণৱ যুগৰ আগৰ সাহিত্যত কন্দলৰ মূলত সৰস্বতী দেৱীকহে ধৰা হৈছিল।)

৬৩ প্ৰাগাৎ=গৈছিল।

৬৫ ভাগী=অংশীদাৰ [ইয়াত 'মূলকাৰণ' অৰ্থত ব্যৱহাৰ কৰা হৈছে। 'তিৰি বধ ভাগী'—তিৰী বধৰ কাৰণ হ'লো।] কোল=কাষ, ওচৰ। 'প্ৰিয়াৰ পাইলা কোল'—প্ৰিয়াৰ কাষ পালে।

৬৭ জাম্বৱতী—শ্ৰীকৃষ্ণৰ প্ৰধানা মহিষীসকলৰ এগৰাকী। ঋক্ষৰাজ জাম্বৱন্তৰ জীয়াৰী। স্যমন্তক মণি সম্পৰ্কত শ্ৰীকৃষ্ণলৈ বিয়া দিয়ে।

৬৮ প্ৰণয়কোপেন=প্ৰেমজনিত কোপৰ দ্বাৰা। ধূৰ্ত্তালাপৈঃ=ছল-চাতুৰি জনক কথাৰে। চাটুকাৰী কথাৰে। মাং=মোক। কিমৰ্থং=কি কাৰণে। ভূনিকথসে=কৰ্কথনা কৰিছা

৭২ মানলো=মানি ললোঁ, বিশ্বাস কৰিলো। বিদিত=প্ৰকাশ। মতি=মন। তোই=তোমাৰ।

৭৫ হা হা ৰৱ=হা হা ধ্বনি। ৰামামালিঙ্গ্যাকুল=সুন্দৰীক আলিঙ্গি আকুল।

৭৭ পতিআৱা=পতিওৱা=পতিয়ন যোৱা, সঁচা বুলি মানি লোৱা। বাৰী=ঘৰৰ লগ লগা উদ্যান য'ত বিভিন্ন সুস্বাদু ফল-মূলৰ গছ, ফুল আদি যত্নেৰে ৰোৱা হয়। ইয়াত সত্যভামাৰ নিজা ফুলনি বাৰীৰ কথা কোৱা হৈছে। অঙ্কীয়া নাটত বাড়ি শব্দই ঘৰ বুজাইছে। জায়া=পত্নীৰ আন এটা নাম। [স্বামীয়ে পত্নী গৰ্ভত পুত্ৰ ৰূপত জন্ম লয়, সেই কাৰণে পত্নীৰ এটা নাম জায়া।

কুমাৰী=নাটত কুমাৰী শব্দৰ ব্যৱহাৰ মন কৰিবলগীয়া। অবিবাহিতা অৰ্থত কুমাৰী শব্দৰ ব্যৱহাৰ হোৱা নাই। কুঁৱৰী অৰ্থত ব্যৱহাৰ কৰা হৈছে বুলি ধৰিব পাৰি যদিও সত্যভামা ৰাজকন্যা নহয়।

৮১ বাক্যামৃতেন=বাক্যৰূপ অমৃতৰ দ্বাৰা ।

৮৩ বাড়ি=ঘৰ ।

৮৯ কৃষ্ণমভোজ্য=কৃষ্ণৰ ওচৰ চাপি। জগাদ=কৈছিল। কিল=যথাৰ্থতে (indeed)

৯১ স্ত্রী যুজে সেনা বুজে—পাঠান্তৰ স্ত্রী বুঝে সে নাবুঝে—'তিৰোতাই যুঁজ কৰে, বুজিবলৈ চেষ্টা নকৰে' অৰ্থ প্ৰকাশ কৰিছে। পাঠান্তৰ মতে—'তিৰোতাই বুজিও নুবুজে'।

৯৩ সহৰ্ষমকৰোৎ=আনন্দেৰে কৰিলে। প্ৰয়াণং=যাত্ৰা। ধনুষ্টঙ্কাৰ ঘোষেণ ধনুৰ টঙ্কাৰৰ শব্দেৰে ।

৯৫ শাৰঙ্গ=শাৰ্ঙ্গ=শিঙেৰে সজা ধনু কাৰণে এই নাম । শ্ৰীকৃষ্ণৰ ( বিষ্ণুৰ ) ধনু। 'সাৰঙ্গ' হ'লে পদ্মক বুজাব। সুৰঙ্গ=সুন্দৰ ৰংযুক্ত। পীতবাসা= পীত (হালধীয়া) ৰঙৰ কাপোৰ পিন্ধোতা। উজৰ=উজ্জ্বল। অৰুণ=ৰঙা। কৰু=কৰে। বোল=শব্দ । তাহে=তাতে ।

৯৬ স্ত্রী-জিতং=তিৰোতাই যাক জয় কৰে।

৯৭ গৰুড়=কশ্যপ পিতা, মাতৃ বিনতাৰ সন্তান গৰুড় চৰাইক বিষ্ণুৱে নিজৰ বাহন কৰি ল'লে। সেয়েহে স্মৰণ কৰা মাত্ৰকে গৰুড় কৃষ্ণৰ বাহন হ'বলৈ আহিল। কৃষ্ণৰ ৰথৰ ধ্বজাতো গৰুড় মূৰ্তি আছিল। সেই কাৰণে শ্ৰীকৃষ্ণক গৰুড়কেতু বোলা হয়।

১০৮ সুপৰ্ণম্ আৰুহ্য=চৰাইত ( গড়ুৰত ) আৰোহণ কৰি। যযৌ=গ'ল । জনাৰ্দ্দন=কৃষ্ণ [মায়াক যি মৰ্দন কৰিছে—মায়াৰ অধিকাৰী] ক্ষণেন=তৎক্ষণাৎ । পুৰং=নগৰং [ প্ৰাগজ্যোতিষপুৰ নগৰ। ] চকাৰ=কৰিছিল ।

১০৯ পাঞ্চজন্য=শ্ৰীকৃষ্ণৰ শঙ্খটোৰ নাম। [ পঞ্চজন নামৰ সাগৰত থকা অসুৰ এটাক বধ কৰি পোৱা শংখ ]

মুৰ=নৰকাসুৰৰ প্ৰধান সেনাপতি। মুৰক বধ কৰাৰ কাৰণে শ্ৰীকৃষ্ণৰ এটা নাম মুৰাৰি। মোৰল মুৰ=মুৰক মাৰিলে ।

১১২ বসুমতী=নৰকাসুৰৰ মাতৃ। পৌত্ৰং=নাতিক (ভগদত্তক)। পুৰঃ=সন্মুখত । সংস্থাপ্য=লৈ (স্থাপন কৰি)। আত্মজং=নিজৰ (নাতিয়েকক)।

১১৪ পিউক সমীপে=প্ৰিয়ৰ ওচৰলৈ [ৰৰাহ অৱতাৰত ভগৱান শ্ৰীকৃষ্ণৰ

পত্নী বসুমতী] লাই=লাগি (কাৰণ)—হৰি দৰশনৰ কাৰণে=লহু লহু=লঘু লঘু। লাহে লাহে। সুতক=পুত্ৰৰ।

১১৬ প্ৰসাদ=কৃপা। ভগদত্ত—নৰকাসুৰৰ পুত্ৰ ভগদত্ত ভেতিয়া শিশু যদিও শ্ৰীকৃষ্ণই বসুমতীৰ অনুৰোধ ক্ৰমে তেওঁক কামৰূপৰ ৰজাপাতে। বৃদ্ধ বয়সত ভগদত্তই কুৰুক্ষেত্ৰৰ যুদ্ধত দুৰ্যোধনৰ ফলীয়া হৈ যুদ্ধ কৰে। তেওঁ সুপ্ৰশিক্ষিত হস্তীবাহিনী আৰু অসংখ্য সৈন্য লগত নিছিল। অৰ্জুনৰ হাতত তেওঁৰ মৃত্যু হয়। যিটো অতি সুদক্ষ হাতীৰ ওপৰত উঠি তেওঁ যুদ্ধ কৰিছিল অৰ্জুনৰ শৰত সেই হাতীটোৰো মৃত্যু হয়। তাৰ নাম সুপ্ৰতীপ।

১২০ নৈকট্যং=ওচৰত। ততঃ=তাৰ পিছত। মুদাযুতঃ=আনন্দযুক্ত। দধ্মৌ=বজাইছিল। দিবি=স্বৰ্গত।

১২৩ প্ৰাহ=ক'লে। পশ্য=চোৱাঁ। তাং=তোমাক। মাং=মোক। দিদৃক্ষয়া=চাবলৈ। এতাঃ=এই।

১২৪ দিগপাল=দিক্‌পাল=ইন্দ্ৰ, অগ্নি, যম, নিঋ'তি, বৰুণ, বায়ু, কুবেৰ, ঈশান (শিৱ), ব্ৰহ্মা, অনন্ত [বা নাৰায়ণ]—দহ দিশৰ দহ দেৱতা। সিদ্ধ=ত্ৰিকালজ্ঞ মুনি, উপদেৱতা বিশেষ। বিদ্যাধৰ=স্বৰ্গীয় গায়ক।

১২৬ পাৰিজাত=যাক কেন্দ্ৰ কৰি এই নাটখনৰ ৰচনা সেই পাৰিজাত ফুল দেৱাসুৰে সমুদ্ৰমন্থন কৰোঁতে সমুদ্ৰ-গৰ্ভৰ পৰা বাহিৰ হৈছিল। দেৱতাসকল এই ফুলৰ অধিকাৰী হয়।

১২৮ দোৰ্ভ্যাং=দুহাতেৰে আঁকোৱালি। জগাদ=ক'লে। পৰিষজ্য=আলিঙ্গন কৰি। ততঃ=তাৰ পিছত। অতি কৌতুকাৎ=অতি কৌতুকেৰে।

১৩২ দেৱমাত্ৰেঃ=দেৱমাতাক (অদিতিক)। অদাৎ=দিলে [দেৱমাত্ৰে+অদাৎ+অমৃতস্ৰাৱী কুণ্ডলে।] অমৃতস্ৰাৱীকুণ্ডলে=অমৃত-টোপাল ওলাই থকা কুণ্ডলযোৰ।

১৩৪ মত্বা=মনত কৰি, জানি। ততঃ মা দেৱজননী=তেতিয়া সেই দেৱজননীয়ে। মহেশ্বৰম=শ্ৰেষ্ঠ দেৱ। বদ্ধাঞ্জলি=অঞ্জলিবদ্ধ হৈ। তুষ্টৌ=স্তুতিত। মনোদধে=মন দিলে, মনোনিৱেশ কৰিলে।

১৩৭ নিশম্য=শুনি। মধুসূদনঃ=কৃষ্ণ [মধুনামৰ দৈত্যক বধ কৰোঁতা]। মোহনাৰ্থং=মুহিবলৈ। ততান=বিস্তাৰ কৰিছিল। জন মোহিনীম=জনতাক মুহিব পৰা।

১৪১ হে পুত্ৰা=হে পুত্ৰ [শ্ৰীকৃষ্ণই বামন অৱতাৰত অদিতিৰ গৰ্ভত জন্ম লৈছিল।]

১৪৩ উবে=পিন্ধে। বয়ন=মুখ। ঈষত হাসা=মিচকিয়া হাঁহি যুক্ত। জলধৰ=

মেঘ। পদ-পঙ্কজ মঞ্জিৰ জলা পল্লৱ পৰকাশা—পদ-পঙ্কজত পিন্ধা নূপুৰ পানীৰ মাজত পাতৰ (পল্লৱ) দৰে জিলিকিছে। পাঠান্তৰত 'জল'ৰ ঠাইত 'ভোলে' শব্দ পোৱা গ'লেও ইয়াত অৰ্থ প্ৰকাশ নহয়। ভাসা - উজ্জল। ভকতি মুকুতি হেতু - ভক্তি আৰু মুক্তি দিবৰ কাৰণে।

১৪৫ ধৃত্বা ধৰি। প্ৰাহ ক'লে। ৰোস-সমন্বিতা ৰোষযুক্তা হৈ। ক ধাসি ক'লৈ যায়। নানীয় নিনিয়াকৈ।

১৪৮ বিচোৰল পাহৰিলোঁ।

১৫৪ নাৰদস্তু নাৰদেও। ততোহভ্যেত্য তাৰ পিছত ওচৰ চাপি আহি। সৰ্ব্বমৱৰ্ণয়ৎ সকলোখিনি বৰ্ণনা কৰিলে।

১৫৮ দানৱক বেটী শচীক শচী দানৱ ৰাজ পুলুমনৰ জীয়াৰী। শচীৰ আন নাম [পুলুমা, পুলুমী, পুলুমাজা।] চাটু তোষামোদ।

১৬০ কঞ্জলোচন পদ্মলোচন (কৃষ্ণ), নিশম্য শুনি, সহসা হঠাৎ। জহাৰ হৰণ কৰিলে। হৰিঃ -কৃষ্ণ।

১৬৬ বজ্ৰিণঃ বজ্ৰধাৰী।

১৭২ সত্ৰাজিত সুতাং সত্ৰাজিতৰ কন্যা—[সত্যভামা যাদৱসকলৰ এজন মুখীয়াল সত্ৰাজিতৰ একমাত্ৰ কন্যা সত্যভামা। স্যমন্তক মণি যৌতুক স্বৰূপে দি সত্যভামাক কৃষ্ণলৈ বিয়া দিব লগা হয় নিজৰ অপমান ঢাকিবৰ কাৰণে। কাৰণ তেওঁ, ভায়েক প্ৰসেনক মাৰি শ্ৰীকৃষ্ণই স্যমন্তক মণি লৈ যোৱা বুলি মিছা অপবাদ দিছিল। প্ৰকৃততে সিংহই প্ৰসেনক, জাম্বৱন্তক যুদ্ধত পৰাস্ত কৰি মণি আৰু জাম্বৱতীক লাভ কৰে]।

১৭৬ কংসক দাসী কুব্জী কংসৰ চন্দন যোগোৱা কুঁজী এগৰাকী। কংসলৈ অনা চন্দনেৰে বাটত কৃষ্ণ-বলোৰামক ভক্তিৰে চৰ্চিত কৰাত কৃষ্ণই হাতেৰে দাঙি তেওঁৰ কুঁজ পোন কৰে আৰু তেওঁ অপৰূপা গাভৰু হৈ পৰে। শ্ৰীকৃষ্ণৰ লগত মিলনৰ কাৰণে কাকুতি কৰাত, কংসবধৰ পিছত কুঁজীৰ কামনা পূৰ্ণ কৰে।

১৭৭ কোপেন খঙত। কম্পিতৱতী কঁপি কঁপি। বগ্লতি—ক'লে। বলকিলে। আভায্য মাতি।

১৭৮ অহল্যা ব্ৰহ্মাৰ দ্বাৰা বিশেষভাৱে সৃষ্ট অতি সুন্দৰী অহল্যাক গৌতম ঋষিৰ আশ্ৰমত ঋষিৰ তত্বাৱধানত ব্ৰহ্মাই থৈছিল। পিছত গৌতম ঋষিৰ অপূৰ্ব সংযমত সন্তুষ্ট হৈ অহল্যাক ঋষিলৈকে বিয়া দিয়ে। ঋষিৰ ছাত্ৰ

ইন্দ্ৰই ঋষি নথকাৰ সুযোগত ভেঁওৰ বেশ ধৰি অহল্যাৰ সতীত্ব হৰণ কৰে। ঋষিয়ে ধ্যানত সকলো কথা জানি অহল্যাক আনৰ অদৃশ্যা হৈ থাকিবলৈ আৰু ইন্দ্ৰৰ সৰ্বদেহত সহস্ৰ যোনি-চিহ্ন হ'বলৈ অভিশাপ দিয়ে। পিছত অনুশ্চে এই চিহ্ন বিলাক চকুলৈ ৰূপান্তৰিত হয়, যাৰ বাবে ইন্দ্ৰৰ এটা নাম সহস্ৰলোচন। ত্ৰেতাত শ্ৰীৰামচন্দ্ৰৰ পাদ-স্পৰ্শত অহল্যা শাপমুক্তা হৈ লোকদৃশ্যা হয়। অহল্যাৰ পুত্ৰ শতানন্দ। বয়ল=বকিলে। বকলা মেলিলে। বলকিলে।

১৮০ কৰসি=কৰিছ। ৰৰাই—অহঙ্কাৰ। আজু=আজি। ৰজ=ধূলি। কভিলাই কি কাৰণে। গাৰি=গালি। দেসি দিছ। কন্দল বয়নে নেহাৰি=মুখলৈ চাই কন্দল (কৰ)। নেহাৰি চাই।

১৮৩ দেৱতাক ইন্দ্ৰ=দেৱতাৰ ৰজা। ইন্দ্ৰ=ৰজা [উপাধি মাত্ৰ]।

১৮৪ বাক্যসায়কৈ=বাক্য-বাণেৰে। সম্মুখোঽভৱৎ=সন্মুখ হ'ল।

১৯৪ শক্ৰ—ইন্দ্ৰ। (শক্+ৰ)

১৯৯ ভত্তাৰক সংস্কৃত ভৰ্ত্তা স্বামী। মানুষী হয়া -[সত্যভামাক মানুষী বুলি শচীয়ে হাঁহিছিল। এতিয়া সত্যভামাই 'মানুষী' শব্দটোৰ ওপৰত জোৰ দিছে।]

২০০ নিবোধ=শুনা।

২০৬ গোবৰ্দ্ধন এটা পৰ্বতৰ নাম। সাত দিন সাত ৰাতি শ্ৰীকৃষ্ণই এই পৰ্বত হাতেৰে দাঙি ধৰি তাৰ আশ্ৰয়ত গোকুলৰ নৰ-নাৰী-গো-বৎসক ইন্দ্ৰৰ আদেশত হোৱা প্ৰবল বৰষুণৰ পৰা ৰক্ষা কৰিছিল। বামন=অদিতিৰ গৰ্ভত বামন অৱতাৰ হৈ দৈত্যৰাজ বলিক তিনিপদ ভূমি খোজাৰ ছলেৰে বন্দী কৰিছিল। কপিবৰ বালি=কপি বা বান্দৰৰ ৰজা বালি, কিষ্কিন্ধাৰ ৰজা। ৰাম অৱতাৰত শ্ৰীকৃষ্ণই বালিক বধ কৰে।

২০৮ বিহস্যাহ=হাঁহি ক'লে। তন্নিৰ্ম্মলমমনঃ=তৎনিৰ্ম্মলং মনঃ=তেতিয়া নিৰ্মল মনা (কৃষ্ণ)।

২১২ আৰবাৰ নৰক বধ - - - - ভেজায়ল—ইন্দ্ৰৰ বিৰুদ্ধে সত্যভামাই এনেকৈ ভাবিছে। উনিকৰ=এওঁৰ [ইন্দ্ৰৰ]। সুধৰ্মাসভা=দ্বাৰকা ৰাজ্যলৈ এই সুধৰ্মা—সভা ইন্দ্ৰই দান কৰে। দেৱৰাজ ইন্দ্ৰৰ ৰাজসভাত থকা ধাৰ্মিক ঋষি-মুনিসকলৰ ধৰ্মালোচনী সভা।

২১৭ সপটে=সৰঙ্গে।

২১৮ হে বিদৰ্ভৰাজ কুমাৰি=বিদৰ্ভৰ ৰজা ভীষ্মকৰ কন্যা ৰুক্মিণী। [সত্যভামা

নিজে ৰাজকন্যা নহয় কাৰণে এই ঈৰ্ষা। ৰাজকুমাৰী নহৈও তেওঁ যে মহা সৌভাগ্যৰ অধিকাৰিণী হৈছে সেই ইঙ্গিত এই সম্বোধনত প্ৰচ্ছন্ন।]

২২১ অয়ে ভগিনী সত্যভামা=[ৰুক্মিণী শ্ৰীকৃষ্ণৰ প্ৰথমা পত্নী। সেয়ে পিছৰ সতিনী-সকলক ভনীৰ দৰে ব্যৱহাৰ কৰিছে। এই সম্বোধনৰ যোগেদি ৰুক্মিণী-চৰিত্ৰৰ সম্পূৰ্ণ ৰূপ নাট্যকাৰে উজলাই তুলিছে।]

২৩০ সাধিতাৰ্থোৰ্থিনাৰ্থোহসৌ=সাধিতাৰ্থো=যাৰ উদ্দেশ্য সাধন হ'ল। অৰ্থি-নাথো উদ্দেশ্যযুক্তসকলৰ স্বামী। হাসসংৰক্তভাৱকে=হাঁহি ধেমালিৰ ভাৱেৰে।

২৩২ চিকৰ=চুলি। চিবুক থুঁতৰি। কৰ কৰে। কাঞ্চুৰি –কাঁচলি। ফোৰে=ফালে। ভোৰে ভোলহৈ। ৰসিক-গুৰু ৰসিকসকলৰ ভিতৰত শ্ৰেষ্ঠ, সকলো ৰস আৰু কলাৰ গুৰু [শ্ৰীকৃষ্ণ]। [ৰামবিজয় নাটত চিলাৰায় দেৱানক 'পৰম-ৰসিক গুৰু' বিশেষণ দিয়া হৈছে। সেই উক্তিত অৱশ্যে চিলাৰায়ৰ ভক্তি-ৰস-প্ৰীতিৰ আধিক্যৰ ওপৰতহে গুৰুত্ব দিয়া হৈছে।] ৰময়া –'ৰম্' ধাতু আনন্দ দিয়া, সন্তোষ দিয়া। ৰময়াৰ অৰ্থ সন্তোষবিধান কৰোঁতা বা আনন্দ দিব পাৰোতাজন। ইয়াত শ্ৰীকৃষ্ণক বুজাইছে। ৰমণী সুন্দৰী নাৰী। ইয়াত 'ৰময়া'ৰ স্ত্ৰীলিঙ্গ ৰূপে ব্যৱহৃত। ৰময়া - - - দোলে সন্তোষ বিধানকাৰীজনৰ লগত সন্তোষ দিব পৰা নাৰীৰ মিলনত মাণিক [আদি ৰত্নখচিত] মকৰ-কুণ্ডল [শ্ৰীকৃষ্ণৰ] দুলিবলৈ ধৰে। [ইয়াৰ পিছৰ শাৰীত ৰমণীসকলৰ হীৰাখচিত মণি-মুকুতাৰ মালা, হেমহাৰ আদি ওলমি পৰা [দুলি থকা অৰ্থত] বুলি বৰ্ণনা কৰা হৈছে। হীৰ ৰচিত=হীৰাৰে সজা [হীৰাখচিত অৰ্থত]। মণি=মহামূল্যবান ৰত্ন। হেমহাৰ=সোণৰ হাৰ। উৰে=পিন্ধে [ইয়াত 'পিন্ধা' অৰ্থত মুকুতামালা, সোণৰ হাৰ আদিৰ বিশেষণ ৰূপে ব্যৱহাৰ কৰা হৈছে।

২৩৫ দনুজ=দনুৰ পুত্ৰসকল=দানৱ। কশ্যপ মুনিৰ এগৰাকী পত্নীৰ নাম দনু। শ্ৰীজগতানন্দ=শঙ্কৰদেৱৰ ককাক সূৰ্যবৰৰ মাজু ভায়েক জয়ন্তা ভূঞা। এওঁৰ নাতিয়েক সতানন্দ। সতানন্দৰ পুত্ৰ হ'ল ৰামৰায়। এওঁ শঙ্কৰদেৱৰ অনুৰাগী ভক্ত।

'শ্ৰীৰামৰাই' শ্ৰীজগতানন্দৰে আন এটা নাম বা উপাধি। 'কথা-গুৰু-চৰিত'ৰ মতে ভূঞাসকল বেলগুৰিত থকাৰ সময়ত জগতানন্দ ভূঞাসকলৰ দলপতি আছিল। চিলাৰায়ে আহোম ৰাজ্য আক্ৰমণ কৰোঁতে এওঁৰ বুদ্ধি-মতে আহোম ৰজাই গৰুৰ ওপৰত মানুহ তুলি কৃত্ৰিম লগুণ পিন্ধাই যুদ্ধলৈ

পঠোৱাত চিলাৰাই পিছ হুঁহকি গ'ল । আহোম সৈন্যাই পিছে পিছে গৈ কলিয়াবৰত চামধৰা গড় বান্ধি ৰাজ্যৰ সীমা কৰিলেগৈ । ৰজাই জগতা-নন্দক বঁটা-বাহন দি ৰামৰায় নাম দিলে । গতিকে ৰামৰায় উপাধি নহৈ নামো হ'ব পাৰে । যাক পিছলৈ নাম হিচাপেই ব্যৱহাৰ কৰা হ'ল ।

'কথাগুৰু চৰিত'ত শঙ্কৰদেৱৰ খেলৰ লগৰীয়া বাৰভূঞাৰ ল'ৰাসকলৰ ভিতৰত ৰামৰাইৰ নামো আছে । ৰামৰাই শঙ্কৰদেৱতকৈ বয়সত সৰু, গতিকে বংশৰ ভায়েক । শঙ্কৰদেৱৰ সহোদৰ ভ্ৰাতৃৰ নাম বনগঞাগিৰি ।

শ্ৰীমন্ত শঙ্কৰে প্ৰথমবাৰ তীৰ্থৰ পৰা উভতি আহি বৰদোৱাত প্ৰথম দোলযাত্ৰা বা মহোৎসৱৰ প্ৰৱৰ্তন কৰে এই ৰামৰায়ৰ অনুৰোধতে দ্বিতীয় বাৰৰ তীৰ্থ যাত্ৰাত ৰামৰায়ো লগত গৈছিল । বাটত যাওঁতে শঙ্কৰদেৱক ৰামৰ চৰিত্ৰ কৈ যাবলৈ অনুৰোধ কৰে ঃ—

ৰামৰায় বুলিলন্ত দাদা কহিয়োক ॥
ৰামৰ চৰিত্ৰ শ্ৰদ্ধামনে শুনিবাক
শুনিয়া শঙ্কৰদেৱে লৈলা কহিবাক ॥

[দৈত্যাৰি ঠাকুৰ]

কিন্তু ৰামৰ কথা কৈ যাওঁতে ক'ব নোৱাৰাকৈয়ে কৃষ্ণ-কথা আৰম্ভ কৰি দিয়াত, "ৰামৰায় কতোক্ষণ বুলিলন্ত ভেবে কৃষ্ণৰ চৰিত্ৰ দেখো দাদা কোৱা এবে ।"

সেইবাৰ গুৰুজন যাতে বৃন্দাবনলৈ নাযায়, আই গোসাঁনীয়ে মাধৱদেৱক টানি কৈ পঠাইছিল । গুৰুজনাই বৃন্দাবনলৈ যোৱাৰ ইচ্ছা প্ৰকাশ কৰিলত ৰামৰামগুৰু, ৰামৰায় আদি ভক্তসকল উল্লসিত হৈ উঠে । কিন্তু মাধৱদেৱৰ নিৰুৎসাহ দেখি শঙ্কৰদেৱেও যাত্ৰা স্থগিত ৰাখিলে । ৰামৰায়ে তেতিয়া মাধৱ দেৱক অভিযোগ কৰি ক'লে "দদাৰ বচন মাধৱ এখন

কিসক ৰাখিয় তুমি-" ।— কিন্তু মাধৱদেৱৰ

যুক্তিত ৰামৰায়ে, "নপাইলে খুজি উত্তৰ" [দৈত্যাৰি ঠাকুৰ] ।

শঙ্কৰদেৱৰ ব্ৰাহ্মণ ভক্ত ব্যাসকলাইৰ কাহিনী সকলোৱে জানে । তেওঁৰ তিনি পুত্ৰ নৰীয়া পৰি ঢুকোৱাত, চতুৰ্থ পুত্ৰও নৰীয়া পৰাত, ইষ্ট-কুটুম্বৰে আলচ কৰি আন দেৱতাৰ পূজা কৰিলে যদিও চতুৰ্থ পুত্ৰবো দেহান্তৰ ঘটিল ।

ইয়াৰ পিছত তেওঁ শঙ্কৰদেৱৰ ওচৰলৈ যোৱাত গুৰুয়ে তেওঁক বৰ্জন কৰিলে । তেতিয়া ব্যাসকলাই ৰামৰায়ৰ ওচৰলৈ গৈ টকা তিনিকুৰি দি তেওঁক

ঠাই দিবলৈ শঙ্কৰদেৱৰ জনাবলৈ অনুৰোধ কৰাত গুৰুজনাই এমাহলৈ ৰাম-ৰায়ক নামাতিলে আৰু মুখো নাচালে। ভকতসকলৰ লগতো ঠাই নিদিলে। এমাহৰ পিছত ভকতসকলে ৰৰকৈ কাবৌ-কোকালি কৰাত শঙ্কৰদেৱে তেওঁক 'দুগুণ' অৰ্থাৎ ছকুৰি টকা দণ্ড কৰি সেই টকা ভকতৰ মাজত ভগাই দি তাৰে পাঁচ টকাৰে সাত দিন সাত ৰাতি একেৰাহে কীৰ্ত্তন কৰালে।

নৰনাৰায়ণ ৰজাৰ শনিৰ দশা পৰাত জ্যোতিষীৰ পৰামৰ্শ মতে তেওঁ 'দেশান্তৰ ফুৰিব লগা হ'ল। সেইবাৰ ৰৰনগৰত আঢ়ৈ বছৰ থাকিল। তাতে শঙ্কৰদেৱে কলামাহ দুচক ভেটি নিৰ্মালি দিয়ে। চিলাৰায়ে সেইবাৰ গুৰুজনাক দেখি গুৰুমানিষৰ ইচ্ছা কৰিছিল। কিন্তু দাদাকৰ ভয়ত আগনাবাঢ়িল। ইয়াৰ পিছত তেওঁলোক ডিঙ্গা নগৰলৈ গ'ল। তাতে শ্ৰীদাম নামৰ চিলাৰায়ৰ লিগিৰা এটাই ৰামৰাই আতাৰ প্ৰিয়া কমলপ্ৰিয়াক এদিন দেখিলে, 'দিব্য-ৰূপ ত্ৰৈলোক্য মোহিনী। চুলি মেলাইছে, দুকাচি চৰাত তিনিপাক দি পৰিছে। পাছে সি গৈয়ে চিলাৰাইত ক'লে ৰূপ, চুলি, লক্ষণৰ কথা। (কথাগুৰুচৰিত) চিলাৰায়ে শুনি ধৰাই নিয়ালে। ৰামৰায়ক মাতি পঠিওৱাত নগ'ল। পিছত শঙ্কৰদেৱে বুজাই পঠিওৱাত গৈ বিয়াহ দিলে।

চিলাৰায়ে শহুৰেকক তিনিখন গাওঁ দি কুঠি কৰি দিয়ালে।

কমলপ্ৰিয়াই চিলাৰায়ৰ এশপত্নীৰ ভিতৰত মুখ্য পটেশ্বৰীৰ আসন পালে। এদিন চাৰেণ্ডিত সুৰ তুলি এই বৰগীতটি গাইছিল ঃ

> পামৰ মন ৰাম চৰণে চিত্ত দেহু।
> অথিৰ জীৱন বাস, মাধৱ কেৰি নাম,
> মৰল সমল লেহু ॥ ............. ।

হঠাৎ চিলাৰায় আহি এই গীত শুনি পিছত আকৌ এবাৰ গোৱালে। "মহাপণ্ডিত শুক্লধ্বজ অৰ্থে মজি গ'ল" আৰু শঙ্কৰদেৱৰ শৰণ ল'লে।

এই ঘটনাই অসমৰ সমাজ-সাহিত্য-সংস্কৃতি আৰু ধৰ্মৰ ক্ষেত্ৰত, তথা জাতীয় জীৱনত নতুন অধ্যায়ৰ সৃষ্টি কৰিলে। কমলপ্ৰিয়াৰে আন নাম ভুৱনেশ্বৰী।

শঙ্কৰদেৱে অকল 'পাৰিজাত হৰণ'ত শ্ৰীজগতানন্দৰ নাম উল্লেখ কৰি আন তিনিখনত ৰামৰাই নামেৰেহে তেওঁক উল্লেখিত কৰিছে। সম্ভৱ পিছলৈ তেওঁ আহোমৰজাই দিয়া ৰাজ-সন্মানযুক্ত নামেৰেই বেছি জনাজাত হৈ পৰিল। পিছৰ কালৰ চৰিতকাৰসকলেও তেওঁক ৰামৰায় নামেৰেই বেছিকৈ

উল্লেখিত কৰিলে। ৰামৰায়ৰ উৎসাহ, উদ্গনি, অনুৰোধ নোহোৱা হ'লে মহাপুৰুষে এই চাৰিখন নাট [ পাৰিজাত-হৰণ, কালি-দমন, ৰুক্মিণী-হৰণ, কেলি-গোপাল ] ৰচনা কৰিবলৈ প্ৰেৰণা নাপালেহেঁতেন আৰু সম্ভৱ ৰচিত নহ'লেইহেঁতেন।

---

*তৰাচিহ্ন দিয়া শ্লোকৰ শুদ্ধ পাঠ, Prof. A. T. Biswas. দেৱৰ A Textual Criticism of Sanskrit Verses in Old Assamese Dramas নামৰ প্ৰৱন্ধৰ পৰা লোৱা হৈছে। Journal of the University of Guwahati Vol. VII, 1956 ত এই আলোচনা প্ৰকাশিত হৈছিল। তাৰ পিছত প্ৰৱন্ধটো পুনঃমুদ্ৰিত কৰা হৈছে। বৰ্তমানৰ শুদ্ধ পাঠ পুনঃমুদ্ৰনৰ পৰা লোৱা।

# কালিদমন নাট

১ মেঘশ্যামল মূৰ্ত্তিম মেঘৰ নিচিনা শ্যামবৰণীয়া মূৰ্তি! আয়ত মহাবাহু= সবল আৰু বিশাল বাহুযুক্ত। মহোৰঃস্থলম্ মহা + উৰঃ স্থলম্- বহল আৰু ওখ বুকুযুক্ত। আয়ত বিস্তৃত। আৰক্তায়ত আৰক্ত আয়ত অলপ ৰঙচুৱা আৰু বিস্তৃত (বৈ পৰা)। কঞ্জলোচন যুগং পদুমৰ নিচিনা নয়ন যুগল বিশিষ্ট। কঞ্জ =পদুম। যুগং =যুগল, দুটা। হেম সোণ। হাৰবলয়ালঙ্কাৰ - হাৰ, খাৰু আৰু অলঙ্কাৰৰ। কান্তি—শোভা (ৰ)। দ্যুতিমান দীপ্তিমান। শাৰদ চন্দ্ৰ সদৃশং=শৰৎ কালৰ পূৰ্ণচন্দ্ৰৰ নিচিনা। হৃদপঙ্কজে হৃদয় পদ্মত।

১ (ক) মহাহিদৰ্পদলন ক্ৰীড়া মহা সৰ্পক (আহি) দমন কৰা খেলা। অকাৰি= কৰিছিল। যেন -যি জনে। পন্তাং ভৰিবে। মুদিতম্—মোহাৰি, পাঠান্তৰ/ মুদামৰ্দ্দয়ন=আনন্দেৰে মোহাৰি। ভুজঙ্গ ভোগ নিখিলং সাপৰ আটাইবিলাক ফণা। ভোগ=ফণা। নিখিলং=আটাইবিলাক। পৰংলীলয়া=পৰম ধেমালি-ভাৱেৰে। অভাঞ্জি=ভাঙিছিল। মহা মহা শূৰ চমূ চক্ৰং=মহা মহা বীৰসকলৰ সৈন্যবাহিনীক। অমাৰি=বধ কৰিছিল। মহতে=মহান। তস্মৈ=সেই। নিত্যং নমঃ=সদায় সেৱা কৰোঁ। কালিদমন যাত্ৰা বাৰ্ত্তাং=কালিয়ক দমন কৰা কাহিনী। শ্ৰদ্ধয়া শৃণুধ্বং—শ্ৰদ্ধাৰে শুনাইক। নিবোধত=ভালদৰে বুজাইক।

৩ যদুকুল কমল প্ৰকাশক =যদুবংশৰূপ পদুমৰ প্ৰকাশক (সূৰ্য)। নিৰযান=নিৰ্যান =নিৰ্গমন, মুক্তি। সায়ক—শৰ। সাৰঙ্গধাৰীঃ=সাৰঙ্গ নামৰ ধনুখন ধাৰণ কৰোতা=শ্ৰীকৃষ্ণ। অৰিষ্ট=কংসই পঠোৱা অসুৰ, যি বৃষ ৰূপ ধৰি গোকুলৰ গোপ-গোপী, গৰু-গাইক ভয় খুৱাইছিল। শ্ৰীকৃষ্ণই তাৰ শিং দুটাত ধৰি মাটিত পেলাই কাপোৰ চেপাদি ঘাৰ মুচৰিলে আৰু শিং দুটা তুলি লৈ শিঙেৰেও খুচি খুচি মাৰিলে। মুষ্টিক=কংসৰ বিখ্যাত মল্লযোদ্ধা মুষ্টিকক বলোভদ্ৰইহে মাৰিছিল। কৃষ্ণই লগৰ মল্লবীৰ চাণূৰক মাৰিছিল। মুষ্টিক যদি লিপিকাৰৰ প্ৰমাদ তেনেহ'লে 'মস্তক মোড়ল' হ'লে অৰিষ্টৰ ঘাৰমূৰ মোচাৰি দিয়া বুজাব। পাঠান্তৰত 'চিৰল কন্ধ মুৰাৰি' শুদ্ধ হ'লে অৰিষ্টক মৰাটোৱে বুজাব। ইন্দ্ৰমদ দূৰ=ইন্দ্ৰৰ অহঙ্কাৰ দূৰ কৰা। গোবৰ্দ্ধন ধাৰণৰ ঘটনাৰ উল্লেখ।

বন্দন দেৱক=দেৱতাৰো বন্দনীয়। সেৱক যাকেৰি সৰ্ব=সকলোৱেই যাৰ সেৱক। গোপমুখে...গৰ্ব=বিপ্ৰপত্নী প্ৰসাদৰ কাহিনীৰ উল্লেখ। গোপবালক-সকলৰ যোগেদি অন্ন-প্ৰাৰ্থনা কৰি দ্বিজসকলৰ কৰ্ম গৰ্ব ভাঙিলে। গোকুল জন যত তাড়ক মাৰক=গোকুলবাসী সকলোকে অত্যাচাৰ কৰাসকলৰ মাৰক বা মাৰোঁতা। কুবলয়=কুবলয়পীড় নামৰ কংসৰ বিখ্যাত হাতী, যাৰ মাউতৰ নাম আছিল অম্বষ্ঠ। কংসৰ আদেশত এই হাতীটোৱে কৃষ্ণ-বলোৰামক বধ কৰিবৰ চেষ্টা কৰে। কৃষ্ণৰ হাতত কুবলয়পীড় মৰে।

ধেনুক=ধেনুক নামৰ অসুৰক বলোৰামেহে তালবনত বধ কৰিছিল, কৃষ্ণয় নহয়। তাল ফল পাৰি খাওঁতে ধেনুক অসুৰে গাধৰ ৰূপ ধৰি আক্ৰমণ কৰাত বলোৰামে ঠেঙত ধৰি ঘূৰাই মাৰিছিল। [বলোৰামৰ কাৰ্য কৃষ্ণৰ কাৰ্যৰ লগত অভেদ কৰি দেখুৱা অৰ্থত ওপৰত পাই অহা মুষ্টিকৰ কাহিনী লিপিকাৰৰ প্ৰমাদ নহ'ব।]

পূতনিকা—পূতনা ৰাক্ষসী। শ্ৰীকৃষ্ণই স্তনত শোহা মাৰি তাইক বধ কৰে। পূতনাই স্তনত বিষ সানি নন্দৰ ঘৰলৈ গৈ শিশুকৃষ্ণক মৰম কৰি স্তনপান কৰাইছিল। এয়া কংসৰে চক্ৰান্ত আছিল।

এ দুখ দাহক পাৱক=এই দুখ (সংসাৰৰ দুখ) দহন কৰা অগ্নি। পাৱক=অগ্নি, শোধনকাৰী, শোধক। ভাৱক পূৰক পুনঃমনকাম=ভাবোঁতাসকলৰ পুনৰ মন-কামনা পূৰণ কৰোঁতা। যাতক পাতক ঘাতক=যাতনা দিওঁতা পাতকৰ ঘাতক। ৰকতি অনুৰক্তি, ৰতি। কীট্=পোক-পৰুৱা। পতঙ্গম=ছগা, চৰাই আদি পাখিযুক্ত জীৱ। জঙ্গম=যিবোৰ প্ৰাণীৰ গতি আছে। সঙ্গম ভকতক=ভকতৰ সঙ্গত। [ভকতৰ সঙ্গত এই সকলোৱে নিস্তাৰ পায়] কলিমল=কলিকালৰ মল বা পাপ। অনল=জুই। জানল মানল=জানিলে আৰু মানিলে—(সেইমতে বিশ্বাস কৰিলে।) লোই=লোক। মূহ=মুখ। সয়ল=সকল যতয়ে পৰমা...নাম=যতবিলাক পৰম ধৰ্ম-কৰ্ম আছে সকলোৰে বজা নাম (ভগৱানৰ নাম কীৰ্ত্তন শ্ৰৱণ স্মৰণ আদি)। বান্ধৱ মাধৱ=ভগৱানৰ লগত সেৱ্য-সেধকৰ সম্বন্ধৰ উপৰিও সম্পৰ্কত মুক্তি দিব। (দাস্য, সখিত্ব আদিও নৱবিধ ভক্তিৰ ভিতৰুৱা]। কৃষ্ণক কিঙ্কৰ কিঙ্কৰ শংকৰ=কৃষ্ণৰ কিঙ্কৰৰো কিঙ্কৰ শঙ্কৰ। 'দাসৰোদাস'=পাঠান্তৰৰ শ্ৰীদাম আদি বাহ্ৰ গোপাল=শ্ৰীকৃষ্ণৰ বাৰজন প্ৰিয় সখাঃ শ্ৰীদাম, সুদাম, পুণ্ডৰীক, দাম, বসুদাম, অংশু, কিঙ্কিনী, কলবিঙ্ক, বিটঙ্ক, স্তোককৃষ্ণ, বিলাসী আৰু ভদ্ৰসেন।

৮ গোবৎসোন............নিনাদয়ন=গোবৎসান - গৰু আৰু গৰুৰ পোৱালিবোৰ।

পূৰ্বতঃকৃত্বা=আগতলৈ। গোপাল=শ্ৰীকৃষ্ণ। গোপবালক=গোপসকলৰ পালন-কৰোঁতা। গোপৈঃসহ=গোপবালক সকলক লগতলৈ/সৈতে। বেণুনিনাদয়ন= বেণু বজাই। সভাং=সভাত। প্ৰবিবেশ=প্ৰৱেশ কৰিছিল। ধেনু বেণু= গৰুৰ খোজৰ ধূলি। শিখণ্ডক=ম'ৰাৰ পাখি। গণ্ড=গাল। উৰে=পিন্ধে। হেমহাৰ সোণৰ হাৰ। মঞ্জিৰ=নূপুৰ। ঝুৰাৰে=ঝুৰ ঝুৰ (জুন্ জুন্ ?) শব্দ কৰে। বৎস বৎসপাল=গৰু-পোৱালি আৰু পোৱালি ৰখীয়াবোৰ।

১১ বৎসকান্= পোৱালিবোৰক। পালকান্=ৰখীয়াবোৰক। মৃতকান্=মৰি-যোৱা সকলক। বিলোক্য= দেখি। অদ্ভূতং খেদং -অতি অদ্ভূতভাৱে খেদ। চকাৰ=কৰিছিল। তদা==তেতিয়া।

১৩ কৃষ্ণস্য............সমুত্থিতাঃ॥ অমৃত দৃষ্ট্যা=অমৃত দৃষ্টিৰে। লব্ধপ্ৰাণা= প্ৰাণ লাভ কৰা। কুমাৰকাঃ গোপবালকসকল। যথা স্বপ্নাৎ সমুত্থিতাঃ= যেন স্বপ্নৰ পঁৰা সাৰ পাই। বেঢ়ু=ফুৰিবলৈ ধৰিলে, ধেমালি কৰিবলৈ ধৰিলে। বিচৰণ কৰিলে।

১৯ ততঃ কালিয়ভুজগং.........নিসূদনঃ॥ ততঃ তাৰ পিছত। ভৱভাৱন=জগ-তৰ যি ভাৱক (স্ৰষ্টা)। দৈত্য নিসূদনঃ=দৈত্য বধকাৰী। মনশ্চক্ৰে=মন কৰিলে। দূৰীকৰ্ত্তুং=দূৰ কৰিবলৈ। হ্ৰদাৎ=হ্ৰদৰ পৰা। দুৰন্ত বিষ-বীৰ্য-দুৰন্ত বিষশক্তিসম্পন্ন। অনন্তবীৰ্য=অনন্ত শক্তি (ভগৱান)।

২১ যৈচে নাচে.........চলায়া -যেন চৰণ চলাই নাচিছেহে। [মাটিত নচাৰ দৰে]। তথি=তাত। পীত পিচাৰি হালধীয়া বৰণৰ কাপোৰ। নৱ= নতুন। ঘন= ডাৱৰ। কৌস্তুভ—শ্ৰীকৃষ্ণই কণ্ঠত পিন্ধা বিশেষ মণিটোৰ নাম। [সাগৰ মন্থনত পোৱা এই মণিটো নাৰায়ণে কণ্ঠত ধাৰণ কৰে] নৱ সুৰ= নতুন সূৰ্য=পুৱাৰ বেলি। ক্ৰীড়াকৰতু বাৰি=বাৰিক্ৰীড়া=জলক্ৰীড়া কৰিলে।

২৩ নিশম্য........অচ্যুতম॥ নিশম্য=শুনি। হ্ৰদ নিহ্রাদং =হ্ৰদৰ ঢৌৰ শব্দ। সম্বাদং - সম্বাদ, বাতৰি। ত্বৰিতং আগত্য=লৰি আহি। অদশদচ্যুতম্ অদ-শৎ=দংশন কৰিলে। (অদশ্য ?) অচ্যুতম=কেশৱম।

২৪ মৰ্মস্থানে- অন্তঃকৰণত, জীৱথকা ঠাইত, হৃদয়ত।

২৫ কাল -যম, মৃত্যু। কাল কালি=যমস্বৰূপ কালি নাগ।

২৮ শ্ৰীবৎস=শ্ৰীকৃষ্ণৰ বুকুত থকা নোমৰ এটা আৱৰ্ত বা গাঁঠ। এই লাঞ্ছন বা চিহ্ন থকাৰ কাৰণে শ্ৰীকৃষ্ণৰ (বিষ্ণুৰ) এটা নাম শ্ৰীবৎস লাঞ্ছন। অন্ত-ৰীক্ষ, অন্তৰিক্ষ=আকাশ [জীৱ যেন আকাশলৈ উৰি গ'ল।]

২৯ ততো.........যযুৰাকুলাঃ ॥ ততঃ=তেতিয়া। নন্দাদয়=নন্দ আদি সকলোৱে। নানাদ্ভুতং দৃষ্টা=নানা ধৰণৰ অমঙ্গলৰ চিন দেখি। মত্বা - ভাবি। দ্ৰষ্টুং= চাবলৈ। যযুঃ - গৈছিল। যযুঃ আকুলাঃ=আকুলহৈ গৈছিল।

৩১ খোজ গুৰি=খোজৰ গুৰি ধৰি, খোজ চাই চাই। [শ্ৰীকৃষ্ণৰ ভৰিৰ তলুৱাত ধ্বজ, বজ্ৰ, অঙ্কুশৰ চিহ্ন আছিল। গতিকে সেই চিহ্ন বিলাকৰ দ্বাৰা ভেওঁ-লোকে শ্ৰীকৃষ্ণৰ খোজ চিনি পাইছিল। দশন নিস্পান=দশন নিস্পন্দ= দাঁতে দাঁতে লাগি যোৱা।

৩২ শোক শল্যেন ধৰ্ষিতা=শোক-শালেৰে আহত বা বিদ্ধ হৈ। সুস্বৰ তীব্ৰং= তীব্ৰ সুৰেৰে, ডাঙৰকৈ চিঞৰি, হুৰাওবাৰে কান্দি। ৰুৰুদুঃ=কান্দিবলৈ ধৰিলে।

৩৩ পতিতা সহসা ভূশম্=হঠাৎ ডাঙৰকৈ (ঠেকেছা খাই) পৰিগ'ল [ভূশম্= ডাঙৰকৈ]।

৩৮ গোৰস - গাখীৰ।

৪৫ আস্ফোট্য=আস্ফালন কৰি। সহসা উত্তীৰ্থন=হঠাতে উঠি।

৪৬ আচোট =আস্ফোট =আস্ফালন। উকফাল দেলহ=উফাল মাৰি দিলে। আটোপ =অহঙ্কাৰ। হাস্ফোলল=আস্ফানল=খুন্দিয়ালে। তাহাক বেঢ়ি= তাৰ চাৰিওফালে। ফোংকাৰ ফোঁচ ফোচনি।

৪৭ ভতঃ=তেতিয়া। শিবাংসি=শিৰ (মূৰ) বিলাকত। পত্ভ্যামামৰ্দ্য ভৰিৰে মোহাৰি। সৰ্ব্বকলাদি গুৰুৰীশ্বৰ=সকলো সুকুমাৰ কলাৰ গুৰু ঈশ্বৰ।

৪৭ (ক) গন্ধৰ্ব =স্বৰ্গৰ গায়ক শ্ৰেণী। বিদ্যাধৰ-স্বৰ্গৰ নৃত্য-গীত বিশাৰদ এটি শ্ৰেণী। চেৰলৈয়া - ছেৰে ছেৰে। সিদ্ধসৱ - সিদ্ধ সকল=ত্ৰিকালজ্ঞ ঋষি মুনিসকল। কৌতুক=ধেমালি (কালিৰ মূৰত ভৰি দি নচাটো শ্ৰীকৃষ্ণৰ কাৰণে ধেমালি মাত্ৰ, এই অৰ্থত কৌতুক নৃত্য।)

৪৮ সিৰিখ=শিৰিষ ফুল। পীড়ি=পীড়াদি, যন্ত্ৰণাদি। নাদ=শব্দ। দুন্দুভি= বাদ্যযন্ত্ৰ, প্ৰাচীন ভাৰতীয় ৰণবাদ্য বিশেষ।

৪৯ পৰমগুৰুক=ভগৱানৰ। আপদঔষধ=আপদৰূপ ঔষধ। [গৰ্ব, অহঙ্কাৰ, দম্ভ, অত্যাচাৰ আদি ৰোগৰ নিচিনা। সেই ৰোগৰ ঔষধ হ'ল বিপদ-আপদ, যাৰ যোগেদি ভগৱানে সংসাৰীৰ মন ঈশ্বৰমুখী কৰে।]

৫০ বীক্ষ্য=দেখি। মুমূৰ্ষং=মৰোমৰো। গতচেতনম্ =চেতনা নাইকিয়া। ভৰ্ত্তুঃ= ভৰ্তাৰ, স্বামীৰ। কৃষ্ণমভ্যেত্য=কৃষ্ণৰ ওচৰলৈ আহি। তুষ্টুবুঃ=স্তুতি কৰিছিল।

৫২ পিটক=প্ৰিয়ক। পৰিয়ে হৰিক আগু=শ্ৰীকৃষ্ণৰ আগত পৰি [সম্ভৱ পাৰত বা পানীৰ তলত]।

৫৪ পুৰাণ পুৰুষ=প্ৰাচীন পুৰুষ=আদিপুৰুষ (ভগৱান শ্ৰীকৃষ্ণ) কাৰণ=হেতু। কাৰণৰো কাৰণ=সকলো কাৰণৰ মূল কাৰণ। অকাৰণ=কাৰণশূন্য। [কাৰ্য কাৰণৰ দ্বাৰা সৃষ্টিৰ সকলো বস্তু সৃষ্ট; এই সকলো কাৰণৰ মূল কাৰণ ভগৱান। তেওঁ কিন্তু কোনো কাৰণৰ যোগেদি সৃষ্ট নহয়।] অতৰ্ক্য যুক্তি-তৰ্কেৰে ঢুকি নোপোৱা। ৰাম কাম অনিৰুদ্ধ বাসুদেৱ=বলোৰাম, কামদেৱ (প্ৰদ্যুম্ন) অনিৰুদ্ধ, বাসুদেৱ। "ভগৱন্তৰ চাৰি বিধ মূৰ্তিৰ কল্পনা কৰা হয়। প্ৰথমবিধ, বাক্য-মনৰ অগোচৰ। দ্বিতীয়বিধ চতুৰ্ব্যূহ। তৃতীয়= বিভূতি মূৰ্তি, -মৎস্য কূৰ্মাদি। চতুৰ্থবিধ অৰ্চনা মূৰ্তি, শ্ৰীৰঙ্গনাথ, বেঙ্কটনাথ।"

চাৰিমূৰ্তিৰ বাসুদেৱ বসুদেৱৰ পুত্ৰ; প্ৰদ্যুম্ন= ৰুক্মিণী-শ্ৰীকৃষ্ণৰ পুত্ৰ, আন নাম কামদেৱ; অনিৰুদ্ধ প্ৰদ্যুম্নৰ পুত্ৰ।

"বিষ্ণুমূৰ্তিৰ চাৰি হাতৰ সোঁফালৰ তল আৰু ওপৰৰ হাতত আৰু বাওঁফালৰ তল আৰু ওপৰৰ হাতত শঙ্খ, চক্ৰ, গদা, পদ্ম থকাৰ পাৰ্থক্যৰ দ্বাৰা মূৰ্তিৰ বিভিন্নতা বুজায়। বাসুদেৱৰ হাতত যথাক্ৰমে গদা, শঙ্খ, চক্ৰ, পদ্ম অথবা পদ্ম, চক্ৰ, শঙ্খ, গদা থাকে। সঙ্কৰ্ষণৰ (বলোৰাম) হাতত যথা-ক্ৰমে গদা, শঙ্খ, চক্ৰ, পদ্ম অথবা শঙ্খ, পদ্ম, গদা লাঙ্গল (দ্বিভুজ হ'লে গদা লাঙ্গল); অনিৰুদ্ধৰ হাতত চক্ৰ, গদা, শঙ্খ, পদ্ম, প্ৰদ্যুম্নৰ হাতত গদা, চক্ৰ, শঙ্খ, পদ্ম অথবা পদ্ম, শঙ্খ, চক্ৰ, গদা থাকে।" [ৰাজমোহন নাথঃ কালিয়দমন নাটৰ টোকা]। ধাতুপ্ৰাণ ধাতুত প্ৰাণ। ৰস, তেজ, মাংস, মেদ, অস্থি, মজ্জা, আৰু শুক্ৰক ধাতু বোলে। অহি=নাগ। থিক=হয়। চণ্ড=খঙাল।

৫৯ নিশম্য নাগনাৰীণাং.........সঃ। নিশম্য - শুনি। কমলেক্ষণঃ= পদ্মলোচন। অৱততাৰ=নামি আহিছিল॥

৬৩ ততো.........মহেশ্বৰম্। শনৈঃ=লাহে লাহে। মত্বা=জানি। নত্বা=নত কৰি দোঁ খুৱাই। তুষ্টাব=স্তুতি কৰিছিল।

৬৩ (ক) সঞ্জক্ষণ=অলপ অলপ চেতন পোৱা, নুমাই নুমাই জ্বলি উঠা।

৬৬ ৰীক্ষ্য .... দুৰত্যয়াম্। বীক্ষ=দেখি। ততঃ=তেতিয়া। তস্য=তাৰ। জগাদ= ক'লে। তীৰ্ণোঽসি=তুমি পাৰ হ'লা। দুৰত্যয়া=সহজে পাৰ হ'ব নোৱাৰা। মাভৈঃ=ভয় নাই। ভুজগ=হে ভুজগ (সম্বোধন)।

৬৮ নিশম্য... ...মুদা। নিশম্য=শুনি। নত্বা=সেৱা কৰি। মুদা=ৰংমনেৰে। ৰমণকং ৰমণক নামৰ দ্বীপলৈ। তদা=তেতিয়া। যযৌ=গ'ল।

৭১ কালিন্দি ; কালিন্দী=যমুনা নৈৰ নাম। [কলিন্দ পৰ্বতৰ পৰা ওলোৱা নৈ]

৭৮ সমুত্তস্থুঃ=সমানে সাৰ পালে। চুক্ৰুশুঃ=অনুশোচনা কৰিছিল।

৮৫ সন্নিহিত=ওচৰ।

৮৭ ততোঽতিভীতান=তাৰ পিছত আতিকৈ ভয় খোৱা। মুখেনবহ্নিমপিবৎ= মুখেৰে বহ্নিপান কৰিলে।

৮৯ শ্ৰীকৃষ্ণস্যাদ্ভুতং=শ্ৰীকৃষ্ণৰ অদ্ভুত। সৰ্ব্বেঽপি বিস্মিতাঃ=সকলোৱেই বিস্মিত হৈ। অন্যোন্যমিতি=ইজনে সিজনক এইদৰে। প্ৰত্যুচুৰ্ণ=প্ৰতি+উচুঃ=কোৱা-মেলা কৰিলে।

৯৩ ৱাদয়ন বেণুং=বেণুবাদ্য কৰি। সাৰ্দ্ধং=লগত। মুদাঃ=আনন্দেৰে।

৯৪ শিঙা=শিঙেৰে সজা বাদ্যযন্ত্ৰ বিশেষ [ম'হৰ শিঙৰ পেঁপা ]

৯৫ ধেনু-ৰেণু তনু=গৰুৰ ধূলিৰে [ৰঞ্জিত] তনু। ত্ৰিভঙ্গিম=তিনি ভাঁজ যুক্ত। ভাৰে=ভাৰত [প্ৰেম ভাৰত]। কাণুক=কৃষ্ণৰ। অমল=নিৰ্মল, মলহীন। মুহ=মুখ। হেৰি=চাই, দেখি। লহু লহু=লঘু লঘু, লাহে লাহে। শ্ৰীৰামৰায়া=শ্ৰীৰামৰায় বা শ্ৰীজগতানন্দ, শঙ্কৰদেৱৰ ভ্ৰাতৃ আৰু চিলাৰায়ৰ মুখ্য পটেশ্বৰী কমলাপ্ৰিয়া বা ভুবনেশ্বৰীৰ পিতৃ। ধুৱাঁহাটাত ভূঞাসকল থাকোঁতে আহোম স্বৰ্গদেৱ তেওঁৰ কাৰ্যত বিশেষ সন্তুষ্ট হৈ তেওঁক 'ৰামৰায়' নাম বা খিতাপ দিয়ে।* কোনো পণ্ডিতৰ মতে দলপতি' খিতাপহে আহোম ৰজাই দিয়ে। ধুৱাঁহাটাত থাকোতে তেওঁ ভূঞাসকলৰ 'দলপতি' আছিল কাৰণে পিছলৈ তেওঁৰ নামৰ আগত 'দলপতি' খিতাপ ব্যৱহাৰ কৰা হৈছিল। আহোম ৰাজ্যৰ পৰা ভূঞাসকল ভটিয়াই আহি পাটবাউসীত ( কোঁচ ৰাজ্যত) বসতি কৰাৰ পিছত 'দলপতি জগতানন্দ, "ৰামৰায়" নাম বা উপাধিৰে জনাজাত হৈছিল। 'কালিদমন নাটৰ' কল্যাণ গীতৰ উপৰিও মুক্তিমঙ্গল ভটিমাত তেওঁৰ নাম দ্বিতীয়বাৰ বিশেষভাৱে উল্লেখিত হৈছেঃ "পাষণ্ড দণ্ডন, মণ্ডন ভকতক, হৰিৰস-ৰসিক সুজান'। ইয়াত তেওঁৰ [সম্ভৱ ৰাজকীয় ] ক্ষমতাৰ বিষয়েও ইঙ্গিত দিয়া হৈছে। পাৰিজাত-হৰণ, কালিয়দমন, কেলি-গোপাল, ৰুক্মিণীহৰণ, এই চাৰিখন নাট তেওঁৰ আগ্ৰহ, উৎসাহ আৰু প্ৰেৰণাত ৰচিত আৰু অভিনীতও হৈছিল। পাৰিজাতহৰণত তেওঁৰ নাম শ্ৰীজগতানন্দ আৰু দলপতি জগতানন্দ নামে যথাক্ৰমে কল্যাণ গীত আৰু মুক্তিমঙ্গল ভটিমাত উল্লেখিত হৈছে। বাকী তিনিখন নাটত তেওঁৰ নাম ৰামৰায় বা শ্ৰীৰামৰায় নামে উল্লেখ কৰা হৈছে। গতিকে বাকী তিনিখন নাট

---

কথা-গুৰু চৰিতৰ মতে বঁটা-বাহন দি 'ৰামৰায়' নাম দি থৱালেনি।

বৰপেটা অঞ্চলত থাকোঁতে ৰচনা কৰা বুলি ধৰিব পাৰি (১)

১৮ ভূমিকহু=পৃথিৱীৰ। উত্তাৰল=পাতলালে। নিজ জন=ভক্ত সকলৰ। শ্বপচ= চণ্ডাল। পাষণ্ড দণ্ডন=পাষণ্ডক দণ্ড দিওঁতা। মণ্ডন=অলঙ্কৃত কৰা। সুজান= সজ্জন। [ এই বিশেষণসমূহ শ্ৰীৰামৰায়ক দিয়া হৈছে।] ওহি ভৱ=এই সংসাৰ। দুৰ্গম=কষ্টেৰে যাব পৰা, সহজে যাব নোৱৰা। কৃষ্ণপাদ-পল্লৱ নাৱ= [এই দুৰ্গম সাগৰ তৰিবৰ একমাত্ৰ নাও হ'ল কৃষ্ণপাদপল্লৱ।] দেৱক উপৰি ৰাজা মাধৱ -কৃষ্ণ সকলো দেৱতাৰ ৰজা। ধৰমক উপৰি নাম= নাম ধৰ্ম সকলো ধৰ্মৰ ৰজা। কল্পক=কল্পৰ [ব্ৰহ্মাৰ এদিন এৰাতিক এক কল্প বোলা হয়। এক কল্পত ৮৬৪ কোটি বছৰ।]

---

*তৰা চিন দিয়া শ্লোকৰ শুদ্ধ পাঠ শ্ৰী এ. টি. বিশ্বাসদেৱৰ A Textual Criticism of Sanskrit Verses in Old Assamese Dramas আলোচনাৰ পৰা লোৱা।

(১) 'ৰামৰায়' সম্পৰ্কীয় আলোচনাৰ কাৰণে " কেলি-গোপাল " আৰু "পাৰিজাতহৰণৰ" পৰিশিষ্ট চাওক।

# ৰুক্মিণীহৰণ নাট

১ ক যৎপাদ পঙ্কজৰজ=যাৰ পদ পঙ্কজৰ বেণু। শিৰসা সুৰেশাঃ=শ্ৰেষ্ঠ দেৱতা-সকলেও শিৰত (লয়)। সৰ্ব্বাদয়ো=শিৱ আদিয়েও। [সৰ্ব্ব=শিৱ] দিৱিষদ=স্বৰ্গত থকাসকলেও। অতি মুদোৱহন্তি অতি আনন্দেৰে গ্ৰহণ কৰে। কলিমলং=কলিৰ মল। মনুজাঃ=মানুহবিলাকে [মনুৰ পুত্ৰবিলাকে] শৰণং ব্ৰজেম=শৰণ গ্ৰহণ কৰোঁ।

খ চৈদ্যদীন=চেদি আদি। নৃপতীন=ৰজাসকলক। প্ৰমথ্য=প্ৰমথি। তৰসা=দ্ৰুতভাৱে। যেনাহৃতা ৰুক্মিণী=যাৰ দ্বাৰা ৰুক্মিণীক হৰণ কৰা হ'ল। যেনাজৌ=যেন+আজৌ যাৰ দ্বাৰা যুদ্ধত [আজ=যুদ্ধ]। ৱিনিৰ্জিত্য=জয়কৰি। দুৰ্জয় ৰিপুঃ=দুৰ্জয় শত্ৰু। ৰুক্মী বিৰূপঃ কৃতঃ=ৰুক্মীক বিৰূপ কৰি। বৈদৰ্ভী=বিদৰ্ভৰ কন্যাক (ৰুক্মিণীক)। বিধিৱৎ=বিধিসম্মতভাৱে। বিৱাহমকৰোৎ=বিৱাহ কৰিলে। যো দ্বাৰৱত্যাং মুদা=যি দ্বাৰকালৈ আহি। তস্মৈ=সেইজনলৈ। কুৰ্ম্মো=কৰোঁ। শ্ৰীপৰমাত্মনে......নমঃ=পৰমাত্মা ভগৱান শ্ৰীকৃষ্ণক নমস্কাৰ কৰোঁ। সাধু বান্ধৱ=সাধুসকলৰ যি জন বান্ধৱ। হামাক=মোৰ। পঞ্চ মুহে =পাঁচ মুখেৰে। [শিৱৰ পাঁচখন মুখ=পঞ্চানন] ধৰু=ধৰে। কৰু=কৰে। মোহি=মোৰ। দেৱ-দেৱা=দেৱতাৰ দেৱতা। সুৰাসুৰ=সুৰ+অসুৰ=দেৱতা আৰু অসুৰ। অসুৰ=ন+সুৰ=অসুৰ। অসু (প্ৰাণ)ৰ=প্ৰাণযুক্ত বা প্ৰাণপূৰ্ণ। প্ৰাচীন পাৰস্যবাসীসকলৰ বেদ 'আৱেস্তা'ৰ দেৱতা (অহুৰ)।

৩ নান্দ্যন্তে সূত্ৰধাৰঃ=নাটৰ নান্দী অংশৰ পিছত সূত্ৰধাৰৰ (প্ৰৱেশ)। সংস্কৃত নাটকত এই ব্যৱস্থা। অঙ্কীয়া নাটত নান্দীকাৰ বেলেগে নাথাকে, সূত্ৰধাৰেই নান্দী গায়। ইত্যুক্তা=ইতি উক্তা=ইয়াকে কৈ। ইতি=শেষ; এয়া, এই, এইদৰে। নত্বা=নতহৈ। নাৰায়ণং=নাৰায়ণক। (নাৰায়ণক সেৱা কৰি)। সম্বোধ্যাহ=সম্বোধি আহ=সম্বোধন কৰি কয়।

৪ যুয়ং=আপোনালোকে। শৃনুধ্বং শ্ৰদ্ধয়াধুনা=অধুনা=এতিয়া। [এতিয়া আপোনালোকে শ্ৰদ্ধা ভক্তিৰে শুনক] নাটকং মুক্তি সাধকং=ধৰ্ম, অৰ্থ কাম,

মোক্ষ—এই চতুৰ্বৰ্গৰ ভিতৰত শ্ৰেষ্ঠ মোক্ষ বা মুক্তি সাধন কৰিব পৰা (এই নামৰ) নাটক। [ভগৱানৰ নাম লগে যেনেকৈ জীৱই মুক্তি পাব পাৰে সেইদৰে ভগৱানৰ লীলা আদিৰ অভিনয় চালে বা শুনিলেও মুক্তি লাভ কৰিব পাৰে। তাৰ বাবে লাগিব শ্ৰদ্ধা।]

৫ কোনো কোনো পুথিত 'ভট্টিমা' পোৱা যায়। ভট্টিমা=স্তুতি, প্ৰশস্তি, ইংৰাজীত অ'ড (Ode)। [অঙ্কীয়া নাটৰ প্ৰথম ভটিমাটোক দেৱভটিমা বোলা হয়। ইয়াত নায়কৰ (ভগৱানৰ) গুণ-গৰিমা কীৰ্তন কৰা হয়, অতীতৰ মহৎ কাৰ্যাৱলীৰ (লীলাৰ) উল্লেখ কৰি বৰ্তমান নাটকৰ ঐশ্বৰিক কাৰ্যৰ প্ৰতি সভাসদসকলৰ মনক সাজু কৰি লোৱা হয়।] জয় জয়=[ভগৱানৰ প্ৰতি ভক্তি ৰাখিলে জীৱই সংসাৰৰ দুখ-যন্ত্ৰণা জয় কৰি মুক্তি লাভ কৰিব পাৰে—সেই দুখ জয়কাৰী ভগৱানৰ (কৃষ্ণৰ) জয় হওক।] যাদব—যদু বংশীয়। দেৱ=দেৱতা (ভগবান)। সৰোৰুহ—পদ্ম। ভয়ো=হয়। অৱতাৰ=অৱতীৰ্ণ হোৱা, নামি অহা। [ভগৱানৰ 'জন্ম' নহয়, 'অৱতাৰ' হয়। জীৱৰ জন্ম, পুনৰ্জন্ম হয়।] ভূমিকেহি=ভূমিৰ। ভাৰ=বোজা। ধয়লি=ধৰিলে। দাৰুণ= ভয়ঙ্কৰ (দাৰু=কাঠ, - কঠোৰ)। নিৰমিয়ে=নিৰ্মাণ কৰি। সয়ল=সকল। সংসাৰ—ইহলোক, মৰ্ত্য। বিহাৰ=ক্ৰীড়া। [লীলা অৰ্থত ব্যৱহৃত]। যো ব্ৰহ্মাণ্ড ভাণ্ড—যি ব্ৰহ্মাণ্ডৰ ভাণ্ড (পাত্ৰ)। ভেদল=ভেদ কৰিলে। পদ-নখ-পৰশ প্ৰহাৰ- ভৰিৰ নখৰ স্পৰ্শ আৰু আঘাতৰ দ্বাৰা। [বামন অৱতাৰত বলিৰজাৰ পৰা তিনিপদ ভূমি দান লৈ প্ৰথম পদেৰে পৃথিৱীক আবৰিলে, দ্বিতীয় খোজেৰে ব্ৰহ্মাণ্ডক ভেদকৰি আকাশীগঙ্গাৰ জলধাৰা পৃথিৱীলৈ নমাই আনিলে। ব্ৰহ্মাৰ অন্তৰূপী বিশ্বৰ আৱৰণ বামনৰ ভৰিৰ নখে ভেদ কৰিলে। তৃতীয় পদ বলিৰজাৰ মূৰত থৈ তেওঁক সেইদৰে বন্দী কৰি সুতললৈ পঠালে।] পৰশিনী গঙ্গা পৰশ কৰি অহা (স্বৰ্গৰ) গঙ্গাই। সুৰ-নৰ=দেৱতা আৰু মানুহ। [সুৰলোক নৰলোক অৰ্থত। গঙ্গাই স্বৰ্গত মন্দাকিনী, পৃথিৱীত গঙ্গা আৰু পাতালত ভোগৱতী নাম লৈ এই সকলো স্থান পৱিত্ৰ কৰিছে। বামনৰূপী বিষ্ণুৰ ভৰি চুই অহাৰ কাৰণে গঙ্গা পৱিত্ৰা।] মধু=মধু আৰু কৈটভ নামৰ দুজন দৈত্যক ভগৱান বিষ্ণুৱে বধ কৰিছিল। নিবাৰণ বাৰণ= দমন, প্ৰশমন। কুবলয়=কুৱলয়পীড়—কংসৰ হাতীটোৰ নাম। [কৃষ্ণই বধ কৰিছিল।] চুৰ—ভঙ্গ। ব্ৰজজন=ব্ৰজবাসীসকল। ইন্দ্ৰ দৰপ - - - দুৰ= [গোবৰ্ধন ধাৰণ কৰি ইন্দ্ৰৰ দৰ্প ভঙ্গ কৰিলে।] ৰাসবিলাস=ৰাসকেলি।

বিষধৰ কালি=বিষধৰ কালীয় নাগ। কুবুজা=কংসৰ চন্দন যোগাওঁতা কুঁজী। এওঁ সুন্দৰী আছিল কিন্তু কুঁজা আছিল। কংসলৈ নিয়া চন্দন কৃষ্ণ-বলোৰামক দি অৰ্চনা কৰাত শ্ৰীকৃষ্ণই ভেওঁক হাতেৰে টানি পোন কৰি দিয়ে। কুঁজীয়ে ভেতিয়া কৃষ্ণৰ লগত মিলন-সুখ কামনা কৰে। শ্ৰীকৃষ্ণই কংসবধৰ পিছত কুঁজীৰ মনোবাঞ্ছা পূৰ্ণ কৰে। ৰৰদ ৰৰদ=ৰৰদাতাৰো ৰৰদাতা। (বিষ্ণু= কৃষ্ণ)। যাকেৰি=যাৰ। জগজন পূৰণ কাম=জগতৰ লোকৰ কামনা পূৰ্ণ কৰে। লেহি=লৈ। ভণিতে=ৰচনা কৰিলে। পয়োনিধি=সাগৰ। কাৰক কৰোতা। ধৰমক ৰাজা নাম=নামধৰ্ম ধৰ্মৰ ৰজা।

৭ যাহেৰি অংশ অৱতৰি=আজিলৈকে পৃথিৱীত হোৱা ভগৱন্ত শ্ৰীকৃষ্ণৰ সকলো অৱতাৰ অংশ অৱতাৰ; শ্ৰীকৃষ্ণ পূৰ্ণ অৱতাৰ। যাহেৰি=যাৰ (শ্ৰীকৃষ্ণৰ)। সাক্ষাতে=দৃষ্টিগোচৰ হৈ। আপুনে=স্বয়ং [পূৰ্ণকলাৰ অৱতাৰহৈ নিজেই] সাৱধানে দেখহ শুনহ=শ্ৰদ্ধা আৰু ভক্তিৰে [সাধাৰণ মানুহৰ কাৰ্যৰ অভিনয় নহয় স্বয়ং ভগৱন্তৰ কাৰ্য বা লীলা।

৮ উদ্ধৱ=শ্ৰীকৃষ্ণৰ বন্ধু, সখা। বৈকুণ্ঠ প্ৰয়াণৰ সময়ত শ্ৰীকৃষ্ণই এইজন ভক্তক বৈষ্ণৱ-ভক্তি ধৰ্ম তত্ত্বৰ বিষয়ে জ্ঞান দিয়ে। কংসবধৰ পিছত শ্ৰীকৃষ্ণ ব্ৰজধামলৈ কোনো দিনে উভতি নগ'ল—কিন্তু বিৰহ-কাতৰা গোপিনীসকলক সান্তনা দিবলৈ এওঁকে শ্ৰীকৃষ্ণই দূত কৰি পঠিয়াইছিল।

৯ প্ৰৱেশমকৰোং=প্ৰৱেশ কৰিলে। স্বকান্ত্যা=নিজৰ দেহৰ জ্যোতিৰে। কাম কোটিজিৎ=কোটি মদনক জয় কৰিব পৰা। জগতাং জনকো ধাতা=জগতৰ জনক বিধাতা। সোদ্ধবঃ=উদ্ধৱেৰে সহিতে। সাধু বান্ধৱ=সাধুসকলৰ মিত্ৰ বন্ধু।

৯ ইতি সূত্ৰ নিষ্ক্ৰান্ত=‘এতিয়া সূত্ৰধাৰ গুচি যায়’। [সংস্কৃত অভিনয়ত নাটক উপস্থাপন কৰি সূত্ৰধাৰৰ কাম শেষ হয় আৰু সূত্ৰধাৰ গুচি যায়। অঙ্কীয়া-নাটত সংস্কৃত নাটকৰ দৰে এইদৰে লিখা থাকিলেও সূত্ৰধাৰ গুচি নাযায়, নাটৰ শেষলৈকে পৰিচালনাৰ সম্পূৰ্ণ দায়িত্বত থাকে। কোনো পুথিত সঙ্গী নিষ্ক্ৰান্ত বুলিও লিখা থাকে।

১০ অম্বৰ=অম্বৰ, কাপোৰ। নাসা=নাহি, মিহি। ঈষত=মৃদু। ভুজ লম্বিত জানু= জানুলৈকে পৰা হাত=আজানু লম্বিত। কৌস্তুভ=নাৰায়ণৰ কণ্ঠৰ বিশেষ মণিটোৰ নাম। শ্ৰীকৃষ্ণই নাৰায়ণ, গতিকে শ্ৰীকৃষ্ণৰ কণ্ঠতো এই মণি বিদ্যমান। [সাগৰ-মন্থনত পোৱা] মুকুতমণি=মুকুতা মণি [মুকুটমণি=মূৰত পিন্ধা মুকুটৰ মণি]। মহ=মাজত। বোলে=শব্দ কৰে। পৰকাশা=প্ৰকাশ কৰে।

১৪ কাৰয়ামাস=কৰোৱালে। সখী সংবৃতাম=সখীসকলেৰে সৈতে। মোহয়ন্তী=মোহ নিয়ালে। হৰ্ষয়ন্তী=আনন্দৰ সৃষ্টি কৰিলে। চাৰু=সুন্দৰ, মনোৰম। লাবণ্য=সৌন্দৰ্য, কান্তি। কান্তি=দীপ্তি, জেউতি।

১৬ পৰসাৰ=পয়োসাৰ=অগ্ৰসৰ [ডাকজনক আৰু গাম্ভীৰ্যপূৰ্ণভাৱে আগবাঢ়ি অহা অৰ্থত।] উজোৰ=উজ্জ্বল। চকোৰ=চকোৰ চৰাই। [এই চৰায়ে জোনাক পান কৰে বুলি বিশ্বাস।] নয়ন চকোৰ—[ৰুক্মিণীৰ নয়নৰূপী চকোৰ দুটাই যেন ৰুক্মিণীৰ মুখচন্দ্ৰৰ জোনাক পান কৰিছে।] কনক=সোণ। নিচোল=বস্ত্ৰ। ঝনকাৰ=ঝংকাৰ। কাঞ্চি=হাৰ (অলংকাৰ)। হেমহাৰ=সোণৰ হাৰ। কৰু=কৰে। বোল=ধ্বনি। কহু=কহুঁ=কহোঁ=কহোঁ—আটাইকেইটা ৰূপৰে ব্যৱহাৰ নাটত আছে। স্বাৰ্থিক প্ৰত্যয়ৰূপে ব্যৱহৃত।

১৭ সুৰভি=কুণ্ডিনৰ পৰা দ্বাৰকালৈ যোৱা ভাটজনৰ নাম। এই নাম নাটকত (কাব্যতো) শঙ্কৰদেৱে দিয়া।

১৯ প্ৰাহাহং=প্ৰাহ (ক'লে)+অহং (মই)। দিদৃক্ষু=দেখাৰ অতি হেঁপাহ হোৱাত।

২১ ভটিমা=ৰুক্মিণীহৰণ নাটত এইটো আৰু হৰিদাস ভাটে ৰুক্মিণীৰ আগত গোৱাটো ভাটৰ ভটিমা বোলা হয়। চপয়=এবিধ ছন্দ। কৰহু=কৰোঁ। কহতু=কৈ। কতিহো=ক'তো। 'হামাৰ...অনুপাম'=কুণ্ডিন নগৰী উপমা-বিহীন। ভাটৰ মুখত নিজৰ দেশৰ গৌৰৱ প্ৰকাশ কৰা হৈছে। পৰচুৰ—প্ৰচুৰ [কবিতাত ছন্দ মিলাবৰ কাৰণে 'পৰচুৰ' ৰূপ দিয়া হৈছে।] পেখি=দেখি। [মুখ দেখি চন্দ্ৰ লাজতে পলাল কাৰণ ৰুক্মিণীৰ মুখৰ জেউতিয়ে চন্দ্ৰৰ কান্তি ম্লান কৰিছে। সেইদৰে, ৰুক্মিণীৰ চকুৱে পদ্মৰ সৌন্দৰ্যক চেৰ পেলোৱাত লাজ পাই পদ্মে পানীত বুৰ দিয়ে। এই দুয়োটা নিন্দোপমাৰ উদাহৰণ।] মোলান=মৃণাল, (পদ্মৰ ঠাৰি)। কৰিকৰ=হাতীৰ হাত=(শুঁৰ) কটি=কঁকাল। ডমৰুক ঠান=ডমৰুৰ নিচিনা (ডমৰুৰ মাজ অংশ সৰু, খামুচীয়া। অতি সৰু কঁকাল।) নৱ পল্লৱ=কুঁহিপাত। শোহে=শোভে। পেখিতে=দেখিলে। বাণী অমিয়া=মাত অমৃতৰ দৰে (সোৱাদ)। ৰসগুণে নোহে হীন=কথা ৰসাল (আনন্দদায়ক অৰ্থত।) কয়ো=কৰিলে। যব=যদি। উপৰ তুলি হাত=হাত ওপৰলৈ তুলি (দৃঢ়ভাৱে)। অৱ এতিয়া।

২৫ শ্ৰুত্বা=শুনি। ৰূপমদ্ভুতম্=অদ্ভুত ৰূপৰ কথা। তামেৱ=তেওঁকেই (ৰুক্মিণীক) সততং=সততে, সকলোসময়তে। ধ্যায়ন্=ধ্যান কৰি। তস্থৌ=থাকিল। ব্যাকুল মানসঃ=ব্যাকুল মনেৰে।

২৭ প্ৰিয়াকেৰি=প্ৰিয়াৰ। দহনু=দহি থকা, তাপিত হৈ থকা মানস মদন বিপাৰি= মন মদনে পীড়িত। কামিনী=নাৰী (ইয়াত ৰুক্মিণী) যামিনী=ৰাতি।

২৮ "কৃষ্ণক দুখ কি কহব'। [জগত ঈশ্বৰৰ আকৌ দুখ। তেওঁ সুখ-দুখ ৰহিত পৰমানন্দ স্বৰূপ। তথাপি তেওঁ ভকতৰ দুখত দুখী। মহাপুৰুষে অতি কৌতুকেৰে সূত্ৰধাৰৰ মুখত এই বচন ফাকি দিছে। তাৰ উপৰি মনুষ্য-লীলা দেখুৱাই সৰ্বসাধাৰণ মানুহৰ এনে অৱস্থাত হ'ব পৰা বিৰহৰ দুখৰ বৰ্ণনাও দিছে। এয়ে প্ৰেমৰ প্ৰথম অৱস্থা বা পূৰ্বৰাগ।]

২৮ হৰিদাস=এই নামৰ দ্বাৰকাৰ পৰা অহা ভাট। এই নামো নাট্যকাৰৰ নিজা। এথাৰলি=এথা+আৱলি=ইয়ালৈ আহিলা। থিক=দৃঢ়তা, নিশ্চয়তা বুজাবলৈ অঙ্কীয়া নাটত এই শব্দটো ব্যৱহাৰ হোৱা দেখা যায়। কিন্তু সৰহ ক্ষেত্ৰতে 'কছু' বা 'কহো'ৰ দৰে স্বাৰ্থিক প্ৰত্যয় হিচাপেও ব্যৱহৃত হৈছে।

২৯ কো ভৱান=কোন আপুনি? ইহ সম্প্ৰাপ্ত=ইয়ালৈ (ক'ৰপৰা) আহিল। ভিক্ষুৰভাৰত=ভিক্ষুৱে ক'লে। প্ৰাৰ্থকোঽহং=প্ৰাৰ্থক মই (ভিক্ষাৰী)। নৃপাত্মজে=নৃপ+আত্মজ=হে নৃপকন্যা।

৩১ মন্দহাস=মৃদু হাঁহি। কৰতল=হাতৰ তলুৱা। ভ্ৰুৱ ভঙ্গ=চেলাউৰিৰ ভাঁজ। ত্ৰিবলি=তিনিটা ৰেখা। [পুৰুষ আৰু তিৰোতাৰ ডিঙি আৰু পেটত থকা তিনিডাল বলিত ৰেখা। সৌন্দৰ্য-চিহ্ন।] অৱভাস=জিলিকণি, (চানেকি) মৃদু পদ=কোমল ভৰি [শব্দহীন খোজ] পাণ্তি=শাৰী, পাঁতি। আৰকত= আৰক্ত=ৰঙা। ভতি=প্ৰকাশ, মৃগৰাজ=পশুৰ ৰজা=সিংহ। [মৃগ মানে সকলো পশুকে বুজায়। বৰ্তমান পহুকহে বুজায়] হেৰি=দেখি। ধনি= সুন্দৰী, গাভৰু। তেজ=ত্যাগ কৰা, এৰা। সামাজিক=সমজুৱা। কাম= কামনা (সাংসাৰিক ভোগবিলাসৰ কামনা আদি)।

৩৩ উনিকৰ=এওঁৰ [তনিকৰ=তেওঁৰ] মদনমঞ্জৰী=ৰুক্মিণীৰ সখী। [শঙ্কৰদেৱৰ নিজা সৃষ্টি] গ্ৰাহ=ঘঁৰিয়াল।

৩৫ কৃষ্ণস্য=কৃষ্ণৰ। শ্ৰৱণেন=শুনি। বিমোহিতা=মোহ গৈ। তচ্চৰণাম্ভোজং= তেওঁৰ (কৃষ্ণৰ) চৰণ। অম্ভোজ=চৰণ পদ্ম। সতাংসতী=সতীসকলৰ ভিতৰতেই সতী। দধ্যৌ=['দধৌ' শুদ্ধ নহয়। শুদ্ধ শব্দ 'দধ্যৌ'—'ধ্যৈ' ধাতু=ধ্যান কৰা। [শুদ্ধ পাঠ A.T. Biswas দেৱৰ পৰা লোৱা]। ভজনীয়ং=ভজন কৰিব লগীয়া।

৩৯ বিমৰিষ কয়=আলোচনা কৰি। ভল্ল=ভাল। [মন কৰিবলগীয়া যে ভীষ্মক

ৰজা, শশীপ্ৰভা আদিৰ প্ৰৱেশ দেখুওৱা নাই।]

৪৪ শ্ৰুত্বা=শুনি। সখীমুখাৎ=সখীৰ মুখৰ পৰা। সাক্ষাৰ্দ্বাৰ্ত্তামানন্দিতা সতী= প্ৰত্যক্ষ্য বাৰ্তা (শুনি) সতী (ৰুক্মিণী) আনন্দিতা হ'ল। স্পৃষ্টা=স্পৰ্শ কৰি। পাঠান্তৰত—স্মৃত্বা —সুঁৱৰি। লীলাৱতী—ৰুক্মিণীৰ আন গৰাকী সখী।

৪৮ ভয়োৰি=হ'ল। গৌৰী=পাৰ্বতী। (কোমল বয়সৰ কন্যা)। পৰম পুৰুষ= ভগৱান শ্ৰীকৃষ্ণ। পিউ=প্ৰিয়। অৱহু=এতিয়াহে। মোহি=মোৰ। সই=সখী।

৫১ দাতুং=দিবলৈ। সভাংগত্বা=সভালৈ গৈ। ন্যৱাৰয়ৎ=নিবাৰণ কৰিলে। গৰ্হয়িত্বাথ মাধৱম=মাধৱক গৰিহণা দিলে। খৰ্ব্ববাক্যেন=গালি, অপমান-জনক বাক্য। বঢ়া বচন। ৰুক্মী—ৰুক্মী,ৰুক্মৰথ, ৰুক্মবাহু, ৰুক্মকেশ আৰু ৰুক্ম-মালী—ভীষ্মকৰ পাঁচজন পুত্ৰৰ ভিতৰত ৰুক্মী ডাঙৰ। গো-বধ··মাতুল বধ ইত্যাদি=শ্ৰীকৃষ্ণৰ শত্ৰু ৰজাবিলাকে প্ৰায়ে শ্ৰীকৃষ্ণৰ বিৰুদ্ধে এনে অপযশ ৰটনা কৰিছিল। উদ্দেশ্য, ধাৰ্মিক সকলৰ, অৰ্থাৎ সমাজৰ নৈতিক সমৰ্থন লাভ কৰা। কংসই কৃষ্ণক গোকুলত বধ কৰিবলৈ পঠোৱা অসুৰে ছদ্মৰূপ ধৰিছিল। তাৰে দুজনে বৎস আৰু বৃষৰ ৰূপ ধাৰণ কৰিছিল। গতিকে গো-বধৰ কলংক। পুতনাবধত স্ত্ৰী-বধৰ আৰু কংস বধত মাতুল-বধৰ কলংক। অনাচাৰ অৰ্থত সম্ভৱ ৰুক্মই ৰাস লীলাৰেই ইঙ্গিত দিছে।

৫৭ ৰুক্মিন্যুদ্বাহ=ৰুক্মিণীৰ উদ্বাহ (বিৱাহ) গৃহীত্বা=লৈ, ধাৰণ কৰি। চাপমাযযৌ =ধনুত (শৰ) যোজনা কৰিছিল।

৬২ বিপ্ৰিয়ং=অপ্ৰিয়। ভীতা=ভয় খাই। পপাত=পৰিল। চিৰম্=চিৰদিনলৈ। বালা=ষোল্লবছৰৰ কম বয়সৰ কন্যা।

৬৪ ঝুৰে=নিজৰে, বৈ আছে। বাৰি পানী। নৱনেহা=নৱস্নেহ=প্ৰথম প্ৰেম।

৬৭ লপন্তী=বিলাপ কৰিবলৈ ধৰিলে। হৰেৰ্বিৰহ কাতৰা=হৰিৰ (শ্ৰীকৃষ্ণৰ) বিৰহত কাতৰ। ৰুৰোদ=কান্দিবলৈ ধৰিলে।

৭১ কৰম=কৰ্মফল, ভাগ্য। দুৰ্লভ=কষ্টেৰে যাক লাভ কৰা যায়, সহজলভ্য নোহোৱা। বল্লভ=স্বামী। কয়লি=কৰিলি। কয়ো কাম=কামনা কৰিলোঁ সোহি=সেই। মোহি=মোৰ। বিহি=বিধি, বিধাতা। ভেল=হ'ল। বাম=বিপৰীত। ধৰবহু=ধৰিম।

৭৪ সোৎসাহে=উৎসাহেৰে।

৭৫ ৰুক্মিণী॥ বেদনিধি=শ্ৰীশঙ্কৰ দেৱৰ নিজা সৃষ্টি [মূল ভাগৱতত এজন বিশিষ্ট ব্ৰাহ্মণ বুলি দিয়া হৈছে।]

৭৬ তত্ৰকালে=তৎকালে=তেতিয়াই ।

৭৭ ত্বৰিতং=তৎক্ষণাৎ । নাম্না=নামে। খ্যাতো=জনাজাত। প্ৰিয়কৃত্তদা=প্ৰিয়-কাৰ্যকৰোতা । প্ৰাগাৎ=আহিছিল । বাক্য দেব্যাঃ=দেৱীৰ বাক্য (শুনি)

৭৯ ৰাজে=শোভে । ধৌতবাস=ধৌতবস্ত্ৰ। কুশশোভিত পাণি=কুশে শোভা কৰা হাত । ছানি=আবৰি। তিলক=ফোঁট । পৰকাশ=প্ৰকাশ, উজ্জ্বল।

৮২ তদ্বচো=তেওঁৰ বচন । বালা=ছোৱালী (ৰাজকুঁৱৰী ৰুক্মিণী) । বিনিঃ-শ্বস্য=নিশ্বাস পাৰি । চৰণৌ=ভৰি দুটা। বিপ্ৰস্য=বিপ্ৰৰ, ব্ৰাহ্মণৰ । শিৰ্যা=শিৰেৰে, মূৰেৰে। শোকাকুলা ব্ৰবীৎ=শোকাকুল হৈ ক'লে ।

৮৩ জানু পাৰি=আঁঠু কাঢ়ি ।

৮৫ বিহস্যোৱাচ=হাঁহি হাঁহি ক'লে । কুমাৰী=ৰাজকুমাৰী, [অবিবাহিতা কন্যা] মা=নিষেধ। কুৰু মা শোকং=শোক নকৰিবা। কা চিন্তা তে=কি চিন্তা তোমাৰ। স্থিতেময়ি=মই থাকোতে। অব্ৰবীত=হৈছিল ।

৯০ কেশৱ—"ক ই শ পদে ব্ৰহ্মা বিষ্ণু মহেশ্বৰ প্ৰতি প্ৰতি তিনিবো অন্বয়। ৱ পদে নাৰায়ণ তিনিকে আছয় ছান্দি এহি হেতু কেশৱ বোলয়।" ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰৰ আত্মা স্বৰূপ নাৰায়ণেই কেশৱ (শ্ৰীকৃষ্ণ)। হামাকেৰি=মোৰ। তুৱা তোমাৰ, আপোনাৰ। জগবাস=জগত যি জনত বাস কৰে। পয়োনিধি=সাগৰ। পয়লো=পৰিলোঁ। দীন=দুখীয়া। দেহা—ৰুক্মিণীয়ে মাত্ৰ নিজৰ দেহটো শিশুপালৰ হাতৰ পৰা উদ্ধাৰ কৰিবলৈ কৈছে। মন-প্ৰাণ শ্ৰীকৃষ্ণৰ চৰণতে সমৰ্পিত। কাল=যম। [শিশুপালৰ লগত বিয়া হোৱাৰ আগতে তেওঁ আত্মহত্যা কৰিব । তেলো=হ'ল।

৯১ পতিয়া=পত্ৰ, চিঠি। সুম্পিয়া=সমৰ্পণ কৰি, সপি।

৯৫ মহ=মাজত। সুৰপুৰীক=স্বৰ্গপুৰীক । বিভূতি=ঐশ্বৰ্য। একুথান=একে ঠাই। থিক=আছে। হৰিপুৰী=কৃষ্ণৰ নগৰ । কনক নিৰমাণ=সোণেৰে গঢ়া । দ্বাৰী=দুৱৰী । দ্বাৰপাল=দুৱাৰৰখীয়া । গোপ্য=গোপনীয় ।

৯৮ পঞ্চামৃত=পঞ্চ+অমৃত [দৈ, এঁৰা, ঘিউ, মউ, চেনি।]

৯৯ দ্বিপ্ৰেন্দ্ৰ=বিপ্ৰ+ইন্দ্ৰ=দ্বিপ্ৰশ্ৰেষ্ঠ। কিমৰ্থমিহাগত=কি অৰ্থে ইয়ালৈ আহিল। কৃতমস্মাকং=কৃতম=কৰিলে, অস্মাকং=আমাৰ। তৎপাদৰজসা=আপোনাৰ চৰণৰ ধূলিৰে। গৃহম=ঘৰ ।

১০০ হে গুৰো=ব্ৰাহ্মণসকলক 'গুৰু' সম্বোধন কৰা হৈছিল। [গু=অন্ধকাৰ, ৰু=হৰণ কৰা।] সম্বোধন পদত 'গুৰো'।

১০১ এবং=এইদৰে । সভাজিতো=সভাজিৎ=সভাজয়কাৰী । নিশম্যেশ্বৰভাষিতম্ =নিশম্য ঈশ্বৰ ভাষিতম্=ঈশ্বৰৰ বাক্য শুনি । প্ৰীত্যা=প্ৰীত হৈ । প্ৰত্যাহ= প্ৰত্যুত্তৰ দিলে । প্ৰহসন=হাঁহি হাঁহি । মাধৱং=মাধৱক (মা=লক্ষ্মী । ধৱ=স্বামী, লক্ষ্মী পতি । আন প্ৰকাৰে, মা,—নাই, ধৱ=স্বামী, যাৰ ওপৰত কোনো পৰাক্ৰী নাই, বিষ্ণু, কৃষ্ণ ।

১০২ বিহসি বোল=হাঁহি হাঁহি ক'লে । [স্বয়ং ভগৱানে বেদনিধিৰ পৰা আজ্ঞা বা আদেশ বিচাৰিছে ! ভগৱানৰ এই লীলা দেখি বেদনিধিৰ হাঁহি উঠিছে ।]

১০৫ 'হে শুক তোহোঁ পাঠ কৰহ...' মহাপুৰুষৰ অপূৰ্ব নাট্য-কৌশলৰ পৰিচয় এই উক্তিৰ যোগেদি প্ৰকাশ পাইছে । ৰুক্মিণী দেৱীৰ এই অনুপম প্ৰেমপত্ৰখনৰ বিষয়বস্তু দৰ্শকে জনাৰ আন কোনো উপায় নাছিল । আনহাতে এনে গোপনপত্ৰ আন এজনে পঢ়ি শুনোৱা কাৰ্য্যই স্বাভাৱিকতা আৰু গাম্ভীৰ্য হ্ৰাস কৰিলেহেঁতেন । কিন্তু বেদনিধি বিশ্বস্ত ব্ৰাহ্মণ, সাধাৰণ এজন পত্ৰবাহক নহয় । তাৰ উপৰি ৰুক্মিণীৰ ভিতৰুৱা কথাখিনি বেদনিধিয়ে মুখেৰেই শ্ৰীকৃষ্ণক জনোৱাৰ পিছতহে পত্ৰখন উলিয়াই দিছে । মূল ভাগৱতত ব্ৰাহ্মণজনে ৰুক্মিণীৰ প্ৰাৰ্থনাখিনি মুখেৰেই শ্ৰীকৃষ্ণক জনায় ।

১০৭ [পত্ৰপাঠ] স্বস্তি=মঙ্গলবাচক শব্দ, শুভ, মঙ্গল । প্ৰপন্নজন=শৰণাগতজন, আতুৰজন । প্ৰপন্ন=শৰণাগত, আতুৰ । শিৱম=মঙ্গল । চৰণ সৰোজেষু= চৰণ সৰোজত=চৰণ পদ্মত । দণ্ডে -এক দণ্ড সময়ত=২৪ মিনিট । যব= যদি । তথি=তাতে । পাপী শিশুপাল—শিশুপাল চেদি ৰাজ্যৰ মহাপৰাক্ৰমী ৰজা । পিতা দমঘোষ । ওপজোতে চাৰিখন হাত । আকাশীবাণী মতে যাৰ কোলাত শিশুৰ দুখন হাত নাইকিয়া হ'ব তেওঁৰ হাতত শিশুপালৰ মৃত্যু হ'ব । মাতৃৰ ফালৰ সম্পৰ্কীয় শ্ৰীকৃষ্ণৰ কোলাত শিশুপালৰ দুখন হাত লুকাই যায় । মাকে কৃষ্ণক কাকুতি কৰে যাতে ভৱিষ্যতে ল'বাৰ-সকলো দোষ ক্ষমা কৰে । শ্ৰীকৃষ্ণই শিশুপালৰ এশ দোষ ক্ষমা কৰিব বুলি কথা দিয়ে । যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞত এশ দোষ পূৰ্ণ হোৱাৰ পিছত সুদৰ্শন চক্ৰেৰে শ্ৰীকৃষ্ণই শিশুপালক বধ কৰে । তেওঁৰ দেহৰ পৰা জ্যোতি আহি শ্ৰীকৃষ্ণৰ দেহত লীন হয় । বহুতো দুষ্কাৰ্য কৰাৰ কাৰণে শিশুপালক পাপী বুলি কোৱা হৈছে যদিও নাটকীয় কাহিনীত শিশুপালৰ পাপ নাই । ৰুক্মিণীক বিয়া দিবৰ কাৰণে তেওঁক নিমন্ত্ৰণ দিয়াতহে তেওঁ আহিছে । ৰুক্মিণীৰ মনৰ কথা তেওঁ নাজানে । যব=যদি । ভেট=সাক্ষাত । 'হাম্ প্ৰাণ ছাড়ব'=

মূল ভাগৱতৰ মতে ৰুক্মিণীয়ে কৈছিল যে তেওঁ শতজন্ম কৃচ্ছ্ৰব্ৰতৰ অনুষ্ঠান কৰি জীৱন ত্যাগ কৰিব, তথাপি শ্ৰীকৃষ্ণৰ আশা (স্বামী হিচাপে পোৱাৰ আশা) কেতিয়াও নেৰিব। সৰোৰুহ্=পদুম।

১০৮ নিৰীক্ষ=দেখি। ভয়ো=থাকিল। কৰুণংপত্ৰ=কাতৰভাৱে লিখা পত্ৰ। ম্লান=মলিন। নম্ৰমুখাম্বুজঃ=দোঁ খোৱা মুখপদ্ম। অম্বুজ=পদ্ম।

১২০ পূৰি=পূৰ্ণহৈ, ভৰি। বাৰি=পানী। কৰত=কৰিছে। কতনু=কতনো, কিমান। তাৱে=তাপিত হয়।

১১১ দাৰুক—শ্ৰীকৃষ্ণৰ ৰথৰ সাৰথিৰ নাম।

১১২ অথ=ইয়াৰ পাছত। সপদি=তৎক্ষণাৎ। ৰথমধিৰুহ্য=ৰথত আৰোহণ কৰি। ওজস্বান যযৌ=বীৰ দৰ্পে গ'ল। কৰকৃতধনু=হাতত ধেনু লৈ।

১১৪ শাৰঙ্গ=শাৰ্ঙ্গ, কৃষ্ণৰ ধনুখনৰ নাম। ধাৰু=ধৰি। অম্বুদ=মেঘ। তড়িত জড়িত=বিজুলীযুক্ত। যৈচ=যেনেদৰে। শোহে=শোভে। অঙ্গুৰি=আঙুঠি।

১১৫ ৰথৰ বেগত বেদনিধি মূৰ্চ্ছা যোৱা শঙ্কৰদেৱৰ উদ্ভাৱন। হাস্যৰসৰ সৃষ্টি কৰাৰ উপৰিও শ্ৰীকৃষ্ণৰ অতি তাকৰীয়া সময় খৰচ কৰি দৰ্শকৰ কাৰণে নাটকীয় উৎকণ্ঠাৰো সৃষ্টি কৰিছে। এই ঘটনাটো নেদেখুওৱাহ'লে শ্ৰীকৃষ্ণৰ কুণ্ডিল-যাত্ৰাৰ বৰ্ণনাৰ কোনো নাটকীয় বৈশিষ্ট্য নাথাকিলহেঁতেন।

১২৩ আখ্যাসি=ক'বণে।

১২৭ আসাদ্য=পাই (চিন্তাতপৰি)।

১৩৮ মেৰি=মোক। বিচুৰি=বিস্মৰণ কৰি, পাহৰি। অব=এতিয়াও। নাৱল= নাহিল। গৰি=গিলি পোলোৱা। চেতন গৰি=চেতনা নাইকিয়া কৰিলে। হেৰি=দেখি। হৰত=হৰণ কৰে। বঙ্কিম=বেঁকা, বাম। হামাৰি=মোৰ মাই —[সখীকেই মাই সম্বোধন কৰিছে।] মাতৃ=মাই। অৱহি=এতিয়া। মহ= মাজত। ৰজনী মহ থিক=মাজত ৰাতিটো মাত্ৰ আছে। হেৰব=দেখিব। আৱৰি=আৰু।

১৪১ 'ৰুক্মিণীক বাম উৰু কৰ আখি ফন্দি গেল'—জ্যোতিষৰ মতে তিৰোতাৰ বাম অঙ্গ ফন্দা শুভ। ভাগৱতৰ কাহিনীতো এই ঘটনাৰ উল্লেখ আছেঃ

'বাম উৰুৰ্ভুজো নেত্ৰমস্ফুৰন্ প্ৰিয়ভাষিণঃ।'

১৪৪ সাধিতাৰ্থো=উদ্দেশ্য সাধন কৰা (দ্বিজই)। প্ৰৌত্ফুল্ল বিলোচনঃ=প্ৰতিটো উৎফুল্ল লোচনেৰে। নাপতৎ=নপৰিছিল। চৰণোভস্ত=তেওঁৰ ভৰিহাল। ধৰণ্যাং=পৃথিৱীত। হৰ্ষবেগতঃ=আনন্দৰ বেগত। সাকম=সৈতে। আত্মানম্= নিজে নিজে।

১৪৫ বিপ্ৰমুখ পেখি জানল =বিপ্ৰৰ মুখ দেখিয়ে জানিলে—(কাৰ্য সিদ্ধি হৈছে)। [মুখ দেখি মনৰ কথা বুজিব পৰা সকলক লক্ষণজ্ঞ বোলে। ৰুক্মিণীক 'লক্ষণাভিজ্ঞা' এই বিশেষণ ভাগৱতৰ মূল শ্লোকত দিয়া হৈছে।]

১৪৬ অন্ন=আহাৰ। পান=পানীয়। 'দৃঢ় হুয়া ৰহ' - 'বেদনিধিয়ে প্ৰয়োজন সব সাধলো' বুলি ৰুক্মিণীৰ আগত কৈছে। লগতে, 'তোহো সভৱে দৃঢ় হুয়া ৰহ' বুলিও কৈছে। ৰুক্মিণীৰ পত্ৰত উল্লেখিত নিৰ্দেশ মতেই শ্ৰীকৃষ্ণই ভেঙক হৰণ কৰিব এই কথাক বেদনিধিয়ে ইঙ্গিতেৰে জনাইছে। এই সময়ত ৰুক্মিণীয়ে যুদ্ধ, হত্যা, আত্মীয় বধ আদিৰ আশঙ্কাত যদি কেনেবাকৈ পিছ হুঁহকা মাৰে তেনে-হ'লে সকলো পণ্ডশ্ৰম হ'ব—এই আশঙ্কাতে 'দৃঢ় হুয়া ৰহ' বুলি ক'ব লগা হৈছে।

মূল ভাগৱতত শ্ৰীকৃষ্ণ, বলোৰাম সহ কুণ্ডিন-পুৰত প্ৰৱেশ কৰিছে বুলি দ্বিজই ৰুক্মিণীক জানিবলৈ দিছিল। প্ৰকৃততে ভাগৱতৰ মতেও কৃষ্ণ অকলে ৰুক্মিণীক হৰণ কৰিবলৈ যোৱা শুনি ভ্ৰাতৃ স্নেহবশতঃ [ভ্ৰাতৃস্নেহ পৰিপ্লুতঃ] আৰু 'কলহশঙ্কিতঃ' হৈ সৈন্যসহ বলোৰামে কুণ্ডিন-যাত্ৰা কৰিছিল। এই সম্পৰ্কে পিছত আৰু আলোচনা আছে।

১৫১ 'অয়ে ভগিনী……চলহ।'—মূল ভাগৱতত ৰুক্মীয়ে ভৱানী মন্দিৰলৈ যাবলৈ ৰুক্মিণীক কোৱা নাই। এয়া নাট্যকাৰৰ উদ্ভাৱন। ৰুক্মীয়ে বুজিব পৰা নাই যে তেৱেঁই এই উক্তিৰ দ্বাৰা ৰুক্মিণীক হৰণ কৰাৰ বাট মুকলি কৰি দিছে। এয়া 'নাটকীয় শ্লেষ'ৰ উদাহৰণ।

১৫২ নিশম্য বচনং ভ্ৰাতুঃ=ককায়েকৰ কথা শুনি। ভূষয়িত্বাথ ভূষণৈঃ—অলঙ্কাৰাদিৰে বিভূষিতা হৈ। জগাম=গৈছিল। সাকং=সৈতে, লগত।

১৫৪ 'ৰঙ্গিণী সখী সঙ্গিণী'=ৰঙীয়াল সখীসকলক লগৰীয়া কৰি। চান্দকেৰি= চন্দ্ৰৰ। পহ্রিয়ে=পিন্ধি। পট্টাম্বৰ=পাটৰ কাপোৰ। লহু লহু=লঘু খোজেৰে, ধাই=ধাবমান হয়, গতি কৰে। [ধাই ক্ৰিয়াপদে গতিত খৰখেদাৰ ভাবো প্ৰকাশ কৰিছে, আনহাতে মৃদু খোজেৰে বাহিৰৰ চঞ্চলতা ঢাকি ৰুক্মিণী আগবাঢ়িছে। আসন্ন মুহূৰ্তৰ উদ্বিগ্নতা-অস্থিৰতা 'ধাই' পদে প্ৰকাশ কৰিছে। 'যায়' ক্ৰিয়াপদ দিয়া হ'লে সাধাৰণভাৱে যোৱাটোকে অৰ্থ কৰিলেহেঁতেন।] লুলে - ওলমে। হেৰিতে=দেখিলে। 'হৰিকহো চৰণ চিন্তিয়ে চলি যায়'= যদিও দেৱীৰ (অম্বিকা) মন্দিৰলৈ গৈছে, যোৱাৰ বাটত দেৱীৰ ধ্যান কৰি যোৱা নাই, কৃষ্ণৰ চৰণহে চিন্তি গৈছে। 'সাচ্যনুধ্যায়তী সম্যক মুকুন্দ চৰণাম্বুজম্'—ভাগৱত।

১৫৮ কুণ্ডিণমাগত্য=কুণ্ডিণলৈ আহি। দাৰুকোদ্ধৱ সংযুক্তং=দাৰুক আৰু উদ্ধৱক লগত লৈ। প্ৰবিৱেশ বিভুঃসভাম=ঈশ্বৰে সভাত প্ৰৱেশ কৰিলে। বিভুঃ= ঈশ্বৰ। প্ৰস্থাপ্য=প্ৰস্থান কৰোৱাই (বিদায় দি)।

১৬০ পৌৰজনে=নগৰবাসীয়ে। "পেখি ভুল......'--শ্ৰীকৃষ্ণৰ ৰূপ দেখি নগৰীয়া লোকসকল মোহিত হ'ল। [কাব্যত শঙ্কৰদেৱে এই বিষয়ে বহলাই বৰ্ণনা কৰিছে। নাটত অকল এই গীতটোত সেই কথাৰ উল্লেখ মাত্ৰ কৰিছে।] বয়ন=বদন, মুখ। [শ্ৰীকৃষ্ণৰ পদ্মৰদৰে মুখৰ মৌ পৌৰবাসীয়ে নিজ নিজ চকুৰূপী ভোমোৰাৰে পান কৰিছে। ভোমোৰা পদ্মৰ কাষৰ পৰা আঁতৰি নহাৰ দৰে তেওঁলোকৰ চকুও কৃষ্ণৰ মুখ-পঙ্কজৰ পৰা আঁতৰি নহা হ'ল।] নবীন নীৰদ=নতুন ডাৱৰ (ত)।

১৬৩ জৰাসন্ধ— শিশুপাল, জৰাসন্ধ, ৰুক্মি, দন্তবক্ৰ আদি কৃষ্ণৰ বিৰোধী দল। কংস জৰাসন্ধৰ জোঁৱায়েক। কংসক মৰাৰ কাৰণে তেওঁ কৃষ্ণৰ শত্ৰু হৈ ওঠৰবাৰ কৃষ্ণ আৰু যাদবসকলৰ বিৰুদ্ধে যুদ্ধ-যাত্ৰা কৰে। সোতৰবাৰ হাৰে কিন্তু শেষৰবাৰ ৰাম-কৃষ্ণ পলাই পৰ্ব্বতত উঠি অলক্ষিতে জঁপ মাৰি সাগৰত পৰি আত্মৰক্ষা কৰে। জৰাসন্ধৰ সৈন্যই পৰ্বতৰ চাৰিওফালে জুই লগাই দি ৰাম-কৃষ্ণ পুৰি মৰিল বুলি আনন্দেৰে গুচি যায়।

মগধৰ বৃহদ্ৰথ ৰজাই কাশীৰজাৰ দুগৰাকী যঁজা কন্যা বিয়া কৰাইছিল। নিঃসন্তান ৰজাক কৌশিক মুনিয়ে তপৰ বলত সৃষ্টি কৰা পকা আম এটা দিলে: যিটো আম খালে ৰাণীৰ পুত্ৰ হ'ব। বৃহদ্ৰথে দুই পত্নীক সমানে আমটো ভগাই দিয়াত এটা পুত্ৰ সন্তানেই সমানে দুফালহৈ দুয়োৰাণীৰ গৰ্ভত স্থান ললে আৰু যথাসময়ত প্ৰতি গৰাকীয়ে একে সময়তে এফাল দেহৰ জন্ম দিয়াত, লাজ পাই দুয়ো সন্তানৰ অংশ দুটা ধাইৰ হতুৱাই পেলাই দিয়ালে। জৰা নামৰ ৰাক্ষসী এজনীয়ে সন্তানটোৰ দুইটা ফাল খাবলৈ হাতত লওঁতে দুয়োটা অংশ লগ লাগি এটা ধুনীয়া জীৱন্ত সন্তান হৈ পৰাত ল'ৰাটি নাখাই ৰজা বৃহদ্ৰথক দিলেগৈ। ৰজাই নিজৰ পুত্ৰ বুলি জানি জৰা ৰাক্ষসীয়ে যোৰা লগোৱাৰ কাৰণে জৰাসন্ধ নাম দিলে।

যুধিষ্ঠিৰ ৰাজসূয় যজ্ঞৰ আৰম্ভনিত কৃষ্ণৰ কৌশলত ভীমৰ হাতত জৰাসন্ধ দুফাল হয় আৰু মৃত্যুৰ মুখত পৰে।

১৬৫ অন্তৰ্গত ভয়ে=ভয় বুকুৰ ভিতৰত ৰাখি [বাহিৰত ভয়ৰ ভাব প্ৰকাশ নকৰি]।

১৬৬ ললিতা লীলয়া=সুন্দৰ লীলা ভঙ্গীৰে।

১৬৮ নক্ষত্ৰ মেলে=নক্ষত্ৰৰ মেলাত, নক্ষত্ৰৰ সমাজত। শোহে=শোভে।

১৬৯ কামবাণ কামদেৱৰ পাঁচপাট ফুলৰ শৰ=সম্মোহন, উন্মাদন, শোষণ, তাপন, স্তম্ভন। [ ফুল=পদ্ম, অশোক, আম, নৱমল্লিকা, ৰঙাউৎপল।]

১৭৬ কৃষ্ণোহপি=কৃষ্ণৰো। ক্ষোভিতং চিত্তং= চিত্ত ক্ষোভিত হ'ল। [ৰুক্মিণীৰ ৰূপত কৃষ্ণৰো চিত্ত ব্যাকুল হ'ল।] স্থিৰং কৃত্বা=স্থিৰ কৰিলে। জহাৰ তাম্ - তেওঁক হৰণ কৰিবলৈ। দ্বিষতং=শত্ৰুসকলৰ। মৃগানাং—মৃগবিলাকৰ কেশৰী=সিংহ।

১৭৭ মৃগ যূথ=মৃগজাক। তদ্বৎ=তেনেকুৱা।

১৭৮ বামা= সুন্দৰী। মধ্যক্ষীণি—মাজ অংশ ক্ষীণ, সৰু কঁকাল। লজ্জিত নয়নে হেৰি=লাজুক চকুৰে চাই।

১৮২ আৰ=আকাশ কভি=ক'লৈ।

১৮৩ ৰাজ্জাস ৰজাসকলৰ। কল্লোলং কোলাহল। আটোপ অহংকাৰ, হুঙ্কাৰ। বেপিতা=কম্পিতা। ভীতা – ভয়াৰ্তা। মনস্যেৱমচিন্তয়ৎ=মনে মনে এনেদৰে চিন্তা কৰিলে। [ মনসি এবং অচিন্তয়ৎ ]।

১৮৪ মৌনে বোলল=মনতে ক'লে।

১৮৭ পহু=প্ৰভু। বঙ্ক=ভাগ্যহীন (ভাগ্যহীনা) হাতে হৰল হাতত হেৰাল, হাতৰ পৰাই হৰি নিলে। নিধি ৰত্ন। 'কাচক······হৰাই'—ৰুক্মিণীয়ে নিজক কাচৰ লগত তুলনা কৰিছে। এই কাচডোখৰ নিবলৈ আহি কৃষ্ণ হেন মাণিক যদি হেৰায়—অৰ্থাৎ ৰজাসকলৰ হাতত মৰে। বিৰম্বন=বিৰম্বনা, ছলনা। কিনু=কিনো। পৰশ আশ –স্পৰ্শৰ আশা, সঙ্গ সুখ। হেঠ বয়নে= তললৈ কৰা মুখৰ। জুৰে - বৈ আছে।

১৮৮ ভয় বেপিত চিন্তয়া=ভয় কম্পিত চিন্তা। ক্ৰতম—লৰালৰিকৈ। দৃঢ়ামালিঙ্গ্য= দৃঢ়ভাৱে আলিঙ্গি (সাৱটি)।

১৯২ তেজহু=ত্যজা, ত্যাগ কৰা। জায়া=পত্নী, ভাৰ্যা, দাৰা, জানী। [ স্বামীয়ে পত্নীৰ গৰ্ভত নিজে পুত্ৰৰূপে জন্ম গ্ৰহণ কৰে, সেই কাৰণে পত্নীৰ এটা নাম 'জায়া'।] পত্নীয়ে স্বামীৰ ভাই-ককাইৰ মাজত বিভেদৰ সৃষ্টি কৰে সেই কাৰণে পত্নীৰ এটা নাম 'দাৰা'। স্বামীয়ে ভৰণ-পোষণৰ ভাৰ গ্ৰহণ কৰে, সেই কাৰণে 'ভাৰ্যা'। 'পতি'ৰ স্ত্ৰীলিঙ্গ 'পতী' - 'পত্নী'। [ 'ন' আৰ্ষ প্ৰয়োগ। পতিৰ সুখ-দুখৰ সমান ভাগী কাৰণে পত্নী। যজ্ঞকাৰ্যত-সমভাগিনী।] জানী সন্তানৰ জননী।

১৯৫ পাঠান্তৰ (৫৩)—কোনো কোনো পুথিত এই অংশ নাই। ভাগৱতৰ মতে শ্ৰীকৃষ্ণ অকলেই ৰুক্মিণীহৰণৰ কাৰণে যোৱা শুনি আৰু তাত বিপক্ষ ৰজাসকল গোট খোৱা শুনি বলোৰামে শ্ৰীকৃষ্ণৰ ৰথৰ পিছে পিছে চতুৰঙ্গ দল লৈ যাত্ৰা কৰে। তেওঁ শ্ৰীকৃষ্ণৰ প্ৰতি স্নেহবশতঃ নিজেই গৈছিল, দৈৱকীমাতৃৰ আদেশত নহয়। মূল ভাগৱতত বলোৰাম সসৈন্যে অহাৰ কথা ৰুক্মিণীৰ দূত বিপ্ৰজনে ৰুক্মিণীকো জনাইছিল আৰু ভীষ্মক ৰজাই ৰাম-কৃষ্ণক যথাযোগ্য সন্মান জনাই বাস-গৃহৰ ব্যৱস্থা কৰি দিছিল। বিবাহ-সভাত ৰাম-কৃষ্ণ একেলগে প্ৰৱেশ কৰিছিল। নাটত বা ৰুক্মিণীহৰণ কাব্যত দৈৱকীৰ চিন্তা দূৰ কৰিবলৈ বলোৰামে বিখ্যাত বীৰসকলক লৈ ৰুক্মিণীহৰণৰ পিছত যুদ্ধক্ষেত্ৰত কৃষ্ণৰ ৰথৰ কাষ চাপেহি। ইয়াৰ যোগেদি নাটকীয় উৎকণ্ঠাৰ সৃষ্টি কৰা হৈছে। লগতে শ্ৰীকৃষ্ণৰ বিক্ৰম বীৰত্বও প্ৰকাশ কৰা হৈছে। ৫৩—(ও) শ্লোক ॥ বলদেৱো=বলদেৱ, বলৰাম, হলীৰাম, বলোভদ্ৰ সঙ্কৰ্ষণ, আন আন নাম। [ বলোভদ্ৰ শ্ৰীকৃষ্ণতকৈ বয়সত ডাঙৰ। তেওঁ বসুদেৱৰ দ্বিতীয় পত্নী, নন্দৰ ভগ্নী ৰোহিনীৰ গৰ্ভত উপজিছিল যদিও প্ৰকৃততে তেওঁ দৈৱকীৰ গৰ্ভতহে প্ৰথমে স্থিত হৈছিল। বিষ্ণুৰ আদেশত যোগমায়াই তেওঁক আকৰ্ষণ কৰি ৰোহিনীৰ গৰ্ভত থয় আৰু যোগমায়া নিজে যশোদাৰ গৰ্ভত স্থিত হয় আৰু বিষ্ণুৱে নিজে দৈৱকীৰ গৰ্ভত কৃষ্ণৰূপত অৱতাৰ হয়। আকৰ্ষণ কৰি নিয়াৰ বাবে বলোভদ্ৰৰ এটা নাম সঙ্কৰ্ষণ। নাঙল তেওঁৰ প্ৰতীক অস্ত্ৰ। তেওঁক অনন্ত নাগৰ অৱতাৰ বুলি ধৰা হয়।] ধৃতায়ুধঃ=অস্ত্ৰ ধৰি। গদ—যদুবীৰ। 'কুমৰহৰণ'ৰ কবি অনন্ত কন্দলিয়ে এওঁৰ লগত উষাৰ সখী চিত্ৰলেখাৰ বিয়া দেখুৱাইছে। সাত্যকী=আন এজন যদুবীৰ। কুৰুক্ষেত্ৰৰ যুদ্ধত পাণ্ডৱৰ ফলীয়া হৈ যুদ্ধত অংশ লোৱা একমাত্ৰ যদুবীৰ।

১৯৭ ধনুৰ্দ্ধৃতা=ধনু ধৰি। টঙ্কাৰমকৰোদ্ধৰি=হৰিয়ে টঙ্কাৰ কৰিলে। তচ্ছব্দমতুলং=তাৰ (ধনুৰ) অতুলনীয় শব্দ। চকম্পিৰে=কঁপিবলৈ ধৰিলে।

২০৪ মৃতকল্প=মৰাৰ নিচিনা। সখীসহ সহিতে=নাটত ৰুক্মিণীৰ লগত সখী চন্দ্ৰাকীও ৰথত উঠা দেখুৱাইছে। মূল ভাগৱতত এই কথা নাই।

২০৫ তত্ৰোঽতি কৌতুকং=তেতিয়া অতি কৌতুকেৰে। সানন্দলীলা গতিভিঃ=আনন্দলীলা গতিৰে। ব্ৰজন=গৈ। কেলিমকাৰয়ৎ=[প্ৰিয়াৰ লগত] ধেমালি কৰিলে।

২১০ বিহস্যাহ=হাঁহি হাঁহি ক'লে। শৃণুৰে=শুনা হেৰ। কুলকণ্টক=কুলৰ কাঁইট।

তামদ্য=তোক আজি। নিশিতৈঃ বাণেঃ নয়ামি=চোকা বাণেৰে নিম। যমমন্দিৰম্ —যমৰ ঘৰলৈ।

২১৪ নন্দক খড়্গ=বিষ্ণুৰ (কৃষ্ণৰ) সেই নামৰ অতি তীক্ষ্ণধাৰ খড়্গ।

২৩০ শান্তন্বিত্বা -শান্ত কৰি। পশ্চাৎতন্নাসহ=পিছত তেওঁৰে সৈতে। সমৰিৰমং =কেলি কৰিলে [ সম্ $\vee$ ৰম্ + লংদ ]।

২৩২ ভ্রূৰ ভঙ্গিয়া=ভ্রূকৰ ভঙ্গিৰে [ চকুৰ দৃষ্টিৰে। ] মত্ত মাতঙ্গ ... ....লাস—বেশয়া মত্ত হাতীৰ লগত তৰুণী হাতীয়ে (যেনেকৈ) লাস বেশ কৰে—(তেনেকৈ ৰুক্মিণীও কৃষ্ণৰ লগত ৰং-ধেমালী কৰি গৈছিল।

২৩৩ এক ঠাম -একে ঠাই। বহুতৰ উৎসৱে=বহু + তৰ [ বহু—বিচিত্র প্রকাৰৰ অর্থ বুজোৱা হৈছে। ] দূর্বাক্ষত=দূর্বা (দুৰৰি)+অক্ষত (আৰৈ চাউল) [ মাঙ্গলিক কার্য ]।

২৩৪ আজ্ঞগাম আহিল। কৃষ্ণস্যোদ্বাহকাৰণাৎ=কৃষ্ণস্য উদ্বাথ কাৰণাৎ=কৃষ্ণৰ উদ্বাহৰ (বিৱাহৰ) কাৰণে। সনাৰদো=নাৰদ সহ। মুদাহৃষ্ট=আনন্দিত। স্রুৱ—হোমবাৰি।

২৩৬ ধাতা=বিধাতা, ব্রহ্মা। চতুৰ বয়নে=চাৰিখন মুখেৰে। [ ব্রহ্মাৰ চাৰিখন মুখ ]। গৌৰাঙ্গ -গৌৰ বর্ণৰ অঙ্গ। [ ২য় অঙ্গই একে অর্থকে বুজোৱাত এই শব্দ অতিৰিক্ত হৈছে। ] নাৰদ—ব্রহ্মাৰ মানস পুত্র। আগৰ জন্মত দাসীপুত্র। বিষ্ণুৰ মহাভক্ত। বাহন ঢেঁকী। হাতত বীণা। 'অসমীয়া' বৈষ্ণৱ সাহিত্যত বিশিষ্ট স্থান অধিকাৰ কৰিছে বিশেষকৈ টুটকীয়া স্বভাৱৰে। চিৰকুমাৰ।

২৩৭ শ্রীকৃষ্ণ মাথা চড়ায়া কহ কৰযোৰি—ব্রহ্মা নাৰদক দেখি শ্রীকৃষ্ণ আৰু ৰুক্মিণীয়ে বহাৰ পৰা উঠি প্রণাম জনাইছিল। প্রণাম জনাওঁতে মূৰ দোঁ খাই আছিল। প্রণামৰ অন্তত মূৰ দাঙি হাত যোৰ কৰি ক'লে। গতিকে 'মাথা চড়ায়া'।

২৩৮ জগতক পিতামহ—[ ভগৱানৰ নাভিকমলত প্রথম ব্রহ্মাৰ জন্ম হয়। ব্রহ্মাই ভগৱন্তৰ আদেশত জীৱৰ সৃষ্টি কৰে। তেওঁৰ মানস-পুত্র মনু আৰু কন্যা শতৰূপাৰ পৰা মানুহৰ জন্ম। গতিকে ব্রহ্মা মানৱজাতিৰ আৰু জগতৰো পিতামহ।

২৩৯ কুশণ্ডি=কুশেৰে জুখি হোমৰ স্থান নিৰূপণ কৰা কার্য।

২৪০ ৰূপলাৱণ্যসম্ভৃতম্=অতুল্য ৰূপলাৱণ্য। বভুৱ=হ'ল। কামমদন পীড়িতঃ=

কাম আৰু মদনৰ অৰ্থ একে হ'লেও ইয়াত কাম ভাৱক আৰু মদন্ কামৰ অধিষ্ঠাতা দেৱতা বুজাইছে ।

২৪১ মুখচন্দ্ৰিকা=কইনাৰ মুখৰ ওৰণি গুচাই দৰা আৰু সমজুৱাই চোৱাৰ ব্যৱস্থা। ৰুক্মিণীয়ে ওৰণি লৈ আছিল । মুখচন্দ্ৰিকা কৰোঁতে অদ্ভুত ৰূপ-লাৱণ্য দেখি ব্ৰহ্মা লুটি খাই পৰিল। [ইয়াৰ দ্বাৰা বিয়াহ কাৰ্যত নতুনত্ব সৃষ্টি কৰি হাঁহিৰ সমল দিয়াৰ উপৰিও 'পিতামহো' ৰুক্মিণীৰ ৰূপত অস্থিৰ হোৱা দেখুৱাই ৰুক্মিণীৰ অপৰূপ ৰূপ-লাৱণ্যৰ তীব্ৰতা বৃদ্ধি কৰা হৈছে। তাৰ উপৰি ব্ৰহ্মাৰ চৰিত্ৰৰ দুৰ্বলতাৰ সুযোগো নাট্যকাৰে গ্ৰহণ কৰি ব্ৰহ্মাও যে ঈশ্বৰৰ মায়াত মোহিত তাকো দেখুৱাইছে! ]

২৪২ নাৰদ=নাৰদৰ উক্তিয়ে দৰ্শকৰ মাজত নিৰ্দোষ হাঁহিৰ খলকনি তুলিছে।

২৪৪ চেতনমাললভ্য=চেতন লাভ কৰি । মন্ত্ৰমুদীৰয়েৎ মন্ত্ৰ উচ্চাৰণ কৰিলে । তদোদ্বাহ বিধৌ=তেতিয়া বিয়াহ কাৰ্য বিধিমতে। তস্মিন্নুৎসৱঃ=সেই উৎসৱ। সুমহানভূৎ=সুমহান ভাৱে হ'ল। মহোৎসৱ হ'ল ।

২৪৬ আঞ্জুলি ভৰি=অঞ্জলি ভৰি, দুহাত ভৰি। সুৰ বাই =সুৰ সকলৰ ৰজা [ইয়াত 'সুৰ শ্ৰেষ্ঠ' সকলে। নাইবা 'বাই' —ৰমণী অৰ্থও বুজাব পাৰে—সুৰ ৰমণীসকলে।] বাসুকী উৎসুকি… =পাতালৰ নাগ বাসুকীও গীতৰ সুৰত কৌতুহলী হৈ 'তাল ঠুকি' লে। থমকি নাচে মহেশে—তালে তালে থমকি মহাদেৱে নাচিলে। হাসে সব চাই—( মহাদেৱৰ নাচ চাই ) সকলোৱে হাঁহিলে। সিদ্ধ=ত্ৰিকালজ্ঞমুনি, উপদেৱতা বিশেষ।

২৪৮ ততোহপি কৌতুকী কৃষ্ণ=তাৰ পিছত অতি কৌতুকী কৃষ্ণই । প্ৰিয়য়া প্ৰেমৰূপয়া=প্ৰিয়াৰ প্ৰেমত আৰু ৰূপত। কুব্বন কেলিং মহোৎসাহান= মহা উৎসাহেৰে কেলি কৰিলে। ৰত্ন মন্দিৰে=ৰত্নখচিত গৃহত প্ৰৱেশ কৰি। মুমুদে=উপভোগ (আনন্দ) কৰিছিল।

২৫০ অমল=বিমল। লম্বি=ওলোমাই। [সমগ্ৰ মুখমণ্ডলক ধৰি চুমা খাইছে—এনে অৰ্থত।] হেৰি হেৰি চাই চাই। কুচ কাঞ্চুৰি=স্তনৰ আচঁল। ফোৰে=ফাৰে, ফালে। কানে=কানুৱে, কৃষ্ণই। অনঙ্গ=কামদেৱ। অনঙ্গ-ৰস-ৰসিক =কামকলা কৌশলী। সাধু=সৎ, পবিত্ৰ। অধৰ মধু=ওঁঠৰ মৌ।

২৫১ মহা মহোদয়=মহাভাগ্য। পদ্মিনী=পদ্মিনী (উত্তম শ্ৰেণীৰ কন্যা)। [চিত্ৰিনী, শঙ্খিনী, হস্তিনী বাকী তিনিশ্ৰেণীৰ কন্যা।)

২৫২ হৰিণা কৃতম = হৰিৰ দ্বাৰা কৰা হ'ল । [ভগৱানৰ কৃপাত।]

অস্মিন্নিমিত্তমাত্ৰোঽহং=মই ইয়াৰ নিমিত্ত মাত্ৰ। জানন্তীতি মহত্তমাঃ= মহানসকলে এই কথা জানে।

২৫৩ ন্যূনাধিক=কম-বেছি=টুটা-বঢ়া। শ্ৰদ্ধায়ে কহে=(নাট গোৱা, অৰ্থাৎ আন পুথিৰ দৰে নাটকো পাঠ কৰাৰ নিয়ম সমাজত আছে। সেই অৰ্থত 'কহে'।)

২৫৪ জয় জয়=যাৰ নামে জগতৰ দুখ-যন্ত্ৰণা জয় কৰে, [জন্ম-মৃত্যুৰ দুখ আঁতৰায়] সেই জগত-পিতাৰ কৃষ্ণৰ জয় হওক। অজ=যাৰ জন্ম নাই, [ইয়াত ব্ৰহ্মা আৰু শিৱক বুজাইছে।] মান=ইয়াত দুখ, অসন্তোষ আদি বুজাইছে। হৰষে নাচত হৰ—মহাদেৱেও যাৰ সন্তুষ্টিৰ কাৰণে নাচে। গৰুড়ক পেখি······ নাগ=যাৰ বাহন গৰুড়ক দেখিলেই মহাদেৱৰ দেহৰ নাগবিলাক পলাই যায়। [পলাই গ'ল।] খসল বাঘাম্বৰ······উজাৰ=নাগৰ বান্ধ নাইকিয়া হোৱাত যাৰ বাঘ-কাপোৰ খহি পৰি দেহা নগ্ন হৈ গ'ল। [হৰতকৈ বিষ্ণু যে শ্ৰেষ্ঠ তাকে মাত্ৰ বুজোৱা হৈছে। আনকি বিষ্ণুৰ বাহনলৈও মহাদেৱৰ সাপে ভয় কৰে। গৰুড় নাগৰ স্বভাৱ শত্ৰু।] 'যোহি জলধি মহ'— বিষ্ণুৰ (কৃষ্ণৰ) ৰাম অৱতাৰৰ কাহিনী। সাগৰত সেতুবন্ধন কৰি যি ৰাক্ষস ৰাৱণক বধ কৰি ভীতা ভকতা সীতাক উদ্ধাৰ কৰিলে। জলধি=সাগৰ। বহ্নি কৰু পান=বনাগ্নিপানৰ কাহিনী (কালিয়দমনৰ ৰাতিৰ ঘটনা।) পৰধান - প্ৰধান। (শ্ৰীৰামৰায়ে ৰুক্মিণীহৰণ নামৰ প্ৰধান কৃষ্ণ-নাট নিৰ্মাণ কৰাইছে।) 'নামত শৰণ- - - -ধৰ্ম'—সকলো ধৰ্মই নামধৰ্মত শৰণলয়, নাম ধৰ্ম সকলো ধৰ্মৰ ৰজা। [নাম ধৰ্ম প্ৰচাৰ নাটৰ শেষ উদ্দেশ্য।]

# কেলি গোপাল নাট

১ অকুণ্ঠ বোধো=কুণ্ঠাহীনভাৱে যাৰ বোধ শক্তি আছে। শশাঙ্ক=চন্দ্ৰ। কৰ=কিৰণ। শশ্বৎ=নিৰন্তৰ। কল=মধুৰ, সুন্দৰ। বীক্ষ্যেন্দুমণ্ডলমখণ্ডম= অখণ্ডমণ্ডলচন্দ্ৰ দেখি। স গোপসূনু=তেওঁ গোপ পুত্ৰ (কৃষ্ণ)। অনিশং= অবিৰাম।

২ (নান্দীগীত।) ॥ ধৱলী=বগা, শুক্ল বৰ্ণৰ। থিক=আছে। বিপিন=বন। পৰকাশ=প্ৰকাশ (ইয়াত কুসুম ফুলি থকা অৰ্থত) বিলাস=লীলা। পূৰি=পূৰ্ণ কৰি। পঞ্চম=পঞ্চম সুৰত [পা] ব্ৰজ যোষিত=ব্ৰজ ৰমণী। মনসিজ=মদন, কামদেৱ।

৩ নান্দী শেষ হোৱাৰ পিছত সূত্ৰধাৰৰ প্ৰৱেশ। সংস্কৃত নাটকত এই ব্যৱস্থা থাকিলেও অঙ্কীয়া নাটত সূত্ৰধাৰেই নান্দী শ্লোক মাতে, নান্দীগীত গায়, [গায়ন-বায়নৰ সহযোগত] আৰু নাট পৰিচালনা কৰে। অলং=পৰ্যাপ্ত, যথেষ্ট, [ইমানেই হ'ব আৰু নালাগে অৰ্থত]।

৪ নাটকং মুক্তি সাধকম=ভগৱানৰ লীলাযুক্ত এই নাটক শুনিলেও মুক্তি লাভ কৰিব পাৰে। পাপী পাৱন=পাপীপাপ শোধন কৰোঁতা, পাপীক ত্ৰাণ কৰোঁতা। যক্ষ=কুবেৰাদি দেৱতা শ্ৰেণী বিশেষ। ৰক্ষ=ৰাক্ষস। কুবলয়=কুবলয় পীড় নামৰ কংসৰ অতি শক্তিশালী হাতীটোৰ নাম। কংসই এই হাতীৰ দ্বাৰা কৃষ্ণ বলোৰামক বধ কৰিবলৈ নিৰ্দেশ দিছিল। মল্লশালালৈ সোমোৱাৰ বাটৰ মুখত শ্ৰীকৃষ্ণ বলোৰামে এই হাতীক [মাউতকো] বধ কৰে। ধেনুক= ধেনুকাসুৰ। কেশী=কংসই পঠোৱা কেশী নামৰ দৈত্য। ঘোঁৰাৰ ৰূপ ধৰি গোকুলত ত্ৰাসৰ সৃষ্টি কৰাত কৃষ্ণই নিজৰ হাত তাৰ মুখত সুমুৱাই দি বঢ়াবলৈ ধৰে। ফলত দৈত্যই তেজ বমি কৰে আৰু নিজৰ দেহটো দুফাল হৈ যায়। পীন=কঠিন। পয়োধৰ=স্তন। কৰ-যুগ-শালী=কৰ যুগ যুক্ত। শালী=যুক্ত (প্ৰভাৱশালী, ক্ষমতাশালী আদি শব্দ উদাহৰণ।) আনন্দ-সিন্ধু=আনন্দৰ সাগৰ। সিদ্ধ=ত্ৰিকালজ্ঞ মুনি। যাকৰ=যাৰ। পদদ্বন্দ=পদ দুই।

৯ পিউ=প্ৰিয় । এহু=এয়া ।

১০ তন্দ্ৰোচিন্তা =তং বোচিন্তা=মনত লগা। চাৰু=সুন্দৰ । বিতৰন্=বহলাই দিয়া, বিস্তৃত কৰা । নিতৰাং=অনবৰত। জগো গ'ল। পা/বিতৰন - ধ্বনি বিস্তৃতি। [ অনবৰত মোহ বিস্তৃত কৰি থকা ]

১২ অলক্ষিতে -আনে নেদেখাকৈ । [গোপন বাটেৰে]। হাঠিতে=খোজ কাঢ়োতে। গণ্ড=গাল । লোলে=ওলমে । ধাৱা=খৰকৈ, লৰি । গয়োৰে=যায় । কৰহি=কেতিয়াও। লোকাই=লোকসকল ।

১৩ পাৰ্শ্বম প্ৰাপ্তা=পাৰ্শ্বম + অপ্ৰাপ্তা—ওচৰ নাপালে । নিকন্ধা=বাধা পাই, আৰব্ধ হৈ। বিজহু=ত্যাগ কৰিছিল।

১৫ দহনম্ দাহিলে। পৰম গতি=মুক্তি। বহু=ব'ল। শিৰ-শিখৰ-চূড়ামণি মূৰৰ মুকুটত থকা চূড়ামণি। পৰমেশ্বৰ—সকলো ঈশ্বৰৰ ঈশ্বৰ। সকল…পৰমেশ্বৰ= সকলো দেৱতা আৰু অসুৰৰ ঈশ্বৰ বা শ্ৰেষ্ঠসকল মূৰৰ ওপৰৰ চূড়ামণি পাদ-পদ্মত শোভা কৰা পৰমেশ্বৰ (কৃষ্ণ) [সকলোৱে যাৰ ভৰিত পৰি সেৱা কৰে। ]

১৯ সত্বৰে=সোনকালে। পৰিহাস চাতুৰী বাণী। কটাক্ষে—কেৰাহি চাৱনিৰে। নিৰেখিয়ে=দেখি। উনিকৰ=তেখেতৰ (শ্ৰীকৃষ্ণৰ)।

২৪ দৃষ্টা—দেখিলা। বিকশিতং -ফুলি থকা। প্ৰতিঘাতং=উভতি যোৱা। বনাং বনৰ পৰা। দ্ৰুতম্ লৰালৰিকৈ।

২৬ গোৰি=নাৰী, ৰমণী। গোৱাৰি=গোৱালী। কৰবিনা=নকৰিবা। কামিনী= ৰমণী। পৰখো—পৰশো। দিশ পাশা=দিশত আৰু পাশত (ওচৰত) চাৰিওফালে। হোই=হৈ। কুল কামিনী=কুল ৰমণী পৰিয়ালৰ নাৰী। যামিণী=ৰাতি। নিজ পিউ=নিজৰ প্ৰিয়জনৰ। পাশা ওচৰ। পাতক-মতি-ছোড়ি=পাপমতি এৰি। বিপ্ৰিয়=অপ্ৰিয় ।

২৮ পেখএ=পেখিএ=দেখি। লম্বিত—ওলমি পৰা। ঝামৰি=শুকাই। পদ-নখ -ক্ষিতি লেখু=ভৰিৰ নখেৰে মাটিত আঁকি। দেখু=দেখে। আন্ধিয়াৰি= আন্ধাৰ, অন্ধকাৰ। কুঙ্কুম=এবিধ ৰঙা, মূল্যবান, সুগন্ধি লেপন প্ৰসাধন। লোলে=বৈ অহা অৰ্থত (চকুৰ পানীয়ে স্তনৰ কুঙ্কুম বোৱাই নিলে।) তাপিত=সন্তাপিত, বেজাৰ পোৱা।

২৯ কথংকথমপি=কোনোমতে। তন্তাই=হেঁচি। কহোঁ=স্বাৰ্থিক প্ৰত্যয় হিচাপে অঙ্কীয়া নাটৰ গদ্যত প্ৰায়ে ব্যৱহৃত প্ৰত্যয়। আঞ্চোৰে=আঁচলেৰে। প্ৰেম-কোপে=প্ৰণয়জনিত খঙত। কণ্ঠ-কটাক্ষে=কণ্ঠেৰে কেৰাহিকৈ চাই।

৩০ বুঝলোঁ=বুজি পালোঁ। নিকৰুণ বাণী বাণ মাৰল হানি=নিঠুৰ বাক্যৰ বাণ (আমাৰলৈ) হানিলা। দাৰল=বিন্ধিলে। নকৰহু=নকৰা। জগভবাসা= জগত যাৰ আশ্ৰয়ত (দেহত) বাস কৰিছে। নৱ অনুৰাগ=নৱ প্ৰণয়।

৩১ ছোড়ি=এৰি। খোজেক=খোজ+এক পদ-পঙ্কজ-ৰেণু=চৰণ ৰূপী পদুমৰ ৰেণু=পদধূলি। ধৰ্ম্ম অৰ্থ চাৰি পদাৰথ=ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ চাৰি পদাৰ্থ (চাৰি পুৰুষাৰ্থ)। সুখে পাই=যজ্ঞ, ব্ৰত, দেহকষ্ট নকৰাকৈ লাভ কৰে।

৩২ বয়ং=আমি। বিহাতুং=এৰিবলৈ। মোহিত মানসা=মোহিত মনেৰে। ভৃশম্= বাৰুকৈ। ত্যজয় মা=ত্যাগ নকৰিবা (মা=নিষেধ) মাধৱ=মা=লক্ষ্মী, ধৱ =স্বামী=লক্ষ্মীপতি=বিষ্ণু=নাৰায়ণ=কৃষ্ণ। আন অৰ্থত মা=নাই, ধৱ= স্বামী=যাৰ ওপৰত কোনো স্বামী নাই। নঃ=আমাক। স্বনেন=ধ্বনিৰে। (বাঁহীৰ)। যাদৱৰায়=যাদৱৰাজ=যাদৱ শ্ৰেষ্ঠ=কৃষ্ণ [শ্ৰীকৃষ্ণ যদুবংশজ বুলি গোকুলবাসীয়ে নাজানে। গতিকে ইয়াত কৃষ্ণ অৰ্থতে সাধাৰণভাৱে গোপী- সকলে সম্বোধন কৰিছে।] লো=হেৰা। কুসুম-ধনু-মন মোহন-মূৰুতি=কুসুম ধনুৰ (ফুলৰ ধেনুশৰ লোৱা কামদেৱৰ) মনকো মোহ নিয়াৰ পৰা মূৰ্ত্তিযাৰ। অনুচৰী=অনুচৰত স্ত্ৰী লিঙ্গ=আজ্ঞাৱাহী হৈ লগত ফুৰা নাৰী। অনুসৰি= অনুসৰণ কৰি। পৰম প্ৰেম ৰসে আশ=স্বৰ্গীয় বা অপাৰ্থিৱ প্ৰেমৰসৰ (ভগৱৎ প্ৰেমৰ) কাৰণে আশা। [লৌকিক প্ৰেম তেওঁলোকে পাইছেই, এই অৰ্থত।] হৰসি=হৰিছা, হৰণ কৰিছা। কৈছে=কিয়। কৰসি=কৰিছা। অধৰ সুধাই=ওঁঠৰ অমৃতেৰে। তাৱে=তাপিত হয়। তনুমনু=তনুমন। [তনুৰ লগত মিলাই উকাৰ দিয়া হৈছে] তাহে=তাক [বিৰহৰ দহনক]।

৩৪ পায়ে পায়ে=প্ৰতি পৰাকীয়ে।

৩৫ কেলি-কৌতুক=ধেমালি-ৰং (ৰং-ধেমালি) তাহে নাহি বুঝল=তাকে বুজিব নোৱাৰিলা। ক্ৰীড়া—কৌতুক=কেলি-কৌতুক।

৩৭ কাণ=কাণাই, কৃষ্ণ। খসল=খহিল। টুটল=চিগিল। ফোড়ল=ফালিলে। কাঞ্চুৱা=কাচলি। চান্দক=চান্দ্ৰক। গৰসি=গ্ৰাস কৰি। সুৰতি ৰসে= প্ৰেম-ৰসে। আখিভঙ্গে=চকুৰ ভঙ্গিৰে। [শঙ্খচূড় বধৰ ঘটনা মূল ভাগৱতৰ মতে ৰাস-ক্ৰীড়া স্থগিত হোৱা নাছিল। ৰাস-ক্ৰীড়াৰ পিছত কৃষ্ণ-বলোৰাম যমুনাৰ পাৰত গোপীৰ লগত ৰং-ধেমালি কৰি থাকোতে শঙ্খচূড়ে কেই- গৰাকীমান গোপীক হৰণ কৰে। শ্ৰীকৃষ্ণই শঙ্খচূড়ক বধ কৰি গোপীক উদ্ধাৰ কৰে আৰু শঙ্খচূড়ৰ মূৰৰ মণিটো বলোৰামক উপহাৰ দিয়ে। কেলিগোপাল

নাটত শঙ্খচূড়ৰ ঘটনাটো সুমুৱাই দিয়াত নাটকীয় গুণ বৃদ্ধি পাইছে— বিশেষকৈ দৰ্শকৰ মনত উৎকণ্ঠাৰ সৃষ্টি কৰি ঘটনা-বৈচিত্ৰ্য সম্পাদন কৰিছে।]

৩৮ অথ+অপি=অথাপি=তাৰ পিচতো। তাকয়া ব্যচা=আশ্বাস্য=ভালদৰে আশ্বাস দি (সু+আশ্বাস্য)। স্নেহযন্ত্ৰিতঃ=স্নেহসিক্ত হৈ।

৪১ শ্লোক ॥ প্ৰৱেশমকৰোৎ=প্ৰৱেশ কৰিলে। ইবাপৰঃ=আন এজন ৰাক্ষসৰ দৰে [শঙ্খচূড় যক্ষ যদিও ৰাক্ষসৰ দৰে গোপীৰ ভয় জন্মাই প্ৰৱেশ কৰিলে।] গোপীভয়ঙ্কৰ=গোপীৰ মনত ভয় ওপজোৱা।

৪২ উড়ি বাহু=বাহু উড়াই--বাহুমেলি। কায়া=দেহ। থূল=স্থূল=ডাঙৰ। মেদিনী=পৃথিৱী।

৪৩ বীভৎস=কদৰ্য। বীভৎস ৰস ভাৱনা=ঘৃণনীয় বা কুৎসিৎ ৰস সৃষ্টিকৰা কাৰ্য। অনঙ্গ=কামদেৱ।

৪৪ ৰময়া=আনন্দ দিওঁতাজনে [শ্ৰীকৃষ্ণই] নাইবা, ক্ৰিয়া বিশেষণ ৰূপে ব্যৱহাৰ হ'লে অৰ্থ হ'ব 'আনন্দেৰে'। ৰময়া কৰু=আনন্দেৰে কৰে। কৰ্ত্তা শ্ৰীকৃষ্ণ উহ্য। মেলা= সম্ভৱ সংখ্যাত সৰহীয়া অৰ্থ বুজাইছে। খেলে সঙ্গে······মেলা = গোপৰমণী সকলেও লগতে ৰঙ্গেৰে খেলিছে। মান=সন্মান চৰ্চন=চৰ্চন শব্দই আলোচনা বুজায়। ইয়াত সেই অৰ্থ বুজোৱা নাই। মূল শব্দ 'চৰ্বন' হোৱাও অসম্ভৱ নহয়। 'চৰ্চন দান' বোলোতে চোবোৱা (তামোল) দিয়া অৰ্থকে ধৰি ল'ব পাৰি। ঘেৰি= ঘেৰ দি, আৱৰি। গোৰী=ৰমণী। লেলা= লৈলা, ললে। মোৰি--ভাঁজ কৰি। বেকত=ব্যক্ত, প্ৰকাশিত। চৰপটি- চুপতি। ঢঙ্গ—ঢং, ভাঁজ-ভুঁজ। চুপতি মৰা বচনেৰে দেহৰ ভাঁজ-ভুঁজ বঢ়াই তোলে। [কাৰণ কৃষ্ণই কাপোৰ লৈ যোৱাত উদং দেহাৰ গোপীয়ে গা-ভাঁজ কৰি থাকিব লগা হয়। সেই অৱস্থাত কৃষ্ণৰ চুপতি বচনে তেওঁ- লোকৰ লাজ দুগুণে বঢ়ায়।]

৪৫ পৰমাণ=প্ৰমাণ। বনচাৰীঃ গোপসকলৰ একমাত্ৰ জীৱিকা গো-পালন হোৱাত উপযুক্ত চৰণীয়া পথাৰ বিচাৰি এঠাইৰ পৰা আন ঠাইলৈ যায়। অনাচাৰী= শুদ্ধ নিয়ম নীতি পালন নকৰা, শুদ্ধ স্বভাৱ-চৰিত্ৰ নথকা [স্ত্ৰীলিঙ্গত] কাম-ভকতিয়ে=সকাম ভক্তিৰে। [গোপনাৰীসকলৰ কৃষ্ণভক্তি কামনাযুক্ত। 'পত্নীপ্ৰসাদ'ৰ দ্বিজপত্নীসকলৰ ভক্তি নিষ্কাম। নিষ্কাম ভক্তি উত্তম হ'লেও ভগৱানক সকামভাৱে ভক্তি কৰিও ভগৱানৰ কৃপা পাব পাৰে। গোপী- সকলেই তাৰ 'পৰমাণ'।

৪৬ গোপ্য=গোপীৰ দ্বাৰা। গোবিন্দ সন্মান=গোবিন্দৰ সন্মান। মদমোহিতঃ= অহংকাৰত মোহিত হৈ। চেতসঃ-অন্তৰবিলাক [গোবিন্দৰ দ্বাৰা সন্মানিত হৈ অহঙ্কাৰত মত্ত অন্তৰৰ গোপীসকলে।] হৰিহেলনম্=হৰিক অৱহেলা খৰ্ব্ব বাক্য=অহঙ্কাৰসূচক বাক্য। চক্ৰুস্তা=তেওঁলোকে কৰিছিল।

৪৭ দুৰ্জন ভাৱ=দুষ্ট জনৰ দৰে ভাব [তিৰোতাৰ মাজতো যে দুৰ্জনৰ ভাৱ থাকে গতিকে স্ত্ৰীসঙ্গ যে আদৰণীয় নহয় এনে ইঙ্গিত।]

কামধেনু=যি জনী গাই পকৰে কামনা কৰা বস্তু দিব পাৰে। পুৰাণ আদিত কামধেনুৰ কথা পোৱা যায়।

৪৯ চাটু=তোষামোদ। [শ্ৰীকৃষ্ণই গোপীসকলৰ পিছে পিছে চাটু বচন কৈ ঘূৰি ফুৰা কথা মূলত নাই।]

৫২ 'এ সখি কতনো কয়ালো হাম্'। কয়ালো-ক'লো। দুখ=দোষ। কথ= বোষ, অভিমান। ছোড=এৰি দিয়া। দেহু=দেখু, দেখা। বিচোৰণ= কিস্মৰণ, পাহৰণ। হেৰহু=চোৰাঁ। মন মথ=মন্মথ=মদন।

৫৪ সেকৰা স্বামীক-আজ্ঞাধীন স্বামীক। পেৰাপাত্ৰক ঝীৱ=বজাঘৰীয়া কাকত-পত্ৰৰ গৰাকী বিষয়াৰ জীয়েক। [ডাঙৰ বিষয়াৰ ঘৰৰ ছোৱালীয়ে সেকৰা স্বামীক যেনেকৈ গণাগণ নকৰে! সেই সময়তো তেনে 'ঘটনা' চলিছিল নিশ্চয়।]

প্ৰেম-ভকতি=গোপীসকলৰ কাম-ভকতি প্ৰেম-ভকতিত পৰিণত কৰাৰ উদ্দেশ্যৰে আৰু তেওঁলোকৰ মনত ঈৰ্ষাৰ অগনি জ্বলাবৰ কাৰণে এগৰাগী গোপীক লৈ শ্ৰীকৃষ্ণ অন্তৰ্দ্ধান হ'ল।

৫৫ গৰ্ব্বং -গৰ্ব্ব (বচন)=বঢ়াবচন।

৫৭ ব্ৰজযোষিতঃ-ব্ৰজৰমণীসকলে। তত্যাজ -ত্যাগ কৰিছিল। বোৰুদ-কান্দিবলৈ ধৰিলে। ভীতা=ভয়খাই। হৰেৰ্ব্বিৰহ বিহ্বলা -হৰিৰ বিৰহত কাতৰ হৈ। সত্বৰং=ডাঙৰকৈ। হুৰাওবাৰে। ৰজন্যাং -ৰাতিখনত।

৬২ কাহে গয়ো-ক'লৈ গ'লা। হামাৰি—আমাৰ। মধাই=মাধৱ।

৬৩ "তথালপন্ত্যো......"। লপ্যন্তো-বিলাপ কৰি। অলবদ্ধা=লাভ নকৰা, নাপাই। ধৱম্=স্বামী। বিপিনং=জোপোহাক। পপ্ৰচ্ছুস্তৰবাজিমু=তৰু বিলাকক সুধিলে। পপ্ৰচ্ছুঃ=সুধিলে।

৬৫ মাধৱী=পাঠান্তৰত 'মাধৱ'। মাধৱ বান্ধৱ মধুসূদন। ['মাধৱী' হ'লে মাধৱী-লতাক সম্বোধন কৰি গোপীসকলে কৃষ্ণৰ বাতৰি সোধা বুজাব। 'মাধৱ'ৰ নাম সৌৱৰোৱাৰ কাৰণে 'মাধৱী'ক এই গুৰুত্ব দিয়া বুলি ধৰিব লাগিব।]

মধুসূদন শ্ৰীকৃষ্ণ, (মধুনামৰ দৈত্যক বধকৰোঁতা বিষ্ণু।) চুত=আম গছ। প্ৰকৃতাৰ্থে লতাজাতীয় আমগছকহে চুত বোলা হয়। গছ জাতীয়ক আম্ৰ (আম) বোলে।

৬৬ 'ভকতিক মহিমায়ে কৃষ্ণ ময় দেখল': কামভকতিৰ ঠাইত প্ৰেম-ভকতিৰ জন্ম হ'ল। এই ভকতিয়ে অহংভাৱ দূৰ কৰাত তদাত্ম্য বোধ হোৱাত প্ৰতি গৰাকীয়ে নিজকে কৃষ্ণ বুলি ভাবিলে। 'কৃষ্ণ চেষ্টা': নিজকে কৃষ্ণ বুলি ভাৱ হোৱাৰ পিছত কৃষ্ণই কৰা কামবোৰ নিজেই কৰাৰ চেষ্টা কৰিলে।

৬৭ মত্তাত্মানংহি=মত্ত হৈ নিজকে। বিজগুঃ=কৰিবলৈ গৈছিল।

৬৯ ভাৱনাঃ=কৃষ্ণৰ ধ্যানত নিমগ্না, তদ্গতপ্ৰাণা গোপীসকলে কৃষ্ণৰ লীলা বা কাৰ্যাৱলীক নিজেই কৰিবলৈ চেষ্টা কৰাকে ভাৱনা বুলি কৈছে। ভাৱনা বুলিলে ধ্যান বুজায়। এই ভাৱনাই ভাওনা। মন্দৰ =এই নামৰ পৰ্বত। সাগৰ-মন্থন কৰোঁতে মন্দৰ পৰ্বত নাৰায়ণে অনায়াসে আনি সাগৰত মথনি কৰি থাপিছিল। কৃষ্ণৰূপত গোবৰ্দ্ধন পৰ্বত বাওঁহাতৰ কেঞা আঙুলিৰ ওপৰত সাদিন সাত ৰাতি ছাতিৰ দৰে ধৰি ব্ৰজৰ গোপ-গোপী, জীৱ-জন্তুসকলক বৰষুণ-শিল-ধুমুহাৰ পৰা ৰক্ষা কৰিছিল। শ্ৰীকৃষ্ণই 'ব্ৰহ্মৰূপীসনাতন' সাকাৰ ব্ৰহ্ম, অৰ্থাৎ নাৰায়ণ। কীৰ্তনৰ আৰম্ভনিতেই এই কথা কোৱা হৈছে। গোবৰ্দ্ধন পৰ্বত ধাৰণ মন্দৰ পৰ্বত দাঙি অনাৰ দৰেই কাৰ্য, সেই কথা আকৌ এবাৰ সোঁৱৰাই দিয়াৰ উদ্দেশ্যেৰেই ইয়াত মন্দৰ পৰ্বতৰ নাম উল্লেখ কৰিছে। ইন্দ্ৰক গৰ্বঃ গোবৰ্দ্ধন ধাৰণ কৰি ইন্দ্ৰৰ অহঙ্কাৰ নাশ কৰিলে। ইন্দ্ৰই শ্ৰীকৃষ্ণক সেৱা কৰিলেহি। গোপীক বান্ধয় উড়ুখলে টানি =এগৰাকী গোপী যশোদা হৈ আন এগৰাকীক কৃষ্ণ বুলি ভাবি উড়লত বান্ধিবলৈ চেষ্টা কৰিলে। উড়ুখল=উৰল।

৭০ পৰম ভাগ্যৱতী গোপীসৱ=অনাচাৰী, বনচাৰী, গোপীসকল ভগৱানক ধ্যান কৰি ভকতি প্ৰমত্তা হৈ পৰিল। এই মহোদয় বা মহৎ সৌভাগ্যৰ অধিকাৰিণী হ'ব পাৰিলে হৰি ভকতিৰ দ্বাৰা। সেইবাবে তেওঁলোকক পৰম ভাগ্যৱতী বুলিছে।

৭১ কণ্টকে বেধল=কাঁইটে বিন্ধিলে। বোকে=বোকোচাত। চৰসিয়া=উঠাহি।

৭৪ 'গোপীনাথ লীলা জানব......"। চৌধভুৱন। সাতখন স্বৰ্গ—ভূঃ, ভুৱঃ, স্বঃ, জন, মহঃ, তপঃ, সত্য আৰু সাতখন পাতাল—তল, অতল, বিতল, সুতল, তলাতল, মহাতল আৰু ৰসাতল। গৰুড়=কাশ্যপ আৰু বিনতাৰ পুত্ৰ।

বিষ্ণুৰ বাহন। কৃষ্ণ অৱতাৰত গৰুড়ৰ মূৰ্তি শ্ৰীকৃষ্ণৰ ৰথদণ্ডত লগোৱা থাকে। শ্ৰীকৃষ্ণই বিষ্ণু বা নাৰায়ণ, গতিকে গড়ুড় পক্ষী তেওঁৰ বাহন। সো হৰি গোপিনী বাহনে=সেইজন (গৰুড়ত উঠি ফুৰা জন হৰিয়ে গোপিনীক বহন কৰিছে। বাহনে =বহন কৰিছে, বৈছে। কিনা ভেলি কিনো হ'লাঃ ভকত-বান্ধৱ হ'বলৈ গৈ কি কামযে কৰিছা, এনে বিস্ময়ৰ ভাব। কিন্তু এয়া যে কামাতুৰ পুৰুষৰ অৱস্থা তাকে দেখুৱাবলৈহে ভগৱানে গোপীক বোকোচাত বান্ধি নিছে ; এই কথা ঠিক পিছতে সূত্ৰধাৰৰ কথাত প্ৰকাশ কৰিছে।

৭৫ তন্মান দৰ্পিতা=তেওঁৰ মান পাই অহঙ্কাৰী হৈ উঠি। কৃষ্ণস্য স্কন্ধমাৰুঢ়ং= কৃষ্ণৰ কান্ধত আৰোহণ কৰিবলৈ। গতা=গৈছিল। দুঃস্বভাৱতঃ=দুষ্ট স্বভাৱৰ কাৰণে। (দুৰ্জন ভাবৰ কাৰণে)।

৮২ একেশ্বৰী=অকলশৰীয়া [গোপী সংখ্যাত বহুত হ'লেওশ্ৰীকৃষ্ণৰ লগত নথকাত 'অনাথিনী', গতিকে একেশ্বৰী।] আন্ধা=অন্ধ। দুই চকুহীনা। ধান্ধা=ধান্দা, একান্ত হেঁপাহ। মোৰঃ=সকলো গোপীৰ অন্তৰৰ দুখ অধিক হ'লেও, এই দুখৰ বেদনা প্ৰত্যেকৰে সুকীয়া। গতিকে 'আমাৰ' নুবুলি 'মোৰ' এই একবচনৰ ব্যৱহাৰ। একেশ্বৰী=অকলে। [আগৰ গীতত এই শব্দই সকলো গোপীকে বুজাইছিল। ইয়াত প্ৰকৃত অৰ্থত ব্যৱহাৰ কৰা হৈছে।]

৯০ [তেওঁৰ বচন শুনি গোপীসকল কৃষ্ণ-দৰ্শনত নিৰাশ হৈ আকৌ যমুনা পুলিনলৈ উভতি আহি গোবিন্দৰ গীত গাই কৃষ্ণক পোৱাৰ চেষ্টা কৰিবলৈ ধৰিলে।] পুলিন=নদীৰ মাজৰ পৰা ওলোৱা মাটিখণ্ডক পুলিন বোলা হয়। বালিচৰ। জগু=গৈছিল।

৯১ তাহাক=কৃষ্ণৰ লগত যোৱা পিছত অকলশৰীয়া হোৱা সেই গোপী গৰাকীক। শ্লোকত বা গোপীৰ সম্বোধনত সেই গোপীৰ নামযে 'ৰাধা', তাৰ ক'তো উল্লেখিত হোৱা নাই।

৯২ লে=লৈছা। লোৱা। দে=দিয়া। আধাক= আধাৰ, ভেটি। দৰশ=দেখুওৱাঁ। সৰস=ৰসাল।

৯৩ সম্পন্ন=ঐশ্বৰ্যশালী, সম্পূৰ্ণ [ সৰ্বগুণসম্পন্ন ]। অখন=এতিয়া। বৃষ্টি=বৰষুণ। গোৱৰ্দ্ধন ধাৰণৰ কথাৰ ইঙ্গিত দিয়া হৈছে। অগ্নি=বনাগ্নিৰ পৰা গোপ-গোপী সকলক শ্ৰীকৃষ্ণই উদ্ধাৰ কৰাৰ কাহিনী, বনাগ্নিপানৰ ইঙ্গিত। পূৰে=পূৰণ কৰে। অধৰামৃতে=ওঁঠৰ অমৃতেৰে। [ অধৰ=তল ওঁঠ ] জীৱাৱাসিয়=জীৱাৱ আসিয়া=জীউৱা আহি।

৯৪ করুণা-সিন্ধু=করুণাৰ সাগৰ। লোঁহু=লোৱা। কতিলাই=কি লাগি, কি কাৰণে। তেজলি=ত্যাগ কৰিলা। দেসি=দেহি=দিয়া। মুগুধা=মুগ্ধা=মোহিতা, বিহ্বলা, মূৰ্খ, সবলা। [ কাব্যত মুগ্ধা নায়িকা=নায়কৰ প্ৰতি একান্ত বিশ্বাসপৰায়ণ নায়িকা। লাসে লাসে=লাহে লাহে, আলসুৱা ভাৱে, আলফুলকৈ। মৰম চড়ল=হৃদয়ৰ আঘাত বেছি হ'ল। মৰম=মৰ্ম, অন্তৰবো অন্তৰৰ কোমলতম স্থান।

৯৯ উৰ্মি=ঢৌ।

১০০ গোপী প্ৰেমাকুলঃ=গোপীৰ প্ৰেমত আকুল (হৈ)। বাৰি পূৰিতলোচনঃ—চকুপানীৰে ওপচায়। আৱিৰ্ভুৰ=আৱিৰ্ভূত হ'ল, দেখা দিলে। সাক্ষাৎ=স্বয়ং। মদন মোহন - মদনকো মোহনিয়া (ৰূপ লৈ)।

১০১ দ্ৰৱল=গলি গ'ল। কোটি-কন্দৰ্প =কোটিজন (অসংখ্য) মদন। দলনু=দলন কৰা। [ কোটিজন মদনৰ ৰূপৰ দৰ্প দলন কৰিব পৰা সৌন্দৰ্যেৰে ]।

১০২ প্ৰেম-সুধা=প্ৰেম অমৃত। বেকত ব্যক্ত=প্ৰকাশিত [গোপীৰ পৰা কাষে কাষে কৃষ্ণ আঁতৰি যোৱা নাছিল। গোপীৰ কাষে কাষে অদৃশ্য ৰূপত আছিল। গতিকে আঁতৰৰ পৰা আহি ওলোৱা নাই, গোপীৰ চকুত দৃশ্যমান হ'ল। ইয়াত গোপীয়ে অন্তদৃষ্টি লাভ কৰা ভাবো প্ৰকাশিত হৈছে। তেওঁলোকৰ অন্তৰতো শ্ৰীকৃষ্ণ ব্যক্ত হৈছে।] মণ্ডিত=শোভিত। ৰুচিৰ=ৰুচিকৰ, সুন্দৰ।

১০৪ জগৃহুঃ -গ্ৰহণ কৰিছিল। সহসা+উথায়= তৎক্ষণাৎ উঠি। [ মদন বা কামদেৱে এজন কিয়, অসংখ্য জনেও শ্ৰীকৃষ্ণৰ অন্তৰত কামভাৱ জগাব নোৱাৰে,—যেনেকৈ এজন মদনেই ব্ৰহ্মাৰ অন্তৰত আৰু শিৱৰ অন্তৰত [ আন প্ৰাণীবাদেই ] জগাব পাৰিছিল। গতিকে কাম ভাৱত শ্ৰীকৃষ্ণই গোপীৰ লগত কাম-কেলি কৰা নাছিল। কাম জয় শব্দৰ টোকা দ্ৰষ্টব্য ] বেণু বাৱত আৱত বেণু বজায় আছে। মঞ্জিৰ ঝুৰয়ে =(ভৰিত) নূপুৰ ওলমে। [ খোজত নূপুৰৰ ধ্বনি উঠে। ] ত্ৰিভুৱন=স্বৰ্গ, মৰ্ত্য, পাতাল।

১০৬ তেৰি বৈচন ৰীত=তোমাৰ যেনেকুৱা ৰীতি। এক তিল=এক তিলো, তিলমানো। ভীত=ভয়। [ভয়খোৱা অৰ্থত ভীত হোৱা বুজালেও ইয়াত ভয় অৰ্থত ব্যৱহৃত।] না দেসি=নি দিলা। এতি বেৰি=অত বেলি=ইমান সময়লৈকে।

১০৭ 'হে স্বামী, তোহোঁ কপট কয় নিশি হাম্নাক বন মধ্যে তেজল'—কৃষ্ণক ইমান সময় বিচাৰি, কৃষ্ণ-প্ৰাৰ্থনা, কৃষ্ণ ভাৱনা কৰাৰ পিছত হঠাৎ কৃষ্ণক

পাই গোপীসকলৰ বাকৰুদ্ধ হৈছে। মাত্ৰ এবাৰ উক্তি তেওঁলোকৰ মুখত দিয়াতো স্বাভাৱিক হোৱাৰ উপৰিও গোপীসকলৰ মনৰ সকলো দুখ-বেদনাৰ প্ৰকাশক হৈছে।

১০৯ পীতবাসসা=পীতবসনৰ আগেৰে। মাৰ্জয়ম=মচিলে। আশ্বাস্য=আশ্বাস দি [ গোপীৰ কাৰুণ্য দেখি কৃষ্ণই লোতক ভৰা চকুৰে পীতবসনেৰে (তেওঁলোকৰ) মুখ মচি আশ্বাস দি ক'লে।]

১১২ ঐচন বচন =এনে ধৰণৰ (নিঠুৰ) বচন। সহজে নাসহে হৃদি মোৰঃ সহজে= স্বভাৱেঃ স্বভাৱতেই মোৰ হৃদয়ে নসহে। ভকতি শুজয়ে নাহি পাৰি=ভক্তিৰ বিনিময়ত দিবলৈ একো নাই। এই ধাৰ শুজিব নোৱাৰোঁ। ভকতক দুখ দেখি হৃদি সহয়ে নাহি =ভক্তবৎসল ভগৱানৰ অন্তৰ ভকতৰ দুখত দুখী হয়। এয়ে ভগৱানৰ স্বভাৱ। আগৰ শাৰীত পাই অহা, 'সহজে নাসহে হৃদি মোৰ'ৰ এয়ে মৰ্ম। অসূয়া=ঈৰ্ষা, পৰশ্ৰীকাতৰতা, গুণত দোষ আৰোপ কৰা। [ ঈৰ্ষাত, গুণত দোষ আৰোপ কৰা বা খং-অভিমান কৰা বুলি অৰ্থ কৰিব লাগিব।]

১১৪ ক্ৰীড়াক প্ৰৱেশল—ৰাস-মণ্ডলত প্ৰৱেশ কৰিলে।

১১৫ বিহসি' হাসি বদনে=হাঁহি থকা (প্ৰসন্ন) মুখত সুস্পষ্টভাৱে হাঁহিটো প্ৰকাশ কৰি। কঙ্কন=খাৰু। কাহুঁ=কোনোৱে। কাকু=কাকুতি, মিনতি [ হাত যোৰ কৰি কাকুতি কৰে ]

১১৭ অতি=বেছি। কৌতুকোদ্ৰেকং =কৌতুক উদ্ৰেক কৰি, কৌতুকজগায়। নিশাম্য =প্ৰশমন কৰি। কামক্ৰীড়ামাৰভত=কামক্ৰীড়া আৰম্ভ কৰিলে। অচ্যুত= সকলো ঠাইতে স্বৰূপৰ পৰা চ্যুত নহয় যি=ভগবান শ্ৰীকৃষ্ণ। ভগৱান= ভগ=ঐশ্বৰ্য, বান=যুক্ত। ঐশ্বৰ্য, বীৰ্য, যশ, শ্ৰীজ্ঞান আৰু বৈৰাগ্য এই ছয় শক্তিৰ পূৰ্ণ বিকাশ যি জনৰ হৈছে তেৱেঁ ভগবান। শ্ৰীকৃষ্ণ।

১১৮ যত গোপী তত মূৰুতি হৈয়া=প্ৰত্যেক গোপীয়ে শ্ৰীকৃষ্ণক সুকীয়াকৈ লৈ খেলিছিল। শ্ৰীকৃষ্ণই যত গোপী তত মূৰ্তি ধৰিছিল একেসময়তে। ষোল্ল হেজাৰ গোপীক বিধিমতে বিবাহ কৰোতেও একে সময়তে বিবাহ-কাৰ্য সম্পন্ন কৰিছিল একে মূৰ্তিৰেই। 'কীৰ্তন'ৰ নাৰদৰ কৃষ্ণ-দৰ্শনত নাৰদ মুনিয়ে কম সময়ৰ ব্যৱধানত একে কৃষ্ণক বিভিন্ন পত্নীৰ ঘৰত কেঁচুৱা ওমলোৱা, ছোৱালী বিয়া দিয়া আদি বিভিন্ন কাৰ্যত ৰত হৈ থকা দেখিছিল। এয়া ভগৱান শ্ৰীকৃষ্ণৰ বিভিন্ন অৱতাৰ নহয়, নাইবা যোগৰ বলত যোগীসকলে

একে সময়তে বিভিন্ন ঠাইত থাকিব পৰা ক্ষমতাও নহয়। শাস্ত্ৰমতে এয়ে ভগৱান শ্ৰীকৃষ্ণৰ প্ৰকাশ মূৰ্তি। যোগীসকলে ধৰা বিভিন্ন মূৰ্তিক কায়ব্যূহ বোলা হয়। [ শ্ৰীমদ্ভাগৱত দশমস্কন্ধঃ ৰাসলীলা খণ্ডঃ পণ্ডিত প্ৰৱৰ শ্ৰীমৎ কৃষ্ণ চন্দ্ৰ স্মৃতিতীৰ্থৰ দ্বাৰা সম্পাদিত ]।

১১৯ 'ভুৱন ভুলাই ......'। যৈচে হেম মণি ...... যেনেকৈ সোণৰ মাজে মাজে মৰকত মণি প্ৰকাশ কৰে। [তেনেকৈ গোপীসকলৰ মাজত কৃষ্ণই প্ৰকাশ কৰিছিল।]* সুৰ ৰমণী পৰ ভোলে—দেৱতাৰ নাৰীসকলো ভোল হৈ পৰিল।

১২০ পুনঃ শঙ্খচূড় যক্ষঃ দ্বিতীয়বাৰ শঙ্খচূড আহি গোপীৰ মাজত ভয়ৰ সৃষ্টি কৰিলে।

১২১ মেহু=মেঘ। কৃষ্ণৰ অসংখ্য মূৰ্তি মেঘৰ দৰে। গোপীসকল যেন তাত বিজুলি। 'প্ৰকাশৈ বিজুলী যেন তাতে গোপীচয়'- কীৰ্তন। নিকৰে সমূহে, সকলোৱে। [ নৃত্যৰতা গোপী সকলোৱে একেলগে গীত গাই থাকিল। ] ভূলি=ভোলগৈ। শশধৰ=শহাৰ চিহ্ন ধাৰণ কৰা=চন্দ্ৰ। তম্ভিত=স্তম্ভিত খুঁটাৰ দৰে হোৱা বৈ যোৱা [ চন্দ্ৰই ভোল গৈ একে ঠাইতে ৰথ ৰখাই দিলে। 'ক্ৰীডা দেখি চন্দ্ৰ কামে বিমোহিত আতি। স্তম্ভাইলন্ত ৰথ নুপুহাই সিটো ৰাতি॥' কীৰ্তন। চন্দ্ৰ পুৰুষ যদিও সেই মুহূৰ্তত নিজে গোপী হৈ ভগৱানৰ লগত ৰাস-কেলি কৰিব, এনে ভাৱত কাম বিমোহিত হৈছিল। 'দশম'ৰ পদত 'কাম বিমোহিত'ৰ ঠাইত 'ভৈলা বিমোহিত'। একমাত্ৰ ভগৱন্তই পুৰুষ, বাকী সকলো সৃষ্ট বস্তুৱেই প্ৰকৃতি। সেইফালৰ পৰাও চন্দ্ৰৰ এনে কামনাৰ ব্যাখ্যা দিব পাৰি।

১২২ 'সুৰ—সেৱিত শ্ৰীকৃষ্ণ.........'। সুৰ সেৱিত=দেৱতাই সেৱা কৰা [ ৰাস ক্ৰীড়াৰ সময়ত আকাশত দেৱতাসকল সপত্নীক উপস্থিত আছিল। দেৱতা সকলে পৰম বিস্মিত হৈ ভগৱান শ্ৰীকৃষ্ণক দূৰৰ পৰাই সেৱা জনাইছিল। ভগৱান শ্ৰীকৃষ্ণ সুৰাসুৰ সেৱিত হ'লেও বৰ্তমান পাঠত সেই কাৰণেই 'সুৰ সেৱিত' বুলি কোৱা হৈছে।] ক্ৰীড়া-পীড়াতুৰা=ক্ৰীড়া-পীড়িত, ধেমালী কৰি কৰি ভাগৰি পৰা। গোকুল যোষিত=গোপাঙ্গনা। শেকু=সমৰ্থ হোৱা। নৈৰ=নোৱাৰিলে ( সমৰ্থ নহ'ল ) উদ্ধৰ্তুং=তুলি আনিবলৈ, উদ্ধাৰ কৰিবলৈ।

১২৩ মেখলা=কটিবন্ধনী। ( পুৰুষ আৰু স্ত্ৰী উভয়ে কঁকালত বেষ্টনি স্বৰূপে ব্যৱহাৰ কৰা ৰত্নখচিত অলঙ্কাৰ। শিথিল=ঢিলা। টুটি=খহি।

---

* মৰকত=ইন্দ্ৰনীল মণি। —'মধ্যেমণীনাং হৈমানাং মহামৰকতো যথা'।

১২৪ 'কৰত সুৰত কেলি ............'। সুৰত—কেলি=কাম-ক্ৰীড়া । ঢোলে= বিছে। বিন্দু=টোপাল। কৰ পঙ্কজ লেল মাঝে=পদুমৰ নিচিনা (গোপীৰ) হাত শ্ৰীকৃষ্ণই নিজৰ দুই হাতৰ মাজত ললে। কেশ কেশৱ বান্ধে হাতে =কেশৱে নিজ হাতে কেশ বান্ধে। [ ব্ৰহ্মা, বিষ্ণু, শিৱ তিনিওকে সামৰাজন হ'ল নাৰায়ণ বা কেশৱ । ( কৃষ্ণ ) সেই কৃষ্ণই নিজ হাতে সাধাৰণ গোপীৰ চুলি বান্ধেঃ ভক্ত বৎসলতাৰ প্ৰমাণ । ]

১২৬ তৰসা=দ্ৰুতভাৱে, হঠাতে। জহাৰ=হৰণ কৰিলে। কাম বিমোহিতং= কামমোহিত হৈ। কৃত কৌতুকে=কৌতুক কৰি থাকোতে।

১২৮ গীত ॥ ( পয়াৰ )=মোড়ৰ ঘাৰ=ঘাড় মুচৰিম। তৰাসে=ত্ৰাসে। জনিল= জন্মিল। পুৰুষ পুৰাণ=পুৰাণ পুৰুষ, আদি দেৱ, ( শ্ৰীকৃষ্ণ )। তসু=তাক। তাহেক ৰত্ন চূড়ামণি=শঙ্খচূড়ৰ মূৰৰ মণি। [এই সম্পৰ্কীয় কাহিনী আগতে দিয়া হৈছে। নাট্যকাৰে স্বাধীনতা লৈ এই মণি গোপীক উপহাৰ দিয়া দেখুৱাইছে।]

১২৯ নিহত্য=হত্যাকৰি। গোপী হৰ্ত্তাৰং যক্ষং=গোপী এগৰাকীক হৰণ কৰি নিয়া যক্ষক। স্ত্ৰীভিস্ততো হৰিঃ=হৰিয়ে তেতিয়া স্ত্ৰীসকলেৰে সৈতে। জল- ক্ৰীড়া=পানীত নামি কৰা ধেমালি, জল-কেলি। সমাৰেভে=আৰম্ভ কৰিলে।

১৩১ ৰময়াক মুহ=কৃষ্ণৰ মুখ। দাৰল=বিন্ধিলে। অতনু=[অশৰীৰি]=তাক= ত্ৰাণ কৰাঁ। তাক তাক=( তীব্ৰতা বুজাবলৈ দুবাৰ ব্যৱহাৰ। )

১৩২ নয়নভৃঙ্গ=নয়ন ভোমোৰা। ভৰি=পূৰ্ণ কৰি। [কৃষ্ণৰ মুখৰূপী পদুমৰ অমৃত চকুৰূপী ভোমোৰাই হেঁপাহ পলুৱাই পান কৰিলে।] সুৰভি কুসুম=সুগন্ধি ফুল।

১৩৩ এবং=এই প্ৰকাৰে। ভগবানাহ=ভগবান্+আহ=ভগৱানে ক'লে। ব্ৰজংযাতা অবলাক্ৰতম=ৰমণীসকল ব্ৰজলৈ সোনকালে যোৱাঁ। ব্যতিতা=পাৰ হ'ল।

১৩৭ যাৱত প্ৰসন্ন নাহি হোৱে=মুকলি নোহওঁতেই=পোহৰ নোহওঁতেই। যাৱত= যেতিয়ালৈ। প্ৰসন্ন=মুকলি ( পোহৰ)।

১৩৯ গোৰী=মহিলা। পূৰিতা=পূৰ্ণ হয় ( চলচলীয়া )। পুত মাথে=পুতেকৰ মূৰে [ শপত দি ]। বৈৰিণী নিশি=ৰাতি শত্ৰু, কিয়নো সোনকালে শেষ হ'ল। আন্ধিয়াৰি=আন্ধাৰ।

১৪৩ মাই মাই=[ ইয়াত 'মাই' বুলি যশোদা বা আন মাতৃস্থানীয় গোপীক সম্বোধন কৰা নাই। প্ৰেমৰ আবেগত পৰস্পৰক তেনে সম্বোধন কৰিছে। ] বিচুৰি=বিছোড়ি=এৰি, আঁতৰহৈ। কেলি-কদম্বক মূলে=কেলি-কদম্বৰ তলিত। কেলি-কদম্ব=নীপ। [ যি কদম্বৰ ফুল সৰু তাক কেলি-কদম্ব বা

নীপ বোলে।] ধৰত তৃণ দসনু=দাঁতত তৃণ ধৰি থাকে। (খাবলৈ পাহৰি যায়। ভক্তিত তৰঙ্গিনী--নৈ ব'বলৈ এৰি দৈ যায়। (তৰঙ্গিনী=নৈ। ইয়াত যমুনাকে লক্ষ্য কৰা হৈছে।) পুলক কমল-ফুল দোলে= পুলকিত হৈ পদুম আদি পানীৰ ফুল বিলাক দুলিবলৈ ধৰে। ৰস-ভোলে=প্রেমৰসত মুগ্ধা হৈ। [বেণুস্বৰ শুনি হৰিণীয়ে নিজৰ দেহাকো পাহৰি ৰসত মজি থাকে]

১৪৪ ওহি কামজয় কেলি-গোপাল নাম নাটক=এই কামজয়কাৰী কেলি-গোপাল নামৰ নাটক।

কামজয় 'অৱৰুদ্ধ সৌৰতঃ চৰম ধাতুঃ নতু
স্খলিতো যস্যেতি কামজয়োক্তিঃ'

—শ্রীধৰস্বামী।

ৰাস-ক্রীড়াত শ্রীকৃষ্ণৰ চৰম ধাতু স্খলিত হোৱা নাছিল। গতিকে শ্রীকৃষ্ণই কামদেৱক জয় কৰিলে। তাৰ উপৰি 'যি সকলে শ্রদ্ধাৰে ব্রজাঙ্গনাসকলৰ লগত শ্রীকৃষ্ণৰ এই ৰাসলীলাৰ কাহিনী আৰু তেওঁৰ আন লীলা-কাহিনী সদায়ে শ্রৱণ-কীর্তন কৰে [শুনে আৰু বর্ণনা কৰে], তেওঁ সোনকালে ধীৰত্ব লাভ কৰি [সকলো চঞ্চলতা দূৰ কৰি] ভগৱান শ্রীকৃষ্ণত পৰাভক্তি (শ্রেষ্ঠা ভক্তি) লাভ কৰি হৃদয়ৰোগৰূপ কামাদি দুর্বাসনা অচিৰেই পৰিত্যাগ কৰিব পাৰে [ভাগৱতৰ মূল শ্লোকৰ সৰল ভাঙনি।] শ্রীধৰ স্বামীয়ে টীকাত ভগৱানৰ 'কামবিজয়ৰূপ ৰাসক্রীড়া' বুলি কৈছে।

'দশমৰ' পদত :

'ইটো কামজয় নাম কৃষ্ণকেলি অনুপাম
আৰু শুনৈ ভণৈ যিটোজনে।
হেলায়ে জিনিবে কাম দুখ হুইব উপশাম
তাক পীড়া এৰিব মদনে'॥

আৰো : গোপী গোপালৰ কাম কেলি ইটো
শুনে ভণৈ যিটো জনে।
কামকো জিনিবে অল্পতে বাঢ়িবে
ভকতি কৃষ্ণ চৰণে॥

"কীর্ত্তন'ত : ইটো ৰাস-ক্রীড়া কেলি নামে কামজয়।
কৰিলা ভৃত্যৰ পদে কৃষ্ণ কৃপাময়॥
আৰু শুনৈ ভণৈ যিটোজনে অবিশ্রাম।
বাঢ়িবে ভকতি অতি জিনিবেক কাম॥

শ্ৰীমন্ত শঙ্কৰদেৱে মূল শ্লোকৰ এনে ভাঙনি কৰি গৈছে। 'কীৰ্তন'ৰ আন এঠাইত কৈছে ঃ

শৃঙ্গাৰ-ৰসে যাৰ আছে ৰতি
আকে শুনি হোক নিৰ্মল মতি ॥

ইয়াৰ দ্বাৰা অলঙ্কাৰ শাস্ত্ৰৰ ৰসোত্তীৰ্ণ অৱস্থাৰ কথাই বুজাইছে। কাব্যৰ ৰসে মনক নিৰ্মল কৰি [পাঠক-শ্ৰোতা দৰ্শকৰ] মনলৈ বিমলানন্দ—ব্ৰহ্মস্বাদ সহোদৰ আনি দিয়ে।

আনহাতে সাৱধান বাণীও শুনাইছেঃ ঈশ্বৰসকলে কৰা কামক সাধাৰণ লোকে মনেৰেও ভাবিব নাপায়—মনেয়ো তাক নকৰি। অৰ্থাৎ পৰদাৰা-গমণ ৰূপী পাপ মনেৰেও নকৰিব। ৰুদ্ৰক দেখি আনে বিষ খাবলৈ গ'লে মৃত্যু নিশ্চয়।

অসমৰ সমাজ-মন আৰু সামাজিক ৰুচি কিমান উন্নত আৰু পুৰঠ হোৱাৰ অৱস্থাত কেলি-গোপাল নাটকৰ ভাওনা সম্ভৱ হৈছিল, কল্পনা কৰিব পাৰি।

১৫৬ মীনৰূপে=মৎস ৰূপে। সত যুগত সত্যব্ৰত ৰজাক প্ৰলয়জলত মৎস্যৰূপী ভগৱন্তই ৰক্ষা কৰিলে। কুৰুম=কুৰ্ম। কাছৰূপলৈ ভগৱন্তই মন্দৰ পৰ্বত ৰূপ মথনিক ক্ষীৰ সাগৰত বুৰ যাব নোৱাৰাকৈ পিঠিত তুলি ধৰিলে। সেই বাবেই মন্দৰ পৰ্বতৰ দ্বাৰা সাগৰ মন্থন কৰা কাৰ্য দেৱাসুৰৰ দ্বাৰা সম্ভৱ হ'ল। শূকৰ=বৰাহ। বিষ্ণুৰ (কৃষ্ণৰ) তৃতীয় অৱতাৰ যজ্ঞ বৰাহ। এই অৱতাৰত হিৰণ্যাক্ষক বধ কৰি ৰসাতলৰ পৰা উদ্ধাৰ কৰে। হিৰণ্যাক্ষ দৈত্যৰাজ হিৰণ্যকশিপুৰ ভায়েক। আগৰ জন্মত বিষ্ণুৰ দুৱৰী বিজয়। নৰসিংহ/হিৰণ্যকশিপু=মুখৰফালে সিংহ আৰু ভৰিৰফালে মানুহৰ আকৃতি লৈ ভগৱানে হিৰণ্যকশিপুক নখেৰে বুকু ফালি মাৰিবৰ কাৰণে এক বিশেষ অৱতাৰ গ্ৰহণ কৰিলে। ব্ৰহ্মাৰ বৰত ব্ৰহ্মাৰ সৃষ্ট প্ৰাণীৰ দ্বাৰা আৰু অস্ত্ৰ-শস্ত্ৰৰ দ্বাৰা অবধ্য হোৱাৰ কাৰণে এই ৰূপ গ্ৰহণ আৰু নখৰদ্বাৰা মৃত্যু ঘটোৱাৰ ব্যৱস্থা। আগৰ জন্মত হিৰণ্যকশিপু বিষ্ণুৰ দুৱৰী হয়। ব্ৰহ্মাৰ মানস-পুত্ৰ চাৰিজন সিদ্ধৰ শাপত অসুৰ জন্ম লয়। (বামন, বলি)=ভগৱানৰ পঞ্চম অৱতাৰত বাওনাহৈ দেৱমাতা অদিতিৰ গৰ্ভত জন্মলৈ দৈত্যৰাজ বলিৰ পৰা তিনি পদ মাটি দান লৈ বলিক বন্ধন কৰি সুতললৈ পঠিয়াই আৰু দেৱতাৰ স্বৰ্গৰাজ্য নিৰাপদ কৰে। পৰশুৰাম=জমদগ্নি আৰু ৰেণুকাৰ পুত্ৰ পৰশুৰামে পিতৃ হত্যাৰ প্ৰতিশোধ লবলৈ গৈ সমস্ত ক্ষত্ৰিয় হত্যা কৰে।

[ৰামচন্দ্ৰৰ হাতত পৰাস্ত হয় ।]* দাশৰথী ৰাম=দশৰথৰ পুত্ৰ ৰামচন্দ্ৰ। সাগৰত সেতু বান্ধি বানৰ ভালুক সৈন্যৰ সহায়ত লঙ্কা ধ্বংস কৰি দহ-মুৰীয়া ৰাৱণক মাৰি সীতাক উদ্ধাৰ কৰে। হলধৰ ৰাম=বলোৰাম। শ্ৰীকৃষ্ণৰ জ্যেষ্ঠ ভ্ৰাতৃ আৰু কৃষ্ণৰ অৱতাৰ। প্ৰথমে দৈৱকীৰ গৰ্ভত স্থিত লয়। পিছত বিষ্ণুৰ আদেশত বিষ্ণুৰ বিশেষ শক্তি যোগমায়াই দৈৱকীৰ গৰ্ভৰ পৰা নন্দৰ ভনী ৰোহিনীৰ গৰ্ভলৈ আকৰ্ষণ কৰি নিয়ে আৰু নন্দৰ পত্নী যশোদাৰ গৰ্ভত নিজে স্থান লয়। বিষ্ণুৱে কৃষ্ণৰূপত বন্দীশালত দৈৱকীৰ গৰ্ভত জন্ম লয়। শ্ৰীকৃষ্ণৰ কথামতেই পিতৃ বসুদেৱে ৰাতিৰ ভিতৰতে কৃষ্ণক থৈ যশোদাৰ গৰ্ভত জন্ম লোৱা যোগমায়াক আনি দৈৱকীৰ কন্যা বুলি কংসক দেখুৱায়। ধেনুক=ধেনুকাসুৰ। তালবন ৰক্ষাকাৰী গৰ্দভ ৰূপী ধেনুকাসুৰক বলোভদ্ৰই তালফল পাৰি গোপবালকসকলক খুৱাবলৈ যাওঁতে বধ কৰে। দ্বিবিদ= দ্বিবিদ নামৰ বাণৰটোকো বলভদ্ৰই ৰেৱতক পৰ্বতত যুদ্ধ কৰি বধ কৰে। দ্বিবিদ নৰক অসুৰৰ সখা আৰু মহা শক্তিশালী। বোধ মুৰতি=বুদ্ধদেৱ, ভগৱানৰ নৱম অৱতাৰ। পাষণ্ড ৰীত=পাষণ্ড পন্থ, ৱেদ বিৰোধী পন্থ। কল্‌কি=কৃষ্ণৰ দশম অৱতাৰ, কলিৰ শেষত হ'ব। কৃষ্ণৰূপে পৰম ঈশ্বৰ=স্বয়ং ভগৱানৰ পূৰ্ণ অৱতাৰ কৃষ্ণ। বাকী সকলোবিলাক তেওঁৰ অংশ অৱতাৰ। অঘ বক, কংস, কুবলয়ঃ এই অসুৰ বিলাকৰ বাহিৰেও কৃষ্ণই তৃণাবৰ্ত, বৎস, অৰিষ্ট, কেশী, শঙ্কচূড়, চাণুৰ, কুবলয়পীড় হস্তী আদি অসংখ্য শত্ৰু বধ কৰে। মুনিবৰ পামৰ=পবিত্ৰ ঋষি-মুনি আৰু পাপী। এক গতি পায়=একে মুক্তি পায়।

ভটিমা :- সংস্কৃত শ্লোক, গীত, কথা, সূত্ৰধাৰ, নৃত্য আৰু ভটিমা—অঙ্কীয়া নাটৰ এই ছটা প্ৰধান অঙ্গ। ভটিমাৰ অৰ্থ হ'ল স্তুতি, প্ৰশস্তি। অঙ্কীয়া নাটৰ নায়কৰ [ শ্ৰীকৃষ্ণ বা শ্ৰীৰামৰ ] বন্দনামূলক প্ৰথম ভটিমাক দেৱ-ভটিমা, আৰু শেষৰ ভটিমাক মুক্তিমঙ্গল ভটিমা বোলা হয়। ইয়াৰ উপৰি ভাটৰ মুখত নায়ক-নায়িকাৰ ৰূপ-গুণৰ বৰ্ণনা থকা দুটি ভটিমাক [ ৰুক্মিণী হৰণ নাট ] ভাটৰ ভটিমা বোলা হয়। নৰ নাৰায়ণৰ গুণ বৰ্ণনা কৰা ভটিমাও শঙ্কৰদেৱে ৰচনা কৰে। ইয়াক ৰাজ-ভটিমা বোলে। মাধৱদেৱে গুৰুৰ প্ৰশস্তি কীৰ্তন কৰা বিখ্যাত ভটিমাটোৰ নাম [ জয় গুৰু শঙ্কৰ সৰ্ব গুণাকৰ ] গুৰু-ভটিমা।

* পৰশুৰামৰ বিষয়ে ৰামবিজয় নাটৰ পৰিশিষ্ট চাওক।

# ৰামবিজয় নাট

১ যন্নামাখিল=যৎনাম অখিল=যাৰ নাম অখিলৰ। লোক শোক শমনং= লোকৰ শোকৰ যম। যন্নাম প্ৰেমাস্পদম্=যাৰ নাম প্ৰেমাস্পদ। পাপাপাৰ= পয়োধি=পাপৰ অপাৰ সাগৰত। তাৰণ=ত্ৰাণৰ, বিধৌ=বিধান কৰোঁতা। যন্নাম পীনপ্লৱ=যাৰ নাম কঠিন (শক্তিশালী) ভুৰ বানাও। শ্ৰৱণাৎ=শুনিলে। পুনাতি শ্বপচঃ=চণ্ডালকো পৱিত্ৰ কৰে। শ্বপচঃ=চণ্ডাল। মহেশ বৰদং= মহেশক বৰদান কৰা। বন্দে সদা সাদৰম্=সদায় সাদৰেৰে বন্দনা কৰোঁ। যেনাভাজি=যাৰদ্বাৰা ভঙ্গ কৰা হ'ল। সহসা=হঠাৎ। সমাশ্বাসিতা=আশ্বাসিত (কৰা হ'ল)। যেনাকাৰি পৰাভৱো=যাৰদ্বাৰা পৰাভৱ কৰা হ'ল। বৈদেহ্যা বিধিৱদ্বিৱাহমকৰোৎ- বৈদেহীক বিধিমতে বিবাহ কৰা হ'ল। নিৰ্জিত্য যঃ পাৰ্থিৱান=পৃথিৱীপতি (ৰজা) সকলক যি জয় কৰি। যুষ্মাকং=তোমালোকৰ। বিতনতুশং=বিতনতু= বিতৰণ কাৰক, শং=সুখ। ভগৱান্ শ্ৰীৰামচন্দ্ৰশ্চিৰম্= ভগৱান শ্ৰীৰামচন্দ্ৰই সদায়ে [ চিৰম্=সদায় ]। ভৃগুপতে ৰামস্য=ভৃগুপতি ৰামৰ। ৰামসঃ চ=তেওঁৱেঁই ৰাম।

২ নান্দীগীত—আৰম্ভৰ সংস্কৃত শ্লোক দুটা নান্দী শ্লোক বুলি কোৱা হয় যদিও প্ৰথম শ্লোক মঙ্গলাচৰণ শ্লোকহে। দ্বিতীয় শ্লোকটোক নান্দী আখ্যা দিব পাৰি। সংস্কৃত নাটকৰ অভিনয়ৰ আগতে 'পূৰ্বৰঙ্গ' অনুষ্ঠানৰ ব্যৱস্থা আছে। পূৰ্বৰঙ্গৰ বত্ৰিছটা অঙ্গৰ ভিতৰত নান্দী শেষ অঙ্গ। অঙ্কীয়া নাটত সংস্কৃত নাট্যানুষ্ঠানৰ নিয়ম মানি পূৰ্বৰঙ্গ বা ধেমালি অনুষ্ঠান হয়। এই ধেমালি অনুষ্ঠানৰ ভাগ হ'লঃ নাট ধেমালি, সৰু ধেমালি, বৰ ধেমালি, দেৱ ধেমালি, মৃদং ধেমালি, ঘোষা ধেমালি অনুষ্ঠান। [কোনো ঠাইত—জোৰাই, যোৰণি চাহিনি, গুৰুঘাট, সৰু ধেমালি, বৰধেমালি, ঘোষা ধেমালি বোলা হয়] নান্দীক ভাওনাত ধেমালিৰ অঙ্গ বুলি ধৰা নহয়; ভাওনাৰ মূল অভিনয় অংশৰ অঙ্গ বুলি ধৰা হয়। ধেমালিৰ পিছত সূত্ৰধাৰৰ প্ৰৱেশ আৰু নৃত্য। তাৰ পিছত সূত্ৰধাৰে নান্দী শ্লোক গায়। সংস্কৃত নাটকত এসময়ত নান্দীকাৰজন সুকীয়া লোক আছিল।

'নন্দ' ধাতুৰ অৰ্থ আনন্দ কৰা। নান্দীৰ অৰ্থ মঙ্গলবাচক শব্দযুক্ত স্তুতি। চন্দ্ৰ বুজোৱা শব্দ, পদ্ম, কুমুদ, চকোৰ আদি মঙ্গলবাচক শব্দ নান্দীত থাকে। দ্বিতীয় শ্লোকত নাটকৰ বিষয়-বস্তুৰ উল্লেখ থাকে । শ্ৰীশঙ্কৰদেৱৰ 'পত্নীপ্ৰসাদত' নান্দী শ্লোক নাই। নান্দীৰ দ্বিতীয় শ্লোকৰ নাটকীয় বিষয়-বস্তুৰ আভাস দি নান্দী গীত ৰচনা কৰা হয়। সকলো নাটতে নান্দী গীত নাই। নান্দী শ্লোকৰ পিছতে 'ভটিমা' আৰম্ভ হয় । পৰমপদ=মুক্তি । ভয় তাপ অপাৰা=সংসাৰ সন্তাপ পাৰহীন। যাহে স্মৰণে যাৰ নাম স্মৰণ কৰিলেই। [শ্ৰৱণ-কীৰ্তনাদি ন বিধ ভক্তিৰ ভিতৰত স্মৰণ অন্যতম। ] কৰু পাৰা=পাৰ কৰে। [যাৰ নাম স্মৰণে অপাৰ ভয় তাপৰ পাৰ পোৱায়।] অজগৱ=শিৱৰ ধনুখনৰ নাম। ভঞ্জনকাৰী-ভঙ্গ কৰোঁতা। জনক কুমাৰী= জনককন্যা (সীতা)।

৩ নান্দ্যন্তে সূত্ৰধাৰঃ সংস্কৃত নাটকৰ আহিত এইদৰে লিখা থাকিলেও সূত্ৰধাৰেই নান্দী গায়। পণ্ডিতে ইয়াৰ অৰ্থ হয়, নান্দী গোৱাৰ পিছত সূত্ৰধাৰে এই শ্লোক গাইছে। প্ৰথমং...সম্বোধ্যাঃ=প্ৰথমে মাধৱ মাধৱ নাম লৈ শ্ৰীৰামচন্দ্ৰক প্ৰণাম কৰি সভাসদক সম্বোধি কয়।

৪ ভো...সামাজিকা হে সমজুৱাসকল। শৃণুধ্বং=শুনক। যূয়ং=আপোনালোকে। বুধাঃ=জ্ঞানী, সজ্জন (সমজুৱাৰ বিশেষণ ৰূপত)।

৫ ৰঘুকুল=ৰঘুবংশৰ। কমল প্ৰকাশক--পদ্মক প্ৰকাশ কৰা (সূৰ্য)। জয় জয়— [সংসাৰৰ দুখ বিজয়কাৰী যি জন তেওঁৰ জয় হওঁক—এই অৰ্থত দুবাৰ 'জয়' শব্দৰ ব্যৱহাৰ।] নিজজন=ভকত সকল। যাতন ঘাতন =যাতনা ঘাতক। পাতন=উৎপাতন কৰোঁতা, উভাৰি পেলাওঁতা। পাতক ৰীতি=পাপৰ ধাৰা। শৰাসন=ধনু। নাশন=নাশ (ভঙ্গ) কৰোঁতা। ছেদল=কাটিলে ; ভেদল= ভেদিলে, খেদল দাপে=প্ৰতাপেৰে খেদিলে। তাপে=তাপত। ভৃগুবৰ ৰামক= ভৃগুপতি ৰামক, পৰশুৰামক। ৰামক কামক=(ৰঘুপতি) ৰামক কামনা (যুদ্ধলৈ) কৰা [ৰামক আহ্বান জনোৱা পৰশুৰামক।] ভৱ ভয়=সংসাৰৰ ভয় [জন্ম-মৃত্যুৰ ভয়] জীৱন জানকী কান্ত=জানকীৰ জীৱন স্বৰূপ স্বামী। বালি ঘালি'' সুগ্ৰীৱ=বালিক বধ কৰি সুগ্ৰীৱক ৰক্ষা কৰিলে। [বালি-সুগ্ৰীৱ ককাই-ভাই। সুগ্ৰীৱক খেদাই বালিয়ে সিংহাসন লোৱাত বনবাসী সীতাহাৰা ৰামক প্ৰাৰ্থনা কৰাত ছল কৰি আঁৰৰ পৰা বাণ মাৰি ৰামে বালিক বধ কৰে আৰু সুগ্ৰীৱক কিষ্কিন্ধ্যাৰ ৰাজপাট দিয়ে। পিছত সুগ্ৰীৱৰ সহায়ত সীতাক উদ্ধাৰ

কৰে ।] কোপ কটাক্ষ=খঙৰ বেঁকা চাৱনি । নিৰেখি—দেখি । জলধিক জীৱ= সাগৰৰ প্ৰাণীসমূহ । সমৰক নাগৰ=সমৰত চতুৰ (শ্ৰেষ্ঠ) । নাগৰ সাগৰ=সাগৰৰ স্বামী [সাগৰক বন্ধন কৰোঁতা ।] শিলা সেতু কয় বন্ধ শিলৰ সেতুৰে বন্ধন কৰোঁতা । ভকতক ভীতা সীতা নীতা=ভীতা ভক্তা সীতাক নিওঁতা (হৰণ কৰোঁতা) । দশস্বন্ধ= দহ মূৰ (যাৰ)=ৰাৱণ (ক) । সাফলল বাণী…পাট=বাণী সফল হ'ল - - - [প্ৰতিজ্ঞা পালন হ'ল জানি সীতাক উদ্ধাৰ কৰি গ্ৰহণ কৰি বিভীষণক লঙ্কাৰ সিংহাসনত থাপনা কৰি… ।] যতয়া আতঙ্কা=ষিমানবিলাক আতঙ্ক । যতয়া - - - উৎপাট—(লঙ্কাৰ ষিমানবিলাক আতঙ্ক আৰু শঙ্কাৰ কাৰণ আছিল সেইবিলাকক পুনৰ উভালি পেলালে ।) জগতক অন্তক অন্তক =জগতৰ অন্তকৰো (যমৰো) অন্তক (যম) । সন্তক পূৰল পৰম কাম=সন্তসকলৰ পৰম কামনা পূৰ্ণ কৰিলে । ভূমিক - - - ৰাম=ভূমিৰ ভাৰ উদ্ধাৰ কৰি দেৱতা আৰু মানুহক ৰক্ষা ৰামে ('দেৱতা মানুহ সকলোৰে ৰক্ষা'—এই ভাবৰ ব্যঞ্জনা ।) ত্ৰাণ কৰিলে (তাৰল) । ত্ৰিভুৱন - - - মাৰণ=ত্ৰিভুৱণৰ কাৰণ স্বৰূপ, ত্ৰাণকৰ্তা স্বৰূপ আৰু লয়কৰ্তা স্বৰূপ । [সৃষ্টি, পালন আৰু ধ্বংসৰ কাৰণ] দেৱকুদেৱা =দেৱতাৰো দেৱতা । মহেশ্বৰ=শ্ৰেষ্ঠ ঈশ্বৰ । অসাৰত সাৰত কাৰত ভাৰত নৰতনু —(জীৱনৰ কোনো সাৰ বা স্থায়ী মূল্য নাই, অৰ্থাৎ জীৱন অসাৰ তথাপি ভাৰতত নৰজন্ম লাভ কৰা কাৰ্যৰ সাৰ বা স্থায়ী মূল্য আছে । বিফলেহি যায়—সেই ফলদায়ক নৰজন্মও বিফলে যায় - - - । অনিন্দ্য—যি পঙ্কজৰ সৌন্দৰ্যক কোনো সৌন্দৰ্যই ম্লান কৰিব নোৱাৰে—অতুলনীয় ।] হৃদি পঙ্কজে=হৃদয়ৰ পঙ্কজত । [গোৱিন্দৰ অনিন্দ্য পদ-পঙ্কজক নিজৰ হৃদি পঙ্কজত ধাৰণ কৰা—(হে ভাই) । বিজুৰি=বিজুলি । উজুৰি=উজুলি । সাধক সিদ্ধি কৰু হৰিনাম=হৰিনামে সিদ্ধি সাধন কৰে । পাঠান্তৰ/ঋদ্ধি=সমৃদ্ধি, সৌভাগ্য ।

৬ ৰে জগতক---নাৰায়ণ =শ্ৰীৰাম স্বয়ং নাৰায়ণ, অৰ্থাৎ ৰাম-কৃষ্ণ-নাৰায়ণ অভেদ । সীতা-বিবাহ-বিহাৰ নৃত্য—(একাধিক নাটত নৃত্য শব্দৰ ওপৰত সূত্ৰধাৰে প্ৰাধান্য দিছে । তাল-লয়ৰ লগত মিলাই অঙ্গ-সঞ্চালন, মুদ্ৰাৰ ব্যৱহাৰ নৃত্যত কৰা হয় । আঙ্গিক অভিনয়ৰ প্ৰভাৱ নৃত্যত বেছি । কোনো কোনো সমালোচকে আঙ্গিক অভিনয়ৰ প্ৰাধান্যৰ পৰাই অঙ্কীয়া>অঙ্কীয়া শব্দৰ উৎপত্তি বুলিও এসময়ত 'অঙ্কীয়া' শব্দৰ উৎপত্তিৰ বিচাৰ কৰাৰ চেষ্টা কৰিছিল । প্ৰকৃততে আঙ্গিকৰ পৰা 'অঙ্কীয়া' শব্দ হোৱা নাই । বাচিক, আহাৰ্য অভিনয়ৰ স্থানো অঙ্কীয়া নাটত যথেষ্ট । তথাপি নৃত্যৰ ওপৰত যথেষ্ট গুৰুত্ব পৰিছে ।)

৭ ৰূপেন অপ্ৰতিমঃ ভুবি=পৃথিৱীত যাৰ প্ৰতিমা (উপমা নাই)।

৮ ‘ইতি সূত্ৰ নিষ্ক্ৰান্ত’—এই বিষয়ে পাতনিত আলোচনা কৰা হৈছে।

৯ পৰবেশ=‘প্ৰৱেশ’ৰ কাব্যৰূপ। পৰমেশ=পৰম+ঈশ=পৰমেশ্বৰ। শ্যাম ৰুচিৰ =শ্যামবৰণৰ সুন্দৰ (দেহ)। চিৰ পীত=কাপোৰ বা বস্ত্ৰ পীতবৰণৰ (হালধীয়া)। বয়ন=মুখ। মণিময় মুকুট=মণি ৰত্নাদি খচিত মুকুট বা শিৰস্ত্ৰাণ। কুণ্ডল গণ্ড দোলে=কুণ্ডল (কাণত পিন্ধা অলঙ্কাৰ) গালত দোলে। মনমথ=কামদেৱৰ এটা নাম - মন্মথ। মৌতি=মুক্তা। হেমহাৰা=সোণৰ হাৰ। উজোৰ=উজ্জ্বল।

১১ চকাৰ=কৰিছিল। ৰুচি ৰাশনা—শুৱনি মুখৰ।

১৩ মদন মন ক্লেশ মদনৰ মনতো দুখ (মদনৰ ৰূপো ম্লান কৰাত)। ওতিম= উত্তম। চান্দক ৰুচি চোৰ - চন্দ্ৰৰ সৌন্দৰ্যও চেৰ পেলায়। অলক - কাণৰ কাষেদি গালৰ ফালে ওলমি থকা চুলি। কাই=দেহ। লাই=লাগি, লগাই।

১৪ জাতিস্মৰ=পূৰ্বজন্মৰ কথা যাৰ মনত থাকে। [বাল্মিকী ৰামায়ণত সীতা জাতিস্মৰ কন্যা নহয়।]

১৬ বিনিঃশ্বস্য—নিশ্বাস ত্যাগ কৰি (হুমুনিয়াহ পাৰি)। বৰ্ণয়ামাস=বৰ্ণনা কৰিলে। সুদন্তী=আঘাত কৰি। বৰ দুখ কৰি।

১৭ কতি বেৰি=কিছু বেলি।

২০ বিলপতি=বিলাপ কৰিলে। মৈথিলী=মিথিলাৰ কন্যা। চেতনু=চেতন। চিৰ বিৰহে=চিৰন্তন বিৰহত (জন্মান্তৰৰ বিৰহত)। ৰময়া=ৰাম। ঝামক= ঝামৰি পৰে। পৰু=পৰে।

২২ ভকতক বান্ধৱ মাধৱ=ৰামচন্দ্ৰ নাৰায়ণৰ অৱতাৰ কাৰণে ‘মাধৱ’ অৰ্থত ৰামক বুজায়।

২৪ ধনুষ্পাণি=হাতত ধনু লৈ। কৃষ্ণদাস—যদিও কৃষ্ণাৱতাৰ ৰামাৱতাৰৰ আগৰ, কৃষ্ণই সকলো অৱতাৰৰ কাৰণ স্বৰূপ নাৰায়ণ আৰু ৰাম-কৃষ্ণ অভেদ কাৰণে দশৰথক ‘কৃষ্ণদাস’ বুলিছে।

২৫ ৰাহে=ৰাক। নেহাৰে=চাই, দেখি। ৰিপুগণ=শত্ৰুসকল।

২৭ সাকমাগত্য=সাকম=সৈতে, লগত। আগত্য=আহি। মন্ত্ৰমুদীৰয়ন্ ভাণ্ডৰকৈ মন্ত্ৰ পাঠ কৰি [মন্ত্ৰম্ উদীৰয়ন্।]

২৮ কৌশিক - বিশ্বামিত্ৰ। কুশৰ পুত্ৰ কুশনাভ, তেওঁৰ পুত্ৰ গাধি, গাধিৰ পুত্ৰ বিশ্বামিত্ৰ। [কুশিক বংশজ, সেই অৰ্থত কৌশিক।] চণ্ড=উগ্ৰ, খঙাল। লাৱয় ৰাহু=ৰাহু লৰায়। শোহে=শোভে। সুললিত=সুন্দৰ, হেৰত=চাই

৩৬ তন্নিশম্যাভয়ন্তীতো=তৎনিশম্য অৱভৎ ভীতো=সেই কথা শুনি ভীত হৈ। বিধৃত্য=ধৰি ।

৪১ দশন চৰ্প্য়=দাঁত কামোৰে ।

৪২ নেহৰি= নিবা। আহে=ইয়েহে, এই কথাত । নাহেৰি=নেদেখি।

৪৬ লক্ষ্মণ ৰাম পথহি সব জ্ঞান=লক্ষণ আৰু ৰামে বাটত গৈ থাকোঁতেই সকলো শিকিলে। [ধনুৰ্বেদ আৰু স্বৰ্গীয় অস্ত্ৰ-শস্ত্ৰৰ জ্ঞান।] দিব্যবাণ=কৃশাশ্বৰ ঔৰসত দক্ষকন্যা জয়া আৰু সুপ্ৰভাৰ গৰ্ভত এই দিব্যবাণ সমূহৰ জন্ম । মহাদেৱে বিশ্বামিত্ৰৰ ৰাজত্বকালত এই দিব্য অস্ত্ৰসমূহ বিশ্বামিত্ৰক দিছিল। এই আচৰিত অস্ত্ৰসমূহৰ বিষয়ে স্বৰ্গ-মৰ্ত্য-পাতালৰ কাৰো জ্ঞান নাছিল।

৪৮ ৰঘুকুল কমলালি ৰঘুকুল কমলৰ ভোমোৰা। সূৰ্য্যবৰ্য্য=মহান সূৰ্য অৰ্থত 'বৰ্য্য' দিয়া হৈছে। সুহৃদ সুত কলত্ৰে=সুহৃদ, পুত্ৰ, ভাৰ্যাৰে। [ৰামৰ বিয়াহ হোৱাই নাছিল যদিও আহিব ধৰা বিয়াহ আৰু ভৱিষ্যতৰ ইঙ্গিত দিছে।] দুৰিতম্=অশুভম্ -বেয়াখিনি । এষাং=এওঁলোকৰ [ৰামচন্দ্ৰ আৰু ৰঘুবংশৰ]। হৰমি=হৰণ কৰিছোঁ।

৫২ বিমৰিষ কয়=বিবেচনা কৰি।

৫৩ 'সোহি সীতা পূৰ্ব জনমত বহুত তপ আচৰি, তোহাক স্বামী পাৱল'— সীতাই নিজে কোৱা মতে ৰামক আগৰ জন্মত স্বামী পোৱা নাছিল, পিছৰ জন্মত ৰামক স্বামী পাব বুলি আকাশী বাণী শুনি অগ্নিত জাহ দি প্ৰাণ ত্যাগ কৰিছিল। ঋষিয়ে 'পাৱল' অৰ্থত পূৰ্বজন্মত পোৱা বুলি কোৱা নাই; এই জন্মত পাব বুলি বৰ লাভ কৰাহে বুজাইছে। ৰামচন্দ্ৰৰ অৱতাৰ এই জন্মতহে হৈছে।

৫৪ কনক পুতলি=সোণৰ পুতলা। তুল=তুলনীয়, যেন। লোলে=ওলমে । ভ্ৰূৱভঙ্গ=চেলাউৰিৰ ভাঁজ । উচ্ছক=(সং উচ্ছৃও)=খৰখেদা, ভভাতৈয়া । মৃণাল=পদুমৰ ঠাৰি । মজত=সোমাল । জলপঙ্ক=পানীৰ বোকাত । হেৰিয়ে ভুজ মৃণ.........পঙ্ক=বাহু দুটা দেখি সুন্দৰ মৃণালৰ পানীৰ তলৰ বোকাত সোমাবলৈ খৰখেদা লাগিল। (নিন্দোপোমা)। (অৰ্থাৎ মৃণালেও লাজ পালে।) শলাকা=শলা। দাড়িম্ব নিবিড় বীজ=দালিমৰ সুকণ্ঠা বা ফাঁক নথকা গুটি (দালিমৰ গুটিৰ দৰে ফাঁক নথকা দাঁত দুপাৰি।) কমলিনী মাই=পদ্মিনী মাই (পদ্মিনী, চিত্ৰিণী, শংখিনী, হস্তিনী—এই চাৰি শ্ৰেণীৰ নাৰীৰ মাজত শ্ৰেষ্ঠা, পদ্মিনী নাৰী।] বদৰী প্ৰমাণ=বগৰীৰ

নিচিনা [ নৱ যৌৱনা ] ডম্বৰুক ঠান=ডম্বৰুৰ নিচিনা ( মাজ অংশ চিঁৱা= কঁকাল সৰু। ) চম্পক পাকৰি=চম্পাকলি। নিৰমিল=নিৰ্মাণ কৰিলে। ঠাম=স্থান। ভেলি=ভোলগৈ।

৫৫ নিঃশ্বস্য=নিশ্বাস কাঢ়ি। জগাম=গ'ল। মিথিলাম্প্ৰতি=মিথিলালৈ। আভাষ্য=সম্ভাষণ কৰি।

৫৯ ৰাজীৱ লোচন=পদ্মলোচন। নিকলিক- নিষ্কলঙ্ক=নিকা। মুৰাৰি=ৰাম কৃষ্ণ অভেদ কাৰণে মহাপুৰুষে ৰামক মুৰাৰি আখ্যা দিছে। ভাৱ ভিন্ন ৰীত=ভাৱধাৰা বেলেগ ধৰণৰ। মদন ঝামৰ=মদনৰ দ্বাৰা জামৰি গৈছে, ম্লান হৈছে। পহলি=প্ৰথম। কাম......পৰবেশ=কাম ভাৱৰ প্ৰথম প্ৰৱেশ। হৰতু =হৰণ কৰক। কেশৱ=ব্ৰহ্মা, বিষ্ণু, শিৱ তিনিওকে সামৰি থকা নাৰায়ণ= কৃষ্ণ, ৰাম ৰ —সেই ৰামে সকলোৰে ক্লেশ ( সংসাৰ যাতনা ) হৰণ কৰক।

৬৩ গজ বাজি মহৈশ্বৰ্য্য - গজ বাজি মহা ঐশ্বৰ্য। বাজি=ঘোঁৰা। ভাৰ্য্যাত্মজযুতঃ সদা ভাৰ্যা+আত্মজ যুতঃ সদা- ভাৰ্যা-পুত্ৰেৰে সৈতে সদায় যুক্ত হৈ।

৬৮ দুহিতুস্তৱ=তোমাৰ দুহিতাৰ। দিদৃক্ষয়া=চাবৰ ইচ্ছাৰে। তাৱাগতৌ= তৌ+আগতৌ ( দুজন আহিছে।)

৭২ পঞ্চ শবদে=পাঁচ প্ৰকাৰ বাদ্য-যন্ত্ৰৰ দ্বাৰা শব্দ কৰি। [ ঢাক, ঢোল, মৃদঙ্গ, গোমুখ, তাল ] সম্বাদ নাদ= সংবাদ ধ্বনি, জাননী দিয়া শব্দ। ৰামা=সুন্দৰী ( সীতা )। সম্প্ৰেৰয়ামাস=পঠিয়ালে।

৭৭ তস্যাঃ=তেওঁৰ (সীতাৰ)। কথামথাকৰ্ণ্য=কথাম+অথ+আকৰ্ণ্য=শুনাৰ পিছতেই [ আগ্ৰহ বা কৌতুক বেছি বুজাইছে ] যযৌ=গ'ল। নত্বাতি সম্ভ্ৰমম্=নত্বা+অতি+সম্ভ্ৰমম্=সেৱা জনাই অতি সম্ভ্ৰমে।

৮৪ ছত্ৰক বেশ=ছাতিৰ দৰে আকৃতি। [ ছত্ৰাকৃতি মুৰ ৰাজ লক্ষণ ]। কটিবন্ধ=কঁকালত মৰা বান্ধণী। সিংহ বন্ধ=সিংহৰ দৰে আটিল। কমল কোৰ=পদুমৰ কোঁহ। পদতল=ভৰিৰ তলুৱা।

৮৬ সুমহাহৰ্ষ ধৰ্ষিতা=অতি বেছি আনন্দত আকুলিতা। পতিতা=পৰি গ'ল।

৮৮ মানস অমিয়া ঝুৰাই=মানসত ( যেন ) অমৃত নিগৰে। আনন্দ—সিন্ধু= আনন্দ সাগৰ (ত)। মগন=বুৰ যোৱা।

৯৩ নৃপান্=ৰজাসকলক। বৃহতীং=মহৎ, বিৰাট। সভাম=সভা। উৎসৱ শোভিতাম্ =উৎসৱ শোভিত। কাৰয়ামাস=কৰিলে। নৃপাজ্ঞয়া=নৃপতিৰ ( জনকৰ ) আদেশেৰে।

৯৫ শৰচাপে= শৰ ধনুৰে। বাহু কাণ্ডে বাহুত কাঁড় ( শৰৰ তূণ বাহুত ওলোমাই বা আঁৰি )। খাণ্ডা উড়ি হাতে =হাতত তৰোৱাল লৈ ) উড়ি=ওপৰলৈ দাঙি, উৰাই ।

৯৭ সখিভিঃ=সখিসকলৰ। সাকম্ - সৈতে। সাকমভেদ্যং=শুদ্ধ পাঠ সাকম-ভেদ্যং=সাকম্ অভেদ্যং [ অভেদ্যং ধনুৰ বিশেষণ ] স্কন্ধে নিধায়=কান্ধত লৈ [ 'স্ব স্কন্ধে'ৰৰ ঠাই 'স্কন্ধে' ৰাখিলেহে ছন্দ পতন নহ্য। A.T. Biswas ৰ শুদ্ধ পাঠ ]

১০৭ জগাদ= ক'লে । পশ্যতৈতৎ=পশ্যতৈনং=পশ্যতি+এতৎ=এই ( ধনুখন ) চোৱাঁ। ইদং এই খনত। সজ্যং=গুণ, জ্যা। কৰোতি=কৰিব, লগাব।

১১১ ৰামম্=ৰামক। আহ=কলে। মুনিঃ=মুনিয়ে। বৎস=বাছা। কিম্নিৰিক্ষেহ-তিষ্ঠসি=কিংনিৰিক্ষ্য ইহ তিষ্ঠাসি=ইয়াত কি চাই আছা। কৌশল্যানন্দ-নোত্তিষ্ঠ=কৌশল্যানন্দন উঠা। কাৰ্ম্মুকম্ - ধনু। কুৰু=কৰা, লগোৱাঁ।

১১৬ উপালম্ভ=অসন্মান ।

১১৮ ধৃতে চাপে শ্ৰীৰামেন=শ্ৰীৰামৰ দ্বাৰা ধনু ধৰোঁতে। শঙ্কিত মানসা=শঙ্কিত মনেৰে। অনন্তং =অনন্ত নাগক। কচ্ছপং =কাছক। যাচমানা=প্ৰাৰ্থনা কৰিলে। .

১২১ সন্নদ্ধে টানকৈ।

১২৪ শঙ্কিতাং সীতাং= সীতাক শঙ্কিতা। প্ৰসজ্য =জোৰ কৰি। সজ্যমকৰোৎ =গুণ টানিলে।

১২৫ পচাৰে=পচাৰতে।

১২৬ পৰিধাই=পৰিধান কৰি। আঞ্চোলে ঢোল=আঁচলেৰে বিচে ।

১৩০ অভৱম্ভীতা =ভীতা হ'ল। ভূপাল বীৰ=ভূপালক ( ৰজা ) বীৰ। বল্কলম = বলকনি। বেপথুমতী=কঁপি কঁপি। শোচন্তি=অনুশোচনা কৰি।

১৩৪ বিলপতি=বিলাপ কৰিলে। পিউক লাই=প্ৰিয়ক লাগি=প্ৰিয়তমৰ কাৰণে তাপে পৰি=সন্তপ্ত কৰি। পূৰব জনম=পূৰ্ব জনমৰ। বল্লভ=স্বামী।

১৩৫ সমাশ্বাস্য=আশ্বাসিত কৰি, আশ্বাস দি। মাভৈঃ=ভয় নাই। স্থিতেময়ি= মই থাকোঁতে।

১৪১ মুদা=আনন্দেৰে।

১৪২ কুশণ্ডি=হোমৰ স্থান কুশেৰে জোখা কাৰ্য।

১৪৩ উৰ্ব্ব্যাং=পৃথিবীত।

১৪৬ মুনির্মন্ত্রমুদীৰয়েৎ=মুনিয়ে মন্ত্র পাঠ কৰিলে।

১৪৮ শম্ভু=মহাদেৱ। স্বয়ম্ভূ=ব্রহ্মা।

১৫০ মুদ্রাভ্রাজদযোধ্যাম্প্রযযৌ—আনন্দেৰে পোহৰাই অযোধ্যালৈ গৈছিল। অভ্রাজৎ পোহৰাই।

১৫৩ ভার্গৱো=ভৃগুপুত্র- পৰশুৰাম। স্কন্ধে=কান্ধত। নিধায়=তুলি। ৰামমব্রবীৎ =ৰামক ক'লে।

১৫৫ বেগুসিক=মগনীয়া, ভিখাৰী। মেৰা—মোৰ। একবিংশতিবাৰ=একৈশবাৰ। পৰশুৰাম—ঋষি জমদগ্নিৰামৰ পুত্র। মাতৃ ৰেণুকা। ক্ষত্রিয়ই তেওঁৰ পিতাকক হত্যা কৰাৰ অপৰাধত হাতত কুঠাৰ লৈ একৈশবাৰ পৃথিৱী ভ্রমি সকলো ক্ষত্রিয় হত্যা কৰে। বিষ্ণুৰ প্রধান দহটা অৱতাৰৰ ভিতৰত এটা। ৰাম অৱতাৰত বিষ্ণুৱে পৰশুৰামৰ সেই শক্তি নিজৰ দেহলৈ ঘূৰাই আনে, তেওঁৰ স্বর্গপথ ছেদ কৰে। [পৰশুৰামৰ কাহিনী শেষৰ ফালে দিয়া হৈছে]

১৫৬ চটি—চটচটনি। চর্পটি—গর্ব বাক্য। থিক=থাকিল।

১৫৭ বসনং বধ্বা—বস্ত্র বান্ধি। পদেহ পতৎ—ভৰিত পৰিল।

১৬১ পৰিচ্ছেদ=শেষ।

১৬৩ বেপিতমানসা=কম্পিত মনে। পতিমালিঙ্গ্য=স্বামীক আঁকোৱালি। হাহতোস্মীতি=হাহতোস্মি হৃতি=‘হায় মই মৰিলো’ বুলি। বাদিনী=যি (তেনেকৈ) কৈছিল=সীতা।

১৬৭ পেখি পৰম পিউ জীৱ যৈচ যায়=পৰম প্রিয়ক চাই জীৱ যেন যায়—[ৰামচন্দ্রৰ মুখলৈ চাই,—তেওঁৰ কাৰণেই আজি পৰশুৰামৰ হাতত সেই ৰামচন্দ্র নিহত হ'ব,—এই চিন্তাত জীৱ যেন উৰি যায়]।

শ্লোক ॥ মার্জয়ন্মুখম্=মুখ মচিলে।

১৭৬ মৎশিষ্যং=মোৰ শিষ্যক। হন্তুমিচ্ছসি=হত্যা কৰিবলৈ ইচ্ছা কৰিছা।

১৭৮ চম্ৰড়ি=চোঁৱৰ=চুঁৱৰি পছুৰ নেজ। পৰিধান চর্ম=পিন্ধা চাল—(পছুৰ চাল)। কুলাঙ্গাৰ=কুলৰ এঙাৰ। [কুল দাহ কৰি বা কলঙ্ক]

১৭৯ সকোপতঃ=খঙেৰে। আজ্ঞাপয়=আজ্ঞা দিয়ক। বধে=বধিবলৈ। আততায়িনঃ =শত্রুক। [যি ঘৰত জুই দিয়ে, খাদ্যত বিহ দিয়ে, ভার্যা হৰণ কৰে, মাটি-সম্পত্তি নিয়ে, ধন হৰণ কৰে আৰু অস্ত্রলৈ বধ কৰিবলৈ আহে= আততায়ী।]

১৮৬ তম্প্রাহ=তেওঁক ক'লে। নয়াম্যদ্য=আজি নিওঁ।

১৮৮ ৰেণুকা—পৰশুৰামৰ মাতৃ। পানী আনিবলৈ গৈ কেলি কৰাত জমদগ্নিৰ সন্ধ্যা কৰাৰ সময় পাৰ হৈ যায়। সেই খণ্ডত পুত্ৰ পৰশুৰামক মাতৃক হত্যা কৰিবলৈ আদেশ দিয়াত পৰশুৰামে পিতৃবাক্য পালন কৰে। পিছত বৰ প্ৰাৰ্থনা মতে মাতৃক জীয়াই তোলে যদিও মাতৃহত্যা পাপৰপৰা উদ্ধাৰ পাবলৈ তীৰ্থ পৰ্যটন কৰিব লগা হয়। শদিয়াৰ পৰশুৰামকুণ্ড বুলি পিছত জনাজাত কুণ্ডত স্নান কৰাত হাতৰ কুঠাৰ খহি পৰে আৰু পাপমুক্ত হয় বুলি কিংবদন্তি আছে। [ পৰশুৰামৰ কাহিনী শেহৰফালে দিয়া হৈছে ]।

১৯০ শাৰঙ্গ—বিষ্ণুৰ ধনু 'শাৰ্ঙ্গ'। শিঙৰ পৰা সজা ধনু কাৰণে এই নাম। বিষ্ণুৰ চতুৰ্ভুজ মূৰ্তিত সাধাৰণতে শঙ্খ, চক্ৰ, গদা, পদ্ম ধাৰণ কৰাৰ মূৰ্তিয়ে জনাজাত যদিও বিষ্ণুৰ আন চতুৰ্ভুজ মূৰ্তিত ধনু, খড়গ, পাশ, অঙ্কুশ আদিও থাকে। [সাৰঙ্গ শব্দৰ আন অৰ্থ - পদুম, কুলি চৰাই, কামদেৱ, ভোমোৰা, পছু সাৰঙ্গপাণি=পদ্মপাণি।] [ মূল ৰামায়ণ মতে পৰশুৰামৰ হাতত হৰধনুৰ সমান শক্তিবিশিষ্ট বৈষ্ণৱ ধনু আছিল। পৰশুৰামে সেই ধনুত গুণ দিবলৈ আহ্বান কৰাত ৰামে তাত শৰযোজনা কৰি সেই শৰেৰে তেওঁৰ তপস্যাৰ দ্বাৰা আৰ্জিত দিব্যলোকসমূহ ধ্বংস কৰে। ]

২০৩ ৰেমে=ৰমন কৰিছিল। ভৃশং=বাৰুকৈ।

২০৫ কৰু ৰময়া ৰস কেলি—( 'ৰময়া' শব্দৰদ্বাৰা আনন্দ দিয়া বুজাইছে বুলি ধৰিব পাৰি। ৰম্ ধাতুৰ অৰ্থ আনন্দ দিয়া। বিশেষকৈ মিলনৰ আনন্দ বা সম্ভোগৰ আনন্দকে বুজোৱা হৈছে। ৰসকেলি=ৰসক্ৰিয়া -সম্ভোগ কাৰ্য।) কুচ চুচুক—কুচৰ অগ্ৰভাগ। যামিনী যাই=ৰাতি পাৰ হয়। ইন্দু মুহ শোহে=চন্দ্ৰমুখত শোভাকৰে ( সৌভাৰ )। পৰম ৰসিক গুৰু- পৰম ৰসিক গুৰু=পৰম ( ভক্তি ) ৰসিকসকলৰ ভিতৰত শ্ৰেষ্ঠ।

শ্ৰীশুক্লধ্বজ=মহাৰাজ নৰনাৰায়ণৰ ভায়েক চিলাৰায়, প্ৰধান সেনাপতি। নৰনাৰায়ণ পাটৰ ৰজা, চিলাৰায় 'ঠাট'ৰ (সৈন্যৰ) ৰজা। দুয়ো ৰাজভ্ৰাতৃ সংস্কৃত ভাষাত আৰু শাস্ত্ৰত পণ্ডিত। শ্ৰীমন্ত শংকৰদেৱৰ ভ্ৰাতৃ ৰামৰায়ৰ কন্যাক বিবা কৰাই মুখ্য পটেশ্বৰী পাতিছিল। ভুৱনেশ্বৰীৰ মুখত বৰগীত শুনি শংকৰদেৱৰ প্ৰতি আকৃষ্ট হয় আৰু শৰণ লয়।

অকল ৰসিক বিশেষণ দিয়াহ'লে কাব্য ৰসিকসকলৰ ভিতৰত শ্ৰেষ্ঠ এনে অৰ্থ বুজালেহেঁতেন। 'পৰম' বিশেষণৰ যোগেদি পৰম ৰসৰ ৰসিকসকলৰ ভিতৰত [কৃষ্ণ ভক্তিৰসত ৰসিক] শ্ৰেষ্ঠ—এই অৰ্থ বুজোৱা হৈছে বুলি ধৰিব

পাৰোঁ। পিছৰ শাৰীত সেই অৰ্থ পৰিষ্কাৰ হৈছে—'ঈশ্বৰ কৃষ্ণক কেলি লীলা ৰস জানা।' চিকুৰ=চুলি [আন অৰ্থ বিজুলী]। নিকৰ=সমূহ। চঞ্চৰ চিকুৰ নিকৰ=চুলিবিলাক চঞ্চল (আউল-বাউল)। কৰকঙ্কণ ঝনকিত—হাতৰ খাৰুৱে ঝনক ঝনক শব্দ তোলে। (ঝনকিত) ৰতনকু মালা=ৰত্নখচিত মালাই (ঝনক্ ঝনক্ শব্দ কৰে)। 'ঝনকিত' ক্ৰিয়া পদটো 'কৰ কঙ্কন' আৰু 'ৰতনকু মালা' উভয়ৰে ক্ষেত্ৰত উমৈহতীয়াকৈ ব্যৱহাৰ হৈছে।

২০৯ পিতাকেৰি আশ-পিতাকৰ আশা। বালি ঘালি=বালিক বধি। সুগ্ৰীৱক পাট দেলহ=সুগ্ৰীৱক কিষ্কিন্ধাৰ ৰজা পাতিলে। বানৰক ঠাট -বান্দৰ সৈন্য। পয়োধি=সাগৰ [পয়োনিধি]।

[এই মুক্তি মঙ্গল ভটিমাত ৰামৰ বিয়াহৰ পিছৰ ঘটনাৱলী চমুকৈ দিয়া হৈছে। কিন্তু ৰজা হোৱাৰ পিছত আকৌ সীতাক বনবাস দিয়া আদি ঘটনাৰ উল্লেখ বা ইঙ্গিত নাই।]

* শ্লোকৰ শুদ্ধ পাঠ সম্পৰ্কে=তৰা চিন্ দিয়া শ্লোকবিলাকৰ শুদ্ধ পাঠ Journal of the University of Gauhati, Vol VII, (1956,) প্ৰকাশিত Shri (Prof) A. T. Biswas দেৱৰ A Textual Criticism of Sanskrit Verses in Old Assamese Dramas—আলোচনাৰ পৰা গ্ৰহণ কৰা হৈছে।

পৰশুৰাম—ঋষি জমদগ্নিৰামৰ আশ্ৰমত আতিথ্য গ্ৰহণ কৰিবলৈ সসৈন্যে আহি ৰজা সহস্ৰাৰ্জুনে ঋষিৰ কামধেনু নামৰ গাইজনীৰ আচৰিত ক্ষমতা দেখি পিছত সৈন্য পঠাই গাইজনীক জোৰ কৰি ৰাজধানীলৈ লৈ গ'ল। পুত্ৰ ৰামে (পৰশুৰাম) তপস্যাৰ পৰা আহি খঙত গৈ সহস্ৰাৰ্জুন আৰু সৈন্যসকলক বধ কৰি কামধেনুক লৈ আহিল। ঋষিয়ে পুতেকৰ কাৰ্যক নিন্দা কৰি এবছৰ তীৰ্থসেৱা কৰিবলৈ বিধান দিয়ে। ৰামে পিতৃবাক্য পালন কৰিলে।

এদিন ঋষিপত্নী ৰেণুকাই গঙ্গাৰ পানী আনিবলৈ গৈ চিত্ৰসেন গন্ধৰ্ব আৰু অপ্সৰাসকলৰ জলক্ৰিয়া দেখি কামমোহিতা হয়। এই ক্ৰীড়া চাই থাকোতে বেলি হোৱাত লৰালৰিকৈ পানী লৈ যায় যদিও ঋষিয়ে ৰেণুকাই পৰপুৰুষক কামনা কৰা বুলি জানি পুতেকসকলক মাকৰ শিৰ কাটিবলৈ আদেশ দিয়ে। অৱশেষত পৰশুৰামেহে সেই আদেশ পালন কৰে আৰু পিতৃৰ আদেশত ককায়েকহঁতৰো মূৰ কাটে। জমদগ্নি আনন্দিত হৈ ৰামক বৰ দিব খোজাত ৰামে মাক আৰু ককায়েকহঁতৰ জীৱন ঘূৰাই লয়।

সহস্ৰাৰ্জুনৰ পুত্ৰেকহঁতে পৰশুৰামৰ অনুপস্থিতিৰ সুযোগ লৈ পিতৃহত্যাৰ প্ৰতিশোধ লবলৈ আশ্ৰমলৈ আহি জমদগ্নিৰ মূৰ কাটি লৈ যায়। ৰামে পিছত হাতত কুঠাৰ লৈ সহস্ৰাৰ্জুনৰ সকলো পুত্ৰক কাটি পিতৃৰ শিৰ উদ্ধাৰ কৰি পিতৃৰ দেহৰ লগত সংযুক্ত কৰি প্ৰাণ দান দিলে ।

এই খণ্ডতে তেওঁ একৈছবাৰ পৃথিৱী ভ্ৰমি ক্ষত্ৰিয় নিধন কৰিছিল। ভৃগুবংশজ কাৰণে তেওঁক ভাৰ্গৱ বুলিও জনা যায়।

তাড়কা তাড়কা সুন্দ নামৰ এক দৈত্যৰ পত্নী। পিতাক সুকেতু নামৰ এজন যক্ষ। তপস্যাত ব্ৰহ্মাক সন্তুষ্ট কৰি সুকেতুৱে এই কন্যা লাভ কৰে। গতিকে তাড়কা ৰাক্ষসী নাছিল, যক্ষিণীহে। অগস্ত্য মুনিয়ে শাপ দি সুন্দক ধ্বংস কৰাত তাড়কা আৰু তেওঁৰ একমাত্ৰ পুত্ৰ মাৰীচে ঋষিক ভক্ষণ কৰিবলৈ অহাত ঋষিয়ে দুয়োকো শাপ দিয়াৰ ফলত তাড়কা ৰাক্ষসী আৰু মাৰীচ ৰাক্ষসত পৰিণত হয়। তাডকাই নানা মায়া ধৰি আঁৰৰপৰা শিলাবৰ্ষণ কৰি ৰাম-লক্ষ্মণ-বিশ্বামিত্ৰক আবৃত কৰি পেলাইছিল। শেষত ৰামে তাড়কাক বধ কৰিবলৈ বাধ্য হ'ল।

দিব্যবাণ—দিব্য বা স্বৰ্গীয় অস্ত্ৰসমূহৰ বিষয়ে যথাস্থানত চমুকৈ দিয়া হৈছে। বিশ্বামিত্ৰই এই অতি আচৰিত অস্ত্ৰসমূহ ৰামচন্দ্ৰক তাড়কা বধৰ আগত আৰু পাছতো দান কৰিলে। সেই অস্ত্ৰসমূহৰ কিছুমানৰ নাম হ'ল,— দণ্ডচক্ৰ, কালচক্ৰ, ধৰ্মচক্ৰ, বিষ্ণুচক্ৰ, ইন্দ্ৰচক্ৰ, ঐষীক অস্ত্ৰ, মানৱ নামৰ গান্ধৰ্ব অস্ত্ৰ, মোহন নামৰ গান্ধৰ্ব অস্ত্ৰ ইত্যাদি ইত্যাদি। বিশেষ বিশেষ মন্ত্ৰ জপৰদ্বাৰা এই অস্ত্ৰসমূহক সৌশৰীৰে সন্মুখীন কৰিব পৰা হয়। ৰামচন্দ্ৰই তেনেদৰে তেওঁৰ সন্মুখত মূৰ্তিমান হোৱা অস্ত্ৰসমূহক হাতেৰে স্পৰ্শ কৰে আৰু অস্ত্ৰসমূহেও আনুগত্য প্ৰকাশ কৰি অন্তৰ্দ্ধান হয়। প্ৰয়োজনৰ সময়ত সেই সেই অস্ত্ৰসমূহ স্মৰণ মাত্ৰেই ৰামৰ হাতত পৰিব। এয়ে দিব্য অস্ত্ৰৰ বিশেষত্ব; এনে অস্ত্ৰ লাভ কৰোঁতা বীৰসকলে অস্ত্ৰসমূহ লগত লৈ নুফুৰে। এনে অস্ত্ৰৰ প্ৰয়োগ মন্ত্ৰ জানিলেই নহ'ব, উপসংহাৰৰ মন্ত্ৰও জানিব লাগিব। ৰামে সেই মন্ত্ৰও শিকি লৈছিল ।

অগজৰ ধনু—মহেশ-ধনু বা হৰধনুখনৰ নাম । মূল ৰামায়ণত এই ধনুৰ নাম 'সুনাভ' । মহাদেৱৰ এই ধনু দেৱতাসকলে জনক ৰজাক দান কৰিছিল। স্বৰ্গ-মৰ্ত্য-পাতালৰ কোনো বীৰেই এই ধনুত গুণ দিবলৈ সমৰ্থ হোৱা নাছিল। পাঁচ হেজাৰ অতি বলবান লোকে এই ধনু ৰাজসভালৈ আনিব পাৰিছিল।

আঠ চকাযুক্ত লোহাৰ পেৰাত এই ধনু থোৱা হৈছিল ।

বিশ্বামিত্ৰ—কুশৰ পুত্ৰ কুশনাভ, কুশনাভৰ পুত্ৰ গাধি, গাধিৰ পুত্ৰ বিশ্বামিত্ৰ। কুশিক বংশজ কাৰণে তেওঁ কৌশিক নামেও জনাজাত । এওঁ প্ৰবল পৰাক্ৰমী ক্ষত্ৰিয় ৰজা আছিল । এবাৰ সৈন্য-সামন্ত সহ পৃথিৱী ভ্ৰমণ কৰিবলৈ গৈ ব্ৰহ্মৰ্ষি বশিষ্ঠৰ আশ্ৰমত ৰাতি থাকোতে বশিষ্ঠই তেওঁৰ কাম-ধেনু 'শবল' নামৰ গাইজনীৰ সহায়ত ৰজা আৰু সৈন্যসকলক উৎকৃষ্ট খাদ্য-দ্ৰব্যৰ যোগান ধৰে। এই গাইজনী ৰজাই নিজৰ কৰিব খোজাত বশিষ্ঠৰ সন্মতি ক্ৰমে গাইজনীয়ে বিভিন্ন জাতৰ সৈন্যৰ সৃষ্টি কৰে যদিও বিশ্বামিত্ৰৰ হাতত সকলো পৰাজিত হয় । বিশ্বামিত্ৰৰ শত পুত্ৰ বশিষ্ঠৰ ক্ৰোধত ভস্ম হয়। বিশ্বামিত্ৰৰ দৈৱ অস্ত্ৰসমূহো বশিষ্ঠৰ ব্ৰহ্মদণ্ডই ধ্বংস কৰে। এই দৈৱঅস্ত্ৰসমূহ তেওঁ তপস্যাৰদ্বাৰা মহাদেৱক তুষ্ট কৰি লাভ কৰিছিল । পৰাজিত বিশ্বামিত্ৰই অস্ত্ৰবলতকৈ তপস্যাৰ বল শ্ৰেষ্ঠ ভাবি কঠোৰ তপস্যাৰে ব্ৰহ্ম-শক্তি লাভ কৰে । শেষত তেওঁ বশিষ্ঠৰ দৰে ব্ৰহ্মৰ্ষি ৰূপে স্বীকৃতি হয়। পিছত তেওঁ অধিক তপস্যাৰ দ্বাৰা কাম আৰু ক্ৰোধক জয় কৰে। মাৰীচ সুবাহু-তাড়কা আদিক তেওঁ শাপ দিয়ে ধ্বংস কৰিব পাৰিলেহেঁতেন, কিন্তু তেতিয়াহ'লে তেওঁৰ যজ্ঞ কৰ্ম নিষ্পন্ন নহ'ল-হেঁতেন । তপস্যাৰ বলত তেওঁ সুকীয়া স্বৰ্গ নিৰ্মাণ কৰি মহাৰাজ ত্ৰিশঙ্কুক সৌশৰীৰে তাত স্থান দিছিল ।